PG AS S2-0.4 (DSE)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি.বি.চি.এচ., এন.ই.পি. ২০২০ অনুসৰি)

দ্বিতীয় যাণ্মাসিক

প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **খগেশ সেন ডেকা,** (অৱসৰপ্ৰাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

পাঠ্যক্ৰম সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° প্ৰাণজিৎ বৰা, প্ৰাধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° **অপূৰ্ব কুমাৰ ডেকা,** আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
২	ড° **মিলন নেওগ,** আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও
৩	ড° **দীপক জ্যোতি মহন্ত,** গোৰেশ্বৰ মহাবিদ্যালয়, বাক্সা
৪, ৫, ৬, ৭, ৮ আৰু ১৩	ড° **মনালিচা বৰা,** এছ বি এম এচ কলেজ, শুৱালকুছি
৯	ড° **স্মৃতিৰেখা ভূঞা,** গুৱাহাটী মহাবিদ্যালয়
১০, ১২ আৰু ১৪	**অৰ্ণৱ শৰ্মা, এছ বি দেওৰা মহাবিদ্যালয়**
১১	ড° **মনোজ কুমাৰ দাস,** আৰ জি বৰুৱা মহাবিদ্যালয়, ফটাশিল আমবাৰী গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° **দীপাঞ্জলি দাস গোস্বামী,** কটন বিশ্ববিদ্যালয়
(অধ্যায় ঃ ১, ২, ৪, ৫, ৬, ৭, ৮, ৯, ১১ আৰু ১৩)
ডঃ **ভাস্কৰজ্যোতি শৰ্মা,** আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সস্থা, অসম
(অধ্যায় ঃ ৩, ১০, ১২ আৰু ১৪)

গাঁথনিক সম্পাদনা ঃ ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭;
নগৰ কাৰ্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২ Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'প্ৰাকৃতি বিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ পৰাই এইটো ধাৰণা কৰিব পাৰি যে এই বিশেষ পাঠ্যবিষয়ত অসমীয়া ৰূপতত্ত্বৰ আলোচনা কৰা হৈছে। ধ্বনিতত্ত্বৰ আলোচনাত 'ধ্বনি' যিদৰে মূল উপাদান, ঠিক সেইদৰে ৰূপতত্ত্বৰ আলোচনাত 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়। এই পাঠ্যবিষয়ত ৰূপতত্ত্বৰ লগত জড়িত এই দিশসমূহৰ সম্যক আলোচনা আগবঢ়োৱা হৈছে।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ শিৰোনাম 'প্ৰাকৃতিবিজ্ঞান ঃ সাধাৰণ আলোচনা'। ইয়াত প্ৰাকৃতি আৰু উপাকৃতিৰ পৰিচয় আৰু পাৰ্থক্য নিৰ্ণয়ৰ লগতে প্ৰাকৃতিৰ প্ৰয়োগগত পৰিৱৰ্তনৰ কথা আছে। দ্বিতীয় অধ্যায় 'অসমীয়া ৰূপতত্ত্ব'ত অসমীয়া ৰূপতত্ত্বৰ অন্তৰ্গত আটাইকেইটা বিষয়ৰ সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায়ৰ শিৰোনাম 'পদ বিভাজন'। ইয়াত পদৰ সংজ্ঞা, পদৰ শ্ৰেণীবিভাগৰ অন্তৰ্গত সব্যয় পদৰ আলোচনা, বিশেষ্য পদৰ আলোচনা অন্তৰ্ভুক্ত হৈছে। চতুৰ্থ অধ্যায় 'বিশেষণ আৰু বিশেষণৰ তুলনা'ত বিশেষণৰ সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে। পঞ্চম অধ্যায়ৰ শিৰোনাম 'সৰ্বনাম আৰু সৰ্বনামৰ তিৰ্যক ৰূপ'। ইয়াত সৰ্বনামৰ অন্তৰ্গত আটাইকেউটা দিশৰ মনোজ্ঞ আলোচনা আগবঢ়োৱা হৈছে। ষষ্ঠ অধ্যায় 'বচন আৰু লিংগ'কেন্দ্ৰিক। ইয়াত অসমীয়া ভাষাত বচনৰ সাধাৰণ পৰিচয় আৰু তাৰ আলোচনা তথা অসমীয়া ভাষাৰ লিংগ নিৰ্ণয়ৰ উপায় আৰু ব্যাকৰণগত লিংগৰ আলোচনা পঢ়িবলৈ পাব। সপ্তম অধ্যায়টোৰ গুৰুত্বও নুই কৰিব নোৱাৰি। ইয়াৰ শিৰোনাম 'শ্ৰেণী নিৰ্দেশক বা নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়'। ইয়াত অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক তথা অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পৰিচয় আৰু প্ৰয়োগৰ আলোচনা আছে। অষ্টম অধ্যায়ৰ শিৰোনাম 'কাৰক আৰু শব্দ বিভক্তি'। ইয়াত কাৰকৰ সাধাৰণ পৰিচয় আগবঢ়োৱাৰ লগতে শব্দবিভক্তি আৰু তাৰ প্ৰকাৰসমূহৰ আলোচনা সন্নিৱিষ্ট হৈছে। নৱম অধ্যায়ৰ শিৰোনাম 'ক্ৰিয়া আৰু ক্ৰিয়া বিভক্তি'। ইয়াত অসমীয়া ভাষাত ক্ৰিয়া পদত সম্যক আলোচনা আগবঢ়োৱা হৈছে। দশম অধ্যায 'অব্যয় পদ'ত অব্যয় পদ আৰু অব্যয় পদৰ শ্ৰেণী বিভাগ সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। একাদশ অধ্যায় 'বাক্যতত্ত্ব' অসমীয়া বাক্যতত্ত্বৰ লগত জড়িত। ইয়াত বাক্যৰ সাধাৰণ পৰিচয়ৰ লগতে বাক্যৰ শ্ৰেণী বিভাগ আৰু খণ্ডবাক্যৰ আলোচনা উপযুক্ত উদাহৰণসহ আগবঢ়োৱা হৈছে। পাঠ্যবিষয়ৰ দ্বাদশ অধ্যায় 'অসমীয়া ৰূপতত্ত্বৰ ঐতিহাসিক বিকাশ'ত অসমীয়া ৰূপতত্ত্বৰ ইতিহাসৰ অন্তৰ্গত প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতত্ত্ব, প্ৰাক্-শংকৰী যুগ, শংকৰী যুগ, উত্তৰ-শংকৰী যুগ আৰু আধুনিক অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ ক্ৰমবিকাশ আৰু গঢ়-গতি আলোচনা কৰা হৈছে। ত্ৰয়োদশ অধ্যয় 'অসমীয়া আৰু মগধীয় ভাষাৰ ৰূপতত্ত্বৰ তুলনা'ত বিস্তৃত ভাৱে অসমীয়া, বাংলা, ওড়িআ আদি মগধীয় ভাষাৰ উদ্ভৱ আৰু পৰিচয় আগবঢ়োৱা হৈছে। তাৰ লগতে বাংলা, ওড়িআ আৰু মৈথেলী ভাষাৰ ৰূপতত্ত্বৰ আলোচনা সন্নিৱিষ্ট হৈছে। অসমীয়া, বাংলা আৰু ওড়িআ ৰূপতত্ত্বৰ তুলনামূলক আলোচনা অধ্যায়টোৰ অন্য এটা উল্লেখযোগ্য দিশ। পাঠ্যবিষয়ৰ চতুৰ্দশ তথা শেষ অধ্যায়টোৰ শিৰোনাম 'অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব'। ইয়াত অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব আলোচনাৰ প্ৰসংগত অসমীয়া ভাষাত সৰ্গ বিভাজন, বিভক্তি আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰত এই স্বকীয়ত্ব কি দৰে প্ৰকাশ পাইছে তাৰ ধাৰণা লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-

পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **প্ৰাকৃতি বিজ্ঞান ঃ সাধাৰণ আলোচনা** ৭ - ১৫

প্ৰাকৃতি আৰু উপাকৃতি; প্ৰাকৃতিৰ প্ৰয়োগগত পৰিৱৰ্তন; মুক্ত প্ৰাকৃতি, বদ্ধ প্ৰাকৃতি

অধ্যায় ২ ঃ **অসমীয়া ৰূপতত্ত্ব** ১৬ - ৩২

অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় ৩ ঃ **পদ বিভাজন** ৩৩ - ৪৫

পদৰ সংজ্ঞা; পদৰ শ্ৰেণীবিভাগ; অব্যয় পদ, সব্যয় পদ, ক্ৰিয়াপদ, নামপদ, বিশেষ্য পদৰ শ্ৰেণীবিভাগ; জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্য, বিশেষ সংজ্ঞাবাচক বিশেষ্য, সমূহ বা সমষ্টিবাচক বিশেষ্য, বস্তুবাচক বিশেষ্য, গুণবাচক বিশেষ্য

অধ্যায় ৪ ঃ **বিশেষণ আৰু বিশেষণৰ তুলনা** ৪৬ - ৫৭

বিশেষণৰ পৰিচয়; বিশেষণৰ শ্ৰেণীবিভাগ, বিশেষণৰ তুলনা

অধ্যায় ৫ ঃ **সৰ্বনাম আৰু সৰ্বনামৰ তীৰ্যক ৰূপ** ৫৮ - ৬৬

সৰ্বনামৰ পৰিচয়; সৰ্বনামৰ শ্ৰেণীবিভাগ, সৰ্বনামৰ তীৰ্যক ৰূপ

অধ্যায় ৬ ঃ **বচন আৰু লিংগ** ৬৭ - ৮২

বচন ঃ সাধাৰণ পৰিচয়; একবচন আৰু বহুবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়, বহুবচনৰ প্ৰত্যয় আৰু ইয়াৰ প্ৰয়োগ, লিঙ্গ ঃ সাধাৰণ পৰিচয়; অসমীয়া ভাষাৰ লিংগ নিৰ্ণয়ৰ উপায়, ব্যাকৰণগত লিংগ

অধ্যায় ৭ ঃ **শ্ৰেণী নিৰ্দেশক বা নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়** ৮৩ - ৯৫

নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ এক চমু পৰিচয়; অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু ইয়াৰ প্ৰয়োগ, অনিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু ইয়াৰ প্ৰয়োগ

অধ্যায় ৮ ঃ **কাৰক আৰু শব্দবিভক্তি** ৯৬ - ১০৯

কাৰকৰ সাধাৰণ পৰিচয়; শব্দবিভক্তি আৰু শব্দবিভক্তিৰ প্ৰকাৰ·

অধ্যায় ৯ ঃ **ক্ৰিয়া আৰু ক্ৰিয়া-বিভক্তি** ১১০ - ১২৭

ক্ৰিয়াৰ সংগতি, ক্ৰিয়া পদৰ ভাগ; ক্ৰিয়াৰ কাল আৰু দশা; ক্ৰিয়াৰ পুৰুষ আৰু ক্ৰিয়াৰ বিভক্তি

অধ্যায় ১০ ঃ **অব্যয় পদ** ১২৮ - ১৩৭

অব্যয় পদ; অব্যয় পদৰ শ্ৰেণীবিভাজন

অধ্যায় ১১ ঃ বাক্যতত্ত্ব ১৩৮ - ১৫০
বাক্য ঃ সাধাৰণ পৰিচয়; বাক্যৰ শ্ৰেণীবিভাগ, খণ্ডবাক্য
অধ্যায় ১২ ঃ অসমীয়া ৰূপতত্ত্বৰ ঐতিহাসিক বিকাশ ১৫১ - ১৬৪
ৰূপতত্ত্ব ঃ এটি চমু পৰিচয়; অসমীয়া ৰূপতত্ত্বৰ ইতিহাস
অধ্যায় ১৩ ঃ অসমীয়া আৰু মগধীয় ভাষাৰ ৰূপতত্ত্বৰ তুলনা ১৬৫ - ২০৯
অসমীয়া, বাংলা, ওড়িআ আদি মগধীয় ভাষাৰ উদ্ভৱ আৰু পৰিচয়; বাংলা ভাষাৰ ৰূপতত্ত্বৰ আলোচনা; ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ আলোচনা; অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ; মৈথিলী ভাষাৰ ৰূপতত্ত্ব ঃ এক পৰিচয়
অধ্যায় ১৪ ঃ অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব ২১০ - ২১৭
ৰূপতত্ত্ব ঃ এটি সাধাৰণ পৰিচয়; অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব
প্ৰসঙ্গ পুথি ২১৮ - ২২০

অধ্যায় ১ ঃ প্ৰাকৃতি বিজ্ঞান ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্ৰাকৃতি আৰু উপাকৃতি
১.৪ প্ৰাকৃতিৰ প্ৰয়োগগত পৰিৱৰ্তন
১.৪.১ মুক্ত প্ৰাকৃতি
১.৪.২ বদ্ধ প্ৰাকৃতি
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ দ্বিতীয় স্তৰ ৰূপ বা আকৃতি সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব
- প্ৰাকৃতিনো কি তাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ মাজৰ সম্পৰ্ক স্থাপন কৰিবলৈ সমৰ্থবান হ'ব
- মুক্ত আৰু বদ্ধ প্ৰাকৃতি আৰু সিহঁতৰ বিভিন্ন বিভাজন সম্পৰ্কে পুংখানুপুংখভাৱে পৰ্যালোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় যাণ্মাসিকৰ বাবে আগবঢ়োৱা এইখন ঐচ্ছিক-১ পাঠ্যবিষয় 'প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায় হৈছে 'প্ৰাকৃতি বিজ্ঞান ঃ সাধাৰণ আলোচনা'। ইয়াত প্ৰাকৃতিৰ সম্যক পৰিচয় আগবঢ়োৱা হৈছে।

ৰূপ বা আকৃতি হ'ল ভাষা অধ্যয়নৰ দ্বিতীয় স্তৰ ধ্বনি বা ধ্বনি সংযোগৰ কালতে ৰূপ বা আকৃতিৰ সৃষ্টি হয়। আকৃতিৰ পৰাই প্ৰাকৃতি আৰু উপাকৃতি নিৰ্ণয় কৰা হয়। ৰূপতত্ত্বৰ মূল আধাৰ হ'ল এই আকৃতি বা প্ৰাকৃতিসমূহ। এটা ভাষাত ৰূপৰ গঠন আৰু প্ৰকৃতি বিচাৰ, যিবিলাকৰ সংযোগ সাধন আৰু বিভিন্ন পদৰ গঠন, লিংগ-পুৰুষ-বচনবাচক বিভক্তিৰ সংযোগ, শব্দৰ পৰা শব্দৰূপ আৰু ধাতুৰ পৰা ক্ৰিয়াৰূপ গঠন এই সকলোবিলাক দিশৰ পুংখানুপুংখ আলোচনাই ৰূপতত্ত্ব।

১.৩ প্রাকৃতি আৰু উপাকৃতি

ভাষাৰ প্রাথমিক উপাদান হ'ল ধ্বনি। কিন্তু এই ধ্বনিয়ে কোনো অর্থ বহন নকৰে। অর্থৰ ধাৰণা বহন কৰা গোটটোৱে হ'ল ৰূপ বা আকৃতি। ৰূপ বা আকৃতি হ'ল বর্ণৰে নির্মিত ক্ষুদ্রতম অর্থবহ গোট। এই গোটটো এটা ধ্বনি (বর্ণ) ৰেও নির্মিত হ'ব পাৰে বা একাধিক ধ্বনিৰেও নির্মিত হ'ব পাৰে। উদাহৰণ স্বৰূপে— অসমীয়া ভাষাৰ এটা বাক্য লোৱা যাওঁক— মই ভাত খাওঁ। ইয়াত মই, ভাত এই শব্দ দুটাক আৰু বিভাজন কৰিব নোৱাৰি। দুয়োটাই অর্থবহ। কিন্তু 'খাওঁ' শব্দটোক ভাগ কৰিব পাৰি— 'খা' আৰু 'ওঁ'। ইয়াৰ 'খা'ৰ এটা নিজস্ব অর্থ আছে আৰু 'ওঁ'-ৰো এটা নিজস্ব অর্থ আছে। ই প্রথম পুৰুষৰ বর্তমান কালৰ অর্থ বহন কৰিছে। গতিকে মই, ভাত, খা, ওঁ প্রত্যেকে একোটা ৰূপ বা আকৃতি। ইয়াৰে মই, ভাত, খা আদিয়ে পোনপটীয়াকৈ আন ৰূপৰ লগত সংযোগ নোহোৱাকৈ বাক্যও ব্যৱহাৰ হ'ব পাৰে সেইবোৰক মুক্তৰূপ আৰু যিবিলাকে বাক্যত অকলে ব্যৱহাৰ হ'ব নোৱাৰে অর্থাৎ অন্য মুক্ত ৰূপৰ লগত সংযোগ হৈহে বাক্যত ব্যৱহাৰ হয় সেইবোৰ ৰূপক বদ্ধ বা যুক্তৰূপ বোলা হয়। অসমীয়া ভাষাৰ অন্য কেইটামান মুক্ত আৰু যুক্তৰূপৰ উদাহৰণ— **মুক্তৰূপ ঃ** মানুহ, ঘৰ, গছ, গৰু, ঘোঁৰা, বিৰিখ, চৰাই, কিতাপ, খা, যা, ল'ৰা, ছোৱালী, হাতী ইত্যাদি। **যুক্ত বা বদ্ধ ৰূপ ঃ** -অনি, -উৱা, অ-, প্র- , -এ, জন, -বোৰ, -ওঁ, -নী, -বিলাক ইত্যাদি।

আকৃতিৰ পৰাই প্রাকৃতি আৰু উপাকৃতি নির্ণয় কৰা হয়। প্রকৃতার্থত প্রাকৃতি এটা গোটৰহে নাম। এটা ভাষাত অসংখ্য ৰূপ বা আকৃতি পোৱা যায়। ভাষাৰ বাক্যৰ পৰা খণ্ডিতকৰণ প্রক্রিয়াৰে আকৃতিসমূহ উলিয়াই ল'ব পাৰি। এই আকৃতিসমূহৰ পৰা একে অর্থবাচক বদ্ধৰূপ বা আকৃতিসমূহ শ্রেণীবদ্ধ কৰি লোৱা হয়। এই বিৰোধ নথকা বদ্ধৰূপ বা আকৃতিৰ সামূহিক গোটটোকে প্রাকৃতি বোলা হয় আৰু গোটটোৰ অন্তর্গত হোৱা আকৃতিসমূহক ব্যক্তিগতভাৱে সেই প্রাকৃতিৰ অন্তর্গত উপাকৃতি বোলা হয়।

এটা উদাহৰণৰ যোগেদি উক্ত কথাখিনি ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হ'ল। ইংৰাজী ভাষাৰ বহু বচনাত্মক আকৃতি 'δ'। ইয়াৰ প্রয়োগৰ ক্ষেত্রত দেখা যায়— Boos, Glasses আৰু Pens -এই তিনিটা প্রয়োগত ইয়াৰ উচ্চাৰণ হয় উ' 'δ', 'iz' আৰু 'z' ৰূপে। এই উচ্চাৰণবোৰ পৰিবেশৰ ওপৰত নির্ভৰশীল। এটা পৰিবেশত এটাৰহে উচ্চাৰণ সম্ভৱ। এই ৰূপবোৰৰ প্রয়োগৰ দিশত কোনো বিৰোধ নাই অর্থাৎ একে অর্থ বহন কৰে। সেই তিনিটা উচ্চাৰণগত ৰূপ লগ লাগি এটা প্রাকৃতি হয়। ইয়াৰে যিটো ৰূপৰ প্রয়োগৰ সীমাবদ্ধতা কম তাৰ নামেৰে প্রাকৃতি গোটটোৰ নামকৰণ কৰা হয়। ইয়াৰে 'δ'-ৰ এই গুণটো দেখা যায় গতিকে $\{\delta\}$ প্রাকৃতি আৰু বাকীবোৰ অর্থাৎ $[\delta]$, $[iz]$, $[z]$, $\{\delta\}$ প্রাকৃতিক উপাকৃতি। প্রাকৃতি বুজাবলৈ {-} আৰু উপাকৃতি বুজাবলৈ [-] চিহ্ন প্রয়োগ কৰা হয়।

অসমীয়া ভাষাৰ পৰা এটা উদাহৰণ দাঙি ধৰা হ'ল— অসমীয়া ভাষাত ক্ৰিয়াৰ নঞৰ্থক ৰূপ বুজাবলৈ ক্ৰিয়াৰূপৰ আগত 'ন' লগ লাগে। কিন্তু সেই ন-ৰ পৰৱৰ্তী 'অ' স্বৰৰ ক্ৰিয়াৰূপৰ আদি স্বৰ অনুসৰি পৰিৱৰ্তন ঘটে। যেনে—

ন-হয়, নি-লিখো, না-খাওঁ, নু-উৰে, নো-ধোৱে

নে-খেলে ইত্যাদি। অৰ্থাৎ নঞৰ্থক বুজাবলৈ ক্ৰিয়াৰূপৰ আগত ন, নি, না, নু, নে, নো আদি ৰূপৰ প্ৰয়োগ হয়। ইহঁতৰ মাজত আকৌ বিৰোধ নাই অৰ্থাৎ একে ধৰণৰ অৰ্থ বহন কৰে। গতিকে ইহঁতক লৈ এটা গোট কৰা হ'ল। ইয়ে হ'ল প্ৰাকৃতি। ইয়াৰ নাম হ'ল {ন} প্ৰাকৃতি। আৰু [ন], [নি], [না], [নু], [নে], [নো] ইয়াৰ উপাকৃতি।

ওপৰত আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ সম্পৰ্ক আছে। সাধাৰণতে এই সকলো দিশকে বুজাবলৈ প্ৰাকৃতি অভিধাটি প্ৰয়োগ কৰা হয়, কাৰণ 'প্ৰাকৃতি'ৰ অৰ্থ ব্যাপক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মুক্তৰূপ আৰু বদ্ধৰূপ মানে কি?

(৪০টা শব্দৰ ভিতৰত উল্লেখ কৰক)

.....


প্ৰশ্ন নং ২ ঃ প্ৰাকৃতি আৰু উপাকৃতিৰ মাজত পাৰ্থক্য ক'ত?

(৪০টা শব্দৰ ভিতৰত উল্লেখ কৰক)

.....

১.৪ প্ৰাকৃতিৰ প্ৰয়োগগত পৰিৱৰ্তন

প্ৰয়োগৰ প্ৰকৃতি অনুসৰি প্ৰাকৃতিক দুটা বহল ভাগ ভাগ কৰিব পাৰি— i) মুক্ত প্ৰাকৃতি আৰু ii) বদ্ধ প্ৰাকৃতি। এই দুয়োটা বিভাগৰো আকৌ ভালেমান উপবিভাগ আছে। তলত ৰেখাচিত্ৰৰ সহায়ত এই বিভাজন দেখুওৱা হ'ল—



১.৪.১ মুক্ত প্রাকৃতি

মুক্ত প্রাকৃতি ঃ যিবোৰ প্রাকৃতি বাক্যত অকলে ব্যৱহাৰ হ'ব পাৰে সেইবোৰ প্রাকৃতিক মুক্ত প্রাকৃতি বোলা হয়। এই প্রাকৃতিবোৰৰ নিজস্ব অর্থ থাকে। এই প্রাকৃতিবোৰৰ আগত বা পিছত বদ্ধৰূপবোৰ লগলাগি ভিন্ন ভিন্ন অর্থবাচক শব্দৰ সৃষ্টি হয়। সেইবাবে বহল অর্থত ইহঁতক শব্দমূল বুলিও কোৱা হয়। এই শব্দমূল চাৰি প্রকাৰৰ—

(ক) নাম শব্দমূল (Nominal বা Substaintive root morpheme)

(খ) ধাতু শব্দমূল (Verbal root morpheme)

(গ) অব্যয় শব্দমূল (Absolute বা Indiclinable root morpheme)

(ঘ) নামধাতু শব্দমূল (Nominal-Verbal root morpheme)

(ক) নাম শব্দমূল ঃ যিবোৰ প্রাকৃতিৰ পৰা নামপদ বা নাম শব্দৰ সৃষ্টি হয় সেইবোৰকে নাম শব্দমূল বুলি কোৱা হয়। ইয়াৰ অন্য এটি নাম প্রাতিপাদিক। অসমীয়া ভাষাৰ কেতবোৰ উদাহৰণ— মানুহ, গৰু, পশু, পক্ষী, ৰাম, হৰি, ভাল, বেয়া, এক, দুই ইত্যাদি।

(খ) ধাতু শব্দমূল ঃ যিবোৰ প্রাকৃতিৰ পৰা ক্রিয়াপদৰ সৃষ্টি হয় সেইবোৰকে ধাতু শব্দমূল বোলে। যেনে— খা, যা, ধৰ্, কৰ্ ইত্যাদি।

(গ) অব্যয় শব্দমূল ঃ যিবোৰ প্রাকৃতিৰ পৰা অব্যয় পদবোৰ পাব পাৰি সেইবোৰে হ'ল অব্যয় শব্দমূল। যেনে— অসমীয়া ভাষাৰ— আৰু, যেনে, বা, অথবা, নাইবা, তেনে, যদি, বাৰু ইত্যাদি।

(ঘ) নামধাতু শব্দমূল ঃ এনে কিছুমান প্রাকৃতি আছে যিবোৰৰ পৰা নামপদ আৰু ক্রিয়াপদ— দুয়োবিধে পাব পাৰি। তেনেবোৰক নামধাতু শব্দমূল বোলা হয়। যেনে— অসমীয়া ভাষাৰ— মাত, চিন, মান ইত্যাদি। ইহঁতৰ পৰা মাত, চিন, মান আদি নামশব্দ আৰু মাতিছোঁ, চিনিছোঁ, মানিছোঁ আদি ক্রিয়া শব্দ পাব পাৰি।

১.৪.২ বদ্ধ প্রাকৃতি

যিবোৰ প্রাকৃতিৰ নিজস্বভাৱে কোনো সম্পূর্ণ অর্থ প্রকাশ কৰিব নোৱাৰে আৰু বাক্যত অকলশৰে স্বাধীনভাৱে ব্যৱহাৰ হ'ব নোৱাৰে সেইবোৰ প্রাকৃতিকে বদ্ধ প্রাকৃতি বোলে। সেই প্রাকৃতিবোৰে মুক্তৰূপৰ লগত লগ লাগিহে বাক্যত প্রয়োগ হয়। ইহঁতে অকলশৰে এটা আশংক অর্থৰ ধাৰণাহে দিব পাৰে। মুক্ত ৰূপৰ লগত লগ লাগিলেহে ইয়াৰ সম্পূর্ণ অর্থ প্রকাশ পায়।

বদ্ধ প্রাকৃতিবোৰক ইহঁতৰ প্রকৃতি অনুসৰি, প্রয়োগৰ অৱস্থান অনুসৰি আৰু

গুণ অনুসৰি ভালেমান শাখা প্ৰশাখাত বিভক্ত কৰা হৈছে। এই বিভাজনসমুহ তলত চমুকৈ আলোচনা কৰা হ'ল।

প্ৰকৃতি অনুসৰি প্ৰাকৃতিসমূহৰ বিভাজন তিনি প্ৰকাৰৰ—

(i) ব্যাহত প্ৰাকৃতি (ii) অব্যাহত প্ৰাকৃতি আৰু (iii) শূন্য প্ৰাকৃতি

ব্যাহত প্ৰাকৃতি ঃ সাধাৰণতে কোনো ভাষাত প্ৰাকৃতিসমুহ একেলেথাৰিয়ে মুক্তৰূপৰ আগত, পিছত বা মাজত লগ লাগে। কিন্তু পৃথিৱীত এনে কিছুমান ভাষা আছে যিবোৰ ভাষাৰ বদ্ধ প্ৰাকৃতিসমূহ আন প্ৰাকৃতিৰ লগত একে লেথাৰিকৈ লগ নালাগে। প্ৰাকৃতিবোৰ ভাঙি টুকুৰা টুকুৰকৈ অন্য প্ৰাকৃতিৰ লগত লগ লাগে। তেনে প্ৰাকৃতিবোৰকে ব্যাহত প্ৰাকৃতি বুলি কোৱা হয়। হিব্ৰু আৰু ইয়াৰ সম্পৰ্কীয় চেমীয় ভাষাবোৰত ব্যাহত প্ৰাকৃতি প্ৰয়োগ দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে হিব্ৰু ভাষাৰ—

| z–k–r | > zaakar অৰ্থ— তেওঁৰ মনত পৰিছিল।

| zk–r | > Yizkoor — তেওঁ মনত পেলাইছিল।

| z–kr | > zikrii — মোৰ স্মৃতি ইত্যাদি।

অব্যাহত প্ৰাকৃতি ঃ যিবিলাক প্ৰাকৃতি একেলেথাৰীয়ে অৰ্থাৎ অন্য মুক্ত প্ৰাকৃতিৰ আগত, পিছত অথবা মাজত একেলগে প্ৰয়োগ হয়, তেনে প্ৰাকৃতিকে অব্যাহত প্ৰাকৃতি বোলা হয়। পৃথিৱীৰ অধিক সংখ্যক ভাষাৰ প্ৰাকৃতি অব্যাহত প্ৰাকৃতি।

শূন্য প্ৰাকৃতি ঃ যিবিলাক প্ৰাকৃতিৰ উপস্থিতি নাই কিন্তু অৱস্থিতি আছে তেনেবোৰ প্ৰাকৃতিয়ে হ'ল শূন্য প্ৰাকৃতি। কেতিয়াবা মূল ৰূপৰ লগত আপাতদৃষ্টিত কোনো বদ্ধ প্ৰাকৃতি লগ লাগি নাথাকে, কিন্তু প্ৰাকৃতি বিজ্ঞানত বিশ্লেষণৰ বাবে একোটা প্ৰাকৃতি লগ লাগি থকা বুলি ধাৰণা কৰি লোৱা হয়। কাৰণ ৰূপৰ লগত ৰূপৰ সংযোগ হৈহে বাক্য গঠন হয়। কোনো ৰূপে অকলশৰে বাক্যত প্ৰয়োগ নহয়। এনে ধাৰণাৰ ফলত গঢ় লোৱা প্ৰাকৃতিতেই হ'ল শূন্য প্ৰাকৃতি। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ দুটা বাক্য লোৱা যাওঁক— ৰাম ঘৰলৈ গ'ল।

আৰু ৰামে ভাত খালে।

প্ৰথম বাক্যত 'ৰাম' কৰ্তা। কিন্তু ইয়াত কৰ্তা কাৰকৰ কোনো বিভক্তি লগ লগা নাই। কিন্তু ইয়াত এবিধ বিভক্তিৰ অস্তিত্ব ধৰি লোৱা হৈছে। একেদৰে দ্বিতীয় বাক্যত 'ভাত' কৰ্ম। কিন্তু কৰ্মকাৰক বিভক্তি ইয়াত নাই। ইয়াতো এটা বিভক্তি লগ লাগি থকা বুলি ধৰি লোৱা হৈছে। কাৰণ বিভক্তি অবিহনে (বদ্ধ ৰূপ) পদ ৰচনা সম্ভৱ নহয়। এয়াই হ'ল শূন্য প্ৰাকৃতি।

অৱস্থান অনুসৰি বদ্ধ প্ৰাকৃতিৰ বিভাজন ঃ মূল ৰূপ বা মুক্ত প্ৰাকৃতিৰ কোনটো অৱস্থানত বদ্ধ প্ৰাকৃতি প্ৰয়োগ হয় তাৰ ওপৰত নিৰ্ভৰ কৰি বদ্ধ

প্রাকৃতিসমূহক তিনিটা ভাগত ভগাব পাৰি— উপসর্গ, মধ্যসর্গ আৰু পৰসর্গ।

উপসর্গ ঃ যিবোৰ বদ্ধ প্রাকৃতি মূল ৰূপ বা মুক্ত প্রাকৃতিৰ আগত ব্যৱহাৰ হয় সেইবোৰক উপসর্গ বা পূর্বসর্গ বোলা হয়। যেনে— অসমীয়া ভাষাৰ— প্র (-হাৰ), পৰা (জয়), অপ (-মান), আও (বাট), অনা (-তাঁৰ), ন (কয়), না (খায়) ইত্যাদি।

মধ্যসর্গ ঃ যিবিলাক বদ্ধ প্রাকৃতি মূলৰূপ বা মুক্ত প্রাকৃতিৰ মাজত সোমাই অর্থাৎ মূলৰূপ ফালি ভিতৰলৈ সোমাই ব্যৱহাৰ হয়; সেইবোৰ প্রাকৃতিক মধ্যসর্গ বুলি কোৱা হয়। অসমীয়া ভাষাত মধ্যসর্গৰ প্রয়োগ নাই। হিব্রু ভাষাৰ পৰা উদাহৰণ—

প্রাকৃতি	প্রয়োগ	অর্থ
z–k–r	zaakar	তেওঁৰ মনত পৰিছিল
zk–r	Yizkoor	তেওঁ মনত পেলাইছিল
z–kr	zikrii	মোৰ স্মৃতি।

পৰসর্গ ঃ যিবোৰ প্রাকৃতিয়ে মূল ৰূপ বা মুক্ত প্রাকৃতিৰ পাছত বহি অর্থবাচক ৰূপৰ সৃষ্টি কৰে, সেইবোৰ প্রাকৃতিকে পৰসর্গ বা অনুসর্গ বোলা হয়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ— -অনি (ফুলনি), -অক (লিখক), -এ (মানুহে), -ক (মানুহক), -অনী (নাচনী), -বোৰ (গৰুবোৰ), -এক (বাপেক, ঈ (বগী) ইত্যাদি।

এই তিনিও বিধৰ উপৰি আন এবিধ প্রত্যয় আছে। ই হ'ল উপাহিত প্রত্যয়। শ্বাসাঘাতৰ স্থান সলনিৰ যোগেদি নতুন পদ সাধিত হ'লে তাক উপস্থিত প্রত্যয় বুলি কোৱা হয়। যেনে— ইংৰাজী ভাষাৰ—

Pe'sent (বিশেষ্য) 'উপহাৰ'
(ধাতু) 'উপহাৰ দি'।

গুণ অনুসৰি বদ্ধ প্রাকৃতিৰ বিভাজন ঃ গুণ অনুসৰি বদ্ধ প্রাকৃতিক দুই ধৰণে ভাগ কৰিব পাৰি। (i) শব্দ সাধনৰ সর্গ বা প্রত্যয় আৰু (ii) শব্দৰূপৰ সর্গ বা বিভক্তি।

প্রত্যয় ঃ যিবোৰ বদ্ধ প্রাকৃতিয়ে মূলৰূপ বা মুক্ত প্রাকৃতিৰ লগ লাগি নতুন অর্থবাচক ভিন্ন শব্দ সৃষ্টি কৰে সেইবোৰক প্রত্যয় বোলা হয়। ইহঁতে বিভিন্ন অর্থবাচক শব্দ সাধন কৰে বাবে শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক (derivatives) বোলে। অসমীয়া ভাষাত প্রত্যয় দুবিধ— কৃৎ প্রত্যয় আৰু তদ্ধিৎ প্রত্যয়। যিবোৰ প্রত্যয় ধাতুশব্দমূলৰ লগ লাগি নাম শব্দৰ সৃষ্টি কৰে সেইবোৰক কৃৎ প্রত্যয় বোলা হয়। যেনে— লিখ্+অক = লিখক, খা+অন = খাৱন, বাজ+ অনা = বাজনা, নাচ্+ অনি = নাচনী, শিক+আৰু = শিকাৰু ইত্যাদি।

আনহাতে যিবোৰ প্রত্যয়ে নামশব্দমূল বা প্রাতিপদিকৰ লগত লগ হৈ

বিভিন্ন নাম শব্দৰ সৃষ্টি কৰে, তেনেবোৰ প্ৰত্যয়ক তদ্ধিৎ প্ৰত্যয় বোলা হয়। যেনে— খেতি+অক = খেতিয়ক, ফুল+অনি = ফুলনি, বাপ+অতি = বাপতি, নাওঁ +অৰীয়া = নাওঁৰীয়া, মৰম+ঈয়াল = মৰমিয়াল ইত্যাদি।

বিভক্তি ঃ যিবোৰ বদ্ধ প্ৰাকৃতিয়ে নামশব্দমূল বা ধাতুশব্দমূলৰ লগত লগ লাগি সব্যয় পদ ৰচনা কৰে, তাকে বিভক্তি বুলি কোৱা হয়। বিভক্তিবোৰক ৰূপাত্মক (Declensional) সৰ্গ বুলিও কোৱা হয়। এইবোৰে নতুন পদ ৰচনা কৰাৰ লগতে পুৰুষ, কাল, আৰু কাৰকৰ ধাৰণা দিয়ে।

অসমীয়া ভাষাত বিভক্তি দুই প্ৰকাৰৰ— শব্দ বিভক্তি আৰু ক্ৰিয়া বিভক্তি। শব্দৰ লগত লগ হৈ কাৰক ধাৰণা দিয়া বিভক্তিক শব্দ বিভক্তি বোলা হয়। কাৰকৰ ধাৰণা দিয়ে বাবে ইয়াক কাৰক বিভক্তিও বোলে। যেনে— কৰ্তাকাৰকৰ প্ৰথমা বিভক্তি '-এ', '-ই', কৰ্মকাৰকৰ দ্বিতীয় বিভক্তি '-ক', '-অক', কৰণ কাৰকৰ তৃতীয় বিভক্তি- '-ৰে', '-এৰে', সম্প্ৰদান কাৰকৰ চতুৰ্থী বিভক্তি '-লৈ', '-অলৈ', সম্বন্ধৰ ষষ্ঠী বিভক্তি '-ৰ' '-অৰ' আৰু অধিকৰণ কাৰকৰ সপ্তমী বিভক্তি '-ত', '-অত'।

যিবোৰ বিভক্তি ধাতুৰ পিছত লগলাগি বিভিন্ন কালৰ নিৰ্দেশ কৰে আৰু পুৰুষৰ ধাৰণা দিয়ে, সেইবোৰক ক্ৰিয়া বিভক্তি বোলা হয়। যেনে— খা+ওঁ = খাওঁ। ইয়াত বৰ্তমান কালৰ নিৰ্দেশ কৰিছে আৰু প্ৰথম পুৰুষৰ ধাৰণা দিছে। এনেদৰে— খা+ইবা = খোৱা, খা+ইলে = খালে ইত্যাদি। 'খাবা' ভৱিষ্যৎ কালৰ নিৰ্দেশ কৰিছে আৰু দ্বিতীয় পুৰুষৰ ধাৰণা দিছে। একেদৰে 'খালে'-ত তৃতীয় পুৰুষৰ ধাৰণা দিছে আৰু অতীত কালৰ নিৰ্দেশ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ব্যাহত আৰু অব্যাহত প্ৰাকৃতি কি? মধ্য প্ৰত্যয়ৰ লগত কাৰ সম্পৰ্ক থাকে?

(৫০টা শব্দৰ ভিতৰত উল্লেখ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ প্ৰত্যয় আৰু বিভক্তিৰ মূল পাৰ্থক্য কি?

(৫০টা শব্দৰ ভিতৰত উল্লেখ কৰক)

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰূপ বা আকৃতি হ'ল ধ্বনি বা ধ্বনি সমষ্টিৰে গঠিত ন্যূনতম অৰ্থবহ গোট।

- প্ৰকৃতাৰ্থত প্ৰাকৃতি এটা গোটৰহে নাম।
- এটা প্ৰাকৃতিৰ অন্তৰ্গত আকৃতিসমূহক উপাকৃতি বোলা হয়।
- প্ৰাকৃতিসমূহক বহলভাৱে দুটা ভাগত ভগাব পাৰি— মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি।
- মুক্ত প্ৰাকৃতিৰ বিভাগ চাৰিটা— নাম প্ৰাকৃতি, ধাতু প্ৰাকৃতি, নামধাতু প্ৰাকৃতি আৰু অব্যয় প্ৰাকৃতি।
- বদ্ধ প্ৰাকৃতিসমূহক বহলভাৱে সৰ্গ বুলি কোৱা হয়।
- বদ্ধ প্ৰাকৃতিসমূহক তিনিটা দিশৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেণীবিভাজন কৰা হয়। (i) প্ৰকৃতি অনুসৰি, (ii) অৱস্থান অনুসৰি আৰু গুণ অনুসৰি।
- ব্যাহত প্ৰাকৃতি, অব্যাহত প্ৰাকৃতি, শূন্য প্ৰাকৃতি, পূৰ্ব প্ৰত্যয়, মধ্যপ্ৰত্যয়, পৰপ্ৰত্যয়, শব্দসাধনৰ সৰ্গ, বিভক্তি আদি বদ্ধ প্ৰাকৃতিৰ বিভিন্ন বিভাগ।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্ৰনাথ (২০০২), *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫), *অসমীয়া ভাষাৰ ৰূপকথা*, গুৱাহাটী ঃ মণি-মাণিক।

৩) গোস্বামী, গোলেক চন্দ্ৰ (১৯৯০), *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।


৪) ডেকা, খগেশ সেন (২০০১), *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) পাঠক, ৰমেশ (২০০০), *ভাষাবিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০৬), *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1. C.F. Hocket (1958), A Course of Modern Linguistics
2. E.A. Nide (1949), *Morphology*
3. P.H. Mathews (1974), *Morphology*



১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ মুক্তৰূপে বাক্যত স্বাধীনভাৱে....কিন্তু বদ্ধ প্ৰাকৃতিয়ে....।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাকৃতি হ'ল সমজাতীয় আকৃতিৰ....আৰু উপাকৃতি হ'ল প্ৰাকৃতিৰ অন্তৰ্গত....।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ব্যাহত প্ৰাকৃতি খণ্ডিত হৈ....অব্যাহত খণ্ডিত নহয় একেলেথাৰিয়ে....। ব্যাহত প্ৰাকৃতিৰ মধ্য প্ৰত্যয়ৰ....।

৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যয় প্ৰাকৃতিৰ লগত....আৰু বিভক্তি আৰু শব্দমূলৰ লগত লগ....। তদুপৰি বিভক্তিয়ে....।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি মানে কি?

প্ৰশ্ন ২ ঃ আকৃতি আৰু প্ৰাকৃতিৰ মাজত সম্পৰ্ক বিচাৰ কৰক। বহল অৰ্থত প্ৰাকৃতি বোলা সমীচীন নে?

প্ৰশ্ন ৩ ঃ প্ৰাকৃতিৰ বিভাজন সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ কি কি দিশৰ ওপৰত নিৰ্ভৰ কৰি বদ্ধ প্ৰাকৃতিৰ শ্ৰেণী বিভাজন কৰা হয়?

প্ৰশ্ন ৫ ঃ গুণ অনুসৰি বদ্ধ প্ৰাকৃতিসমূহক কেনেদৰে শ্ৰেণীবিভাজন কৰিব পাৰি আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ প্ৰত্যয় আৰু বিভক্তি মানে কি? দুয়োটাৰ মাজত কি কি দিশত পাৰ্থক্য দেখিবলৈ পোৱা যায়?

প্ৰশ্ন ৭ ঃ চমুটোকা লিখক ঃ

ব্যাহত প্ৰাকৃতি, অব্যাহত প্ৰাকৃতি, নাম শব্দমূল, ধাতু শব্দমূল, উপাহিত প্ৰত্যয়, মধ্যসৰ্গ।

*** ***** ***

অধ্যায় ২ ঃ অসমীয়া ৰূপতত্ত্ব

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.১ পৰিচয়
২.৩ অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ গাঁথনিক দিশৰ সাধাৰণ আভাস পাব
- ৰূপনো কি সেই সম্পৰ্কে এটা আভাস লাভ কৰিব
- ৰূপতত্ত্বৰ অন্তৰ্গত উপাদানবোৰৰ পৰিচয় লাভ কৰিব
- ভাষা এটাৰ শুদ্ধতাত 'ৰূপ'ৰ জ্ঞানে কেনেদৰে সহায় কৰে সেই বিষয়ে জানিব পাৰিব
- ৰূপতত্ত্বৰ ব্যাকৰণগত বিষয় সম্পৰ্কে এটা ধাৰণা লাভ কৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষাণ্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় 'প্ৰাকৃতি বিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ এইটো দ্বিতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া ৰূপতত্ত্ব'। ইয়াত শিক্ষাৰ্থীক ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় আগবঢ়োৱাৰ লগতে বিশেষভাৱে অসমীয়া ৰূপতত্ত্বৰ পৰিচয় আগবঢ়োৱা হৈছে।

ভাষা অধ্যয়নৰ ক্ষেত্ৰত ধ্বনিতত্ত্বৰ পিছতেই ৰূপতত্ত্বৰ স্থান। ভাষাবিজ্ঞানৰ এই স্তৰত ভাষাৰ ব্যাকৰণগত এককসমূহৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। এই বিশ্লেষণত বিশেষকৈ শব্দগঠন আৰু পদসাধনৰ পৰ্যালোচনা কৰা হয়। লীলাৱতী শইকীয়া বৰাৰ মতে ভাষা এটাৰ ৰূপ (Morph), ৰূপৰ সংযোগ আৰু তেনে সংযোগৰ ফলত সৃষ্ট নতুন অৰ্থবাচক শব্দ বা পদ-গঠনৰ পৰ্যালোচনাই হৈছে সেই ভাষাটোৰ ৰূপতত্ত্ব। বিভিন্ন জন ভাষাবিজ্ঞানীয়ে বিভিন্ন ধৰণে ৰূপতত্ত্বৰ সংজ্ঞা দাঙি ধৰিছে। ব্লুমফিল্ডৰ মতে— ভাষাৰ অংগবোৰৰ লগত ব্যৱহাৰ হোৱা

বদ্ধৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব (By the morphology of language we mean the constitutenrts in which bound-forms appear among the constitutents)। আন এগৰাকী ভাষাবিদ নিদাৰ মতে— শব্দ আৰু শব্দাংশ গঠনত প্ৰাকৃতি আৰু প্ৰাকৃতিবোৰৰ প্ৰয়োগ সম্পৰ্ক অধ্যয়নেই হৈছে 'ৰূপতত্ত্ব' (Morphology is the study of morphems and their arrangements in forming words or part of words) মুঠৰ ওপৰত ৰূপতত্ত্বৰ শিতানত আলোচিত ৰূপৰ বিন্যাসে (morpheme arrangement) শব্দ বা শব্দাংশ গঠন কৰা বৰ্ণৰ অৰ্থবহ সকলো সংযোগ(combination)-ক সামৰি লয়।

২.৩ অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

'ৰূপতত্ত্ব' শব্দটো ইংৰাজী morphology শব্দৰ পাৰিভাষিক ৰূপ। এই ৰূপতত্ত্বৰ মূল আধাৰ হৈছে ৰূপ।

ৰূপতত্ত্বৰ পৰিসৰ অত্যন্ত ব্যাপক। পৃথিৱীৰ সকলো ভাষাতে সিমিত সংখ্যক বাগ্‌ধ্বনিহে উচ্চাৰিত হয়। এই বাগধ্বনিবোৰৰ এটা বা এটাতকৈ অধিক ধ্বনিৰ সংযোগ ঘটাই অৰ্থ প্ৰকাশক এটা ৰূপ সৃষ্টি কৰা হয়। যেনে— 'ক'। কোনোৱে যদি আপোনাক সোধে, "মই আপোনাক কথা এটা কওঁনে?" তেতিয়া আপুনি উত্তৰ দিলে— 'ক'। —এই 'ক' ধ্বনিটোৱে এটা সম্পূৰ্ণ অৰ্থবাচক ৰূপ সৃষ্টি কৰিব পাৰিছে। অৱশ্যে প্ৰত্যেক ভাষাৰে ৰূপগঠন বা শব্দগঠন পদ্ধতি সুকীয়া সুকীয়া। শব্দ-গঠন পদ্ধতি ইমান বেলেগ বেলেগ যে বিশেষ এক নিয়ম বা পদ্ধতিৰে ইয়াক বিশ্লেষণ কৰিব নোৱাৰি। কিছুমান ভাষাত মূল ৰূপৰ আগত প্ৰত্যয় লগ লাগে; কিছুমানত মূল ৰূপৰ মাজত; কিছুমানৰ পাছত আৰু কিছুমান ভাষাত আগত আৰু পাছত যোগ হয়। কিছুমান ভাষাত প্ৰত্যয়বোৰ স্পষ্ট হৈ থকাৰ বিপৰীতে কিছুমান ভাষাত এই বদ্ধৰূপবোৰ মূলৰ সৈতে এনেদৰে সংযোগ হৈ থাকে যে বিশেষ পদ্ধতিৰ অবিহনে এইবোৰ সহজে বাছি উলিওৱা কঠিন হৈ পৰে। ভাষা একোটাৰ এনেবোৰ বৈয়াকৰণিক ৰূপ যেনে— উপসৰ্গ (Prefix), পৰসৰ্গ (Suffix), অন্তঃসৰ্গ (Infix) আদিয়ে শব্দগঠন আৰু পদসাধনত কেনে ভূমিকা গ্ৰহণ কৰে; লিংগ, বচন, পুৰুষ আদি নিৰ্ণয় কৰাৰ লগতে এইবোৰে শব্দগঠনত কেনে পৰিৱৰ্তন সাধন কৰে এই সকলোবোৰ দিশৰ আলোচনা ৰূপতত্ত্বৰ পৰিসৰৰ ভিতৰুৱা।

ৰূপতত্ত্বৰ আলোচনাৰ ভিতৰলৈ যোৱাৰ প্ৰাক্ মুহূৰ্তত ৰূপ নো কি সেই সম্পৰ্কে স্পষ্ট হোৱাৰ প্ৰয়োজন। ৰূপতত্ত্ব আলোচনাৰ এটা বিশেষ দিশ হ'ল ৰূপ। ৰূপ ভাষা এটাৰ ক্ষুদ্ৰতম ব্যাকৰণগত উপাদান। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। শব্দ এটাৰ ক্ষুদ্ৰতম বিভাজিত গোটসমূহেই হ'ল ৰূপ। এই ৰূপ বা morpheme সম্পৰ্কে বিভিন্নজন ভাষাবিদে বিভিন্ন ধৰণে তেওঁলোকৰ মতামত আগবঢ়াইছে যদিও এটা কথাত সকলো সহমতত উপনীত হৈছে। সেয়া হৈছে ৰূপবোৰ বৰ্ণেৰে নিৰ্মিত ক্ষুদ্ৰতম অৰ্থবহ গোট। ভাষাবিদ

নিদাই ৰূপৰ সংজ্ঞা দিবলৈ গৈ কৈছে— Morphemes are the minimal meaningful units, which may constitute words or parts of words. (E.A. Nida : *Morphology*, 1957, 5th edition, p. I) আন এগৰাকী প্ৰসিদ্ধ ভাষাবিদ চি. এফ. হকেটৰ মতে— Morphemes are the smallest individually meaningful elements in the utterances of a language. ড° উপেন্দ্ৰনাথ গোস্বামীৰ মতে— কোনো বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিয়ে কোনো এটা অৰ্থ প্ৰকাশ কৰিলে তাক ৰূপ বোলে।

আধুনিক ভাষাবিজ্ঞানীসকলে ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰক আকৃতি, প্ৰাকৃতি, প্ৰয়োগ, গাঁথনিক সম্পৰ্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি বিভিন্ন ধৰণে শ্ৰেণীবিভাগ কৰিছে যদিও এনে বিভাজন সকলো ভাষাৰ ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। এই বিভাজনবোৰৰ ভিতৰত মুক্ত আৰু বদ্ধ ৰূপৰ বিভাজনেই বেছি সৰলতৰ আৰু মুখ্য বিভাজন। অসমীয়া ভাষাৰ ৰূপবোৰকো দুটা ভাগত ভাগ কৰিব পাৰি—

- মুক্তৰূপ
- বদ্ধৰূপ

মুক্তৰূপ ঃ সচৰাচৰ এটাতকৈ অধিক বিশিষ্ট ধ্বনিৰে ৰূপ গঠিত হয়। কোনো বিশিষ্ট ধ্বনি বা বিশিষ্ট ধ্বনিৰ সমষ্টিয়ে স্বাধীন ভাবে অৰ্থ প্ৰকাশ কৰিব পাৰে বা যিবোৰ ৰূপ বা আকৃতিৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে, যিবোৰ আকৃতি উচ্চাৰণ বা উল্লেখ কৰা লগে লগে সিহঁতৰ নিজা অৰ্থ প্ৰকাশ পায়,সেইবোৰেই মুক্ত ৰূপ বা মুক্ত প্ৰকৃতি। যেনে— গৰু, বাঘ, হাতী, কুকুৰ, মানুহ, গছ, মাৰ, ধৰ, কৰ, যা ইত্যাদি। এই ৰূপবোৰ উচ্চাৰণ কৰিলেই সিহঁতৰ অৰ্থ আপোনা-আপুনি প্ৰকাশ পায়।

মুক্তৰূপৰ আন এক বৈশিষ্ট্য হৈছে— মুক্তৰূপবোৰ বাক্যত স্বতন্ত্ৰভাৱে ব্যৱহৃত হ'ব পাৰে। উদাহৰণ স্বৰূপে— ৰাতুল খুউব ভাল ল'ৰা। ক্ৰিয়া পদ উহ্য হৈ থকা এই বাক্যটোৰ প্ৰতিটো ৰূপেই মুক্ত। ইহঁতৰ প্ৰত্যেকেই একো একোটা অৰ্থ প্ৰকাশ কৰি বাক্যটোত স্বাধীনভাৱে ব্যৱহাৰ হৈছে।

বদ্ধৰূপ ঃ কিছুমান বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিৰে গঠিত ৰূপ অকলে উল্লেখ কৰিলে নিজা কোনো অৰ্থ প্ৰকাশ নাপায়; কোনো মুক্ত বা স্বাধীন ৰূপৰ আগত, পাচত বা মাজত অথবা যিকোনো এটা বা একাধিক ৰূপ বা প্ৰকৃতিৰ লগত সংযুক্ত হ'লেহে সিহঁতে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা লাভ কৰে। এইদৰে গাইগুটিয়াকৈ বা স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰা অথবা আন কোনো ৰূপৰ সহায় নোলোৱাকৈ কোনো উল্লেখত বা বাক্যত অকলে অৰ্থপূৰ্ণভাবে ব্যৱহাৰ হ'ব নোৱাৰা ৰূপবোৰকে বদ্ধৰূপ (bound Morpheme) বোলা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ -অনি, -উৱা, -এ, -ওঁ, -টো, আও, বে আদি ৰূপৰ কথা ক'ব পাৰি। এই ৰূপবোৰৰ অকোটা নিজা অৰ্থ আছে যদিও সিহঁতৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা নাই। অসমীয়া ভাষাত এইবিলাক বিভিন্ন মুক্তৰূপৰ আগত বা পাছত লগ লাগিলেহে ইহঁতে অৰ্থ প্ৰকাশৰ ক্ষমতা লাভ কৰে। যেনে— ধান +

অনি = ধাননি, ধাৰ + উৱা = ধৱৱা, মানুহ + এ = মানুহে, যা + ওঁ = যাওঁ, আও + বাট = আওবাট, বে' + আইন = বে'আইন ইত্যাদি। এনে বদ্ধৰূপবোৰক সাধাৰণভাৱে সৰ্গ (Affix)বোলা হয়।

বদ্ধৰূপবোৰ হ'ল যিবোৰ ৰূপ স্বতন্ত্রভাৱে ব্যৱহাৰ হ'ব নোৱাৰে। এই ৰূপবোৰে আন ৰূপৰ সংযোগতহে নতুন অর্থবাচক শব্দ গঠন কৰিব পাৰে। বদ্ধৰূপবোৰ স্বতন্ত্রভাৱে কোনো বাক্য বা বাক্যাংশত ব্যৱহাৰ হ'ব নোৱাৰে। এইবোৰে বাক্যৰ ভিতৰৰ পদসমূহৰ মাজত সম্পর্কহে স্থাপন কৰে আৰু বাক্যত ব্যৱহাৰৰ উপযোগী কৰি অর্থপ্রকাশক কৰি তোলে।পৃথিৱীৰ সকলো ভাষাতে মুক্তৰূপ আৰু বদ্ধৰূপৰ পৰিমান সমান নহয়। অসমীয়া ভাষাটো মুক্তৰূপেই বেছি যদিও বদ্ধৰূপৰ সংখ্যাও একেবাৰে কম নহয়। ৰূপতত্ত্ব বা প্রাকৃতিবিজ্ঞানত এই মুক্ত আৰু বদ্ধৰূপবোৰৰ আকৃতি, প্রাকৃতি আৰু ইবিলাকৰ প্রয়োগ পদ্ধতি সম্পর্কে আলোচনা কৰা হয়। ৰূপ-নির্ণয়ৰ প্রক্রিয়াও ৰূপতত্ত্বৰ অন্তর্গত।

ভাষাৰ ৰূপতাত্ত্বিক গঠনৰ আলোচনালৈ যোৱাৰ আগতে আকৃতি (Morph), প্রাকৃতি (Morpheme), উপাকৃতি (Allomorph) সম্পর্কে স্পষ্ট হোৱাৰ প্রয়োজন। ভাষাৰ ৰূপতত্ত্ব আলোচনাৰ প্রধান সামগ্রী হ'ল 'আকৃতি'। এই আকৃতিসমূহৰ পৰাই 'প্রাকৃতি' আৰু 'উপাকৃতি' নির্ণয় কৰা হয়।

আকৃতি (Morph) ঃ আকৃতি বা ৰূপ ভাষা এটাৰ ক্ষুদ্রতম অর্থবহ গোট (Unit)। এই ৰূপ বা আকৃতি এক বা একাধিক বর্ণেৰে গঠিত হয়। আকৃতিবোৰক ভাষাৰ গঠনৰ নিয়ম অনুসৰি লগ লগাই শব্দ আৰু পদ গঠন কৰা হয়। এই পদসমূহক যথাস্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয় আৰু এই বাক্যৰ সহায়েৰে মনৰ ভাৱ আদান-প্রদান কৰা হয়। বাক্যত ব্যৱহৃত পদসমূহক খণ্ডিত কৰি আকৃতিসমূহ বাছি উলিওৱা হয়।

শব্দ হৈছে স্বয়ং সম্পূর্ণ নিজা অর্থ থকা এক উপাদান। ৰূপতত্ত্বৰ আলোচনাত শব্দ আৰু ৰূপ বা আকৃতিৰ মাজত পার্থক্য আছে। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। প্রতিটো শব্দক অর্থৰ প্রতি লক্ষ্য ৰাখি একাধিক খণ্ডত বিভাজন কৰিব পাৰি। এনেদৰে বিভাজন কৰি পোৱা ক্ষুদ্রতম বিভাজিত গোটবোৰক ৰূপ বা আকৃতি বোলা হয়। John Lyons-ৰ মতে ভাষাত ব্যৱহৃত শব্দক যেতিয়া খণ্ডিত কৰা হয়, সেই খণ্ডিক কৰি উলিওৱা খণ্ডবোৰকে ৰূপ বা আকৃতি বোলা হয়। উদাহৰণস্বৰূপে বাঘটো, মানুহবোৰ, চৰাইজাক, জুইকুৰা আদি শব্দকেইটাক বাঘ + টো, মানুহ + বোৰ, চৰাই + জাক, জুই + কুৰা, আদি ক্ষুদ্রতম অথচ অর্থবহ খণ্ডত ভাঙিলত বাঘ, মানুহ, চৰাই, জুই, টো, বোৰ, জাক, কুৰা আদি ৰূপবোৰ পোৱা গৈছে। ইহঁতক ইয়াকৈ আৰু সৰু গোটত ভাগ কৰিব নোৱাৰি। ইহঁতৰ প্রত্যেকৰে একোটা অর্থ আছে। ইহঁত প্রত্যেকেই একো একোটা আকৃতি।

প্রাকৃতি (Morpheme) ঃ বর্ণতাত্ত্বিক আলোচনাৰ মৌলিক একক যেনেকৈ বর্ণ, ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক তেনেকৈ প্রাকৃতি (Morpheme) বুলি ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে বুলি কৈছে। ভাষাৰ এক বা একাধিক বর্ণেৰে গঠিত আকৃতিসমূহৰ

ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অর্থবাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। এনেদৰে শ্রেণীবদ্ধ কৰা ৰূপ বা আকৃতিসমূহৰ প্রয়োগ বিশ্লেষণ কৰি বিৰোধ আছে নে নাই অর্থাৎ একে পৰিৱেশত ব্যৱহাৰ কৰিলে অর্থৰ শ্রেণী পৰিৱর্তন কৰিব পাৰে নে নোৱাৰে তাক বিশ্লেষণ কৰা হয়। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্রাকৃতি বুলি চিনাক্ত কৰা হয়। প্রাকৃতিৰ সদায় একোটা নিজা অর্থ থাকে। সেইবাবেই ভাষাবিজ্ঞানক প্রাকৃতিক বর্ণেৰে নির্মিত অবিভাজ্য অর্থাৎ ক্ষুদ্রতম অর্থযুক্ত ৰূপ বোলা হয়। এটা উদাহৰণ স্বৰূপে পেহীয়েকহঁতলৈ খবৰ দিয়া হৈছে। —এই বাক্যটোত পেহীয়েকহঁতলৈ এটা পদ। ইয়াৰ অর্থ পৰীক্ষা কৰিলে দেখা যায়, কাৰোবাৰ লগত সম্বন্ধ থকা (নাম পুৰুষবাচক -এক) দেউতাকৰ ভনীয়েক (স্ত্রীলিংগ বাচক -ঈ), ভনীয়েক এজনী নহয়, একাধিক, অথবা ভনীয়েকৰ লগৰ বা পৰিয়ালৰ একাধিক ব্যক্তি (বহুবচন বাচক -হঁত) এই লোকসকললৈ (নিমিত্তার্থ -লৈ) —এই পাঁচটা অর্থ সোমাই আছে। পেহীয়েকহঁতলৈ পদটোক উক্ত পাঁচোটা অর্থৰ লগত সংগতি ৰাখি মাহ্-ঈ-এক্-হঁত্-অলৈ—এই পাঁচটা খণ্ডত ভগাব পাৰি। সেই কাৰণেই এই পাঁচোটা খণ্ডৰ প্রত্যেকটোৱেই একো একোটাহঁত প্রাকৃতি। প্রাকৃতিৰ দুটা প্রধান ভাগ আছে— মুক্ত প্রাকৃতি আৰু বদ্ধ প্রাকৃতি। কিছুমান প্রাকৃতি স্বতন্ত্র ভাবে মাতিলে বা উল্লেখ কৰিলেই সেইবোৰৰ নিজা অর্থ বুজি পোৱা যায়। যেনে— মানুহ, গৰু, কুকুৰ, গছ, চৰাই, পহু, হৰিণ, খা, লিখ, কৰ, পঢ় আদি প্রকৃতিৰ উচ্চাৰণ কৰিলেই অর্থ মনলৈ আহে। এনেদৰে গাইগুটিয়া ভাবে মাটিলে ততালিকে অর্থ বুজি পোৱা ৰূপবোৰক মুক্ত প্রাকৃতি (Free Morpheme) বোলে। আনহাতে কিছুমান প্রাকৃতি অকলে বা গাইগুটিয়াকৈ উল্লেখ কৰিলে সিহঁতৰ অর্থ স্পষ্টকৈ ধৰিব নোৱাৰি বা প্রকাশ নাপায়, বৰঞ্চ দুটা বা ততোধিক প্রাকৃতি সংযুক্ত হ'লেহে অর্থ বুজি পোৱা যায় বা অর্থ প্রকাশ কৰিব পাৰে। এনে প্রাকৃতিক বদ্ধ প্রাকৃতি (Bound Morpheme) বোলে। যেনে, মই গাখীৰ খাওঁ —ইয়াত খাওঁ পদৰ খা প্রাকৃতিটোৰ অর্থ সুকীয়াকৈ ধৰিব পাৰি, অর্থাৎ ই মুক্ত প্রাকৃতি; কিন্তু ইয়াৰ লগতে লগা -ওঁ প্রাকৃতিটোৱে মই বা আমি অর্থাৎ উত্তম পুৰুষ বুজায় সেই কথাটো এনেই ধৰিব নোৱাৰি; ধাতুটোৰ লগত যুক্ত হ'লেহে ধৰিব পাৰি। গতিকে ই এটা বদ্ধ প্রাকৃতি। সেইদৰে— আও-, অনা, বে-, -ই-আল, -ইহ-ইল-আ আদিবোৰ বদ্ধ প্রাকৃতি।

মূল ৰূপ বা প্রকৃতি (Root Morpheme) ঃ পৃথিৱীৰ সকলো ভাষাতে মুক্ত ৰূপ আৰু বদ্ধ ৰূপৰ প্রয়োগ একে নহয় যদিও বেছি ভাগতে সাদৃশ্য পৰিলক্ষিত হয়। সাধাৰণতে সকলো ভাগতে এনে কিছুমান ৰূপ বা প্রাকৃতি আছে যাক কেন্দ্র কৰি বা আশ্রয় কৰি তাৰ আগত বা পাছত নানা ৰূপ যোগ হৈ ভিন্ ভিন্ অর্থবাচক ৰূপৰ সৃষ্টি কৰিব পাৰে। এই কেন্দ্রীয় ৰূপবোৰকে মূল ৰূপ বা প্রকৃতি (Root Morpheme) বোলে। পৃথিৱীৰ সকলো ভাষাতে এই প্রকৃতিবোৰ একে নহয়। কিছুমান ভাষাত এইবোৰ মুক্ত আৰু কিছুমানত বদ্ধ। অসমীয়া, ইংৰাজী আদি ভাষাত মুক্ত আৰু বদ্ধ দুয়ো ধৰণৰ প্রকৃতিয়েই প্রয়োগ হোৱা দেখা যায় যদিও মুক্ত প্রকৃতিৰ প্রয়োগ তুলনামূলকভাৱে সর্বাধিক।

প্ৰকৃতিৰ শ্ৰেণীবিভাগ ঃ প্ৰকৃতি বা মূল প্ৰাকৃতিক ৰূপগত আৰু সাধনগত বৈশিষ্ট্য বিচাৰ কৰি বিভিন্ন প্ৰকাৰে শ্ৰেণীবিভাগ কৰা হয়। প্ৰকৃতিবোৰৰ প্ৰকৃতি আৰু প্ৰয়োগ বৈচিত্ৰ্যলৈ লক্ষ্য কৰি অসমীয়া ভাষাত এইবোৰক ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি। সেয়া হৈছে—

ক) নাম প্ৰকৃতি বা প্ৰাতিপদিক (Nominal বা substantive root Morpheme)

খ) ধাতু প্ৰকৃতি (Verbal root morpheme)

গ) অব্যয় প্ৰকৃতি (absolute বা indeclinable root morpheme)

যিবোৰ প্ৰকৃতিৰ পৰা বিভিন্ন কাৰকত ৰূপ কৰিব পৰা কেৱল নামশব্দ বা নাম পদহে তৈয়াৰ হয় সেইবোৰেই হৈছে নাম প্ৰকৃতি। যেনে— পশু, পক্ষী, মানুহ, গছ, লতা, ফুল, আম, সি, তাই, ভাল, বেয়া ইত্যাদি। অসমীয়া ভাষাত নাম প্ৰকৃতিবোৰ সাধাৰণতে মুক্ত ৰূপ।

যিবোৰ প্ৰকৃতিৰ পৰা কেৱল ধাতু শব্দ, ক্ৰিয়া পদ আৰু কৃদন্ত ৰূপহে সৃষ্টি হয় সেইবোৰেই হৈছে **ধাতু প্ৰকৃতি**। যেনে— লিখ্, কৰ্, পঢ়্, খা, যা, ধৰ্, শুন ইত্যাদি।

যিবোৰ প্ৰকৃতিৰ পৰা অব্যয়বোৰ পোৱা যায় সেইবোৰেই **অব্যয় প্ৰকৃতি**। অসমীয়া ভাষাত আৰু, বাৰু, বা, যদি, তথাপি, অথচ, খাটাং ইত্যাদি অব্যয় প্ৰকৃতি।

এই তিনিটা প্ৰকৃতিৰ উপৰিও গোলোকচন্দ্ৰ গোস্বামীয়ে **নাম ধাতু প্ৰকৃতি** নামে আৰু এবিধ প্ৰকৃতিৰ কথা উল্লেখ কৰিছে। যিবোৰ প্ৰকৃতিয়ে কোনো সৰ্গ বা প্ৰত্যয় নলগোৱাকৈয়ে নামশব্দ বা ধাতুশব্দ ৰূপে বিভক্তি গ্ৰহণ কৰি নামপদ বা ক্ৰিয়াপদ হ'ব পাৰে তেনেবোৰ প্ৰকৃতিক নামধাতু প্ৰকৃতি বোলে।

সৰ্গ (Affix) ঃ মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত যিবোৰ প্ৰাকৃতি যুক্ত হৈ অৰ্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্ৰাকৃতিবোৰকে সৰ্গ বোলে। অসমীয়া ভাষাৰ বদ্ধৰূপবোৰকে সাধাৰণতে সৰ্গ বোলা হয়।

বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাৰ সৰ্গবোৰক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। অৱস্থানগত সৰ্গ আৰু গুণগত বা কাৰ্যগত সৰ্গ।

সৰ্গৰ অৱস্থানগত বিভাগ

প্ৰকৃতিৰ দৰে সৰ্গবিলাককো বিভিন্ন সূত্ৰ খটুৱাই বেলেগে বেলেগে শ্ৰেণীবিভাগ কৰা হয়। পদগঠনত বদ্ধৰূপ বা সৰ্গবোৰৰ প্ৰয়োগৰ অৱস্থানলৈ লক্ষ্য ৰাখি প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে—

ক) উপসৰ্গ (Prefix)

খ) পৰসৰ্গ (Suffix)

গ) অন্তঃসৰ্গ (Infix)

উপসৰ্গ ঃ যিবোৰ সৰ্গ বা বদ্ধৰূপ মূল বা প্ৰকৃতিৰ আগত বহি ভিন্ন অৰ্থবাচক শব্দ বা ৰূপ সাধন কৰে সেইবোৰেই উপসৰ্গ। উপসৰ্গ সংযোগৰ পাচত মুক্তৰূপৰ অৰ্থৰ সলনি হয়।

এই উপসর্গবোৰক পূর্বপ্রত্যয় বুলিও জনা যায়। সংস্কৃত ভাষাত কুৰিটা উপসর্গ পোৱা যায়। অসমীয়া ভাষাত সংস্কৃতৰ কুৰিটা উপসর্গৰ উপৰিও কিছুমান পূর্ব প্রত্যয় বা উপসর্গৰ ব্যৱহাৰ পোৱা যায়। যেনে—

অ-	অসময়, অসমান
অও-	আওবাট, আওমৰণ
অনা-	অনাহক, অনাঅসমীয়া
বে'-	বে'আইনী, বে'চৰকাৰী
বিনা-	বিনাদুখ, বিনাশ্রম
বি-	বিপাক, বিজাত
সহ-	সহকর্মী
ন-	নহয়, নকৰে
সু-	সুদিন, সুলেখক, সুনাম
নি-	নিমাত,
গৰ-	গৰমিল, গৰহাজিৰ
বদ-	বদনাম, বদগুণ, বদহজম ইত্যাদি

পৰসর্গ ঃ যিবোৰ সর্গ বা বদ্ধৰূপক মূল বা প্রকৃতিৰ পিছফালে লগ লগাই কোনো নতুন শব্দ অথবা ৰূপ সাধন কৰা হয়, সেইবোৰেই পৰসর্গ বা পৰপ্রত্যয়। পৃথিৰীৰ প্রায়বোৰ ভাষাতেই পূর্বপ্রত্যয়তকৈ পৰপ্রত্যয়ৰ ব্যৱহাৰ বেছি। এই পৰসর্গৰ প্রয়োগ বিশ্লেষণেই ৰূপতত্ত্বৰ মূল কথা। অসমীয়া ভাষাত বহুবচনাত্মক প্রত্যয়, লিংগবাচকতা, নির্দিষ্টবাচকতা, অনির্দিষ্টবাচকতা, কৃৎ প্রত্যয়, তদ্ধিত প্রত্যয়, জোৰবাচক, স্বার্থিক প্রত্যয়, কাৰকবাচক বিভক্তি, ক্রিয়াবাচক বিভক্তি আদি সংযোগ কৰি ৰূপ সাধন কৰা হয়। যেনে— মানুহ-টো (নির্দিষ্টতাবাচক), মানুহ-বোৰ (বহুবচনাত্মক), মানুহ-ৰ (সম্বন্ধবাচক বিভক্তি), ধান-অনি (তদ্ধিত প্রত্যয়) ইত্যাদি।

পৰসর্গবোৰ ইটোৰ পাছত সিটোকৈ লেঠাৰি লাগি কেইবাটাও একেলগে বহিব পাৰে। যেনে— পেহীয়েকহঁতলৈ। এই শব্দটোত মূল ৰূপ বা প্রকৃতি পেহী; ইয়াৰ পিছত ক্রমে একে লেঠাৰিয়ে লগ লগা -এক, -হঁত, -অ-লৈ এই তিনিওটা বদ্ধৰূপেই পৰসর্গ বা পৰপ্রত্যয়।

অন্তঃসর্গ ঃ যিবোৰ বদ্ধৰূপ মুক্তৰূপৰ আগত বা পিছত নবহি মুক্তৰূপ বা প্রকৃতিটোক দুভাগ কৰি তাৰ মাজত সোমাই মুক্তৰূপটোৰ পূর্বৰ অর্থৰ সলনি কৰি নতুন ৰূপৰ সৃষ্টি কৰে সেইবোৰেই অন্তঃসর্গ। সংস্কৃত ভাষাত অন্তঃসর্গৰ উদাহৰণ পোৱা যায় যদিও অসমীয়া ভাষাত অন্তঃসর্গ পোৱা নাযায়।

সর্গ বা বদ্ধৰূপৰ গুণগত বিভাজন

ভাষাৰ বদ্ধৰূপ বা সর্গবোৰক গুণগত বা কার্যৰ ভিত্তিত প্রধানভাৱে দুটা ভাগত ভাগ

কৰা হয়—

- শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয়
- পদ সাধনমূলক সৰ্গ বা বিভক্তি

শব্দসাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয়

শব্দ সাধনমূলক ৰূপবোৰে নতুন অৰ্থবাচক শব্দ বা ৰূপৰ গঠন কৰিব পাৰে। পদ সাধনমূলক ৰূপবোৰে বাক্যত ব্যৱহৃত শব্দবোৰক ব্যৱহাৰৰ উপযুক্ত কৰি তোলে। যিবোৰ সৰ্গই মূল শব্দ বা ধাতুৰ আগত বা পাছত বহি ভিন্ন অৰ্থবাচক শব্দ সাধন কৰে, সেইবোৰেই সাধাৰণভাৱে শব্দসাধনমূলক সৰ্গ। বচন, লিঙ্গ, কাৰক-বিভক্তি আদিৰ বাবে ৰূপৰ সাধন কৰিবলৈ পদ সাধনমূলক বদ্ধৰূপবোৰ যোগ কৰা হয়।

শব্দ সাধনমূলক সৰ্গৰ তিনি প্ৰকাৰৰ পোৱা যায়—

ক) পূৰ্বপ্ৰত্যয়

খ) কৃৎ প্ৰত্যয়

গ) তদ্ধিত প্ৰত্যয়

পূৰ্ব-প্ৰত্যয় ঃ ভাষাবিদ ৰমেশ পাঠকে তেওঁৰ গ্ৰন্থৰ *ভাষা বিজ্ঞানৰ ভূমিকাত* কৈছে যে ৰূপকাত্মক প্ৰত্যয়বোৰ আঁতৰালে যি থাকে সেয়াই শব্দমূল ৰূপৰ আগত যি বহে তাকে পূৰ্ব-প্ৰত্যয় বোলে। অসমীয়া ভাষাত এনে পূৰ্ব প্ৰত্যয়ৰ ব্যৱহাৰ আছে। যেনে—

বে-দখল	পৰা-জয়
বে-নাম-ঈ	অপ-মান
আও-বাট	দুৰ-নাম
অনা-বৃষ্টি	অভি-মান

কৃৎ-প্ৰত্যয় ঃ যিবোৰ প্ৰত্যয় ধতুৰ পাছত যোগ হৈ ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ সৃষ্টি কৰে সেইবোৰেই কৃৎ প্ৰত্যয়। যেনে—

কৰ্—আ = কৰা

পঢ়্—আ = পঢ়া

কৰ্—ই = কৰি

খা—ওঁতে = খাওঁতে

ৰাখ্—ঈয়া = ৰখীয়া,

ৰান্ধ্—অনি = ৰান্ধনি, ইত্যাদি।

তদ্ধিত-প্ৰত্যয় ঃ যিবোৰ প্ৰত্যয় প্ৰাথমিক প্ৰাতিপদিকৰ পাছত যোগ হৈ ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ সৃষ্টি কৰে সেইবোৰেই তদ্ধিত প্ৰত্যয়। যেনে—

ফুল—অনি = ফুলনি

ফুল—আম = ফুলাম

কাঠ—অনি = কাঠনি

ধান—অনি = ধাননি

মৰম—ইয়াল = মৰমিয়াল

কপাহ—ঈ = কপাহী

খেতি—অক = খেতিয়ক

ৰূপসাধনমূলক সৰ্গ বা বিভক্তি

ইংৰাজী Inflection শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'পদসাধন' শব্দটো ব্যৱহাৰ কৰা হৈছে। Handbook of Morphology-ৰ মতে— শব্দৰ গঠনৰ প্ৰক্ৰিয়াটোৰ লগত ৰূপসাধন বা পদসাধন প্ৰক্ৰিয়াটো জড়িত হৈ আছে। এটা ৰূপ বা অৰ্থপূৰ্ণ গোটে এটা স্বতন্ত্ৰ অৰ্থ প্ৰকাশ কৰিব পাৰে আৰু আৰু কিছুমান ৰূপ বৈয়াকৰণিকভাৱে সংযুক্ত হৈ এটা অৰ্থবাচক ৰূপ সৃষ্টি কৰে। এটা শব্দৰ স্বতন্ত্ৰভাৱে থকা অৰ্থটো বাক্যত একে ধৰণেৰে ব্যৱহাৰ হ'ব নোৱাৰিবও পাৰে। তেনে ক্ষেত্ৰত বাক্যত ব্যৱহাৰৰ উপযোগী ৰূপ এটা সৃষ্টি কৰি ল'বলগীয়া হয়।

কিছুমান গাইগুটীয়া পদ সংযোগ কৰি বাক্য গঠন কৰা হয়। সাধাৰণতে শব্দৰ লগত সৰ্গ যোগ কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। এই বাক্যত ব্যৱহাৰৰ উপযোগী শব্দবোৰকে পদ বোলে। বাক্যৰ গঠনৰীতি অনুসৰি পদবোৰৰ ৰূপান্তৰ ঘটে। এই ৰূপান্তৰ ঘটা পদবোৰক **সব্যয় পদ** বোলে। যিবোৰ সৰ্গৰ সংযোগে সব্যয় পদ গঠন কৰে আৰু পদৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰে সেইবোৰ সৰ্গকে বিভক্তি বোলে। যেনে— মানুহে, মানুহক, মানুহৰ, মানুহলৈ, মানুহত আদি ৰূপ বেলেগ বেলেগ বাক্যত আমি পদ ৰূপে পাব পাৰোঁ। মানুহ্ — এই নাম শব্দটোৰ লগত ক্ৰমে -এ, -অক্, -অৰ্, -অলৈ, আৰু -অত —এই সৰ্গবোৰ লগত লাগিছে আৰু ৰূপৰ পৰিৱৰ্তন সাধিত কৰিছে। গতিকেই এই সৰ্গকেইটা প্ৰত্যেকেই একো একোটাহঁত বিভক্তি।

ঠিক তেনেদৰে মই কৰোঁ, তুমি কৰা/তই কৰ, সি কৰে এই তিনিটা বাক্যত কৰ ধাতুৰ লগত -ওঁ, -আ/-অ, আৰু -এ সৰ্গ লগ লাগি ক্ৰমে কৰোঁ, কৰা/কৰ, কৰে— এই ক্ৰিয়া পদ কেইটা গঠিত হৈছে। এতেকে -ওঁ, -আ/-অ, আৰু -এ এইবোৰ একো একোটাহঁত পদ সাধনৰ বিভক্তি।

ৰূপতত্ত্বৰ আলোচনাৰ বৈয়াকৰণিক শ্ৰেণী

সাধাৰণতে শব্দসমূহ বাক্যত প্ৰয়োগ হোৱাৰ মাত্ৰকে ইহঁত নিৰ্দিষ্ট ভূমিকাত অৱতীৰ্ণ হয়। মূল বা প্ৰকৃতিৰ লগত সৰ্গবোৰক সংযোগ কৰি শব্দসাধন আৰু পদ সাধন আৰু পদ সাধন কৰা হয়। সাধিত পদবোৰক যথা স্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয়। আগতেই উল্লেখ কৰা হৈছে যে এই বাক্যত প্ৰয়োগ কৰা শব্দবোৰকে পদ বোলা হয়। ভাষাত ব্যৱহাৰ হোৱা পাঁচবিধ প্ৰধান পদৰ কথা আমি জানো। এই প্ৰধান পদসমূহ হৈছে— বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া আৰু অব্যয়। এই পদবোৰৰ লগত বদ্ধৰূপ (প্ৰত্যয় আৰু বিভক্তি)বোৰ সংযোগ কৰি বিভিন্ন ধৰণৰ নতুন নতুন ৰূপৰ সৃষ্টি কৰা হয়। এনে পদবোৰৰ বিশেষ্য আৰু সৰ্বনাম

পদৰ লগত যুক্ত হোৱা বিভক্তিক **শব্দবিভক্তি** আৰু ক্ৰিয়া পদৰ লগত যোগ হোৱা বিভক্তিক **ক্ৰিয়াবিভক্তি** বোলে। বচন, লিংগ, কাল, কাৰক, ভাব, পুৰুষ, আদিয়ে শব্দৰূপ আৰু ক্ৰিয়াৰূপৰ বিচিত্ৰতাক নিয়ন্ত্ৰণ কৰে। সেয়ে বচন, লিংগ, পুৰুষ, কাৰক, কাল, ভাব আদিক ভাষাৰ ৰূপতাত্ত্বিক আলোচনাৰ বৈয়াকৰণিক শ্ৰেণী বা গোটত সামৰিব পাৰি। অৱশ্যে এনে দিশবোৰ সকলো ভাষাতে সমানে ব্যাকৰণগত বিষয় নহয়।

বচন ঃ 'বচন' সংস্কৃত তৎসম শব্দ। ইয়াৰ সাধাৰণ অৰ্থ 'কথা' বা 'উক্তি'। কিন্তু ব্যাকৰণগত বা ভাষাৰ আলোচনাত ই নামপদৰ সংখ্যা বুজায়, যাক ইংৰাজীত number বুলি কোৱা হয়। সংস্কৃতত নামপদৰ সংখ্যাৰ ধাৰণা দিয়া বচন তিনিটা ঃ একবচন, দ্বিবচন আৰু বহুবচন। একবচনে এটা, দ্বি বচনে দুটা আৰু বহুবচনে দুটাতকৈ অধিক সংখ্যাৰ ধাৰণা দিয়ে। সংস্কৃত আৰু হিন্দী ভাষাত কৰ্তাৰ বচন অনুসৰি শব্দৰ ৰূপৰ সলনি হোৱাৰ উপৰিও বাক্যৰ ক্ৰিয়াৰূপটোও সলনি হয়। যেনে—

সংস্কৃত ঃ	নৰঃ খাদতি	মানুহে খায়।
	নৰৌঃ খাদতঃ	মানুহ দুজনে খায়।
	নৰাঃ খাদন্তি	মানুহবোৰে খায়।

কিন্তু অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়। অসমীয়া ভাষাত বচন দুই প্ৰকাৰৰ— একবচন আৰু বহুবচন। একবচনৰ ৰূপবোৰৰ লগত বহুবচনাত্মক প্ৰত্যয় যোগ কৰি বচন নিৰ্ণয় কৰা হয়। উল্লেখযোগ্য যে কৰ্তাৰ লগতহে বহুবচনাত্মক প্ৰত্যয় যোগ কৰা হয়। অসমীয়া বচনত একবচনাত্মক প্ৰাকৃতি আৰু বহুবচনাত্মক প্ৰাকৃতি সংযোগ কৰা হয়। বিভিন্ন প্ৰকৃতিৰ বস্তু বুজাবলৈ অসমীয়া বিশেষ্য শব্দৰ পাছত ভিন্ ভিন্ নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ কৰা হয়। যেনে— ল'ৰাটো, মানুহজন, ছোৱালীজনী, নদীখন, বহীখন, গছজোপা, জুইকুৰা, চুলিকোচা, পানখিলা ইত্যাদি।

একেদৰে বহুবচন বুজাবলৈ বহুবচনাত্মক প্ৰত্যয় বা ৰূপ সংযোগ কৰা হয়। যেনে— গৰুবোৰ, মানুহবিলাক, ল'ৰাহঁত, ছাত্ৰসকল, গৰুজাক ইত্যাদি।

অসমীয়া ভাষাত বচন ব্যাকৰণগত নহয় বাবেই বিশেষণ পদৰ পৰা বিশেষ্য বা বিশেষ্য পদৰ পৰা ক্ৰিয়া পদৰ বা ক্ৰিয়া পদৰ পৰা বিশেষ্য বা সৰ্বনাম পদৰ বচন জনাৰ উপায় নাই। যেনে— মানুহ আহিছে। এই পদটো কি বচনত আছে সেয়া বাক্যটোৰ গাঁথনিৰ পৰা জনা নাযায়। আনহাতে মানুহ পদটোৰ অৰ্থৰ পৰাও সেয়া স্পষ্ট নহয়। কাৰণ মানুহ এজনো আহিব পাৰে বা অসংখ্য মানুহো আহিব পাৰে।

লিংগ ঃ বচনৰ দৰে লিংগও অসমীয়া ব্যাকৰণত এটা মন কৰিবলগীয়া বিষয়। যিবোৰ ৰূপে পুৰুষ আৰু স্ত্ৰী অথবা প্ৰাণী বা অপ্ৰাণীৰ ধাৰণা দিয়ে তাকে সাধাৰণতে লিংগ বোলা হয়। প্ৰায়বোৰ ভাষাতে লিংগ ঘাইকৈ দুটা— পুংলিংগ আৰু স্ত্ৰীলিংগ। এই দুটাৰ উপৰিও কিছুমান ভাষাত ক্লীৱ লিংগ আৰু কিছুমানত উভয়লিংগ ৰূপো পোৱা যায়।

ভাষা ভেদে লিংগ প্ৰকৰণ ভিন্ ভিন্ ধৰণৰ হয়। বচনৰ দৰেই লিংগৰ ক্ষেত্ৰতো

লিংগনিৰপেক্ষ ৰূপৰ প্ৰয়োগ আছে। অসমীয়া ভাষাত লিংগ স্বাভাৱিক আৰু অৰ্থগত। অসমীয়াত যিবোৰ জীৱ-জন্তুৰ স্বাভাৱিক লিংগভেদ পোৱা যায়, প্ৰাণী বুজোৱা সেইবোৰ শব্দৰ কিছুমানৰ তিনিটাকৈ ৰূপ পোৱা যায়— পুংলিংগ, স্ত্ৰীলিংগ আৰু এটা মতা আৰু মাইকী উভয়কে বুজোৱা লিংগ নিৰপেক্ষ ৰূপ। এই নিৰপেক্ষ ৰূপটোকে উভয়লিংগ বুলি কোৱা হৈছে। উদাহৰণ স্বৰূপে— বাছত বহুত মানুহ আহিছে —এই বাক্যটোত মানুহ বোলোতে মতা আৰু মাইকী উভয়কে বুজাইছে। বাছখনৰ মানুহ সকলোবোৰ মতা নে সকলোবোৰ মাইকী তাৰ সম্ভেদ পোৱা নাযায়। সেইদৰে বাঘ, ভালুক, গৰু, কুকুৰ, হাতী, পোক, পৰুৱা ইত্যাদি লিংগ নিৰপেক্ষ ৰূপ।

আগতেই উল্লেখ কৰা হৈছে যে অসমীয়া ভাষাৰ লিংগ ব্যাকৰণগত বিষয় নহয়। কাৰণ লিংগই ব্যাকৰণৰ চাহিদা পূৰণ নকৰে, কেৱল পুৰুষ বুজোৱা শব্দক ৰূপতাত্ত্বিক পদ্ধতিৰে স্ত্ৰীবাচক ৰূপ কৰা হয়।

অসমীয়া ভাষাত লিংগ নিৰ্ণয় কৰিবলৈ প্ৰধানকৈ তিনিটা উপায় অৱলম্বন কৰা হয়—

ক) পুংলিংগ আৰু স্ত্ৰীলিংগবাচক ভিন্ ভিন্ শব্দ প্ৰয়োগ কৰি লিংগ নিৰ্ণয়—

পুং	স্ত্ৰী
ভাই	ভনী
স্বামী	পত্নী
পুৰুষ	মহিলা
ল'ৰা	ছোৱালী

খ) পুংলিংগবাচক আৰু স্ত্ৰীলিংগবাচক শব্দৰ পিছত নিৰ্দিষ্টতাবাচক ৰূপ প্ৰয়োগ কৰি লিংগভেদ কৰা হয়। যেনে—

পুং	স্ত্ৰী
ল'ৰাটো	ছোৱালীজনী
ল'ৰাজন	ছোৱালীজনী
গৰুটো	গৰুজনী
মানুহটো	মানুহজনী

গ) পুংলিংগ আৰু স্ত্ৰীলিংগবাচক প্ৰত্যয়— -ঈ, -অনী, -নী আৰু -ৰী প্ৰয়োগ কৰি লিংগ ভেদ কৰা হয়। এইবোৰ ৰূপ সাপেক্ষ। স্ত্ৰী প্ৰত্যয় যোগ হোৱাৰ পিছত মূল ৰূপৰ আকৃতি সলনি হয়। যেনে—

-ঈ প্ৰত্যয়ৰ সহযোগত

পুং	স্ত্ৰী
নিলাজ	নিলাজী
বান্দৰ	বান্দৰী

বুঢ়া	বুঢ়ী
পেহা	পেহী
মুগা	মুগী ইত্যাদি

-অনী প্রত্যয়ৰ সহযোগত—

পুং	**স্ত্রী**
কমাৰ	কমাৰনী
ফুকন	ফুকননী
ভকত	ভকতনী ইত্যাদি

-নী প্রত্যয়ৰ সহযোগত—

পুং	**স্ত্রী**
কলিতা	কলিতানী
বৰুৱা	বৰুৱানী
নাতি	নাতিনী
ধোবা	ধুবুনী
চোৰ	চুৰুনী
বাঘ	বাঘিনী ইত্যাদি।

-ৰী প্রত্যয়ৰ সহযোগত—

পুং	**স্ত্রী**
কলা	কালৰী
ডেকা	ডেকেৰী ইত্যাদি।

কাৰক Case ঃ ৰূপতাত্ত্বিক আলোচনাৰ আন এক গুৰুত্বপূর্ণ দিশ হৈছে কাৰক। প্রায়বিলাক ভাষাতে বাক্যত ব্যৱহৃত বিশেষ্য আৰু সর্বনাম পদে ক্রিয়াৰ লগত সম্বন্ধ স্থাপন কৰে। ইয়াকে কাৰক বোলে। বাক্যত ব্যৱহৃত শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পর্ক স্থাপন কৰিবলৈ কাৰকৰ প্রয়োজন। অসমীয়া ভাষাত কাৰক ছয় প্রকাৰৰ— কর্তা, কর্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰক। কাৰক নির্ণয়ৰ বাবে বিশেষ্য বা সর্বনাম পদৰ লগত -এ/-ই, -ক/-অক, -ৰে, -লৈ/-অলৈ, -ৰ, -ত আদি বদ্ধৰূপবোৰ লগ লগাই বিভিন্ন কাৰকৰ অর্থ প্রকাশ কৰে। যেনে— ৰামে খায়, ৰামক দিছোঁ, ৰামেৰে (ৰামৰ হতুৱাই) কৰোঁৱাইছোঁ, ৰামলৈ আনিছোঁ, ৰামৰপৰা খাইছোঁ, ৰামত আস্থা নাই ইত্যাদি। —ইয়াত খায়, দিছোঁ, কৰোঁৱাইছোঁ, আনিছোঁ, খাইছোঁ, আস্থা নাই আদি ক্রিয়াৰ সৈতে 'ৰাম' বিশেষ্যৰ সম্পর্ক স্থাপন কৰা হৈছে।

কেতিয়াবা আকৌ ক্রিয়াপদে বিশেষ্য পদৰ লগত সম্বন্ধ স্থাপন নকৰি বিশেষ্য আৰু বিশেষ্যৰ মাজতহে সম্পর্ক স্থাপন কৰে। এনে সম্বন্ধ স্থাপনক সম্বন্ধপদ বুলি কোৱা হয়। উদাহৰণস্বৰূপে— মোৰ কলম, ৰামৰ দেউতাক, হৰিৰ কিতাপ ইত্যাদি। ইয়াত বিশেষ্যৰ লগত

বিশেষ্যৰ সম্বন্ধ স্থাপিত হৈছে।

কাল (Tense)ঃ ৰূপতাত্ত্বিক আলোচনাক ব্যাকৰণগত দিশৰ ভিতৰত কাল এক উল্লেখযোগ্য দিশ। কালে কোনো কার্যসম্পাদন হোৱাৰ সময় নির্দেশ কৰে। সাধাৰণতে কাল তিনি প্ৰকাৰৰ— অতীত, বর্তমান আৰু ভৱিষ্যত কাল। ক্ৰিয়াৰ কার্য অতীতত সম্পাদিত হৈছিল নে বর্তমানত সম্পাদিত হৈছে নে ভৱিষ্যতে সম্পাদিত হ'ব সেয়া বুজাবলৈ মুক্তৰূপ বা ধাতুৰূপৰ লগত বদ্ধৰূপ সংযোগ কৰা হয়। ধাতুৰ লগত সংযোগ হোৱা বদ্ধৰূপবোৰক কালসূচক প্ৰত্যয় আৰু পুৰুষসূচক বিভক্তি বোলা হয়। অসমীয়া ভাষাত এই কালসূচক প্ৰত্যয় আৰু পুৰুষসূচক বিভক্তি প্ৰয়োগ কৰি ক্ৰিয়াপদৰ গঠন কৰা হয়। উদাহৰণস্বৰূপে—

খা + ওঁ = খাওঁ
খা + ইছ + ওঁ = খাইছোঁ
খা + ল + ওঁ = খালোঁ
খা + ম = খাম

—ইয়াত 'খাওঁ' নিত্য বর্তমান কালৰ ৰূপত কোনো কালবাচক প্ৰত্যয় যোগ হোৱা নাই। কিন্তু স্বৰূপ বর্তমান কালৰ 'খাইছোঁ'ত -ইছ, অতীত কালৰ 'খালোঁ'ত -ল/-ইল আৰু ভৱিষ্যত কালৰ 'খাম'ত -ইম কালবাচক প্ৰত্যয় যোগ কৰা হৈছে। এনেদৰে অসমীয়া ভাষাত বর্তমান, অতীত আৰু ভৱিষ্যত কাল বুজোৱা ক্ৰিয়াপদ গঠন কৰা হয়। তলত অসমীয়া ভাষাৰ ক্ৰিয়াবিভক্তিবোৰ কাল অনুযায়ী তালিকা এখন দিয়া হ'ল—

কাল	প্ৰথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
		তুচ্ছার্থ	মান্যার্থ	
নিত্য-বর্তমান	ওঁ	অ	আ	এ
স্বৰূপ বর্তমান	ইছোঁ	ইছ	ইছা	ইছে
পূর্ণ ভুতকাল	ইছিলোঁ	ইছিল	ইছিলো	ইছিল
স্বৰূপ ভুত কাল	ইলোঁ	ইলি	ইলা	ইলে
ভৱিষ্যত কাল	ইম	ইব	ইবা	ইবে




২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যয়টিৰ পৰা আমি বুজিব পাৰিলোঁ যে—

- ৰূপতত্ত্ব ভাষাৰ আলোচনাৰ এক প্ৰধান দিশ। ধ্বনিতত্ত্বৰ পিছতেই ৰূপতত্ত্বৰ আলোচনাৰ গুৰুত্ব আছে।
- ৰূপতত্ত্বৰ মূল আধাৰ হৈছে ৰূপ। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম।

- ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰক আকৃতি, প্ৰাকৃতি, প্ৰয়োগ, গাঁথনিক সম্পৰ্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি দুটা ভাগত ভাগ কৰিব পাৰি—
    - মুক্তৰূপ
    - বদ্ধৰূপ
- যেতিয়া কোনো বিশিষ্ট ধ্বনি বা বিশিষ্ট ধ্বনিৰ সমষ্টিয়ে স্বাধীন ভাবে অৰ্থ প্ৰকাশ কৰিব পাৰে বা যিবোৰ ৰূপ বা আকৃতিৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে বা যিবোৰ আকৃতি উচ্চাৰণ বা উল্লেখ কৰা লগে লগে সিহঁতৰ নিজা অৰ্থ প্ৰকাশ পায়, সেইবোৰেই মুক্ত ৰূপ বা মুক্ত প্ৰকৃতি।
- বদ্ধৰূপবোৰ অকলে ব্যৱহাৰ হ'ব নোৱাৰে। এই ৰূপবোৰে আন ৰূপৰ সংযোগতহে নতুন অৰ্থবাচক শব্দ গঠন কৰিব পাৰে। বদ্ধৰূপবোৰে বাক্যৰ ভিতৰৰ পদসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰে আৰু বাক্যত ব্যৱহাৰৰ উপযোগী কৰি অৰ্থপ্ৰকাশক কৰি তোলে।
- মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত যিবোৰ প্ৰাকৃতি যুক্ত হৈ অৰ্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্ৰাকৃতিবোৰক **সৰ্গ** বোলে। অসমীয়া ভাষাৰ বদ্ধৰূবোৰকে সাধাৰণতে সৰ্গ বোলা হয়।
- বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাৰ সৰ্গবোৰক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— অৱস্থানগত সৰ্গ আৰু গুণগত বা কাৰ্যগত সৰ্গ। আকৌ পদ গঠনত বদ্ধৰূপ বা সৰ্গবোৰৰ প্ৰয়োগৰ অৱস্থানলৈ লক্ষ্য ৰাখি অৱস্থানগত সৰ্গক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে— ক) উপসৰ্গ (Prefix) খ) পৰসৰ্গ (Suffix) গ) অন্তঃসৰ্গ (Infix)। আনহাতে গুণগত বা কাৰ্যৰ ভিত্তিত সৰ্গবোৰক প্ৰধানভাৰে দুটা ভাগত ভাগ কৰা হয়— (ক) শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয় আৰু (খ) পদ সাধনমূলক সৰ্গ বা বিভক্তি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰূপতত্ত্ব কি? চমুকৈ উল্লেখ কৰক।
(১৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্ৰশ্ন নং ২ ঃ ৰূপ কি? (১০০টা শব্দৰ ভিতৰত লিখক)

.....

প্ৰশ্ন নং ৩ ঃ সৰ্গ কি? (১০০টা শব্দৰ ভিতৰত লিখক)

.....

প্ৰশ্ন নং ৪ ঃ প্ৰত্যয় কি? (১০০টা শব্দৰ ভিতৰত লিখক)

.....



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (২০০২) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, অনু. শ্ৰী বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বীণা লাইব্ৰেৰী, গুৱাহাটী, অসম, প্ৰথম পুনৰ প্ৰকাশ।

২) কোঁৱৰ, অপৰ্ণা (২০১৫) ঃ *ভাষাবিজ্ঞান উপক্ৰমণিকা*, ডিব্ৰুগড় ঃ বনলতা, চতুৰ্থ সংস্কৰণ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০০৯) ঃ *অসমীয়া ভাষাৰ ৰূপকথা*, গুৱাহাটী ঃ মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (২০০৯) ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মাণিক প্ৰকাশ।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০১১) ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, অসম।

৬) দেৱী, প্ৰণীতা (২০১৪) ঃ *ভাষাবিজ্ঞানৰ জিলিকনি*, গুৱাহাটী বিশ্ববিদ্যালয়, জালুকবাৰী, গুৱাহাটী।

৭) পাঠক, ৰমেশ (১৯৮০) ঃ *ভাষা-বিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অশোক বুক ষ্টল, পানবজাৰ।

৮) পাঠক, ৰমেশ (২০০৮) ঃ *অসমীয়া ভাষাৰ ইতিহাস*, গুৱাহাটী ঃ অশোক বুক ষ্টল, পানবজাৰ।

৯) বৰা, লীলাৱতী শইকীয়া (২০১৫) ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, গুৱাহাটী ঃ বনলতা।

১০) ৰাভা হাকাচাম, উপেন (২০১৫) ঃ *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ অসম পাবলিচিং কোম্পানী, কলেজ হোষ্টেল ৰোড, পানবজাৰ।

১১) ৰাভা হাকাচাম, উপেন (২০১৩) ঃ *ব্যৱহাৰিক অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ অৰুনোদয় প্ৰকাশন, পানবজাৰ।

ইংৰাজী গ্ৰন্থ ঃ

১২) Hocket, C.F. : *A course in Modern Linguistics*, 1976

১৩) Nida, E.A. : *Morphology*, 5th edition, 1957



২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ যিটো শাখাত ব্যাকৰণগত এককসমূহৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়, সেয়াই ৰূপতত্ত্ব। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্রধান কাম। এই বিশ্লেষণত বিশেষকৈ শব্দগঠন আৰু পদসাধনৰ পর্যালোচনা কৰা হয়।..... অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য...., বিভক্তি..., প্রত্যয...., শব্দসাধন...., পদসাধন..., নির্দিষ্টতাবাচক..... বহুবচনাত্মক.... পুৰুষবাচক বিভক্তি, কাৰক... বচন.... লিংগ... সম্পর্কে আলোচনা কৰিব

২নং প্রশ্নৰ উত্তৰ ঃ ৰূপতত্ত্ব আলোচনাৰ এটা বিশেষ দিশ হ'ল ৰূপ। ৰূপ ভাষা এটাৰ ক্ষুদ্রতম ব্যাকৰণগত উপাদান। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। শব্দ এটাৰ ক্ষুদ্রতম বিভাজিত গোটসমূহেই হ'ল ৰূপ।..... ৰূপবোৰক আকৃতি, প্রাকৃতি, প্রয়োগ, গাঁথনিক সম্পর্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি দুটা ভাগত ভাগ কৰিব পাৰি— মুক্তৰূপ আৰু বদ্ধৰূপ..... সম্পর্কে আলোচনা কৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ মূল প্রাকৃতি বা প্রকৃতিৰ লগত যিবোৰ প্রাকৃতি যুক্ত হৈ অর্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্রাকৃতিবোৰক **সর্গ** বোলে।.....সর্গবোৰক দুটা প্রধান ভাগত ভাগ কৰিব পাৰি— অৱস্থানগত সর্গ আৰু গুণগত বা কার্যগত সর্গ।..... অৱস্থানগত সর্গৰ তিনিটা ভাগ— উপসর্গ..... পৰসর্গ.... অন্তঃসর্গ.....। আনহাতে গুণগত ভিত্তিত সর্গবোৰৰ দুটা ভাগ— শব্দ সাধনমূলক সর্গ বা প্রত্যয় ..... আৰু পদ সাধনমূলক সর্গ বা বিভক্তি..... উদাহৰণৰ সৈতে আলোচনা কৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ সর্গই মূল শব্দ বা ধাতুৰ আগত বা পাছত বহি ভিন্ন অর্থবাচক শব্দ সাদন কৰে, সেইবোৰেই সাধাৰণভাৱে শব্দসাধনমূলক সর্গ বা প্রত্যয় বোলে। বচন, লিঙ্গ, কাৰক-বিভক্তি আদিৰ বাবে ৰূপৰ সাধন কৰিবলৈ পদ সাধনমূলক বদ্ধৰূপবোৰ যোগ কৰা হয়।.....শব্দ সাধনমূলক সর্গ সর্গৰ তিনি প্রকাৰৰ পোৱা যায়— পূর্বপ্রত্যয়..... কৃৎ প্রত্যয়..... আৰু তদ্ধিত প্রত্যয়..... আদিৰ সংযোগত কেনেদৰে শব্দ সাধন হয় আলোচনা কৰিব।

যিবোৰ সর্গৰ সংযোগে সব্যয় পদ গঠন কৰে আৰু পদৰ ৰূপৰ পৰিৱর্তন সাধন কৰে সেইবোৰ সর্গই **বিভক্তি**।..... শব্দ বিভক্তি..... ক্রিয়া বিভক্তি.....ইতাদিৰ সংযোগত কেনেদৰে পদ সাধন হয় আলোচনা কৰিব



২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজে? অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে এটি নাতিদীৰ্ঘ টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ ৰূপ কি? অসমীয়া ভাষাৰ ৰূপবোৰক ঘাইকৈ কেইটা ভাগত ভগাব পাৰি। প্ৰতিটো ভাগৰে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সৰ্গ বুলিলে কি বুজে? অসমীয়া ভাষাৰ সৰ্গবোৰক কি কি দিশৰ পৰা বিভাজন কৰিব পাৰি। —আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰত্যয় আৰু বিভক্তিৰ পৰিচয় দাঙি ধৰি শব্দসাধন আৰু পদসাধনত প্ৰত্যয় আৰু বিভক্তিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ পদ বিভাজন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পদৰ সংজ্ঞা

৩.৪ পদৰ শ্রেণীবিভাগ

- ৩.৪.১ অব্যয় পদ
- ৩.৪.২ সব্যয় পদ
  - ৩.৪.২.১ ক্রিয়াপদ
  - ৩.৪.২.১ নামপদ

৩.৫ বিশেষ্য পদৰ শ্রেণীবিভাগ

- ৩.৫.১ জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্য
- ৩.৫.২ বিশেষ সংজ্ঞাবাচক বিশেষ্য
- ৩.৫.৩ সমূহ বা সমষ্টিবাচক বিশেষ্য
- ৩.৫.৪ বস্তুবাচক বিশেষ্য
- ৩.৫.৫ গুণবাচক বিশেষ্য

৩.৬ অব্যয়ৰ পৰিচয় আৰু শ্রেণীবিভাগ

- ৩.৬.১ যোজক বা সংযোজক অব্যয়
- ৩.৬.২ বিয়োজক বা পৃথকবোধক অব্যয়
- ৩.৬.৩ সন্দেহবোধক
- ৩.৬.৪ ভাৱবোধক
- ৩.৬.৫ সম্বোধনবোধক
- ৩.৬.৬ সমিধানবোধক
- ৩.৬.৭ আনুষঙ্গিক বা পদান্বয়ী অব্যয়

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত পদৰ প্রকাৰ আৰু বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- বিশেষ্য পদৰ সংজ্ঞা, প্রকাৰ আৰু ইয়াৰ প্রতিটো ভাগৰ আভাস পাব
- অব্যয়ৰ সংজ্ঞা, প্রকাৰ আৰু ইয়াৰ প্রতিটো ভাগৰ বিষয়ে জানিব পাৰিব
- সামগ্রিকভাবে অসমীয়া ভাষাৰ ব্যাকৰণগত বিশেষত্ব কেতবোৰৰ সম্পর্কে অৱগত হ'ব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় ৰূপে আগবঢ়োৱা হৈছে 'প্রাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'। 'পদ বিভাজন' শীর্ষক এই অধ্যায়টি পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়। আপোনাৰ অধ্যয়নৰ সুবিধার্থে এই অধ্যায়টিক আমি বেলেগ বেলেগ শিৰোনামত কেইবাটাও উপ-অধ্যায়ত আলোচনা কৰিছোঁ। এইখন পাঠ্যবিষয়ৰে প্রথম আৰু দ্বিতীয় অধ্যায় দুটাৰ জৰিয়তে আপুনি প্রাকৃতিবিজ্ঞানৰ মূল কথাবোৰ যেনে প্রাকৃতি, উপাকৃতি, মুক্ত আৰু যুক্ত প্রাকৃতি বা সর্গ সম্পর্কে তথা অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় সম্পর্কে অৱগত হৈ আহিছে।

আপুনি এই কথা নিশ্চয় পঢ়ি আহিছে যে স্বাধীনভাৱে অর্থ প্রকাশ কৰা মূল ৰূপ বা প্রকৃতিবোৰক বহল অর্থত শব্দ বুলিও অভিহিত কৰা হয়। সেই হিচাপে নাম প্রকৃতি, ধাতু প্রকৃতি আৰু অব্যয় প্রকৃতিবোৰৰ প্রতিটোৱেই একোটা শব্দ। ভাষা-বিজ্ঞানত বা ব্যাকৰণবোৰত শব্দৰ বিভিন্ন সংজ্ঞা পোৱা যায়। সাধাৰণতে এটা বা একাধিক বর্ণৰে গঠিত অর্থযুক্ত ৰূপটোকে শব্দ বোলা হয়। যেনে- ই, সি, ঘৰ, মানুহ, গছ, লতা ইত্যাদি। গোলোকচন্দ্র গোস্বামীয়ে শব্দৰ সংজ্ঞা দিছে— "সব্যয় পদৰ পৰা বিভক্তি গুচালে যিটো ৰূপ পোৱা যায় তাকে শব্দ বোলে।" অৱশ্যে এই সংজ্ঞাই অব্যয় পদবোৰৰ কথা সামৰি লোৱা নাই। সেয়ে লীলাৱতী শইকীয়া বৰাই শব্দৰ সংজ্ঞা দিছে এনেদৰে— "শব্দ হৈছে এটা বা একাধিক বর্ণৰে গঠিত এনে অর্থবহ ৰূপ, যিটো উচ্চাৰণ কৰাৰ লগে লগে অর্থতো আপোনা আপুনি স্পষ্ট হয়।" কেতিয়াবা দুটা ভিন্ন অর্থবাচক শব্দ লগ লাগিও এটা নতুন অর্থবাচক শব্দ গঠন হয়। এই শব্দবোৰৰ সহায়ত বাক্য সৃষ্টি হয়। এক বা একাধিক পদ সমষ্টিৰে বাক্য হয়। এক কথাত শব্দবোৰ বাক্যত প্রয়োগ হ'লেই সি পদ হয়। বর্তমান অধ্যায়ত শব্দবোৰৰ বাক্যত প্রয়োগৰ দিশটোলৈ লক্ষ্য ৰাখি সিবোৰৰ আলোচনা কৰা হ'ব।

৩.৩ পদৰ সংজ্ঞা

আগতেই উল্লেখ কৰা হৈছে যে শব্দবোৰে যেতিয়া প্রয়োজন সাপেক্ষে বিভিন্ন সর্গৰ লগত যুক্ত হৈ মনৰ ভাৱ প্রকাশ স্পষ্ট আৰু সম্পূর্ণভাৱে প্রকাশ কৰে, তেতিয়াই সি বাক্য

আখ্যা পায়। বাক্য এটা বিশ্লেষণ কৰিলে বাক্যটোৰ বিভিন্ন খণ্ডৰ মাজত গঠনগত আৰু অর্থগত পাৰস্পৰিক সঙ্গতি স্থাপন কৰা কিছুমান শব্দ পোৱা যায়। সেই শব্দবোৰ বিশ্লেষণ কৰিলে আমি পাম যে কিছুমান শব্দত বিভিন্ন ধৰণৰ বিভক্তি লগ লাগিছে আৰু কিছুমান শব্দত বিভক্তি লগা নাই। অৱশ্যে কেতিয়াবা দেখাত বিভক্তি লগা দেখা নগ'লেও বিভক্তিহীন হোৱাটো নুবুজায়। যেনে- তেওঁ ভাত খালে। ইয়াত 'ভাত' কর্ম কাৰকৰ বিভক্তি দ্বিতীয়া লগ লগা নাই যদিও ইয়াত 'শূন্য বিভক্তি' যোগ হৈছে বুলি ধৰা হয়। সেইদৰে 'ৰাম আৰু হৰি দুয়োকে মাতা' বাক্যটোত 'ৰাম' আৰু 'হৰি'ত শূন্য বিভক্তি, 'দুয়ো' পদত প্রথমা -এ শব্দবিভক্তি, 'মাতা' পদত 'মাত্' ধাতুত '-আ' পুৰুষবাচক বিভক্তি যোগ হৈছে। কিন্তু একেটা বাক্যতে থকা 'আৰু' পদত কোনো বিভক্তি যোগ নাই হোৱা। এনেদৰে বিভক্তিযুক্ত হৈয়ে হওক বা বিভক্তিহীন হৈয়ে হওক প্রত্যেকে নিজ নিজ অর্থৰ দ্বাৰাই বাক্যৰ আন শব্দৰ লগত সম্পর্ক স্থাপন কৰে। এইদৰে বাক্যত ব্যৱহৃত বিভক্তিযুক্ত আৰু বিভক্তিহীন প্রত্যেক শব্দকে পদ বোলে।

৩.৪ পদৰ শ্রেণীবিভাগ

পৰম্পৰাগত ব্যাকৰণসমূহত পদ পাঁচ প্রকাৰৰ বুলি দেখুৱাই অহা হৈছে। সেই সমূহ হৈছে যথাক্রমে-বিশেষ্য, বিশেষণ, সর্বনাম, ক্রিয়া আৰু অব্যয়। ভাষাবিজ্ঞানৰ দৃষ্টিৰে পদৰ বিভাজন অতি সূক্ষ্ম আৰু পদ্ধতিগতভাৱে দেখুৱাব পাৰি। বিভিন্ন ভাষাতাত্ত্বিকে পদৰ বিভাজন বেলেগ বেলগ ৰূপত দেখুৱাবলৈ যত্ন কৰিছে। সেই সকলোবোৰৰ ভিতৰত লীলাৱতী শইকীয়া বৰাৰ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব* গ্রন্থত দেখুওৱা আলোচনা অতি শৃংখলাবদ্ধ। ইয়াত বিভিন্ন ভাষাতাত্ত্বিকৰ আলোচনাৰ আধাৰত পদৰ বিভাজন দাঙি ধৰা হৈছে।

গঠন আৰু প্রকৃতিৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাত ব্যৱহাৰ হোৱা পদবোৰক দুটা ভাগত ভগাব পাৰি—

(১) অব্যয় পদ আৰু

(২) সব্যয় পদ

বাক্যত ব্যৱহৃত যিবোৰ পদত কোনো বিভক্তি যোগ নহয় অথবা যিবোৰ পদৰ কোনো সাল সলনি নহয় সেইবোৰ পদেই অব্যয় পদ। উদাহৰণ স্বৰূপে- আৰু, কিন্তু, যদি, অথবা ইত্যাদি। এই পদবোৰে বাক্যত কোনো বিভক্তি বা সর্গৰ সহায় নোলোৱাকৈ বাক্যৰ বিভিন্ন অংগৰ লগত সঙ্গতি স্থাপন কৰি অর্থ প্রকাশ কৰাত সহায় কৰে। এই বিষয়ে পিছত বহলাই আলোচনা কৰা হ'ব।

আনহাতে বাক্যত ব্যৱহৃত যিবোৰ পদত বিভিন্ন সর্গ বা বিভক্তি যোগ হয় আৰু সর্গ বা বিভক্তি অনুযায়ী সিহঁতৰ ৰূপত পৰিৱর্তন হয়, সেইবোৰ পদকেই সব্যয় পদ বোলা হয়।

উদাহৰণ স্বৰূপে— মানুহ; এই পদত বিভিন্ন কাৰকত বিভিন্ন বিভক্তি প্ৰয়োগ কৰি বেলেগ বেলেগ ৰূপ গঠন কৰিব পাৰি ঃ মানুহে (-এ), মানুহক (-অক), মানুহৰ (-অৰ), মানুহলৈ (-লৈ) আদি। তদুপৰি 'মানুহ' পদত আন কেতবোৰ প্ৰত্যয় বা সৰ্গ যেনে— বচনবাচক, নিৰ্দিষ্টতাবাচক, লিঙ্গবাচক আদি যোগ কৰিলেও ইয়াৰ ৰূপৰ পৰিৱৰ্তন ঘটাব পাৰি। সেইবাবে এনেবোৰ পদক সব্যয় পদ বুলি কোৱা হয়।

সব্যয় পদবোৰকো আকৌ গুণ আৰু কাৰ্যৰ ভিত্তিত দুটা ভাগত ভগোৱা হৈছে-

(১) ক্ৰিয়াপদ

(২) নামপদ

বাক্যত কোনো কাৰ্য হোৱা বা নোহোৱা, কৰা বা নকৰা, ঘটা বা নঘটা বুজোৱা পদবোৰেই হ'ল ক্ৰিয়াপদ। আনহাতে অব্যয় পদৰ বাহিৰে বাক্যত ক্ৰিয়াৰ কাৰ্য সম্পাদনত প্ৰত্যক্ষভাৱে সহায় কৰা বা নকৰা সকলো পদকেই নামপদ বোলা হয়। আন কথাত শব্দবিভক্তি বা বিভক্তিমূলক সৰ্গ যোগ হোৱা প্ৰতিটো নাম শব্দই নামপদ। নামপদবোৰকো আকৌ দুটা ভাগত ভাগ কৰা হয়—

(১) সম্বন্ধবাচক নামপদ

(২) সাধাৰণ নামপদ

সম্বন্ধবাচক নামপদবোৰ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক বিশেষ বৈশিষ্ট্যসূচক উপাদান। কিয়নো ভাৰতীয় আৰ্যভাষাবোৰৰ কোনো ভাষাতে এই বৈশিষ্ট্য পৰিলক্ষিত নহয়। আন নামপদৰ বিপৰীতে এই নামপদবোৰ বাক্যত ব্যৱহৃত হ'বলৈ হ'লে এইবোৰৰ পাছত একে সময়তে দুই ধৰণৰ বিভক্তি যোগ হয়। সেই দুই প্ৰকাৰৰ বিভক্তি হ'ল- পুৰুষবাচক বিভক্তি আৰু কাৰকবাচক বিভক্তি। কাৰকবাচক বিভক্তি যোগ হোৱাৰ আগতে পুৰুষবাচক বিভক্তিযুক্ত শব্দবোৰত প্ৰয়োজন অনুযায়ী নিৰ্দিষ্টতাবাচক বা বচনবাচক প্ৰত্যয় যোগ হ'ব পাৰে। যেনে— ভনীয়েৰহঁতক আৰু ককায়েকজনলৈ। 'ককায়েকজনলৈ'পদত ককাই সম্বন্ধবাচক পদৰ লগত -এক পুৰুষবাচক বিভক্তি, -জন নিৰ্দিষ্টতাবাচক প্ৰত্যয়, -লৈ কাৰক বিভক্তি। সেইদৰে 'ভনীয়েৰহঁতক' পদত ককাই সম্বন্ধবাচক পদৰ লগত -এৰ পুৰুষবাচক বিভক্তি, -হঁত বচনবাচক প্ৰত্যয়, -ক কাৰক বিভক্তি যোগ হৈছে। ইয়াৰ পৰা দেখা যায় যে সম্বন্ধবাচক নামপদবোৰ ৰূপগত দিশত সাধাৰণ নামপদতকৈ পৃথক এক শ্ৰেণীৰ বিশেষ বৈশিষ্ট্যসম্পন্ন নামপদ।

সাধাৰণ নামপদবোৰৰ আলোচনাই হ'ল পদৰ মূল ভাগ। বাক্যত পদৰ লগত পদৰ সঙ্গতি আৰু অৰ্থৰ ভিত্তিত সাধাৰণ নামপদক চাৰিটা ভাগত ভাগ কৰিব পাৰি-


১) বিশেষ্য

২) বিশেষণ

৩) সৰ্বনাম

৪) সংখ্যাবাচক শব্দ

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে পদৰ বহুকেইটা শাখা-প্ৰশাখা আছে। সামগ্ৰিকভাৱে পদৰ ভাগবোৰ তলত দেখুওৱা হ'ল—





অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পদৰ সংজ্ঞা দিয়ক। পদৰ মূল ভাগকেইটা লিখি ইয়াৰ শাখা প্ৰশাখাবোৰ দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....

৩.৫ বিশেষ্য আৰু ইয়াৰ ভাগ

সাধাৰণভাবে ক'বলৈ গ'লে নাম মাত্ৰেই বিশেষ্য। অৰ্থাৎ প্ৰত্যক্ষভাৱে নাম বুজোৱা পদবোৰেই বিশেষ্য। অন্য অৰ্থত ক'ব পাৰি দৃষ্ট অদৃষ্ট, ইন্দ্ৰিগাহ্য বা ইন্দ্ৰিয় বহিৰ্ভূত, প্ৰাণীবাচক বা অপ্ৰাণীবাচক যিকোনো প্ৰাণী, পদাৰ্থ বা ধাৰণাৰ নামেই বিশেষ্য। ৰূপগত দিশৰ পৰা বিশেষ্য পদৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— যিবোৰ শব্দত কাৰক বিভক্তি, বচনবাচক, লিঙ্গবাচক বা নিৰ্দিষ্টতা-অনিৰ্দিষ্টতাবাচক ইত্যাদি সৰ্গ যোগ হয় সেইবোৰেই বিশেষ্য শব্দ। বিশেষ্য পদ বেছিভাগেই একক ৰূপৰ। উদাহৰণ স্বৰূপে— ৰাম, হৰি, যদু, মধু, মানুহ, গৰু, হাতী, নৈ, পাহাৰ, আকাশ, গুৱাহাটী, ডিব্ৰুগড় ইত্যাদি। কিছুমান বিশেষ্য পদ প্ৰত্যয়যুক্ত হৈও গঠন হ'ব পাৰে। যেনে— সাধুতা, নম্ৰতা, জোনাক, ৰূপালী, সোণালী ইত্যাদি।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে বিশেষ্য পদৰ লগত অতি ওচৰ সম্পৰ্ক থকা পদটোৱেই হ'ল সৰ্বনাম পদ। বিশেষ্য পদৰ সলনি সৰ্বনাম পদৰ ব্যৱহাৰ হয়। অৰ্থাৎ বিশেষ্য আৰু সৰ্বনাম প্ৰকাৰান্তৰে একে ধৰণৰ পদ। ইহঁতে একেবোৰ বিভক্তিকে গ্ৰহণ কৰে আৰু বাক্যত ব্যৱহাৰৰ নিয়মো প্ৰায় একে। সেইবাবে এই দুয়োটা পদকে একেটা মূল পদৰে ভাগ বুলিব পাৰি।

বিশেষ্য পদৰ ভাগসমূহ ঃ

অর্থৰ দিশৰপৰা বিশেষ্য পদক পাঁচটা ভাগত ভাগ কৰিব পাৰি—

১) জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্য

২) বিশেষ সংজ্ঞাবাচক বিশেষ্য

৩) সমূহ বা সমষ্টিবাচক বিশেষ্য

৪) বস্তুবাচক বিশেষ্য

৫) গুণবাচক বিশেষ্য

গোলোকচন্দ্ৰ গোস্বামীয়ে বিশেষ্য পদক গঠন, প্ৰয়োগ আৰু অৰ্থৰ দিশৰ পৰা প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিছে।

১) সংজ্ঞাবাচক বিশেষ্য

২) সম্বন্ধবাচক বিশেষ্য

৩) গুণ বা ভাৱবাচক বিশেষ্য আৰু

৪) ক্ৰিয়াবাচক বিশেষ্য।

৩.৫.১ জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্য

যিবোৰ পদে কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ সংজ্ঞা বা নাম বুজায় সেইবোৰ পদকে জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিষেশ্য বোলা হয়। যেনে- জুই, পানী, নদী, পৰ্বত, মানুহ, গছ, হাতী, আকাশ, পৃথিৱী ইত্যাদি। মন কৰিব লগীয়া যে ইয়াত কোনো বিশেষ এটা প্ৰাণী, বিশেষ এটা বস্তু, বিশেষ এখন নদী বা বিশেষ কোনো পাহাৰক বুজোৱা নাই; সকলো নদী বা পাহাৰকে বুজাইছে।

৩.৫.২ বিশেষ সংজ্ঞাবাচক বিশেষ্য

যিবোৰ পদে সাধাৰণ সংজ্ঞাবাচক বিশেষ্যৰ মাজৰ পৰা কোনো বিশেষ বস্তু, ঠাইৰ নাম, মানুহ বা আন প্ৰাণীৰ নাম, বিশেষ একোটা পাহাৰ, বিশেষ একোখন নদী বা বিশেষ একোটা পাহাৰ আদিক স্পষ্টকৈ বুজায় সেইবোৰেই বিশেষ সংজ্ঞাবাচক বিশেষ্য। উদাহৰণ স্বৰূপে—

মন্দিৰা, অলকা, বন্দনা, মৃদুলা, কবিতা আদি ছোৱালী বা মহিলাৰ নাম। ছোৱালী বুলিলে সাধাৰণ সংজ্ঞাবাচক বিশেষ্য পদ হয়। কিন্তু মন্দিৰা, অলকা আদি একোটা নাম দি মাতিলে একোগৰাকী সেই নামৰ ছোৱালীক বুজায়।

সেইদৰে ব্ৰহ্মপুত্ৰ, শোৱণশিৰি, গঙ্গা, গোদাবৰী আদি একোখন নৈৰ নাম। হিমালয়, বিন্ধ্য আদি পৰ্বতৰ নাম, ৰামায়ণ, মহাভাৰত, কোৰণ, বাইবেল আদি ধৰ্মগ্ৰন্থৰ নাম, গুৱাহাটী, দিল্লী আদি ঠাইৰ নাম এই সকলোবোৰেই একো একোটা বিশেষ সংজ্ঞাবাচক বিশেষ্য পদ।

৩.৫.৩ সমূহ বা সমষ্টিবাচক বিশেষ্য

সমূহ বা সমষ্টিৰ নাম বুজোৱা পদবোৰক সমষ্টিবাচক বিশেষ্য পদ বোলা হয়। যেনে— সভা, সমিতি, পৰিষদ, সংস্থা, দল ইত্যাদি এই প্ৰকাৰৰ বিশেষ্য পদৰ উদাহৰণ।

৩.৫.৪ বস্তুবাচক বিশেষ্য

এই বিশেষ্যবোৰ এক প্ৰকাৰ জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্যৰ ভাগ বুলিব পাৰি। কিয়নো এই বিশেষ্যত কেৱল অপ্ৰাণীবাচক বস্তুৰ নাম যেনে- মাটি, পানী, কাঠ, বাঁহ, সোণ, ৰূপ, দাইল, চেনী, আলু ইত্যাদি অন্তৰ্ভুক্ত হয়।

৩.৫.৫ গুণবাচক বিশেষ্য

কিছুমান বিশেষ্য পদে কোনো ভাৱ, গুণ বা অৱস্থাৰ নাম বুজায়। এই বিশেষ্য পদবোৰ অমূৰ্ত ভাৱ প্ৰকাশক। মনৰ আৱেগ অনুভূতি, ভাৱ অথবা দোষ-গুণ, কৰ্ম আদিৰ নাম বুজোৱা বিশেষ্য পদবোৰকে গুণবাচক বিশেষ্য বোলা হয়। উদাহৰণ স্বৰূপে—

সাধুতা, নম্ৰতা, সৰলতা, দুষ্টালি, উদ্ভণ্ডালি, সুখ, দুখ, দয়া-মমতা, আনন্দ, বেজাৰ ইত্যাদি।

গুণবাচক বিশেষ্য দুই ধৰণে গঠন কৰিব পাৰি—

(ক) বিশেষণৰ লগত -তা বা ত্ব লগাই বিশেষ্য পদ পাব পাৰি। এনেবোৰ বিশেষ্যই ভাৱ বা স্বভাৱ বুজায়। যেনে—

বিশেষণ	বিশেষ্য	বিশেষণ	বিশেষ্য
সৰল	সৰলতা	গুৰু	গুৰুত্ব
চঞ্চল	চঞ্চলতা	লঘু	লঘুত্ব
আত্মীয়	আত্মীয়তা	দেৱ	দেৱত্ব
জড়	জড়ত্ব	মহৎ	মহত্ব ইত্যাদি।

(খ) সাধাৰণ সংজ্ঞাবাচক বিশেষ্য বা বিশেষণৰ পিছত -আলি আৰু -আমি প্ৰত্যয় সংযোগ কৰিও গুণবাচক বিশেষ্য পাব পাৰি। যেনে—

বিশেষণ	বিশেষ্য	বিশেষণ	বিশেষ্য
ল'ৰা	ল'ৰালি	গুণ্ডা	গুণ্ডামি
বেজ	বেজালি	ভণ্ড	ভণ্ডামি
মিতিৰ	মিতিৰালি	মূৰ্খ	মূৰ্খামি
মইমত	মইমতালি	পগলা	পাগলামি ইত্যাদি।

বিশেষ্য পদৰ আন কেতবোৰ ভাগ

ওপৰত আলোচনা কৰা ভাগবোৰৰ উপৰিও আন দুটমান বিভাগ ব্যাকৰণবিদসকলে দেখুৱাইছে। সেইবোৰ হ'ল—

(ক) সংজ্ঞাভাস বিশেষ্য

(খ) সম্বন্ধবাচক বিশেষ্য

(গ) ক্রিয়াবাচক বা কৃদন্ত বিশেষ্য

অসমীয়া ভাষাত এনে কিছুমান বিশেষ্য শব্দ আছে যিবোৰৰ প্রয়োগ সাধাৰণ সংজ্ঞাবাচক শব্দৰ দৰেই ; অথচ উপশব্দৰ দৰেও ইহঁতৰ প্রয়োগ হ'ব পাৰে। ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে তেনেবোৰ শব্দকে সংজ্ঞাভাস বিশেষ্য বোলে।

গোলোকচন্দ্র গোস্বামীয়ে সংজ্ঞাভাস শব্দবোৰক দুটা ভাগত ভাগ কৰিছে— আধাৰ বাচক সংজ্ঞাভাস শব্দ যেনে— ঘৰ, কাঁহী, বাতি, কলহ, পাচি, খৰাহি, গিলাচ, গাড়ী ইত্যাদি আৰু আনবিধ হ'ল— পৰিমাণবাচক সংজ্ঞাভাস শব্দ। যেনে— মোন, সেৰ, কিলোমিটাৰ, লিটাৰ, বিঘা, কঠা ইত্যাদি।

সম্বন্ধবাচক বিশেষ্য হ'ল সেইবোৰ পদ যিবোৰ পদে বংশগত, বৈবাহিক বা আনুষ্ঠানিকভাৱে পতা সম্বন্ধক বুজায়। যেনে— দেউতা, আইতা, মা, মামা, মামী, পেহী, সখি আদি। সম্বন্ধ বুজোৱা পদবোৰক কেৱল অর্থৰ দিশলৈ চালে এই পদবোৰ সাধাৰণ সংজ্ঞাবাচক পদৰ ভিতৰত ধৰিব পাৰি। কিন্তু এইবোৰক বেলেগ একোটা পদৰ অন্তর্ভুক্ত কৰাৰ যুক্তি এয়ে যে সাধাৰণ সংজ্ঞাবাচক পদবোৰ পুৰুষ নিৰপেক্ষ, অর্থাৎ ইহঁতৰ পুৰুষ নাই। কিন্তু সম্বন্ধবাচক বিশেষ্যবোৰ পুৰুষযুক্ত কিয়নো সম্বন্ধবাচক পদবোৰে উত্তম, মধ্যম মান্য, মধ্যম তুচ্ছ আৰু নামপুৰুষ -এই চাৰিটা পুৰুষৰ লগত সংগতি ৰাখিবলৈ পুৰুষবাচক বিভক্তি গ্রহণ কৰে।

বিশেষ্যৰ আন এটা প্রকাৰ হৈছে ক্রিয়াবাচক বিশেষ্য বা কৃদন্ত বিশেষ্য। ক্রিয়াবাচক বিশেষ্য পদবোৰ দৰাচলতে ক্রিয়া পদৰ মূল, অর্থাৎ ধাতুৰ পৰাই তৈয়াৰ হয়। ধাতুবোৰে একোটা একো কার্য হোৱা, কৰা বা ঘটা অথবা, ইহঁতৰ নঞর্থক ভাৱ প্রকাশ কৰে। সেই কাৰণেহে ক্রিয়াবাচক বিশেষ্যবোৰবো অর্থ তেনে ধৰণৰ। ধাতুৰ লগত বিভিন্ন প্রত্যয়ৰ যোগত ক্রিয়াবাচক বিশেষ্য গঠিত হয়। সেই কাৰণে গঠন আৰু প্রয়োগভেদে ক্রিয়াবাচক বা কৃদন্ত বিশেষ্য তিনি প্রকাৰে পোৱা যায়। যেনে

(ক) -অন প্রত্যয়ান্ত (খাৱন, শোৱন, উৰণ, বুৰণ, দিয়ন ইত্যাদি)

(খ) -আ প্রত্যয়ান্ত আৰু (পঢ়া, শোৱা, খোৱা, যোৱা ইত্যাদি)

(গ) -ইব/-ব প্রত্যয়ান্ত (শুনিব, কৰিব, পঢ়িব, খাব, পাব ইত্যাদি)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিশেষ্য পদৰ সংজ্ঞা দিয়ক। বিশেষ্য পদৰ ভাগ-উপবিভাগবোৰ দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বাধীনভাৱে অর্থ প্রকাশ কৰা মূল ৰূপ বা প্রকৃতিবোৰক বহল অর্থত শব্দ বুলিও অভিহিত কৰা হয়। ব্যাকৰণবোৰত শব্দৰ বিভিন্ন সংজ্ঞা পোৱা যায় যদিও সাধাৰণতে এটা বা একাধিক বর্ণৰে গঠিত অর্থযুক্ত ৰূপটোকে শব্দ বোলা হয়।
- শব্দবোৰে যেতিয়া প্রয়োজন সাপেক্ষে বিভিন্ন সর্গৰ লগত যুক্ত হৈ মনৰ ভাব প্রকাশ স্পষ্ট আৰু সম্পূর্ণভাৱে প্রকাশ কৰে, তেতিয়াই সি বাক্য আখ্যা পায়। বাক্যৰ শব্দবোৰ বিশ্লেষণ কৰিলে কিছুমান শব্দত বিভিন্ন ধৰণৰ বিভক্তি লগ লগা আৰু কিছুমান শব্দত বিভক্তি নলগা শব্দ পোৱা যায়। এনেদৰে বিভক্তিযুক্ত হৈয়ে হওক বা বিভক্তিহীন হৈয়ে হওক প্রত্যেকে নিজ নিজ অর্থৰ দ্বাৰাই বাক্যৰ আন শব্দৰ লগত সম্পর্ক স্থাপন কৰে। এইদৰে বাক্যত ব্যৱহৃত বিভক্তিযুক্ত আৰু বিভক্তিহীন প্রত্যেক শব্দকে পদ বোলে।
- গঠন আৰু প্রকৃতিৰ ওপৰত ভিত্তি কৰি পদবোৰক দুটা ভাগত ভগাব পাৰি— (ক) অব্যয় পদ আৰু (খ) সব্যয় পদ

  বাক্যত ব্যৱহৃত যিবোৰ পদত কোনো বিভক্তি যোগ নহয় অথবা যিবোৰ পদৰ কোনো সাল সলনি নহয় সেইবোৰ পদেই অব্যয় পদ। আনহাতে বাক্যত ব্যৱহৃত যিবোৰ পদত বিভিন্ন সর্গ বা বিভক্তি যোগ হয় আৰু সর্গ বা বিভক্তি অনুযায়ী সিহঁতৰ ৰূপত পৰিৱর্তন হয়, সেইবোৰ পদকেই সব্যয় পদ বোলা হয়।
- সব্যয় পদবোৰকো আকৌ গুণ আৰু কার্যৰ ভিত্তিত দুটা ভাগত ভগোৱা হৈছে— (ক) ক্রিয়াপদ আৰু (খ) নামপদ। বাক্যত কোনো কার্য হোৱা বা নোহোৱা, কৰা বা নকৰা, ঘটা বা নঘটা বুজোৱা পদবোৰেই হ'ল ক্রিয়াপদ। আনহাতে অব্যয় পদৰ বাহিৰে বাক্যত ক্রিয়াৰ কার্য সম্পাদনত প্রত্যক্ষভাৱে সহায় কৰা বা নকৰা সকলো পদকেই নামপদ বোলা হয়। আন কথাত শব্দবিভক্তি বা বিভক্তিমূলক সর্গ যোগ হোৱা প্রতিটো নাম শব্দই নামপদ।
- নামপদবোৰক সম্বন্ধবাচক নামপদ আৰু সাধাৰণ নামপদ নামেৰে দুটা ভাগত ভাগ কৰা হয়। অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক বিশেষ বৈশিষ্ট্যসূচক উপাদান সম্বন্ধবাচক

নামপদবোৰ বাক্যত ব্যৱহৃত হ'বলৈ হ'লে ইবোৰ পাছত একে সময়তে পুৰুষবাচক বিভক্তি আৰু কাৰকবাচক এই দুই ধৰণৰ বিভক্তি যোগ হয়। সেয়ে সম্বন্ধবাচক নামপদবোৰ ৰূপগত দিশত সাধাৰণ নামপদতকৈ পৃথক এক শ্ৰেণীৰ বিশেষ বৈশিষ্ট্য সম্পন্ন নামপদ বুলি ধৰা হয়। সাধাৰণ নামপদবোৰৰ আলোচনাই হ'ল পদৰ মূল ভাগ। বাক্যত পদৰ লগত পদৰ সঙ্গতি আৰু অৰ্থৰ ভিত্তিত সাধাৰণ নামপদক চাৰিটা ভাগত ভাগ কৰিব পাৰি— বিশেষ্য, বিশেষণ, সৰ্বনাম, সংখ্যাবচক শব্দ।

- সাধাৰণভাবে ক'বলৈ গ'লে নাম মাত্ৰেই বিশেষ্য। অৰ্থাৎ প্ৰত্যক্ষভাৱে নাম বুজোৱা পদবোৰেই বিশেষ্য। অন্য অৰ্থত ক'ব পাৰি দৃষ্ট-অদৃষ্ট, ইন্দ্ৰিগাহ্য বা ইন্দ্ৰিয় বৰ্হিভুত, প্ৰাণীবাচক বা অপ্ৰাণীবাচক যিকোনো প্ৰাণী, পদাৰ্থ বা ধাৰণাৰ নামহৈ বিশেষ্য। ৰূপগত দিশৰ পৰা ক'বলৈ গ'লে যিবোৰ শব্দত কাৰক বিভক্তি, বচনবাচক, লিঙ্গবাচক বা নিৰ্দিষ্টতা-অনিৰ্দিষ্টতাবাচক ইত্যাদি সৰ্গ যোগ হয় সেইবোৰেই বিশেষ্য শব্দ। বিশেষ্য পদ বেছিভাগেই একক ৰূপৰ। উদাহৰণ স্বৰূপে- ৰাম, হৰি, যদু, মধু, মানুহ, গৰু, হাতী, নৈ, পাহাৰ, আকাশ, গুৱাহাটী, ডিব্ৰুগড় ইত্যাদি। কিছুমান বিশেষ্যপদ প্ৰত্যয়যুক্ত হৈ গঠন হ'ব পাৰে। যেনে— সাধুতা, নম্ৰতা, জোনাক, ৰূপালী, সোণালী ইত্যাদি।
- অৰ্থৰ দিশৰপৰা বিশেষ্য পদক জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক, বিশেষ সংজ্ঞাবাচক, সমূহ বা সমষ্টিবাচক, বস্তুবাচক, গুণবাচক আদি ভাগত ভগাব পাৰি।
- গোলোকচন্দ্ৰ গোস্বামীয়ে বিশেষ্য পদক গঠন, প্ৰয়োগ আৰু অৰ্থৰ দিশৰ পৰা প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল—১) সংজ্ঞাবাচক ২) সম্বন্ধবাচক ৩) গুণ বা ভাববাচক আৰু ৪) ক্ৰিয়াবাচক বিশেষ্য।
- যিবোৰ পদে কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ সংজ্ঞা বা নাম বুজাই সেইবোৰ পদকে জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্য বোলা হয়। যেনে— জুই, পানী, নদী, পৰ্বত, মানুহ, গছ, হাতী, আকাশ, পৃথিৱী ইত্যাদি।
- যিবোৰ পদে সাধাৰণ সংজ্ঞাবাচক বিশেষ্যৰ মাজৰ পৰা কোনো বিশেষ বস্তু, ঠাইৰ নাম, মানুহ বা আন প্ৰাণীৰ নাম, বিশেষ একোটা পাহাৰ বা বিশেষ একোখন নদী আদিক স্পষ্টকৈ বুজায় সেইবোৰেই বিশেষ সংজ্ঞাবাচক বিশেষ্য। যেনে— মন্দিৰা, অলকা, বন্দনা, মৃদুলা, ব্ৰহ্মপুত্ৰ, শোৱণশিৰি, ৰামায়ণ, মহাভাৰত, কোৰণ, বাইবেল, গুৱাহাটী, দিল্লী আদি একো একোটা বিশেষ সংজ্ঞাবাচক বিশেষ্য পদ।
- সমূহ বা সমষ্টিৰ নাম বুজোৱা পদবোৰক সমষ্টিবাচক বিশেষ্য পদ বোলা হয়। যেনে— সভা, সমিতি, পৰিষদ, সংস্থা, দল ইত্যাদি।
- এই বিশেষ্যবোৰ এক প্ৰকাৰ জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্যৰ ভাগ বুলিব পাৰি। কিয়নো এই বিশেষ্যত কেৱল অপ্ৰাণীবাচক বস্তুৰ নাম যেনে— মাটি, পানী, কাঠ, বাঁহ, সোণ, ৰূপ, দাইল, চেনী, আলু ইত্যাদি।

- কিছুমান বিশেষ্য পদে কোনো ভাব, গুণ বা অৱস্থাৰ নাম বুজায়। এই বিশেষ্য পদবোৰ অমূর্ত ভাব প্রকাশক। মনৰ আৱেগ অনুভূতি, ভাৱ অথবা দোষ-গুণ, কর্ম আদিৰ নাম বুজোৱা বিশেষ্য পদবোৰকে গুণবাচক বিশেষ্য বোলা হয়। উদাহৰণ স্বৰূপে— সাধুতা, নম্রতা, সৰলতা, দুষ্টালি, উদ্ভণ্ডালি, সুখ, দুখ, দয়া-মমতা, আনন্দ, বেজাৰ ইত্যাদি।
- গুণবাচক বিশেষ্য দুই ধৰণে গঠন কৰি পাৰি- বিশেষণৰ লগত -তা বা ত্ব লগাই (সৰল-সৰলতা, গুৰু -গুৰুত্ব, চঞ্চল- চঞ্চলতা, লঘু- লঘুত্ব) আৰু সাধাৰণ সজ্ঞাবাচক বিশেষ্য বা বিশেষণৰ পিছত -আলি আৰু -আমি প্রত্যয় সংযোগ কৰি (ল'ৰা- ল'ৰালি, গুণ্ডা- গুণ্ডামি, বেজ- বেজালি)।
- ব্যাকৰণবিদসকলে দেখুওৱা বিশেষ্যৰ আন কেতবোৰ ভাগ হ'ল— সংজ্ঞাভাস বিশেষ্য, সম্বন্ধবাচক বিশেষ্য, ক্রিয়াবাচক বা কৃদন্ত বিশেষ্য।
- অসমীয়া ভাষাত এনে কিছুমান বিশেষ্য শব্দ আছে যিবোৰৰ প্রয়োগ সাধাৰণ সংজ্ঞাবাচক শব্দৰ দৰেই ; অথচ উপশব্দৰ দৰেও ইহঁতৰ প্রয়োগ হ'ব পৰা শব্দকে সংজ্ঞাভাস বিশেষ্য বোলে। গোলোকচন্দ্র গোস্বামীয়ে সংজ্ঞাভাস শব্দবোৰক আধাৰ বাচক (ঘৰ, কাঁহী, বাতি, কলহ, পাচি, খৰাহি, গিলাচ, গাড়ী ইত্যাদি) আৰু পৰিমাণবাচক (মোন, সেৰ, কিলোমিটাৰ, লিটাৰ, বিঘা, কঠা ইত্যাদি) ৰূপে দুটা ভাগত ভাগ কৰিছে।
- সম্বন্ধবাচক বিশেষ্য হ'ল সেইবোৰ পদ যিবোৰে বংশগত, বৈবাহিক বা আনুষ্ঠানিকভাৱে পতা সম্বন্ধ বুজায়। যেনে- দেউতা, আইতা, মা, মামা, মামী, পেহী, সখি আদি। সম্বন্ধ বুজোৱা পদবোৰ দেখাত সাধাৰণ সংজ্ঞাবাচক পদৰ দৰে যদিও সাধাৰণ সংজ্ঞাবাচক পদবোৰ পুৰুষ নিৰপেক্ষ, অর্থাৎ ইহঁতৰ পুৰুষ নাই। কিন্তু সম্বন্ধবাচক বিশেষ্যবোৰ পুৰুষযুক্ত। সম্বন্ধবাচক বিশেষ্য পদবোৰে উত্তম, মধ্যম মান্য, মধ্যম তুচ্ছ আৰু নামপুৰুষ -এই চাৰিটা পুৰুষৰ লগত সংগতি ৰাখিবলৈ পুৰুষবাচক বিভক্তি গ্রহণ কৰে।
- ক্রিয়াবাচক বিশেষ্য পদবোৰ দৰাচলতে ক্রিয়া পদৰ মূল, অর্থাৎ ধাতুৰ পৰাই তৈয়াৰ হয়। ধাতুবোৰে একো একোটা কার্য হোৱা, কৰা বা ঘটা অথবা, ইহঁতৰ নঞৰ্থক ভাব প্রকাশ কৰে।
- গঠন আৰু প্রয়োগভেদে ক্রিয়াবাচক বা কৃদন্ত বিশেষ্য তিনি প্রকাৰে পোৱা যায়। যেনে—

  (ক) -অন প্রত্যয়ান্ত (খাৱন, শোৱন, উৰণ, বুৰণ, দিয়ন ইত্যাদি)

  (খ) -আ প্রত্যয়ান্ত আৰু (পঢ়া, শোৱা, খোৱা, যোৱা ইত্যাদি)

  (গ) -ইব/-ব প্রত্যয়ান্ত (শুনিব, কৰিব, পঢ়িব, খাব, পাব ইত্যাদি)



৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৯) ঃ *অসমীয়া ভাষাৰ ৰূপকথা,* গুৱাহাটী ঃ মণি মাণিক প্ৰকাশন, পানবজাৰ।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭) ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি মাণিক প্ৰকাশন, পানবজাৰ।

৩) গোস্বামী, গোলোক চন্দ্র (২০১০) ঃ *অসমীয়া ব্যাকৰণ প্ৰৱেশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, গোলোক চন্দ্র (২০০৮) ঃ *অসমীয়া ব্যাকৰণ ব্যাকৰণৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) বৰা শইকীয়া, লীলাৱতী (২০০৬) ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

৬) পাঠক, ৰমেশ (১৯৮৮) ঃ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।


৭) মৰুল, ভগবান (২০০৯) ঃ *অসমীয়া ব্যাকৰণ জ্যোতি,* অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী, অষ্টাদশ সংস্কৰণ।

৮) বৰা, সত্যনাথ (২০১২) ঃ বহল ব্যাকৰণ (ৰমেশ পাঠকৰ দ্বাৰা সম্পাদিত), অশোক বুক ষ্টল, গুৱাহাটী, পঞ্চম পৰিবৰ্হিত আৰু সংশোধিত সংস্কৰণ।

৯) কাকতি, বাণীকান্ত, (অনু. হাজৰিকা, বিশ্বেশ্বৰ) (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ,* বৰপেটা সাহিত্য সভাৰ হৈ বীণা লাইব্ৰেৰী, গুৱাহাটী।

১০) মেধি, কালিৰাম (১৯৯৯) ঃ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১১) কোঁৱৰ, অর্পণা; ২০০২ ঃ *ভাষাবিজ্ঞান উপক্রমণিকা,* ডিব্রুগড় ঃ বনলতা।



৩.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ শব্দবোৰে যেতিয়া প্রয়োজন সাপেক্ষে বিভিন্ন সর্গৰ লগত যুক্ত হৈ মনৰ ভাৱ প্রকাশ স্পষ্ট আৰু সম্পূর্ণভাৱে প্রকাশ কৰে, তেতিয়াই সি বাক্য আখ্যা পায়। বাক্যৰ শব্দবোৰ বিশ্লেষণ কৰিলে কিছুমান শব্দত বিভিন্ন ধৰণৰ বিভক্তি লগ লগা আৰু কিছুমান শব্দত বিভক্তি নলগা শব্দ পোৱা যায়। এনেদৰে বিভক্তিযুক্ত হৈয়ে

হওক বা বিভক্তিহীন হৈয়ে হওক প্রত্যেকে নিজ নিজ অর্থৰ দ্বাৰাই বাক্যৰ আন শব্দৰ লগত সম্পর্ক স্থাপন কৰে। এইদৰে বাক্যত ব্যৱহৃত বিভক্তিযুক্ত আৰু বিভক্তিহীন প্রত্যেক শব্দকে পদ বোলে।

অধ্যায়টিৰ ৩.৪ দফাৰ অন্তর্গতভাৱে পদৰ যিবোৰ ভাগ দেখুওৱা হৈছে, সেইসমূহ উল্লেখ কৰক। ৰেখাচিত্রখনো সংযোগ কৰিব পাৰে।

২নং প্রশ্নৰ উত্তৰ ঃসাধাৰণভাবে ক'বলৈ গ'লে নাম মাত্রেই বিশেষ্য। অর্থাৎ প্রত্যক্ষভাৱে নাম বুজোৱা পদবোৰেই বিশেষ্য। অন্য অর্থত ক'ব পাৰি দৃষ্ট অদৃষ্ট, ইন্দ্রিগাহ্য বা ইন্দ্রিয় বর্হিভুত, প্রাণীবাচক বা অপ্রাণীবাচক যিকোনো প্রাণী, পদার্থ বা ধাৰণাৰ নামেই বিশেষ্য। ৰূপগত দিশৰ পৰা ক'বলৈ গ'লে যিবোৰ শব্দত কাৰক বিভক্তি, বচনবাচক, লিঙ্গবাচক বা নির্দিষ্টতা-অনিদিষ্টতাবাচক ইত্যাদি সর্গ যোগ হয় সেইবোৰেই বিশেষ্য শব্দ। লগতে পর্যাপ্ত উদাহৰণ দিব।

অধ্যায়টিৰ ৩.৫ দফাৰ অন্তর্গতভাৱে বিশেষ্য পদৰ যিবোৰ ভাগ দেখুওৱা হৈছে, সেইসমূহ উল্লেখ কৰক। ৰেখাচিত্র সংযোগ কৰিব পাৰে।



৩.১০ আৰ্হি প্রশ্ন ঃ

প্রশ্ন ১ ঃ পদৰ সংজ্ঞা দিয়ক। পদৰ মূল ভাগকেইটা লিখি ইয়াৰ শাখা প্রশাখাবোৰ দেখুৱাওক।

প্রশ্ন ২ ঃ বিশেষ্য পদৰ সংজ্ঞা দিয়ক। বিশেষ্য পদৰ ভাগ-উপবিভাগবোৰ দেখুৱাওক।

প্রশ্ন ৩ ঃ পদ প্রধানতঃ কেইবিধ আৰু কি কি? কিহ'ৰ ভিত্তিত পদবোৰৰ শ্রেণীবিভাগ কৰা হৈছে লিখক।

প্রশ্ন ৪ ঃ গুণবাচক বিশেষ্য কাক বোলে? গুণবাচক বিশেষ্যৰ গঠন দেখুৱাওক।

*** ***** ***

অধ্যায় ৪ ঃ বিশেষণ আৰু বিশেষণৰ তুলনা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বিশেষণৰ পৰিচয়
৪.৩.১ বিশেষণৰ শ্রেণীবিভাগ
৪.৪ বিশেষণৰ তুলনা
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বিশেষণ পদ সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব
- বিশেষণ পদবোৰক বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। অসমীয়া ভাষাৰ বিশেষণ পদবোৰক কি কি ভাগত কেনেদৰে শ্রেণীবিভাগ কৰিব পাৰি সেই সম্পর্কে অৱগত হ'ব পাৰিব
- অসমীয়া ভাষাত বিশেষণৰ তুলনা এটা মন কৰিবলগীয়া বিষয়। অয়মীয়া ভাষাত কি কি পদ্ধতিৰে বিশেষণৰ তুলনা কৰিব পাৰি সেই বিষয়েও অধ্যায়টোৰ পৰা জানিব পাৰিব
- অন্যান্য পদক বিশেষভাৱে প্রকাশ কৰাৰ ক্ষেত্রত বিশেষণ পদে কিদৰে সহায় কৰে সেই কথা এই অধ্যায়টোৰ জৰিয়তে জানিবলৈ সুবিধা পাব। মুঠতে বিশেষণ সম্পর্কীয় এই আটাইখিনি কথা এই অধ্যায়টোৰ জৰিয়তে জানিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় 'প্রাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল চতুর্থ অধ্যায়। অধ্যায়টোৰ শিৰোনাম হৈছে 'বিশেষণ আৰু বিশেষণৰ তুলনা' এই অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ বিশেষণ পদ সম্পর্কীয় সকলোবোৰ কথা আলোচনা কৰা হৈছে। অর্থাৎ অধ্যায়টোত বিশেষণৰ পৰিচয়, বিশেষণৰ প্রভাৱ বা শ্রেণীবিভাগ, বিভিন্ন প্রকাৰৰ বিশেষণৰ চমু পৰিচয়,

বিশেষণৰ তুলনা ইত্যাদি বিভিন্ন দিশ আলোচনা কৰা হৈছে। এই অধ্যায়টোত সন্নিবিষ্ট হোৱা বিষয়সমূহে ভাষা শাখাৰ শিক্ষার্থীসকলক অসমীয়া ভাষাৰ বিশেষণ পদ সম্পর্কে এক সাম্যক ধাৰণা দিব পাৰিব বুলি আশা কৰিব পাৰি।

৪.৩ বিশেষণৰ পৰিচয়

ৰূপতত্ত্বৰ এক গুৰুত্বপূর্ণ দিশ হ'ল বিশেষণ। বাক্যত ব্যৱহৃত সব্যয় আৰু অব্যয় পদবোৰৰ ভিতৰত সব্যয় পদবোৰক দুটা ভাগত ভগাব পাৰি। এবিধ নামপদ আৰু আনবিধ ক্রিয়াপদ। নামপদসমূহক সিহঁতৰ প্রয়োগ আৰু বৈশিষ্ট্য অনুযায়ী তিনিটা ভাগত ভাগ কৰা হৈছে — (ক) বিশেষ্য পদ (খ) বিশেষণ পদ আৰু (গ) সর্বনাম পদ। গতিকে বাক্যত ব্যৱহৃত পদবোৰৰ ভিতৰত বিশেষণ পদসমূহ অন্যতম।

যিবোৰ পদে বিশেষ্য পদ বা আন পদৰ বিষয়ে বিশেষভাৱে বুজায় সেইবোৰ হ'ল বিশেষণ পদ। অর্থাৎ বিশেষণ পদবোৰে বিশেষ্য বা আন পদৰ দোষ-গুণ, অৱস্থা, পৰিমাণ, সংখ্যা আদি প্রকাশ কৰে। মন কৰিবলগীয়া কথা এই যে বিশেষণ পদবোৰ অব্যয় পদৰ দৰে বাক্যত প্রয়োগ হয়। অর্থাৎ অসমীয়া ভাষাত বিশেষণ পদৰ ৰূপ নহয় বা কোনো বিভক্তি যোগ নহয়। নিদর্শন স্বৰূপে—

(ক) আমি সদায় বিশুদ্ধ পানী সেৱন কৰিব লাগে।

(খ) ৰঙা পদুমেৰে পুখুৰীটো জকমকাই আছে।

(গ) প্রচণ্ড বতাহে বাৰীৰ গছ-গছনি ভাঙি শেষ কৰিলে।

(ঘ) বিশাল ব্রহ্মপুত্রৰ বুকুত নাওখন জাহ গ'ল।

(ঙ) খৰাং বতৰত খেতি ভাল নহয়।

ওপৰৰ উদাহৰণকেইটাত উল্লিখিত বিশুদ্ধ, ৰঙা, প্রচণ্ড, বিশাল, খৰাং আদি পদকেইটা বিশেষণ পদ। এই পদকেইটাত কোনো ধৰণৰ প্রত্যয়, বিভক্তি যোগ হোৱা নাই। বাক্যত পদকেইটা অকলে ব্যৱহৰ হৈ পানী, পদুম, বতাহ, ব্রহ্মপুত্র, বতৰ - এই পদকেইটাক বিশেষভাৱে প্রকাশ কৰিছে। অর্থাৎ বিশেষণ পদবোৰ বাক্যত বিশেষণ ৰূপে প্রয়োগ হ'লে বিভক্তি যোগ নহয়। কিন্তু বিশেষণ পদত বিভক্তি যোগ হ'লে সিহঁত বিশেষ্য পদৰ দৰে প্রয়োগ হয়। নিদর্শন স্বৰূপে—

(ক) ভালৰ ভাল মাছটোহে আনিবা।

(ক) ছোৱালীজনী ভালত পৰাত মাক-দেউতাকে বৰ সুখ পালে।

(গ) ভাললৈ চাওতে ফল বেয়াহে হ'ল।

বাক্যকেইটাত ব্যৱহৃত ভালৰ, ভালত, ভালকৈ আদি পদত নাম বিভক্তি যোগ হৈছে আৰু পদকেইটা বিশেষণৰ দৰে প্রয়োগ নহৈ বিশেষ্যৰ দৰে ব্যৱহাৰ হৈছে। গতিকে বিশেষণৰ লগত নামবিভক্তি যোগ হ'লে সিহঁত নামপদ বা বিশেষ্য পদ ৰূপে প্রয়োগ হয়। অৱশ্যে সকলো বিশেষণতে নামবিভক্তি যোগ নহয়।

অসমীয়া ভাষাৰ বিশেষণলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাত বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণৰ লিঙ্গ নহয়। কিন্তু সংস্কৃত ভাষাত বিশেষ্যৰ যি লিঙ্গ আৰু বচন বিশেষণৰো সেই লিঙ্গ আৰু বচন হয়। যেনে— সুন্দৰ ঃ বালক ঃ সুন্দৰী বালিকা। কিন্তু অসমীয়া এইদৰে বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণৰ লিঙ্গ পৰিৱৰ্তন নহয়। যেনে— ভাল ল'ৰা — ভাল ছোৱালী। কিন্তু সংস্কৃতৰ আৰ্হিত অসমীয়া ভাষাতো কিছুমান বিশেষণৰ বিশেষ্যৰ লিঙ্গ অনুযায়ী পৰিৱৰ্তন ঘটা দেখা যায়। নিদৰ্শন স্বৰূপে—

অজলা ককাই — আজলী নবৌ
ৰূপহ কোঁৱৰ — ৰূপহী কুঁৱৰী
বিদ্বান পুৰুষ — বিদূষী মহিলা
বুদ্ধিমান ল'ৰা — বুদ্ধিমতী ছোৱালী

পগলা ল'ৰা — পাগলী ছোৱালী ইত্যাদি। অৱশ্যে অসমীয়া ভাষাত বিশেষণৰ এনে লিঙ্গ পৰিৱৰ্তন অপৰিহাৰ্য নহয়।

৪.৩.১ বিশেষণৰ শ্রেণীবিভাগ

অসমীয়া ভাষাত বাক্যত ব্যৱহাৰ হওঁতে সাধাৰণতে বিশেষণ পদবোৰ বিশেষ্য বা আন পদৰ আগত বহে আৰু সেই পদবোৰৰ লগত এক বিশেষ সম্পর্ক স্থাপন কৰে। অসমীয়া ভাষাৰ বিশেষণ পদবোৰক বিভিন্ন ভাগত ভগাব পাৰি। অর্থাৎ বাক্যত বিশেষণৰ স্থান আৰু আন পদৰ লগত থকা সম্পর্কৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ বিশেষণ পদবোৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগকেইটা হ'ল—

(i) বিশেষ্যৰ বিশেষণ
(ii) বিশেষণীয় বিশেষণ
(iii) সর্বনামীয় বিশেষণ আৰু
(iv) ক্রিয়া বিশেষণ।

অৱশ্যে, ভাষাবিদ গোলোক চন্দ্র গোস্বামীয়ে বিশেষণবোৰক তিনিটা ভাগত ভাগ কৰিছে। আর্থাৎ তেওঁ বিশেষ্য আৰু সর্বনামৰ বিশেষণবোৰক নাম বিশেষণ নামেৰে এটা ভাগত অন্তর্ভুক্ত কৰিছে। তলত অসমীয়া ভাষাৰ এই আটাইকেইবিধ বিশেষণৰ চুম পৰিচয় দাঙি ধৰা হ'ল—

বিশেষ্যৰ বিশেষণ ঃ যিবোৰ বিশেষণ পদে বিশেষ্য পদৰ দোষ, গুণ, সংখ্যা পৰিমাণ, অৱস্থা আদি বুজায় তেনে বিশেষণ পদক বিশেষ্যৰ বিশেষণ বোলা হয়। বিশেষ্যৰ বিশেষণবোৰ সদায় বিশেষ্যৰ আগত প্রয়োগ হয়। যেনে— ভাল মানুহ, ওখ গছ, গৰম চাহ, ঠাণ্ডা বতাহ, শীতল পানী, ক'লা সাপ, তিতা কেৰেলা,

বগা কাপোৰ ইত্যাদি। কেতিয়াবা অৱশ্যে বিশেষণ পদটো বিশেষ্য পদৰ পিছতো বহা দেখা যায়। যেনে—

(i) ঘটনাটোৰ পৰিণতি বৰ দুখজনক।

(ii) কুকুৰ বৰ প্ৰভুভক্ত প্ৰাণী।

(iii) ঈশ্বৰ কৰুণাময়।

(iv) গঙ্গা নদী হিন্দুসকলৰ পৱিত্ৰ নদী।

বিশেষ্যৰ বিশেষণবোৰক গুণবাচক, অৱস্থাবাচক, সংখ্যাবাচক বা পৰিমাণবাচক, বৰ্ণবাচক আদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি। নিদৰ্শন স্বৰূপে—

গুণবাচক বিশেষ্য ঃ বৰ উদাৰ পুৰুষ, জ্ঞানী ল'ৰা, বুদ্ধিমতী ছোৱালী, সুগন্ধিফুল, বেয়া বগৰী আদি।

অৱস্থাবাচক বিশেষ্য ঃ বেয়া বতৰ, কোমল চাউল, ঠাণ্ডা পানী, ঘোৰ বাৰিষা, ধনী মানুহ আদি।

সংখ্যাবাচক বিশেষ্য ঃ হাজাৰ টকা, বহুত মানুহ, অনেক লোক, অগাধ সম্পদ, পহিলা বহাগ আদি।

বৰ্ণবাচক বিশেষ্য ঃ নীলা আকাশ, বগা কাপোৰ, ৰঙা গোলাপ, কজলা গৰু ইত্যাদি।

বিশেষ্যৰ বিশেষণবোৰ কেতিয়াবা বিশেষ পৰিস্থিতিত পুনৰুক্ত হৈ প্ৰয়োগ হোৱা দেখা যায়। তেতিয়া ই বহুবচনৰ অৰ্থ প্ৰকাশ কৰে। যেনে— ৰঙা ৰঙা ফুল, ওখ ওখ পাহাৰ, সৰু সৰু ল'ৰা, ক'লা ক'লা কুকুৰ, ভাল ভাল কিতাপ, ধুনীয়া ধুনীয়া ছোৱালী আদি।

বিশেষণীয় বিশেষণ ঃ যিবোৰ বিশেষণ পদ আন বিশেষণ পদৰ আগত বহি বিশেষণ পদবোৰৰ দোষ, গুণ, অৱস্থা, পৰিমাণ আদি বিশেষভভাৱে প্ৰকাশ কৰে তেনেবোৰ বিশেষণক বিশেষণীয় বিশেষণ বোলা হয়। নিদৰ্শন স্বৰূপে— নিচেই তাকৰ ভাত, অতি মৰমিয়াল মানুহ, বৰ ভাল বন্ধু, বৰ শান্ত ছোৱালী, মানুহটো অতি অঘাইটং চোৰ, বৰ বেঙা ল'ৰা, অতি ভাল শিক্ষক, টিকটিকীয়া ৰঙা ফুল ইত্যাদি। এনে ধৰণৰ বিশেষণবোৰে বিশেষণৰ আগত বহি বিশেষণ পদটোক বিশেষভাৱে প্ৰকাশ কৰিছে। অৰ্থাৎ এই উদাহৰকেইটাত নিচেই, অতি, বৰ, টিকটিকীয়া আদি বিশেষণকেইটাই আন বিশেষণৰ গুণৰ মাত্ৰাধিক্য বুজাইছে। সেয়ে ইহঁত বিশেষণীয় বিশেষণ।

বিশেষণীয় বিশেষণবোৰ সদায় অব্যয় ৰূপে প্ৰয়োগ হয়। এনে বিশেষণবোৰে যিটো বিশেষণক বিশেষভাৱে বুজায় সেই বিশেষণৰ আগত ব্যৱহাৰ হয়। বিশেষণীয় বিশেষণবোৰ কেতিয়াবা নাম বিশেষণৰ দৰে প্ৰয়োগ হয়। নাম বিশেষণৰ দৰে প্ৰয়োগ হ'লে কোনো কোনো বিশেষণীয় বিশেষণ পুনৰুক্ত হ'ব

পাৰে। নিদৰ্শন স্বৰূপে—

(i) বৰ বৰ কথা আৰু সহ্য কৰি থাকিব নোৱাৰি।

(ii) দৰকাৰতকৈ বেছি বেছি আহাৰ খোৱা উচিত নহয়। আদি।

কেতিয়াবা বিশেষণীয় বিশেষণৰ একেলগে একাধিক প্রয়োগ হোৱা দেখা যায়। নিদৰ্শন স্বৰূপে—

(i) ছোৱালীজনী অতি বেছি শান্ত।

(ii) ল'ৰাটো খুউব বেছি বুদ্ধিয়ক।

(iii) মানুহজন অত্যন্ত বেছি সাহসী। আদি।

সর্বনামীয় বিশেষণ ঃ সর্বনামৰ দোষ-গুণ, অৱস্থা আদি বুজোৱা বিশেষণবোধক সর্বনামীয় বিশেষণ বোলা হয়। অর্থাৎ কেতিয়াবা কিছুমান সর্বনাম পদ বিশেষণৰ দৰে ব্যৱহাৰ হয়। বিশেষণৰ কাম কৰা তেনে সর্বনামবোধক সর্বনামীয় বিশেষণ বোলা হয়। যেনে— কত ব্যথা, কেনে মূর্খ, ই মহা দুষ্ট, আপুনি ইমান উদাৰ ইত্যাদি। সর্বনামৰ পাছত বহা এনে বিশেষণবোৰে সর্বনাম পদটোক বিশেষভাৱে প্রকাশ কৰে। সর্বনাম শব্দ আৰু সর্বনাম মূলৰ পৰা ওলোৱা সর্বনামজাত বিশেষণবোৰ দুই ধৰণৰ— এবিধ গুণবাচক আৰু আনবিধ পৰিমাণবাচক বিশেষ্য। দুইবিধৰ নিদৰ্শন এনে ধৰণৰ—

গুণবাচক — এনে কাম নকৰিবা।

তেনে কথা নক'বা।

যেনেকুৱা কথা তেনেকুৱা কাম।

পৰিমাণবাচক — আজি ইমান গৰম পৰিছে।

সিমান কষ্ট নকৰিবা।

কিমান দূৰ আছে।

যিমান ব্যায়াম কৰিব সিমান শৰীৰ ভালে থাকিব ইত্যাদি।

এনে ধৰণৰ সর্বনামীয় বিশেষণ কিছুমান বিশেষণীয় বিশেষণ ৰূপেও প্রয়োগ হোৱা দেখা যায়।

ক্রিয়া বিশেষণ ঃ বিশেষণ পদে কেতিয়াবা ক্রিয়াপদটোক বিশেষভাৱে বুজায়। অর্থাৎ যিবোৰ বিশেষণ পদে ক্রিয়াৰ দোষ--গুণ, স্থান, লক্ষণ আদি বিশেষভাৱে প্রকাশ কৰে তেনে বিশেষণক ক্রিয়া বিশেষণ বোলা হয়। নিদৰ্শন স্বৰূপে—

(i) ঘৰলৈ সোনকালে আহিবা

(ii) ঘোঁৰাই বেগাই দৌৰিব পাৰে

(iii) আহাৰ খৰকৈ খাব নালাগে।

ইয়াত সোনকালে, বেগাই, খৰকৈ আদি বিশেষণকেইটাই ক্রিয়া পদটোক

বিশেষভাৱে প্ৰকাশ কৰিছে।

নাম বিশেষণৰ পাছত -এ, -এৰে, -আই, কৈ, -কৰে আদি প্ৰত্যয় যোগ কৰি ক্ৰিয়া বিশেষণ গঠন কৰা হয়। নিদৰ্শন স্বৰূপে— এ প্ৰত্যয়ৰ যোগত—

(i) দিনে দিনে বস্তুৰ দাম ঊৰ্দ্ধগামী হৈছে।

(ii) লাহে লাহে কথা ক'বা।

(iii) তোমালোক কুশলে আছানে?

-এৰে প্ৰত্যয়ৰ যোগত— (i) তেওঁ ভালেৰে কলিকতাৰ পৰা ঘূৰি আহিল।

(ii) মই ৰেলেৰে আহি পালোহি।

-আই প্ৰত্যয়ৰ যোগত— (i) বেগাই খোজ কাঢ়া, পলম হৈছে।

(ii) টান বিষয় ঘনাই পঢ়িব লাগে।

-কৈ প্ৰত্যয়ৰ যোগত— (i) তুমি ভালকৈ নাচিব নাজানা।

(ii) স্কুললৈ পলমকৈ নাযাবা।

-কৰে প্ৰত্যয়ৰ যোগত— (i) আমটো ধুপুচ কৰে সৰি পৰিল।

(ii) ল'ৰাটোৱে হকহক কৰে বমি কৰিছে।

এইদৰে বিভিন্ন প্ৰত্যয়ৰ যোগত অসমীয়া ভাষাত ক্ৰিয়া বিশেষণ গঠন হোৱা দেখা যায়।

অসমীয়া ভাষাৰ ক্ৰিয়াবিশেষণবোৰক বিভিন্ন ভাগত ভগাব পাৰি। এই ভাগবোৰ হ'ল— কালবাচক ক্ৰিয়াবিশেষণ, স্থানবাচক ক্ৰিয়াবিশেষণ, লক্ষণবাচক ক্ৰিয়াবিশেষণ, সংখ্যাবাচক ক্ৰিয়াবিশেষণ, পৰিমাণবাচক ক্ৰিয়াবিশেষণ ইত্যাদি। এই আটাইকেইটা ক্ৰিয়াবিশেষণৰ নিদৰ্শন হ'ল—

স্থানবাচক ঃ স্থানবাচক ক্ৰিয়াবিশেষণে কার্য সম্পন্ন হোৱা ঠাইখনক বিশেষভাৱে বুজায়। যেনে— ইয়াত, তাত, অ'ত, য'ত, ক'ত, ওপৰত, তলত, কোনফালে, এইফালে, ক'লৈ য'লৈ, ওচৰে-পাজৰে ইত্যাদি।

কালবাচক ঃ কালবাচক ক্ৰিয়াবিশেষণে কার্য কৰাৰ সময়টো বিশেষভাৱে প্ৰকাশ কৰে। যেনে— এতিয়া, কেতিয়া, যেতিয়া, কালি, পৰহি, সোনকালে, শীঘ্ৰে, আবেলি, কেতিয়াবা, তেতিয়া, ৰাতিপুৱা আদি।

লক্ষণবাচক ঃ লক্ষণবাচক ক্ৰিয়াবিশেষণে কার্য কৰাৰ ধৰণ বা লক্ষণ প্ৰকাশ কৰে। যেনে— এনেকৈ, তেনেকৈ, কেনেকৈ ভালকৈ, কমকৈ, বেগাই, অকলে, এনেকুৱা, লাহে লাহে, সেইদৰে আদি।

সংখ্যাবাচক ঃ এটাকৈ, গাইপতি, জনমূৰি, একেদিনে আদি।

পৰিমাণবাচক ঃ কিমানকৈ, ইমানকৈ একঠা মাটি আদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন প্ৰকাৰে ক্ৰিয়াবিশেষণ প্ৰয়োগ হোৱা

দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিশেষণ কাক বোলে? অসমীয়া ভাষাৰ বিশেষণবোৰক কেইটা ভাগত ভাগ কৰিব পাৰি, চমুকৈ আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ক্রিয়াবিশেষণ কেনেদৰে গঠন হয়? বিভিন্ন প্রকাৰৰ ক্রিয়া বিশেষণৰ এক চমু পৰিচয় দাঙি ধৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....

৪.৪ বিশেষণৰ তুলনা

বিশেষণৰ এক গুৰুত্বপূর্ণ দিশ হ'ল বিশেষণৰ তাৰতম্য বা তুলনা। প্রত্যেক ভাষাতে বিশেষণৰ তাৰতম্য বা তুলনা বুজোৱা নিয়ম আছে। দুটা বা তাতোকৈ অধিক বস্তু বা প্রাণীৰ মাজত তুলনা কৰি এটাক আনটোতকৈ বা সকলোতকৈ উৎকৃষ্ট বা অপকৃষ্ট বুজাবলৈ অসমীয়া ভাষাত কিছুমান নিয়ম আছে। অসমীয়া ভাষাত বিশেষণৰ গুণৰ তাৰতম্য বুজাবৰ বাবে প্রধানকৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়। এটা হ'ল সংস্কৃতীয়া পদ্ধতি আৰু আনটো হ'ল অসমীয়া পদ্ধতি।

সংস্কৃতি ভাষাত দুটাৰ মাজত তুলনা কৰি গুণৰ তাৰতম্য বুজাবলৈ বিশেষণৰ পাছত 'তৰ' আৰু 'ইয়স্' প্রত্যয় যোগ কৰা হয়। সেইদৰে বহুতৰ মাজত তুলনা বা তাৰতম্য বুজাবলৈ 'তম' আৰু 'ইষ্ঠ' প্রত্যয় সংযোগ কৰা হয়। সংস্কৃতিৰ 'ইয়স্' প্রত্যয়ৰ বাহিৰে আন তিনিটা প্রত্যয়ৰ দ্বাৰা অসমীয়া ভাষাতো দুটাৰ মাজত আৰু বহুতৰ মাজত তুলনা কৰি গুণৰ তাৰতম্য বুজোৱা হয়। নিদর্শন স্বৰূপে—

বিশেষণ	দুটাৰ মাজত তুলনা	বহুতৰ মাজত তুলনা
গুৰু	গুৰুতৰ/গৰিয়স	গুৰুতম/গৰিষ্ঠ
লঘু	লঘুতৰ/লঘিয়স	লঘুতম/লঘিষ্ঠ
ক্ষুদ্র	ক্ষুদ্রতৰ	ক্ষুদ্রতম
বৃহৎ	বৃহত্তৰ	বৃহত্তম
প্রিয়	প্রিয়তৰ	প্রিয়তম
সুন্দৰ	সুন্দৰতৰ	সুন্দৰতম
কনিষ্ঠ	কনিষ্ঠতৰ	কনিষ্ঠতম

অসমীয়া ভাষাত বিশেষণৰ গুণৰ তাৰতম্য বুজাবলৈ যিটো নিজস্ব পদ্ধতি আছে তাত বিশেষণৰ পাছত কোনো প্রত্যয় যোগ নহয়। অসমীয়াত তলত দিয়া ধৰণেৰে বিশেষণৰ তাৰতম্য বুজোৱা হয়।

দুটাৰ মাজত তুলনা ঃ

(i) অসমীয়া ভাষাত দুটাৰ মাজত তুলনা কৰিবলৈ তুলনা কৰা ৰূপটোৰ লগত অধিকৰণ কাৰকৰ সপ্তমী 'ত' বিভক্তিৰ পিছত 'কৈ' প্রত্যয় যোগ দিয়া হয়। তেতিয়া তুলনীয় ৰূপটো বিশেষণৰ আগতো বহিব পাৰে বা প্রত্যয়ান্ত ৰূপটোৰ পাছতো বহিব পাৰে। যেনে—

(ক) জোনতকৈ বেলি বেছি উজ্জ্বল।

(খ) ছোৱালীজনী ল'ৰাটোতকৈ বেছি ওখ।

(গ) মাকতকৈ জীয়েক কাজী। ইত্যাদি।

(ii) কেতিয়াবা এটাতকৈ আনটোৰ বেছি থকা বুজাবলৈ কৈ' প্রত্যয়ান্ত ৰূপটোৰ আগত বা পাছত ব্যৱহৃত উপমেয় নামপদটোত ষষ্ঠী 'ৰ' বা ৭মী 'ত' বিভক্তি যোগ হয়। নিদর্শন স্বৰূপে—

(ক) বাঘতকৈ সিংহৰ শক্তি বেছি।

(খ) কপিলীত কলঙতকৈ সোঁত বেছি।

(গ) গুৱাহাটীত নগাঁৱতকৈ জনসংখ্যা বেছি।

(ঘ) নবীনতকৈ ৰমেশৰ খেলত ৰাপ বেছি। আদি।

(iii) ভাল-বেয়া বা উৎকর্ষ-অপকর্ষৰ মাত্রাধিক্য বিশেষভাৱে বুজাবলগা হ'লে অসমীয়া ভাষাত বিশেষণৰ আগত বহুত, অধিক, নিচেই, বেছি, অলপ, অনেক, ভালেখিনি, কম আদি বিশেষণ ব্যৱহাৰ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) মেকুৰীতকৈ কুকুৰ বেছি প্রভুভক্ত।

(খ) ৰীতা ৰীমাতকৈ বহুত সৰু।

(গ) গুৱাহাটীতকৈ শিলং ভালেখিনি ওখ।

(ঘ) ম'হতকৈ গৰু অলপ সৰু।

(ঙ) ৰীণাতকৈ বীণা বেছি ধুনীয়া। আদি।

(iv) দুটাৰ মাজত তুলনা কৰিবলৈ কেতিয়াবা অসমীয়া ভাষাত ইংৰাজীৰ অনুকৰণত আপেক্ষিকভাৱে, তুলনামূলকভাৱে, তুলনাত আদি পদ প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) গুৱাহাটীৰ তুলনাত দার্জিলিঙত ঠাণ্ডা বেছি।

(খ) ৰামায়ণ মহাভাৰততকৈ আপেক্ষিকভাৱে পুৰণি।

(গ) তেজপুৰ তুলনামূলকভাৱে গুৱাহাটীতকৈ বেছি পৰিষ্কাৰ। আদি।

বহুতৰ মাজত তুলনা ঃ

(i) অসমীয়া ভাষাত বহুতৰ মাজত তুলনা কৰি এটাৰ উৎকর্ষ বা অপকর্ষ বুজাবলৈ সকলো, আটাই আদি শব্দৰ লগত সপ্তমী বিভক্তি যোগ কৰি তাৰ পাছত কৈ যোগ দি

বিশেষণৰ আগত প্ৰয়োগ কৰা হয়। নিদৰ্শন স্বৰূপে—

(ক) হাতী সকলোতকৈ ডাঙৰ জন্তু।

(খ) হিমালয় পৰ্বত আটাইতকৈ ওখ।

(গ) ঋকবেদ সকলোতকৈ পুৰণি শাস্ত্ৰ আদি।

অসমীয়া ভাষাত কেতিয়াবা বহুতৰ মাজত তুলনা কৰিবলৈ যাওঁতে কেইবাটাও বিশেষ্য একেলগে প্ৰয়োগ কৰি শেষটোৰ ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত 'ভিতৰত' শব্দ যোগ কৰি তাৰ পাছত তুলনীয় পদটো বহুওৱা হয়। নিদৰ্শন স্বৰূপে—

(ক) গঙ্গা, যমুনা, ব্ৰহ্মপুত্ৰৰ ভিতৰত গঙ্গাই পৱিত্ৰ।

(খ) যুধিষ্ঠিৰ, ভীম, অৰ্জুনৰ ভিতৰত ভীমেই বলবান।

(গ) ৰামায়ণ, মহাভাৰত, গীতাৰ ভিতৰত ৰামায়ণ পুৰণি।

(iv) অসমীয়া ভাষাত বহুতৰ মাজত তুলনা কৰিবলৈ যাওঁতে ভিতৰত, মাজত আদি শব্দ যোগ কৰি বহুতৰ মাজত তাৰতম্য বা তুলনা দাঙি ধৰা হয়। নিদৰ্শন স্বৰূপে—

(ক) মাছৰ ভিতৰত তিমিমাছেই ডাঙৰ মাছ।

(খ) ছোলালীবোৰৰ মাজত ৰীমাই ধুনীয়া।

(গ) জন্তুৰ ভিতৰত জিৰাফৰ ডিঙি দীঘল।


(v) কেতিয়াবা অসমীয়া ভাষাত বিশেষণৰ পাছত সপ্তমী 'ত' বিভক্তিৰ লগত 'কৈও' প্ৰত্যয় যোগ কৰি বহুতৰ মাজত তুলনা কৰা হয়। নিদৰ্শন স্বৰূপে—

(ক) ভালতকৈ ভাল হৈ থাকিবলৈ যত্ন কৰিবা।

(খ) সৰুতকৈ সৰু হৈহে কথাখিনি ক'বা।

(গ) এইটো ঘৰ পুৰণিতকৈও পুৰণি। ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন উপায়েৰে বিশেষণৰ তুলনা বা তাৰতম্য বুজোৱা হয়। অসমীয়া ভাষাত দুটাৰ মাজত তুলনা কৰি উৎকৰ্ষ-অপকৰ্ষ বুজাবলৈ কেইবাটাও উপায় আছে। সেইদৰে বহুতৰ মাজত তুলনা দাঙি ধৰিবলৈও কেইবাটাও উপায় অৱলম্বন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বিশেষণৰ তাৰতম্য বা তুলনা মানে কি? অসমীয়া ভাষাত কি কি উপায়েৰে বিশেষণৰ তুলনা কৰিব পাৰি চমুকৈ লিখক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ বিশেষণ তুলনা দাঙি ধৰিবলৈ অসমীয়া ভাষাত কি কি নিজস্ব উপায় আছে ফঁহিয়াই আলোচনা কৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'বিশেষণ আৰু বিশেষণৰ তুলনা' শীৰ্ষক এই অধ্যায়টোৰ আৰম্ভণিতে বিশেষণৰ এক সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। অসমীয়া ভাষাত বিশেষণৰ স্বৰূপ, বিশেষণৰ লিঙ্গ অর্থাৎ অসমীয়া ভাষাত বিশেষণ প্রয়োগৰ বিশেষত্ব সম্পর্কে অধ্যায়টোত আলোচনা কৰা হৈছে।
- অসমীয়া ভাষাৰ বিশেষণবোৰক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। প্রত্যেকটো বিভাগৰে উদাহৰণসহ এক চমু পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে।
- অসমীয়া ভাষাৰ ক্রিয়াবিশেষণ গঠন কৰিবলৈ অসমীয়া ভাষাত বিভিন্ন প্রত্যয় সংযোগ কৰা হয়। অধ্যায়টোত উদাহৰণসহ প্রত্যয়সমূহৰ প্রয়োগ দেখুওৱা হৈছে। তদুপৰি ক্রিয়াবিশেষণৰ বিভিন্ন প্রকাৰ সম্পর্কেও আলোচনা কৰা হৈছে।
- অসমীয়া ভাষাৰ বিশেষণৰ এটা মনকৰিবলগীয়া দিশ হ'ল বিশেষণৰ তাৰতম্য বা তুলনা। দুটা পদ্ধতিৰ দ্বাৰা অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য দাঙি ধৰা হয়। সেই দুটা পদ্ধতি হ'ল—সংস্কৃতীয়া পদ্ধতি আৰু অসমীয়া ভাষাৰ নিজা পদ্ধতি। সংস্কৃতত প্রত্যয় প্রয়োগৰ দ্বাৰা বিশেষণৰ তুলনা দাঙি ধৰা হয়। কিন্তু অসমীয়া ভাষাৰ নিজস্ব পদ্ধতিটোত কোনো ধৰণৰ প্রত্যয়ৰ প্রয়োগ নহয়। অসমীয়াত বিভিন্ন উপায়ৰ দ্বাৰা বিশেষণৰ তুলনা দাঙি ধৰা হয়।
- অসমীয়া ভাষাত দুটাৰ মাজত বিশেষণৰ তাৰতম্য দেখুৱাই উৎকর্ষ-অপকর্ষ বুজোৱা হয়। আকৌ বহুতৰ মাজত তুলনা কৰি উৎকর্ষ-অপকর্ষ বুজাবলৈ বিভিন্ন পদ্ধতি বা উপায় অৱলম্বন কৰা হয়। বিশেষণৰ তাৰতম্য বা তুলনা কৰি দুটা প্রাণী বা বস্তু আৰু বহুতৰ মাজত মাত্রাধিক্য বুজোৱাৰ ক্ষেত্রত অসমীয়া ভাষাত বিশেষত্ব পৰিলক্ষিত হয়।

এইদৰে এই অধ্যায়টোত অসমীয়া ভাষাৰ বিশেষণ আৰু বিশেষণৰ তাৰতম্য বা তুলনা সম্পর্কীয় আটাইবোৰ কথা প্রতিপাদিত হৈছে।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ, অর্পনা (২০০২); *ভাষাবিজ্ঞান উপক্রমনিকা*, বনলতা, ডিব্রুগড়।

২) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *ভাষাবিজ্ঞান*, মণি-মানিক প্রকাশ গুৱাহাটী।

৩) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, মণি-মানিক প্রকাশ, গুৱাহাটী।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা*, মণি-মানিক প্রকাশ, গুৱাহাটী।

৫) গোস্বামী, গোলকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রৱেশ*, বীণা লাইব্রেৰী, গুৱাহাটী।

৬) গোস্বামী, গোলকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* ; বীণা লাইব্রেৰী, গুৱাহাটী।

৭) দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়*, বনলতা, ডিব্রুগড়।

৮) দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা*, বনলতা, ডিব্রুগড়।

৯) নাথ, প্রফুল্ল কুমাৰ আৰু

১০) হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); *অসমীয়া ভাষাৰ অধ্যয়ন*, বনলতা, গুৱাহাটী।

১১) পাঠক, ৰমেশ (১৯৮৮); *ব্যাকৰণ আৰু প্রাকৃতিবিজ্ঞান*, বীণা লাইব্রেৰী, গুৱাহাটী।

১২) পাঠক, ৰমেশ (২০১৪); *অসমীয়া ভাষাৰ ইতিহাস*, আশোক বুক ষ্টল, গুৱাহাটী।

১৩) ফুকন পাটগিছি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ*, সৰস্বতী প্রকাশন, গোলাঘাট।

১৪) ভট্টাচার্য, বসন্ত কুমাৰ (২০১৫); *ভাষা বিজ্ঞান প্রবেশ*, চন্দ্র প্রকাশ, গুৱাহাটী।

১৫) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, গুৱাহাটী।

১৬) শইকীয়া বৰা, লীলাৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ*, চন্দ্রপ্রকাশ, গুৱাহাটী।

১৭) হাজৰিকা, লক্ষী (২০১৩); *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিত*, অশোক পাব্লিকেশ্বন, গুৱাহাটী।

ইংৰাজী গ্রন্থ ঃ

১৮) Kakati, Banikanta (1995); *Assamese, Its formation and development.*

৪.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ কাক বোলে — বিশেষণৰ কাম কি- বিশেষণৰ বিভিন্ন ভাগ — উদাহৰণসহ সেইবোৰৰ এক চমু পৰিচয় দাঙি ধৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ৰিয়াবিশেষণ কি — ক্ৰিয়াবিশেষণ শব্দ বিভিন্ন প্ৰত্যয়ৰ যোগত কেনেদৰে গঠিত হয়— ক্ৰিয়া বিশেষণৰ বিভিন্ন প্ৰকাৰ আৰু সেইবোৰৰ এক চমু পৰিচয় দাঙি ধৰিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশেষণৰ তাৰতম্য বা তুলনা মানে কি — বিশেষণৰ তাৰতম্য বা তুলনাৰ বিভিন্ন পদ্ধতি — পদ্ধতিকেইটাৰ এক চমু খতিয়ান আগবঢ়াব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিশেষণৰ তুলনা দাঙি ধৰিবলৈ ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ নিজস্ব পদ্ধতি সম্পৰ্কে লিখি দুটাৰ মাজত তুলনা আৰু বহুতৰ মাজত তুলনাৰ বিভিন্ন উপায়সমূহৰ কথা লিখিব লাগিব।



৪.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিশেষণ কাক বোলে? বিশেষণবোৰক কি কি ভাগত শ্ৰেণীবিভাগ কৰিব পাৰি, প্ৰত্যেকটো ভাগৰে এক চমু পৰিচয় উদাহৰণসহ দাঙি ধৰক।

প্ৰশ্ন ২ ঃবিশেষণৰ লিঙ্গ মানে কি বুজায়? অসমীয়া ভাষাত বিশেষণৰ লিঙ্গ পৰিৱৰ্তন হয়নে, উদাহৰসহ ভালদৰে বুজাই লিখক।

প্ৰশ্ন ৩ ঃ ক্ৰিয়াবিশেষণ কাক বোলে? অসমীয়া ভাষাত ক্ৰিয়া বিশেষণ শব্দ কেনেদৰে গঠন হয় চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাৰ ক্ৰিয়া বিশেষণসমূহৰ শ্ৰেণীবিভাগ কৰি প্ৰত্যেক ভাগৰে এক চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৫ ঃ বিশেষণৰ তাৰমত্য বা তুলনাই কি বুজায়? অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য বা তুলনা বুজাবলৈ কি কি পদ্ধতি ব্যৱহাৰ কৰা হয়, চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ দুটাৰ মাজত তুলনা কৰিবলৈ অসমীয়া ভাষাত কি কি উপায় আৱলম্বন কৰা হয় সেই সম্পৰ্কে এক চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া ভাষাত বহুতৰ মাজত তুলনা দাঙি ধৰিবলৈ কি কি উপায় আছে সেই বিষয়ে চমুকৈ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৫ ঃ সর্বনাম আৰু সর্বনামৰ তির্যক ৰূপ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ সর্বনামৰ পৰিচয়
৫.৩.১ সর্বনামৰ শ্রেণীবিভাগ
৫.৪ সর্বনামৰ তীর্যক ৰূপ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ সর্বনাম পদ সম্পর্কে সাধাৰণ ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব
- অসমীয়া ভাষাৰ সর্বনাম পদসমূহক বিভিন্ন ধৰণে ভাগ কৰিব পাৰি। অসমীয়া ভাষাত কেইপ্রকাৰৰ সর্বনাম আছে সেই আটাইকেইবিধ সর্বনামৰ বিষয়ে সম্যক পৰিচয় লাভ কৰিব পাৰিব
- বাক্যত প্রয়োগ হওঁতে অসমীয়া ভাষাৰ সর্বনামবোৰৰ একোটা তির্যক ৰূপৰ সৃষ্টি হয়। সর্বনামৰ এই তির্যক ৰূপ সম্পর্কেও অৱগত হ'ব পাৰিব
- অসমীয়া ভাষাত কিমান ধৰণৰ সর্বনামৰ প্রয়োগ আছে, এইবোৰ ক'ত, কেনেদৰে ব্যৱহাৰ হয়, অসমীয়া সর্বনামৰ বিশেষত্ব, সর্বনামৰ পুৰুষ ইত্যাদি সকলো কথা এই অধ্যায়টোৰ জৰিয়ত জানিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় 'প্রকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল পঞ্চম অধ্যায়। এই অধ্যায়টোত অসমীয়া ভাষাৰ সর্বনাম পদ সম্পর্কীয় কথাসমূহ আলোচিত হৈছে। আমাৰ ভাষাত ব্যৱহৃত সর্বনাম পদসমূহৰ এক বিশেষ গুৰুত্ব আছে। এই অধ্যায়টোৰ জৰিয়তে সর্বনামৰ পৰিচয়, সর্বনামৰ বিভিন্ন ভাগ, সর্বনামসমূহৰ চমু বিৱৰণ, সর্বনামৰ তির্যক ৰূপ, অসমীয়া সর্বনামৰ বৈশিষ্ট্য ইত্যাদি বিভিন্ন বিষয় আলোচনা কৰা হৈছে। চতুর্থ ষান্মাসিকৰ

ভাষা শাখাৰ শিক্ষার্থীসকলক এই অধ্যায়টোত অন্তর্ভুক্ত হোৱা বিষয়সমূহে অসমীয়া ভাষাৰ সর্বনাম সম্বন্ধে এক সামগ্রিক ধাৰণা দিব পাৰিব।

৫.৩ সর্বনামৰ পৰিচয়

নামপদসমূহৰ ভিতৰত এটি অন্যতম পদ হ'ল সর্বনাম। যিবোৰ পদ বিশেষ্য পদৰ সলনি প্রয়োগ হৈ পৰোক্ষভাৱে বিশেষ্য পদৰ কার্য সম্পন্ন কৰে তেনে পদক সর্বনাম পদ বুলি কোৱা হয়। সকলো নামপদ বা বিশেষ্য পদৰ সলনি এই সর্বনাম পদবোৰ ব্যৱহাৰ হয়। বিশেষ্য পদৰ সলনি সর্বনাম পদবোৰ ব্যৱহাৰ হয় যদিও প্রয়োগৰ ক্ষেত্রত দুয়োবিধ পদৰ মাজত পার্থক্য দেখা যায়। অন্যান্য পদৰ দৰে অসমীয়া ভাষাত ব্যৱহৃত সর্বনামপদসমূহেও এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছে। বাক্যত বিশেষ্য পদ একোটা বাৰে বাৰে ব্যৱহাৰ কৰি থাকিলে বাক্যৰ সৌন্দর্য হানি হোৱাৰ সম্ভাৱনা থাকে। সেয়ে বিশেষ্যৰ সলনি বাক্যত সর্বনাম পদসমূহ ব্যৱহাৰ কৰা হয়।

অসমীয়া ভাষাৰ সর্বনামসমূহৰ নিদর্শন হ'ল— মই, আমি, তই, তুমি, আপুনি, সি, তাই, তেওঁ, তেখেত, তোমালোক আদি। এই সর্বনামসমূহলৈ লক্ষ্য কৰিলে কিছুমান বিশেষত্ব দৃষ্টিগোচৰ হয়। অসমীয়া ভাষাৰ সর্বনামৰ বিশেষত্ববোৰ এনে ধৰণৰ—

(i) অসমীয়া ভাষাৰ ব্যক্তিবাচক সর্বনামবোৰৰ তিনিটা পুৰুষ পোৱা যায় আৰু পুৰুষ অনুযায়ী একবচন আৰু বহুবচনৰ ৰূপ হয়।

(ii) কিছুমান সর্বনাম শব্দই অসমীয়া ভাষাত কেৱল বহুবচনৰ অর্থহে প্রকাশ কৰে। কিছুমানৰ কেৱল একচনৰ ৰূপহে আছে।

(iii) সেইদৰে কিছুমানৰ সর্বনামে পুংলিঙ্গ নির্দেশ কৰে আৰু কিছুমান সর্বনামে স্ত্রীলিঙ্গ নির্দেশ কৰে।

(iv) বহুবচনৰ ৰূপ কৰোতে সর্বনামবোৰৰ পাছত বহুবচনৰ প্রত্যয় যোগ কৰি তাৰ পাছত শব্দবিভক্তি যোগ দিয়া হয়।

(v) অসমীয়া ভাষাৰ সর্বনামসমূহৰ এটা নির্দিষ্ট তির্যক ৰূপ পোৱা যায়।

(vi) অসমীয়া ভাষাৰ সর্বনামসমূহৰ এটা সর্বনামসমূহ এক সীমিত সংখ্যাৰ হোৱা দেখা যায়।

৫.৩.১ সর্বনামৰ শ্রেণীবিভাগ

অসমীয়া ভাষাৰ সর্বনামবোৰক বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। ভাষাবিদ গোলকচন্দ্র গোস্বামীয়ে অসমীয়া ভাষাৰ সর্বনামবোৰক তিনিটা ভাগত ভাগ কৰিছে। সেই ভাগ কেইটা হ'ল— (i) ব্যক্তিবাচক সর্বনাম (ii) সাকল্যবাচক সর্বনাম আৰু (iii) তদর্থক সর্বনাম। অর্থৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ

সর্বনামবোৰক কেইবাটাও ভাগত শ্রেণীবিভাগ কৰিব পাৰি। সেই শ্রেণীবিভাগসমূহ এনেধৰণৰ— (i) ব্যক্তিবাচক বা পুৰুষবাচক সর্বনাম (ii) নির্দেশক সর্বনাম (iii) সাকল্যবাচক সর্বনাম (iv) সম্বন্ধবাচক সর্বনাম (v) অনির্দিষ্টবাচক সর্বনাম (vi) প্রশ্নবাচক সর্বনাম আৰু (vii) আত্মবাচক সর্বনাম। ড° গোস্বামীয়ে ব্যক্তিবাচক আৰু সাকল্যবাচক সর্বনামৰ বাহিৰে বাকী আটাইবোৰ সর্বনাম তদর্থক সর্বনামৰ ভিতৰত অন্তর্ভুক্ত কৰি আলোচনা কৰিছে।

ব্যক্তিবাচক সর্বনাম ঃ যিবোৰ সর্বনামে কোনো ব্যক্তি বা পুৰুষক বুজায় সেইবোৰক ব্যক্তিবাচক বা পুৰুষবাচক সর্বনাম বুলি কোৱা হয়। যেনে— মই, তুমি, আমি. তেওঁ, তাই, সি আদি। পুৰুষ অনুযায়ী ব্যক্তিবাচক সর্বনাম তিনি প্রকাৰৰ— (i) উত্তম পুৰুষ বা প্রথম পুৰুষৰ সর্বনাম (ii) মধ্যম পুৰুষ বা দ্বিতীয় পুৰুষৰ সর্বনাম আৰু (iii) নাম পুৰুষ বা তৃতীয় পুৰুষৰ সর্বনাম। ব্যক্তিবাচক সর্বনামবোৰ এই তিনিওটা পুৰুষত একবচন আৰু বহুবচন এই দুয়োটা ৰূপতে ব্যৱহাৰ হয়। আকৌ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ ব্যক্তিবাচক সর্বনামবোৰৰ তুচ্চ, মান্য, অধিক মান্য এই তিনিটা ৰূপ পোৱা যায়। তলত ব্যক্তিবাচক সর্বনামসমূহৰ এখন তালিকা দিয়া হ'ল—

পুৰুষ		একবচন	বহুবচন
প্রথম পুৰুষ		মই	আমি
দ্বিতীয় পুৰুষ	তুচ্চ	তই	তহঁত
	মান্য	তুমি	তোমালোক
	অধিক মান্য	আপুনি	আপোনালোক/সকল
তৃতীয় পুৰুষ	তুচ্চ	সি/তাই	সিহঁত
	মান্য	তেওঁ, এওঁ	তেওঁলোক, এওঁলোক
	অধিক মান্য	তেখেত, এখেত	তেখেতসকল, এখেতসকল

অসমীয়া ভাষাৰ এই ব্যক্তিবাচক সর্বনামবোৰলৈ মন কৰিলে দেখা যায় যে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামবোৰৰ তুচ্চ, মান্য আৰু অধিক মান এই তিনিটা ৰূপ পোৱা যায়। অর্থগত দিশৰ পৰা অধিক মান্যর্থৰ আপুনি সর্বনাম দ্বিতীয় পুৰুষৰ সর্বনাম। কিন্তু ব্যৱহাৰিক আৰু প্রায়োগিক দিশৰ পৰা চাবলৈ গ'লে ই তৃতীয় পুৰুষৰ বিভক্তিহে গ্রহণ কৰে।

নির্দেশবোধক সর্বনাম ঃ যিবোৰ সর্বনামে ওচৰত থকা দূৰত থকা কোনো বস্তু বা প্রাণীক নির্দেশ কৰে তেনে সর্বনামক নির্দেশবোধক সর্বনাম বোলা হয়। নির্দেশবোধক সর্বনামক দুটা ভাগত ভগাব পাৰি। এটা হ'ল সামীপ্যবাচক সর্বনাম আৰু আনবিধ হ'ল দূৰত্ববাচক সর্বনাম। সামীপ্যবাচক সর্বনামবোৰ ওচৰত থকা প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হয়। সেইদৰে দূৰত্ববাচক সর্বনামবোৰ দূৰত্ব থকা প্রাণী

বা বস্তুৰ সলনি ব্যৱহাৰ হয়। নিদর্শন স্বৰূপে—

সর্বনামৰ শ্রেণী	একবচন	বহুবচন
সামীপ্যবাচক	হ /এই এইটো/এইয়া এও /এখেত	ইহঁত এইবোৰ/এইবিলাক এওঁলোক /এখেতসকল
দূৰত্ববাচক	সেইটো সেইয়া/সৌটো সেইটো/সৌৱা	সেইবোৰ/সেইবিলাক সৌবোৰ/সৌবিলাক

সাফল্যবাচক সর্বনাম ঃ সাকল্যবাচক সর্বনামে সমূহ বা সমষ্টি বুজায়। অর্থাৎ যিবোৰ সর্বনাম বহু প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হয় সেইবোৰ সর্বনামক সাকল্যবাচক সর্বনাম বোলা হয়। নিদর্শন স্বৰূপে — সকলো, সমূহ, উভয়, আটাই, সব, সদৌ, গোটেই ইত্যাদি। অসমীয়া ভাষাত এনে সর্বনাম বৰ বিশেষ পোৱা নাযায়। উভয় সর্বনাম দুটা বা দুজনক বুজাবৰ বাবে ব্যৱহাৰ কৰা হয়। সাকল্যবাচক সর্বনামবোৰৰ ভিতৰত উভয়সমূহ আৰু সদৌ সর্বনাম প্রাণীবাচকৰ ক্ষেত্রত প্রয়োগ হয়। বাকীকেইটা সর্বনাম প্রাণীবাচক আৰু অপ্রণীবাচক সকলো শব্দ বুজাবৰ বাবে ব্যৱহার কৰা হয়। 'গোটেই' সর্বনাম বাক্যত অকলে প্রয়োগ নহয়। এইটো সর্বনামৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় আৰু বহুবচনৰ প্রত্যয় লগ লাগিলেহে সি বাক্যত ব্যৱহাৰ হ'ব পাৰে। নিদর্শন স্বৰূপে—

(i) গোটেইবোৰ পূজা চাবলৈ ওলাই গ'ল।

(ii) তই অকলে গোটেইসোপা খাই পেলালিহ্ল

(iii) গোটেই জাক ছোৱালী কামত লাগি গৈছে।

(iv) গোটেইটো কঁঠাল সি অকলেই খালে। ইত্যাদি।

সম্বন্ধবাচক সর্বনাম ঃ যিবিলাক সর্বনামে বাক্যত নামপদৰ লগত সঙ্গতি বা সম্বন্ধ স্থাপন কৰে সেইবোৰ সর্বনামক সম্বন্ধবাচক সর্বনাম বুলি কোৱা হয়। অসমীয়া ভাষাত দুটা সম্বন্ধবাচক সর্বনাম পোৱা যায়। এটা হ'ল 'যি' আৰু আনটো হ'ল 'যিহ'। 'যি' সর্বনাম উভয়লিঙ্গ বাচক। তদুপৰি ই প্রাণীবাচক আৰু অপ্রাণীবাচক সকলো শব্দৰ লগত প্রয়োগ হয় আৰু 'যিহ' কেৱল অপ্রাণীবাচক শব্দৰ লগত প্রয়োগ হয়। 'যি' সর্বনাম একবচন আৰু বহুবচন উভয়তে প্রয়োগ হয় যদিও 'যিহ' সর্বনাম পদে কেৱল একবচনহে প্রকাশ কৰে। নিদর্শন স্বৰূপে—

(i) যিটো ভাল সেইটো কৰিবা।

(ii) যিবোৰ ফল বেয়া পেলাই দিয়া।

(iii) যিহে আঁকোৰগোজ ল'ৰা কি কৰে ঠিক নাই। আদি।

অনির্দিষ্টতাবাচক সর্বনাম ঃ যিবোৰ সর্বনাম অনির্দিষ্ট বা অনিশ্চিত কোনো

প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হয় সেইবোৰ সর্বনামক অনির্দিষ্টতাবাচক সর্বনাম বুলি কোৱা হয়। অসমীয়া ভাষাৰ এনে অনির্দিষ্টবাচক সর্বনামকেইটা হ'ল— একো, কেও, কেৰে, কোনো, কোনোবা, কিছু আদি। ইয়াৰে একো, কেও, কেৰে, কোনো আদিয়ে নঞৰ্থক অর্থ প্রকাশ কৰে। 'কোনোবা' সর্বনাম সদর্থক অর্থত ব্যৱহাৰ হয়। যেনে—

(i) ঘৰত আজি কোনো নাই

(ii) চাহৰ লগত খাবলৈ একো নাই।

(iii) ইমান ডাঙৰ কথাটো কেৰে নাজানিলে

(iv)পথত কেও নাই, গোটেইখন নিজান।

(v) ঘটনাটোৰ সবিশেষ জানিবলৈ কোনোবা আহিছে আদি।

প্রশ্নবাচক সর্বনাম ঃ কোনো কথা জানিবৰ বাবে প্রশ্ন সুধিবলৈ যিবোৰ সর্বনাম ব্যৱহাৰ কৰা হয় তেনেবোৰ সর্বনামক প্রশ্নবাচক সর্বনাম বোলা হয়। সর্বনাম হ'ল— কি, কিহ, কোন, কেনি, কেনে, কিমান, কেতিয়া, কেনেকৈ ইত্যাদি।

আত্মবাচক সর্বনাম ঃ নিজক বুজাবলৈ ব্যৱহাৰ কৰা সর্বনামবোৰেই হ'ল আত্মবাচক সর্বনাম। অর্থাৎ কাৰো সহায় নোলোৱাকৈ নিজক বুজাবলৈ যিবোৰ সর্বনামৰ প্রয়োগ কৰা হয় সেইবোৰ সর্বনামক স্থানবাচক সর্বনাম বুলি কোৱা হয়। নিদর্শন স্বৰূপে— ইয়াত, তাত, অলৈ, তলৈ, যলৈ, অ'ত, ত'ত, য'ত, ক'ত, ক'লৈ ইত্যাদি।

কালবাচক সর্বনাম ঃ যিবোৰ সর্বনাম কাল বা সময়ৰ সলনি ব্যৱহাৰ কৰা হয় সেইবোৰ সর্বনামেই হ'ল কালবাচক সর্বনাম। এনে কালবাচক সর্বনামবোৰৰ বিশেষত্ব হ'ল— এইবোৰ সকলো বিভক্তিতে ৰূপ নহয়। এনে সর্বনামক বিশেষণ সর্বনাম বা সর্বনামীয় বিশেষণ বোলা হয়। অর্থাৎ এইবোৰ সর্বনামে বিশেষ্যৰ পৰিমাণ সংখ্যা, গুণ, ধৰণ আদি বুজাই বিশেষ্যৰ সলনি ব্যৱহাৰ হয়। এইবোৰ সর্বনামে সংজ্ঞা বিশেষ্য শব্দৰ অর্থ, তাৎপর্য আদি বিশেষভাৱে বুজায়। এনে সর্বনামৰ নিদর্শন হ'ল— এনে, তেনে, এই, সেই, ইমান, সিমান, যিমান, যেনে, কিমান, তিমান, কিছুমান কেনিবা, যেন, তেন ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন ধৰণৰ সর্বনাম শব্দৰ প্রয়োগ পোৱা যায়। যিবোৰ সর্বনামক বিশেষণ সর্বনাম বা সর্বনামীয় বিশেষণ বোলা হয়। অর্থাৎ এইবোৰ সর্বনামে বিশেষ্যৰ পৰিমাণ, সংখ্যা, গুণ, ধৰণ আদি বুজাই বিশেষ্যৰ সলনি ব্যৱহাৰ হয়। এইবোৰ সর্বনাম সংজ্ঞা বা বিশেষ্য শব্দৰ অর্থ, তাৎপর্য আদি বিশেষভাৱে বুজায়। এনে সর্বনামৰ নিদর্শন হ'ল— এনে, তেনে, এই, সেই, ইমান, সিমান, যিমান, যেনে, কিমান, তিমান, কিছুমান, কেনিবা, যেন, তেন ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন ধৰণৰ সর্বনাম শব্দৰ প্রয়োগ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সর্বনাম কাক বোলে? অসমীয়া সর্বনামৰ বিশেষত্ব সম্পর্কে চমুকৈ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাৰ সর্বনামবোৰৰ শ্রেণীবিভাগ সম্পর্কে উল্লেখ কৰি প্রতিটো ভাগৰে একোটা চমু পৰিচয় দাঙি ধৰক। (২০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ ব্যক্তিবাচক সর্বনামৰ বিষয়ে এক চমু আলোচনা যুগুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৫.৪ সর্বনামৰ তীর্যক ৰূপ


অসমীয়া ভাষাৰ সর্বনামৰ এক অন্যতম বিশেষত্ব হ'ল সর্বনামৰ তির্যক ৰূপ। অসমীয়া ভাষাত ব্যৱহৃত কিছুমান সর্বনামৰ একোটা তির্যক ৰূপ পোৱা যায়। এই তির্যক ৰূপবোৰ হ'ল— কোনো শব্দত প্রত্যয়-বিভক্তি আদি সংযোগ কৰাৰ আগতে মূল ৰূপৰ লগত লগ লগা একোটা অতিৰিক্ত স্বৰ বা ব্যঞ্জন। এই তির্যক ৰূপবোৰৰ কোনো মর্যাদা নাই। এইবোৰ হ'ল স্বৰ বা ব্যঞ্জনৰ বর্ধিত অংশ। গতিকে তির্যক ৰূপ হ'ল কোনো শব্দত প্রত্যয়-বিভক্তি আদি সংযোগ কৰোতে মূল ৰূপৰ লগত লগ লগা অতিৰিক্ত স্বৰ বা ব্যঞ্জন। এই তির্যক ৰূপবোৰ কেৱল সর্বনামকেইটাৰ শব্দ তৈয়াৰ কৰিবলৈহে সংযোগ কৰা হয়। সেয়েহে কোনো সন্ধিৰ সূত্রেৰে উদ্ধাৰ কৰিব নোৱাৰা এই অতিৰিক্ত বা বর্ধিতা স্বৰ বা ব্যঞ্জনক তির্যক ৰূপ বোলা হয়।

অসমীয়া ভাষাৰ কেইটামান শব্দৰ লগত বিভক্তি সংযোগ কৰোতে অতিৰিক্তভাৱে আ-স্বৰ একোটা সংযোগ হয়। এই আ-কাৰান্ত ৰূপকেইটাক অসমীয়া সর্বনামৰ তির্যক ৰূপ বুলি কোৱা হয়। অসমীয়া ভাষাৰ সর্বনাম কেইটাৰ এই তির্যক ৰূপবোৰ প্রথম পুৰুষৰ একবচন আৰু বহুবচন, দ্বিতীয় আৰু তৃতীয় পুৰুষৰ একবচনৰ কর্তা কাৰকৰ বাহিৰে আন কাৰকত ৰূপ হওঁতে পোৱা যায়। অর্থাৎ কর্তা কাৰকত তির্যক ৰূপ পোৱা নাযায়। কর্তা কাৰকৰ বাহিৰে আন কাৰকত একোটা তির্যক ৰূপতহে কাৰক-বাচক বিভক্তি যোগ হৈ বাক্যৰ উপযোগী পদৰ সৃষ্টি হয়। অসমীয়া ভাষাত নটা সর্বনাম পদৰ এনে তির্যক ৰূপ পোৱা যায়। এই তির্যক ৰূপকেইটা হ'ল—

সর্বনাম পদ (কর্তা)	মূলৰূপ	তির্যক ৰূপ	সর্বনাম পদ (কর্ম)
মই	ম	মো	মোক
তই	ত	তো	তোক

আমি	আম্	আমা	আমাক
তুমি	তোম্	তোমা	তোমাক
আপুনি	আপোন্	আপোনা	আপোনাক
ই	ই	ইয়া	ইয়াক
সি	স	তা	তাক
কি	ক	কা	কাক
যি	য	যা	যাক

গতিকে ওপৰৰ তালিকাখনত অন্তর্ভুক্ত নটা সর্বনাম পদৰ কর্তা কাৰকৰ বিভক্তি লাগিব লগা ৰূপবোৰৰ বাহিৰে বাকীবোৰৰ অর্থাৎ কর্ম কাৰকৰ বিভক্তি লগ লাগিব লগা ৰূপবোৰ হ'ল অসমীয়া সর্বনামৰ তির্যক ৰূপ। অর্থাৎ মো, তো, আমা, তোমা আপোনা, ইয়া, তা, কা, যা- এই ৰূপকেইটা হৈছে অসমীয়া ভাষাৰ সর্বনামৰ তির্যক ৰূপ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তির্যক ৰূপ বুলিলে কি বুজে সেই সম্পর্কে চমুকৈ আলোচনা কৰি অসমীয়া ভাষাৰ কোনকেইটা সর্বনামৰ তির্যক ৰূপ পোৱা যায় ফঁহিয়াই আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যায়ন কৰি আমি—

- অসমীয়া ভাষাৰ সর্বনাম পদ সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিলো।
- বাক্যত ব্যৱহৃত নামপদসমূহৰ ভিতৰত এক অন্যতম পদ হ'ল সর্বনাম পদ। অসমীয়া ভাষাৰ সর্বনামসমূহৰ কিছুমান বিশেষত্ব পৰিলক্ষিত হয়। সর্বনামৰ সেই বিশেষত্ব সম্পর্কেও এই অধ্যায়টোৰ জৰিয়তে অৱগত হ'ব পাৰিব।
- অসমীয়া ভাষাৰ সর্বনামসমূহক বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। সেই আটাইবোৰ সর্বনামৰ এক চমু পৰিচয় এই অধ্যায়টোৰ জৰিয়তে জানিবলৈ সক্ষম হ'লো। তদুপৰি পুৰুষ অনুযায়ী বিভিন্ন ব্যক্তিবাচক সর্বনাম, ব্যক্তিবাচক সর্বনামৰ বহুবচনৰ ৰূপ ইত্যাদি সম্পর্কেও, ব্যক্তিবাচক সর্বনামৰ বহুবচনর ৰূপ ইত্যাদি সম্পর্কেও এক ধাৰণা লাভ কৰিব পাৰিলোঁ।

- অসমীয়া ভাষাৰ কিছুমান সৰ্বনামৰ তিৰ্যক ৰূপ পোৱা যায়। তিৰ্যক ৰূপ কি, অসমীয়া ভাষাৰ কোনবোৰ সৰ্বনামৰ তিৰ্যক ৰূপ আছে, সেই তিৰ্যক ৰূপবোৰ কি কি ইত্যাদি বিভিন্ন কথা এই অধ্যায়টোত প্ৰতিপাদিত হৈছে। বাক্যত ব্যৱহাৰৰ উপযোগী পদ সৃষ্টি কৰাত তিৰ্যক ৰূপে কেনে ভূমিকা গ্ৰহণ কৰে সেই সম্পৰ্কেও এই অধ্যায়টোৱে সাধাৰণ ধাৰণা দিলে।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পনা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমনিকা*, ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা*, গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (২০১৪); *অসমীয়া ব্যাকৰণ প্ৰৱেশ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) দত্তবৰুৱা, ফনীন্দ্ৰনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়*, ডিব্ৰুগড় ঃ বনলতা।

৬) দত্তবৰুৱা ফনীন্দ্ৰনাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা*, ডিব্ৰুগড় ঃ বনলতা।

৭) নাথ, প্ৰফুল্ল কুমাৰ আৰু

৮) হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); *অসমীয়া ভাষাৰ অধ্যয়ন*, ডিব্ৰুগড় ঃ বনলতা।

৯) পাঠক, ৰমেশ (২০১৪); *অসমীয়া ভাষাৰ ইতিহাস*, গুৱাহাটী ঃ অশোক বুক ষ্টল।


১০) ফুকন পাটগিৰি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ*, গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।

১১) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) শইকীয়া বৰা লীলাৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১৩) Kakati, Banikanta (1995); *Assames, Its formation and Development,* LBS Publication, Guwahati



৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সর্বনাম মানে কি— অসমীয়া ভাষাৰ সর্বনাম। সর্বনামৰ উদাহৰণ— অসমীয়া ভাষাৰ বিশেষত্ব ইত্যাদি কথা আলোচনা কৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ সর্বনামবোৰৰ শ্রেণীবিভাগ— বিভিন্ন শ্রেণীবিভাগসমূহৰ এক চমু পৰিচয়, সেইবোৰৰ উদাহৰণ ইত্যাদি কথা লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিবাচক সর্বনাম কাক বোলে— পুৰুষ অনুযায়ী ব্যক্তিবাচক সর্বনামসমূহ কি কি— ব্যক্তিবাচক সর্বনামৰ বচন অনুসৰি বেলেগ বেলেগ ৰূপ ইত্যাদি সম্পর্কে আলোচনা কৰক।

৪ নং প্রশ্নৰ উত্তৰ ঃ তির্যক ৰূপ মানেনো কি— সর্বনামৰ তির্যক ৰূপ কাক বোলে— অসমীয়া সর্বনামবোৰৰ কি কি তির্যক ৰূপ পোৱা যায়— তির্যক ৰূপসমূহৰ তালিকা ইত্যাদি কথাৰ এক সম্যক আলোচনা দাঙি ধৰক।



৫.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সর্বনাম কাক বোলে? অসমীয়া ভাষাত ব্যৱহৃত সর্বনামসমূহৰ এক চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ সর্বনামৰ বিশেষত্বসমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাৰ সর্বনামসমূহক কেনেদৰে শ্রেণীবিভাগ কৰিব পাৰি সেই সম্পর্কে বিশদভাৱে এক আলোচনা দাঙি ধৰক।

প্রশ্ন ৪ ঃ ব্যক্তিবাচক সর্বনাম কাক বোলে? অসমীয়া ভাষাৰ ব্যক্তিবাচক সর্বনাম সম্পর্কে এটি চমু টোকা যুগুত কৰক।

প্রশ্ন ৫ ঃ নির্দেশবোধক সর্বনামে কি বুজায়? অসমীয়া ভাষাত নির্দেশকবোধক সর্বনাম কেই প্রকাৰ আৰু কি কি? প্রত্যেকৰে এক চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ৬ ঃ অসমীয়া ভাষাৰ সর্বনামৰ পুৰুষ কেইটা আৰু কি কি? সেই সম্পর্কে এক চমু আলোচনা যুগুত কৰক।

প্রশ্ন ৭ ঃ তির্যক ৰূপ কাক বোলে? এই তির্যক ৰূপবোৰৰ কাম কি?

প্রশ্ন ৮ ঃ সর্বনামৰ তির্যক ৰূপ মানে কি? অসমীয়া ভাষাত কোনকেইটা সর্বনামৰ তির্যক ৰূপ পোৱা যায় সেই সম্পর্কে আলোচনা কৰি তির্যক ৰূপসমূহৰ এখন তালিকা প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৬ ঃ বচন আৰু লিংগ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ বচন ঃ সাধাৰণ পৰিচয়
৬.৩.১ একবচন আৰু বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায়
৬.৩.২ বহুবচনৰ প্রত্যয় আৰু ইয়াৰ প্রয়োগ
৬.৪. লিঙ্গ ঃ সাধাৰণ পৰিচয়
৬.৪.১ অসমীয়া ভাষাৰ লিংগ নির্ণয়ৰ উপায়
৬.৪.২ ব্যাকৰণগত লিংগ
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ এই দুয়োটা বিষয় সম্পর্কে এক সামগ্রিক ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ভাষাত একবচন আৰু বহুবচন— এই দুয়োবিধ বচনৰ অর্থ প্রকাশ কৰাৰ বিভিন্ন উপায় আছে। সেই উপায় সম্পর্কেও এই অধ্যায়টোৰ জৰিয়তে জানিব পাৰিব
- অসমীয়া ভাষাত বিভিন্ন উপায় অৱলম্বন কৰি লিঙ্গ নির্ণয় কৰাৰ যি প্রক্রিয়া সেই সম্পর্কে জানিবলৈ অৱলম্বন কৰি লিঙ্গ নির্ণয় কৰাৰ যি প্রক্রিয়া সেই সম্পর্কেও জানিবলৈ সুবিধা পাব
- ব্যাকৰণগত লিঙ্গ কি, অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত হয় নে নহয় ইত্যাদি সম্পর্কেও এই অধ্যায়টোৰ জৰিয়তে স্পষ্টধাৰণা লাভ কৰিব
- এই অধ্যায়টোৱে অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ সম্পর্কে এক সম্যক ধাৰণা প্রদান কৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষাণ্মাসিকৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা ঐচ্ছিক-

১ পাঠ্যবিষয় 'প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তৰ্গত এইটো হ'ল ষষ্ঠ অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম হৈছে 'বচন আৰু লিঙ্গ'। অধ্যায়টোত অসমীয়া ভাষাৰ বচন আৰু লিংগ সম্পৰ্কীয় বিভিন্ন দিশ আলোচনা কৰা হৈছে। অৰ্থাৎ এই অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ বচন, বচনৰ প্ৰকাৰ, একবচন আৰু বহুবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়, বহুবচনৰ প্ৰত্যয় আৰু এইবোৰৰ প্ৰয়োগ, অসমীয়া ভাষাৰ লিঙ্গ, লিঙ্গৰ প্ৰকাৰ, লিঙ্গ নিৰ্ণয়ৰ বিভিন্ন প্ৰক্ৰিয়া, ব্যাকৰণগত লিঙ্গ ইত্যাদি অসমীয়া ভাষাৰ বচন আৰু লিঙ্গৰ লগত সম্পৰ্কিত বিভিন্ন দিশ বিশ্লেষণ কৰা হৈছে। অধ্যায়টোত সন্নিবিষ্ট হোৱা এই বিষয়সমূহে ভাষা শাখাৰ শিক্ষাৰ্থীসকলক অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ সম্পৰ্কে এক যথাযথ ধাৰণা দিব পাৰিব বুলি ক'ব পাৰি।

৬.৩ বচন ঃ সাধাৰণ পৰিচয়

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক অন্যতম দিশ হ'ল— বচন। ব্যাকৰণত বচন শব্দই সংখ্যা বুজায়। যিবোৰ ৰূপৰ দ্বাৰা ব্যাকৰণত কোনো বস্তু বা প্ৰাণীৰ সংখ্যা সম্বন্ধে বোধ জনোৱা হয় তাকে বচন বুলি কোৱা হয়। নামপদৰ এক বা একাধিক বুজাবলৈ বচন ব্যৱহাৰ কৰা হয়। গতিকে বচন বুলিলে নাম পদে বুজোৱা সংখ্যা বা পৰিমাণ বুজায়। নিদৰ্শন স্বৰূপে—

(i) মই আজি খেলিবলৈ নাযাওঁ, তুমি যাবানে?

(ii) গৰুবিলাক পথাৰত চৰি আছে।

(iii) ফুলনিখনত ৰঙা ফুলবোৰ জকমকাই আছে।

(iv) মানুহজন আহিছে ইত্যাদি। এই বাক্য কেইটাত ব্যৱহৃত মই, তুমি, গৰুবিলাক, ফুলনিখন, ফুলবোৰ, মানুহজন আদি পদে সংখ্যা বা পৰিমাণ সম্বন্ধে ধাৰণা দিছে। অৰ্থাৎ মই, তুমি, ফুলনিখন, মানুহজন পদে একবচনৰ নিৰ্দেশ কৰিছে আৰু গৰুবিলাক, ফুলবোৰ আদি পদে বহুবচনৰ নিৰ্দেশ কৰিছে।

অসমীয়া ভাষাত দুবিধ বচন পোৱা যায়। সেই দুবিধ হ'ল একবচন আৰু বহুবচন। এটাক বুজালে একবচন আৰু এটাতকৈ অধিকক বুজালে বহুবচন হয়। প্ৰাচীন ভাৰতীয় আৰ্য বা সংস্কৃতত বচন তিনি প্ৰকাৰৰ আছিল— একবচন, দ্বিবচন আৰু বহুবচন। কিন্তু পালি-প্ৰাকৃত স্তৰকে দ্বিবচন লুপ্ত হৈ পৰৱৰ্তী সময়ত একবচন আৰু বহুবচন এই দুবিধ বচনৰহে প্ৰচলন থাকিল। অৱশ্যে অসমীয়া ভাষাত দ্বিবচনৰ ধাৰণা দিবলৈ দুই সংখ্যাবাচক শব্দটো ব্যৱহাৰ কৰা হয়। যেনে— দুজন মানুহ, দুটা ঘৰ, দুখন কিতাপ, দুজনী ছোৱালী ইত্যাদি। অসমীয়া ভাষাত দ্বিবচনৰ ৰূপ নাই যদিও এই সংখ্যা শব্দটোৰ দ্বাৰা দ্বিবচনৰ অৰ্থ প্ৰকাশ কৰা হয়।

অসমীয়া ভাষাত একবচন আৰু বহুবচন এই দুবিধ বচন পোৱা যায় যদিও অসমীয়াত আন এটা ৰূপ পোৱা যায় যাক বচন নিৰপেক্ষ ৰূপ বোলা হয়। এই বচন নিৰপেক্ষ ৰূপবোৰে একবচন আৰু বহুবচন ধাৰণা স্পষ্টভাৱে দিব নোৱাৰে। গতিকে যিবোৰ ৰূপে

কোনো ব্যক্তি, প্রাণী বা বস্তুৰ সংখ্যা বা পৰিমাণ সম্পর্কে কোনো স্পষ্ট ধাৰণা দিব নোৱাৰে তেনেবোৰ ৰূপক বচন নিৰপেক্ষ ৰূপ বোলা হয়। নিদর্শন স্বৰূপে— মানুহ, ঘৰ, গৰু, চৰাই, গছ আদি ৰূপবোৰ বাক্যত ব্যৱহাৰ হ'লে সংখ্যা সম্বন্ধে কোনো ধাৰণা দিব নোৱাৰে। গতিকে ইহঁত হ'ল বচন নিৰপেক্ষ ৰূপ। গতিকে অসমীয়া ভাষাত একবচন, বহুবচন আৰু বচন নিৰপেক্ষ ৰূপ— এই তিনিওতাই পোৱা যায়। সেইদৰে অসমীয়া ভাষাত বিশেষ্য, বিশেষণ আৰু সর্বনাম— এই তিনিওটা পদৰ বচন আছে। অর্থাৎ বিশেষ্য কিছুমান বিশেষণ আৰু কোনো কোনো সর্বনামৰ বচনভেদে ৰূপ হোৱা দেখা যায়।

৬.৩.১ একবচন আৰু বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায়

অসমীয়া ভাষাত একবচন আৰু বহুবচন এই দুবিধ বচনৰ প্রয়োগ পোৱা যায়। যিবোৰ ৰূপে এজন ব্যক্তি, এটা প্রাণী বা বস্তু বুজায় যি একবচন আৰু যিবোৰ ৰূপে বহুত ব্যক্তি, প্রাণী বা বস্তু বুজায় তাক বহুবচন বোলা হয়। অসমীয়া ভাষাত এই দুয়োবিধ বচনৰ অর্থ প্রকাশ কৰিবলৈ বিভিন্ন উপায় অৱলম্বন কৰা হয়। সেইবোৰ এনে ধৰণৰ—

একবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

(i) কোনো প্রত্যয় যোগ নকৰাকৈ বিশেষ্য, সংজ্ঞাবাচক বিশেষ্য আৰু ব্যক্তিবাচক সর্বনাম অকলে ব্যৱহাৰ কৰি অসমীয়া ভাষাত একবচনৰ অর্থ প্রকাশ কৰিব পাৰি। নিদর্শন স্বৰূপে— (ক) তেজপুৰ উষা-অনিৰুদ্ধৰ বাবে বিখ্যাত। (খ) ৰামু পঢ়াত বৰ চোকা (গ) গংগা পৱিত্র নদী (ঘ) তাই ঘৰলৈ গ'ল (ঙ) মই আজি নাযাওঁ আদি।

(ii) নামপদৰ পাছত টো, জন, খন, জনী আদি নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি একবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে— (ক) যদুটো বৰ দুষ্ট (খ) মানুহজনী বৰ দুখীয়া (গ) নদীখনৰ পানী শুকাই গৈছে (ঘ) ল'ৰাজন বৰ চাপৰ ইত্যাদি।

(iii) বচন নিৰপেক্ষ ৰূপৰ পাছত একবচনবাচক নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰিও অসমীয়া ভাষাত একবচন বুজোৱা হয়। নিদর্শন স্বৰূপে— (ক) মানুহগৰাকী বৰ নম্র, (খ) কিতাপখন আনাচোন (গ) গৰুজনী কজলা (ঘ) বাঁহডাল বৰ বেঁকা (ঙ) ছাত্রজন চোকা আদি।

(iv) এক সংখ্যা শব্দৰ 'এ'ৰ লগত বিশেষ বিশেষ নামপদ ব্যৱহাৰ কৰিও একবচন বুজোৱা হয়। যেনে— এবছৰ, এমাহ, একাপ, এগিলাছ, এনিশা, এবটল ইত্যাদি।

(v) এক সংখ্যা শব্দৰ 'এ'ৰ লগত জন, খন, ডাল, পাট, আদি নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি অসমীয়া ভাষাত একবচন বুজোৱা হয়। যেনে— এজন মানুহ, এখন কিতাপ, এডাল লাঠি, এপাট কাঁড়, এখন ঘৰ, এডাল কাঠ

আদি।

(vi) প্রতি বা প্রত্যেক শব্দৰ পাছত কোনো নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰিলে একবচনৰ অর্থ বুজায়। যেনে— প্রতিখন কিতাপ, প্রত্যেকজন শিক্ষক, প্রতিডাল গছ, প্রত্যেকজন মানুহ আদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন উপায়ে একবচনৰ অর্থ প্রকাশ কৰা হয়। মনকৰিবলগীয়া কথা যে অসমীয়া ভাষাত একবচন বুজোৱা ৰূপবোৰ একেলগে কেইবাটাও অর্থ প্রকাশ কৰিব পাৰে। নিদর্শন স্বৰূপে— 'সভালৈ মানুহজন আহিছে'— এই বাক্যটোত ব্যৱহৃত 'জন' একবচনবাচক ৰূপটোলৈ লক্ষ্য কৰিলে দেখা যায় যে ই একেলগে কেইবাটাও অর্থ প্রকাশ কৰে। অর্থাৎ 'মানুহজন' বুলি কওঁতে মানুহ এজন (একবচন); মানুহজন পুৰুষ (লিংগ); মানুহজন সম্ভ্রান্ত (মান্যতা); মানুহজন অহাৰ কথা আগেয়েই সুনির্দিষ্ট (নির্দিষ্টতাবাচক); মানুহজন প্রাণী বা বিশেষ প্রাণীবাচক (প্রাণীবাচকতা) আদি বিভিন্ন অর্থ মানুহ শব্দৰ লগত সংযোগ হৈ থকা 'জন' প্রকাশ কৰে।

বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

একবচনৰ দৰে বহুবচনৰ অর্থ প্রকাশ কৰিবলৈও অসমীয়া ভাষাত কেইবাটাও উপায় অৱলম্বন কৰা হয়। অর্থাৎ অসমীয়া ভাষাত বিভিন্ন উপায়ে বহুবচন বুজাব পাৰি। সেইবোৰ এনেধৰণৰ—

(i) অসমীয়া ভাষাত কেৱল বচন নিৰপেক্ষ ৰূপটো অকলে ব্যৱহাৰ কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়। নিদর্শন স্বৰূপে— (ক) চৰায়ে কণী পাৰে (খ) মানুহ মৰে (গ) গৰুৰে ঘাঁহ খায় ইত্যাদি বাক্যত ব্যৱহৃত চৰাই, মানুহ, গৰু আদি বচন নিৰপেক্ষ ৰূপবোৰে ক্রমে সকলো চৰাই, সকলো মানুহ আৰু সকলো গৰুক বুজাইছে। অর্থাৎ বচন নিৰপেক্ষ ৰূপটোৱে বহুবচন বুজাইছে।

(ii) অসমীয়া ভাষাত বহুবচন বুজোৱা বিভিন্ন প্রত্যয় যোগ কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়। নিদর্শন স্বৰূপে— গৰুবোৰ, ল'ৰাহঁত, মানুহবিলাক, শিক্ষকসকল, তোমালোক, ল'ৰাজাক, বস্তুবোৰ আদি।

(iii) সমূহবাচক শব্দ যোগ কৰিও অসমীয়া ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰি। নিদর্শন স্বৰূপে— দর্শকবৃন্দ, ছাত্রবর্গ, শিক্ষকমণ্ডলী, নক্ষত্রমালা, বৃক্ষৰাশি, গ্রন্থৰাজি, দ্বীপপুঞ্জ আদি।

(iv) অসমীয়া ভাষাত নামপদ আৰু সমূহবাচক শব্দৰ পুনৰুক্তি কৰি বহুবচন বুজোৱা হয়। নিদর্শন স্বৰূপে— ঘৰে ঘৰে, দলে দলে, জাকে জাকে, মুখে মুখে, ৰঙা ৰঙা, ভাল ভাল ইত্যাদি।

(v) সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰিও অসমীয়া ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে— পাঁচখন কিতাপ, দহগৰাকী

মহিলা, চাৰিজনা গুৰু, এশজন মানুহ, চাৰিডাল বাঁহ আদি।

(vi) অসমীয়া ভাষাত কেতিয়াও নামপদৰ আগত বা পাছত বহুত্ব বুজোৱা কিছুমান বিশেষণ প্ৰয়োগ কৰিও বহুবচন বুজোৱা হয়। যেনে— বহুত মানুহ, অসংখ্য মাছ, অজস্ৰ দৰ্শক, অগনন সৈন্য, ঢেৰ টকা, কিছুমান ল'ৰা ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন ধৰণে বহুবচনৰ অৰ্থ প্ৰকাশ কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বচন কাক বোলে? ই কেইবিধ আৰু কি কি? প্ৰত্যেকৰে এক চমু পৰিচয় দাঙি ধৰক। (১০০ শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষাত একবচন আৰু বহুবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়সমূহ আলোচনা কৰক। (১৫০ শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাত একবচনক প্ৰাকৃতি এটাই একে লগে কিমানটা অৰ্থ প্ৰকাশ কৰিব পাৰে উদাহৰণসহ বুজাই লিখক। (২০০ শব্দৰ ভিতৰত)

.....

৬.৩.২ বহুবচনৰ প্ৰত্যয় আৰু ইয়াৰ প্ৰয়োগ

অসমীয়া ভাষাত একবচনৰ পৰা বহুবচনৰ ৰূপ কৰিবলৈ হ'লে কিছুমান প্ৰত্যয় সংযোগ কৰিবলগা হয়। অসমীয়া ভাষাত বহুবচন বুজোৱা কেইবাটাও প্ৰত্যয় আছে। সেই প্ৰত্যয়বোৰে বিশেষ্য, বিশেষণ, কিছুমান সৰ্বনামৰ পিছত যোগ হৈ বহুবচনৰ অৰ্থ প্ৰকাশ কৰে। অসমীয়া ভষাৰ বহুবচন বুজোৱা প্ৰত্যয়বোৰ হ'ল— বোৰ, বিলাক, হঁত, লোক, সকল, মখা, সোপা ইত্যাদি। তলত এই প্ৰত্যয়সমূহৰ প্ৰয়োগ দেখুওৱা হ'ল—

বোৰ ঃ 'বোৰ' প্ৰত্যয় সাধাৰণতে তুচ্ছাৰ্থত প্ৰয়োগ হয়। এই প্ৰত্যয়ৰ সীমাবদ্ধতা কম। ই বিশেষ্য, বিশেষণ, কিছুমান সৰ্বনামৰ পাছত যোগ হৈ বহুবচনৰ অৰ্থ প্ৰকাশ কৰে। 'বোৰ' প্ৰত্যয় প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক সকলোৰে লগত প্ৰয়োগ হয়। নিদৰ্শন স্বৰূপে— ল'ৰাবোৰ, কিতাপবোৰ, ফলবোৰ, ভালবোৰ, বেয়াবোৰ, আমিবোৰ, এইবোৰ, সেইবোৰ, চিন্তাবোৰ ইত্যাদি।

বিলাক ঃ 'বোৰ' প্ৰত্যয়তকৈ 'বিলাক' প্ৰত্যয় কিছু মান্যাৰ্থত ব্যৱহাৰ হয়। 'বিলাক' প্ৰত্যয়ৰ প্ৰয়োগতো সীমাবদ্ধ কম। এই প্ৰত্যয় প্ৰাণীবাচক, অপ্ৰাণীবাচক, বিভিন্ন বিশেষ্য, কিছুমান বিশেষণ আৰু কিছুমান সৰ্বনামৰ পাছত যোগ হৈ বহুবচনৰ

অর্থ প্রকাশ কৰে। যেনে—মানুহবিলাক, ডেকাবিলাক, কিতাপবিলাক, চৰাইবিলাক, এইবিলাক, পকাবিলাক ইত্যাদি। ই, সি, তেওঁ, এওঁ আদি সর্বনামৰ পাছত যোগ হ'লে 'বিলাক' প্রত্যয় মান্যার্থই প্রকাশ কৰে। নিদর্শন স্বৰূপে— তেওঁবিলাক, এওঁবিলাক, ইবিলাক, সিবিলাক আদি। উল্লেখযোগ্য যে পুৰণি অসমীয়া 'বোৰ' আৰু 'বিলাক' প্রত্যয় পোৱা নাযায়। আধুনিক অসমীয়াতহে ইয়াৰ প্রয়োগ আছে।

হঁত ঃ 'বোৰ' আৰু 'বিলাক' প্রত্যয়তকৈ 'হঁত' প্রত্যয়ৰ প্রয়োগ সীমিত। সাধাৰণতে মানুহৰ নাম বুজোৱা বিশেষ সংজ্ঞাবাচক সম্বন্ধবাচক বিশেষ্য, তুচ্ছার্থ প্রকাশ কৰা দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামৰ পাছত এই 'হঁত' প্রত্যয় প্রয়োগ হয়। নিদর্শন স্বৰূপে— দেউতাহঁত, মামাহঁত, সিহঁত, তহঁত, বীণাহঁত, যদুহঁত ইত্যাদি। কিছুমান সম্বন্ধবাচক শব্দৰ পাছত যোগ হ'লে এই প্রত্যয়ে আদৰ অর্থ প্রকাশ কৰে। যেনে— বোপাহঁত, আইটিহঁত, পোণাহঁত, মইনাহঁত ইত্যাদি। একে ব্যৱসায়, জাতি আদি বুজাবলৈও 'হঁত' প্রত্যয় যোগ কৰা হয়। যেনে— ছাত্রহঁত, কঁহাৰহঁত, বনুৱাহঁত আদি। সাধাৰণতে জীৱ-জন্তুৰ ক্ষেত্রত 'হঁত' প্রত্যয় যোগ নহয় যদিও গৰু, কুকুৰ, গাধ আদি জন্তুবাচক শব্দৰ পাছত যোগ হৈ মানুহৰ ক্ষেত্রত প্রয়োগ হ'লে এই প্রত্যয়ে বহুবচন বুজোৱাৰ লগতে গালি অর্থও প্রকাশ কৰে। যেনে— গৰুহঁত, গাধহঁত, কুকুৰহঁত আদি।

লোক ঃ 'লোক' প্রত্যয় দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামৰ পাছত যোগ হৈ মান্যার্থ প্রকাশ কৰে। যেনে— তোমালোক, তেওঁলোক, এওঁলোক আপোনালোক আদি। কেতিয়াবা বিশেষ্যৰ পাছতো এই প্রত্যয় যোগ হয়। যেনে— চাহাব লোক।

সকল ঃ বিশেষ্য আৰু কিছুমান সর্বনামৰ পাছত বেছি সন্মান বুজাবলৈ 'সকল' প্রত্যয় যোগ দিয়া হয়। যেনে— তেখেতসকল, এখেতসকল, আইসকল, গুৰুসকল, আপোনাসকল শিক্ষকসকল, মন্ত্রীসকল, মহিলাসকল ইত্যাদি।

মখা ঃ সামূহিকভাৱে হীন অর্থত 'মখা' প্রত্যয় ব্যৱহাৰ কৰা হয়। ই প্রাণীবাচক-অপ্রাণীবাচক সকলোৰে লগত প্রয়োগ হয়। যেনে— ল'ৰামখা, এইমখা, বস্তুমখা, সৌমখা আদি। জন্তুবাচক শব্দৰ পাছত এই প্রত্যয় যোগ কৰিলে গালি অর্থ প্রকাশ কৰে। যেনে— গৰুমখা, বান্দৰমখা আদি।

সোপা ঃ এই প্রত্যয়ো হীন অর্থত বিশেষকৈ অপ্রাণীবাচক শব্দৰ পাছত যোগ হয়। যেনে— ভাতসোপা, বস্তুসোপা, এইসোপা, আমসোপা, কাপোৰসোপা ইত্যাদি।

অসমীয়া ভাষাত এইকেইটা বহুবচন বুজোৱা প্রত্যয়ৰ উপৰিও কিছুমান সমূহবাচক শব্দ সংযোগ কৰিও বহুবচনৰ অর্থ প্রকাশ কৰা হয়। এই সমূহবাচক শব্দসমূহৰ কিছুমান সংস্কৃতমূলীয় আৰু কিছুমান অনাসংস্কৃত মূলীয়। তলত এনে সমূহবাচক শব্দবোৰ উদাহৰণসহ দেখুওৱা হ'ল—

মণ্ডল ঃ তাৰকামণ্ডল, নক্ষত্রমণ্ডল

মণ্ডলী ঃ শিক্ষকমণ্ডলী, পণ্ডিতমণ্ডলী

বৃন্দ ঃ সুধীবৃন্দ, দর্শকবৃন্দ

বর্গ ঃ পাঠকবর্গ. শ্রোতাবর্গ

আৱলী ঃ পদাৱলী, ৰচনাৱলী

পুঞ্জ ঃ নক্ষত্রপুঞ্জ, দ্বীপপুঞ্জ

ৰাজি ঃ বৃক্ষৰাজি, ৰচনাৰাজি

ৰাশি ঃ ধনৰাশি, যশৰাখি

গণ ঃ মুণিগন, বিপ্রগণ

মালা ঃ গিৰিমালা, পর্বতমালা

জাক ঃ গৰুজাক, ল'ৰাজাক

সমূহ ঃ সদস্যসমূহ, প্রজাসমূহ

পাল ঃ মৃগপাল, গৰুপাল

দল ঃ সৈন্যদল, ডেকাদল

সব ঃ বৃক্ষসব, গৃহসব

মহল ঃ মীনমহল, বন্ধুমহল

থোপা ঃ ফুলথোপা


শ্রেণী ঃ পর্বতশ্রেণী

গুচ্ছ ঃ গল্পগুচ্ছ, নিবন্ধগুচ্ছ

কুল ঃ দৈত্যকুল, বানৰকুল

সমাজ ঃ ছাত্রসমাজ, সুধীসমাজ ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন বহুবচনবাচক প্রত্যয় পোৱা যায় আৰু এই প্রত্যয়বোৰে নামপদৰ পাছত যোগ হৈ বহুবচনৰ অর্থ প্রকাশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া ভাষাত প্রয়োগ হোৱা বহুবচনৰ প্রত্যয়সমূহ উল্লেখ কৰি ইহঁতৰ প্রয়োগ সম্পর্কে এক আলোচনা যুগুত কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

৬.৪ লিঙ্গ ঃ সাধাৰণ পৰিচয়

লিংগত ৰূপতত্ত্বৰ এক অন্যতম দিশ। লিংগ শব্দৰ অর্থ হৈছে চিহ্ন। যিবোৰ চিনে

পুৰুষ-স্ত্রী অথবা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে সেইবোৰক লিঙ্গ বুলি কোৱা হয়। অর্থাৎ ভাষাৰ বিশেষ্য শব্দবোৰৰ ভিতৰত যিবোৰ ৰূপে মতা-মাইকী আৰু পুৰুষ-স্ত্রীৰ ধাৰণা দিব পাৰে সেইবোৰ ৰূপক ব্যাকৰণত লিংগ ৰূপে ধৰা হয়। গতিকে শব্দৰ মতা-মাইকীৰ পার্থক্য বিচাৰেই হ'ল লিঙ্গ। কিছুমান ভাষাত কেৱল প্রাণীবাচক শব্দৰ ক্ষেত্রতহে লিঙ্গ বিচাৰ কৰা হয় আৰু কিছুমান ভাষাত প্রাণীবাচক-অপ্রাণীবাচক সকলো শব্দৰ লিঙ্গ বিচাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে সংস্কৃত ভাষাত প্রাণীবাচক আৰু অপ্রাণীবাচক সকলো শব্দৰে লিঙ্গভেদ কৰিব পাৰি। সংস্কৃত ভাষাত সেয়ে লিঙ্গ তিনিবিধ। সেই কেইবিধ হ'ল— (i) পুংলিঙ্গ (ii) স্ত্রীলিঙ্গ আৰু (iii) ক্লীৱলিঙ্গ। যেনে— সংস্কৃত ভাষাত 'শৰীৰ' বুজাবলৈ তিনিটা লিঙ্গ অনুসৰি তিনিটা শব্দ পোৱা যায়। সংস্কৃতত'কায়' শব্দ পুলিঙ্গ, লাহী কোমল বুজোৱা 'তনু' শব্দ স্ত্রীলিঙ্গ আৰু ক্লীৱত্ব বুজোৱা 'শৰীৰ' শব্দ ক্লীৱলিঙ্গ। এইদৰে সংস্কৃতত তিনিটা লিঙ্গ অনুসৰি শব্দবোৰ ৰূপভেদ হোৱা দেখা যায়।

অসমীয়া ভাষাৰ লিঙ্গলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাত কেৱল প্রাণীবাচক শব্দৰ ক্ষেত্রতহে লিঙ্গ ভেদৰ সুবিধা আছে। অসমীয়া ভাষাত অচেতন বস্তুৰ লিঙ্গ ভেদ কৰিব নোৱাৰি। কেৱল প্রাণীবাচক বা চেতন বস্তুৰহে লিঙ্গভেদ বুজাব পাৰি। গতিকে অসমীয়া ভাষাত মতা বা পুৰুষ অর্থ প্রকাশ কৰিলে সি পুংলিঙ্গ আৰু মাইকী বা মহিলা অর্থ প্রকাশ কৰিলে সি স্ত্রীলিঙ্গ হয়। সেয়েহে অসমীয়া ভাষাত লিঙ্গ প্রধানতঃ দুবিধ। এবিধ পুংলিঙ্গ আৰু আনবিধ স্ত্রীলিঙ্গ। উদাহৰণ স্বৰূপে—

পুংলিঙ্গ ঃ দেউতা, মামা, ককা, দমৰা, দঁতাল, নিলাজ আদি।

স্ত্রীলিঙ্গ ঃ মা, মামী, আইতা, চেঁউৰী, মাখুন্দী, নিলাজী আদি।

অসমীয়া ভাষাত পুংলিঙ্গ আৰু স্ত্রীলিঙ্গৰ উপৰিও আন এটা ৰূপ পোৱা যায়। এই ৰূপটোক লিঙ্গ নিৰপেক্ষ ৰূপ বোলা হয়। যিবোৰ প্রাণীবাচক শব্দই মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰি দিব নোৱাৰে সেইবোৰ ৰূপেই হৈছে লিঙ্গ নিৰপেক্ষ ৰূপ। নিদর্শন স্বৰূপে —

(i) সভালৈ বহুত মানুহ আহিছে।

(ii) গৰুৰে পথাৰত ঘাঁহ খাইছে

(iii) বাঘে গুজৰিছে। ইত্যাদি। এই বাক্যকেইটাত ব্যৱহৃত 'মানুহ', 'গৰু' আৰু 'বাঘ' শব্দই মতা মাইকীৰ ধাৰণা স্পষ্ট কৰিব পৰা নাই। গতিকে ইহঁত লিঙ্গ নিৰপেক্ষ ৰূপ। এই লিঙ্গ নিৰপেক্ষ ৰূপবোৰ উভয়লিঙ্গবাচক। কাৰণ এই ৰূপবোৰে মতা আৰু মাইকী উভয়কে বুজাব পাৰে। সেয়ে অসমীয়া ভাষাৰ লিঙ্গৰ আলোচনাত এই লিঙ্গ নিৰপেক্ষ ৰূপবোৰে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। অসমীয়া ভাষাৰ প্রাণীবাচক শব্দৰ লিঙ্গবিচাৰ অন্যান্য ভাষাৰ পৰা পৃথক হৈ পৰিছে। অর্থাৎ অসমীয়া ভাষাৰ লিঙ্গৰ এক স্বকীয় বৈশিষ্ট্য আছে।

৬.৪.১ অসমীয়া ভাষাৰ লিংগ নিৰূপণৰ উপায়

অসমীয়া ভাষাত লিঙ্গ নির্ণয় কৰিবৰ বাবে কেইবাটাও পদ্ধতি অৱলম্বন

কৰা হয়। অর্থাৎ অসমীয়াত মতা-মাইকী আৰু পুৰুষ-স্ত্রীৰ পার্থক্য বুজাবৰ বাবে কেইবাটাও প্রক্রিয়া আছে। সেই কেইটা হ'ল— (ক) পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ বুজোৱা ভিন্ ভিন্ শব্দ অকলে প্রয়োগ কৰি (খ) লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত 'মতা' বা 'পুৰুষ' আৰু 'মাইকী' বা 'মহিলা' শব্দ সংযোগ কৰি (গ) লিঙ্গ নিৰপেক্ষ ৰূপৰ লগত কিছুমান নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি (ঘ) স্ত্রী প্রত্যয় সংযোগ কৰি আৰু (ঙ) অকল পুংলিঙ্গবাচক আৰু অকল স্ত্রীলিঙ্গবাচক শব্দ প্রয়োগ কৰি। অসমীয়া ভাষাত এই কেইটা প্রক্রিয়াৰ দ্বাৰা প্রাণীবাচক শব্দৰ লিঙ্গভেদে কৰিব পাৰি।

(ক) অসমীয়া ভাষাত কোনো প্রত্যয় যোগ নকৰাকৈ পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি লিঙ্গ নির্ণয় কৰা হয়। এই শব্দসমূহৰ অধিকাশং শব্দই সম্বন্ধ বাচক শব্দ। তদুপৰি জীৱজন্তুৰ মতা-মাইকী বুজোৱা বহুতো সুকীয়া শব্দৰ প্রয়োগ অসমীয়া ভাষাত পোৱা যায়। নিদর্শন স্বৰূপে— দেউতা— মা, ককা—আইতা, পুত্র—কন্যা, দৰা-কইনা, দঁতাল —মাখুন্দী, বোন্দা—জাঁই, দমৰা—চেঁউৰী, শৰ— ভেলেণ্ডী, তাৰৈ—আমৈ, দেওৰ—ননন্দ ইত্যাদি।

(খ) লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত পুংলিঙ্গবাচক 'মতা' বা 'পুৰুষ' আৰু স্ত্রী লিঙ্গবাচক 'মাইকী' বা 'মহিলা' শব্দ সংযোগ কৰি অসমীয়া ভাষাত লিঙ্গ নিৰূপণ কৰিব পাৰি। ইয়াৰে 'মতা' আৰু 'মাইকী' শব্দ তুচ্ছার্থত প্রয়োগ হয় আৰু 'পুৰুষ' আৰু 'মহিলা' শব্দই মান্যার্থ প্রকাশ কৰে। নিদর্শন স্বৰূপে—

মতা মানুহ—মাইকী মানুহ
মতা গৰু— মাইকী গৰু
মতা কুকুৰা —মাইকী কুকুৰা
পুৰুষ মন্ত্রী — মহিলা মন্ত্রী
পুৰুষ ৰাষ্ট্রপতি— মহিলা ৰাষ্ট্রপতি
পুৰুষ লেখক— মহিলা লেখক আদি।

(গ) অসমীয়া ভাষাত লিঙ্গ নিৰপেক্ষ ৰূপৰ পাছত টো, জন, জনী আদি নির্দিষ্টতাবাচক প্রত্যয় সংযোগ কৰিও লিঙ্গ নির্ণয় কৰিব পাৰি। ইয়াৰে 'টো' আৰু 'জন' প্রত্যয়ে পুংলিঙ্গ বুজায় আৰু 'জনী' প্রত্যয়ে স্ত্রীলিঙ্গ বুজায়। পুংলিঙ্গবাচক 'টো' প্রত্যয় সদায় তুচ্ছার্থত প্রয়োগ হয়।নিদর্শন স্বৰূপে—

ল'ৰাটো —ছোৱালীজনী
মানুহজন — মানুহজনী
গৰুটো — গৰুজনী
চৰাইটো — চৰাইজনী
ছাত্রজন — ছাত্রজনী ইত্যাদি।

(ঘ) অসমীয়া ভাষাৰ লিঙ্গ নির্ণয়ৰ আন এটা প্রক্রিয়া হ'ল স্ত্রী প্রত্যয়

সংযোগ। সংস্কৃতৰ দৰে অসমীয়া ভাষাতো পুংলিঙ্গবাচক শব্দৰ পাছত স্ত্রীপ্রত্যয় সংযোগ কৰি স্ত্রীলিঙ্গ ৰূপ গঠন কৰিব পাৰি। অসমীয়া ভাষাত কিছুমান শব্দ স্বাভাৱিকতে পুংলিঙ্গবাচক। এই শব্দবোৰৰ লগত স্ত্রীপ্রত্যয় যোগ দিলে স্ত্রীলিঙ্গৰ ৰূপ পাব পাৰি। অসমীয়া ভাষাত তিনিটা প্রধান স্ত্রীপ্রত্যয় পোৱা যায়। সেই তিনিটা হ'ল ঈ, নী আৰু ৰী। ইয়াৰে 'নী' প্রত্যয়ৰ অনী, ইনী আৰু উনী- এই তিনিটা প্রসাৰিত ৰূপ পোৱা যায়। আকৌ শব্দত যোগ হ'লে 'ৰী' প্রত্যয়েও অৰী, এৰী আৰু উৰী— এই তিনিটা প্রসাৰিত ৰূপ লাভ কৰে। গতিকে প্রসাৰিত ৰূপকেইটাক ধৰি অসমীয়া ভাষাত কেইবাটাও স্ত্রীপ্রত্যয় পোৱা যায়। এই স্ত্রীপ্রত্যয় সমূহ হ'ল— ঈ, নী, ইনী, অনী, উনী, অৰী, এৰী আৰু উৰী।

ঈ প্রত্যয়ৰ যোগত — নিলাজ — নিলাজী

বান্দৰ — বান্দৰী

টেঙৰ — টেঙৰী আদি। ইয়াত প্রত্যয় সংযোগৰ পাছত গঠিত শব্দটোত মূল ৰূপৰ কোনো পৰিৱর্তন হোৱা নাই। কিন্তু কিছুমান পুংলিঙ্গবাচক শব্দৰ পাছত ঈ প্রত্যয় সংযোগ হ'লে মূল শব্দটোৰ আদ্যক্ষৰ আৰু শেষৰ অক্ষৰৰ পৰিৱর্তন হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

কোঁৱৰ — কুঁৱৰী ,অজলা — আজলী

ঘোঁৰা — ঘুঁৰী, পগলা — পাগলী

আঁকৰা — আকঁৰী, মহা — মাহী ইত্যাদি।

নী প্রত্যয়ৰ যোগত — কলিতা —কলিতানী

শইকীয়া — শইকীয়ানী

বৰুৱা — বৰুৱানী

নাতি — নাতিনী আদি।

ইনী প্রত্যয়ৰ যোগত — বাঘ — বাঘিনী

নাগ — নাগিনী

পিশাচ — পিশাচিনী

যখ — যখিনী আদি।

অনী প্রত্যয়ৰ যোগত — কুমাৰ — কুমাৰণী

ফুকন — ফুকননী

ভকত — ভকতনী আদি

উনী প্রত্যয়ৰ যোগত — চোৰ — চুৰুনী

ধোবা —ধুবুনী

ভূত — ভুতুনী আদি

অৰী প্রত্যয়ৰ যোগত — কলা — কালৰী

এৰী প্ৰত্যায়ৰ যোগত — ডেকা — ডেকেৰী

উৰী প্ৰত্যয়ৰ যোগত — বেঙা — বেঙুৰী ইত্যাদি।

উল্লেখযোগ্য যে স্ত্ৰীপ্ৰত্যয়বোৰৰ ভিতৰত অৰী, এৰী, আৰু উৰী প্ৰত্যয়ৰ প্ৰয়োগ বিৰল। এই প্ৰত্যয়বোৰৰ কিছুমান আংশিকভাৱে ধ্বনিসাপেক্ষ আৰু কিছুমান আংশিকভাৱে ৰূপসাপেক্ষ। অৰ্থাৎ কেতিয়াবা মূল শব্দটোৰ আদিত বা শেষত থকা স্বৰ অনুযায়ী আৰু কেতিয়াবা বিশেষ বিশেষ ৰূপ অনুযায়ী এই প্ৰত্যয়বোৰ ব্যৱহাৰ হোৱা দেখা যায়।

(ঙ) অসমীয়া ভাষাত অকল পুংলিঙ্গবাচক আৰু অকল স্ত্ৰীলিঙ্গবাচক শব্দ প্ৰয়োগ কৰি লিঙ্গভেদে প্ৰকাশ কৰিব পাৰি। অৰ্থাৎ অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰ শব্দ নিত্য পুংলিঙ্গবাচক আৰু নিত্য স্ত্ৰীলিঙ্গবাচক। এইবোৰ শব্দই সদায় পুৰুষ আৰু স্ত্ৰীকহে কেৱল নিৰ্দেশ কৰে। নিদৰ্শন স্বৰূপে — নিত্য পুংলিঙ্গবাচক শব্দ — হালোৱা, বৰলা, গুফীয়া, দড়ীয়া, ভঙুৱা, ৰণুৱা, গুণ্ডা, গোনা আদি।

নিত্য স্ত্ৰীলিঙ্গবাচক শব্দ — আয়তী, ৰাংঢালী, ৰচকী, দাইনী, সধবা, বিধবা, পোহাৰী, ধাই, গাভৰু, লাহতী, চুৰুনী, প্ৰসূতী, নামতী, কাজী, মাদৈ ইত্যাদি।

এইদৰে অসমীয়া ভাষাত বিভিন্ন উপায়েৰে লিঙ্গ নিৰ্ণয় কৰা হয়। সংস্কৃতৰ পৰা উদ্ভৱ হ'লেও অসমীয়া ভাষাৰ লিঙ্গ নিৰ্ণয় প্ৰক্ৰিয়া সংস্কৃতৰ লগত নিমিলে। অসমীয়া ভাষাৰ লিঙ্গই কিছু সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছে।

৬.৪.২ ব্যাকৰণগত লিংগ

যি লিঙ্গই বাক্য গাঁথনিত প্ৰভাৱ বিস্তাৰ কৰে তেনে লিঙ্গই হ'ল ব্যাকৰণগত লিঙ্গ। কেতিয়াবা কোনো ভাষাত বাক্যৰ গাঁথনিত লিঙ্গই গাঁথনিক সংগতি ৰক্ষা কৰে। চেতন-অচেতন, প্ৰাণী-অপ্ৰাণী, পুৰুষ-স্ত্ৰী আদিৰ কোনো ভেদ নৰখাকৈ কোনো শব্দ পুংলিঙ্গ বা স্ত্ৰীলিঙ্গ হ'লে আৰু বাক্য গাঁথনিত ই প্ৰভাৱ বিস্তাৰ কৰিলে তেনে লিঙ্গক ব্যাকৰণগত লিঙ্গ বোলা হয়। সেই দিশৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত লিঙ্গ নহয়। কিন্তু সংস্কৃত, হিন্দী, উৰ্দু আদি ভাষাৰ লিঙ্গ সম্পূৰ্ণৰূপে ব্যাকৰণগত। কাৰণ সংস্কৃত, হিন্দী আদি ভাষাৰ লিঙ্গই বাক্য গাঁথনিত প্ৰভাৱ পেলায়। সংস্কৃত ভাষাত প্ৰাণী-অপ্ৰাণী—

সংস্কৃত ভাষাত — সুন্দৰ ঃ বালক ঃ সুন্দৰী বালিকা ঃ।

সুন্দৰ ঃ নৰ ঃ — সুন্দৰী নাৰী। আদি।

এই উদাহৰণ দুটাত বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষৰণৰ লিঙ্গও সলনি হৈছে। গতিকে সংস্কৃত ভাষাত লিঙ্গ ব্যাকৰণগত। সংস্কৃতৰ দৰে হিন্দী ভাষাৰ লিঙ্গত ব্যাকৰণগত। কাৰণ হিন্দী ভাষাত কৰ্তাৰ লিঙ্গ অনুযায়ী বিশেষণ, ক্ৰিয়াৰূপে আদি

সলনি হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

হিন্দী ভাষাত — লড়কা যা ৰাহা হেয়।

লড়কী যা ৰহী হেয়। এই উদাহৰণটোত কর্তাৰ লিঙ্গ অনুযায়ী ক্রিয়াৰূপৰ সলনি ঘটিছে। অর্থাৎ সংস্কৃত আৰু হিন্দী ভাষাৰ লিঙ্গই বাক্য গাঁথনিত প্রভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে সংস্কৃত আৰু হিন্দী ভাষাত লিঙ্গ ব্যাকৰণগত।

অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত নহয়। অসমীয়া ভাষাৰ লিঙ্গ সম্পূর্ণৰূপে অর্থগত। অর্থ স্পষ্ট কৰিবৰ বাবে অসমীয়া ভাষাত শব্দটো মতা নে মাইকী বুজাব লগা হয়। অসমীয়া ভাষাত মতা অর্থ প্রকাশ কৰিলে পুংলিঙ্গ আৰু মাইকী অর্থ প্রকাশ কৰিলে স্ত্রীলিঙ্গ হয়। অর্থাৎ অসমীয়া ভাষাত লিঙ্গই বাক্য গাঁথনিত প্রভাৱ বিস্তাৰ কৰিব নোৱাৰে। অসমীয়াত লিঙ্গ অর্থগত হোৱা বাবে কেৱল প্রাণীবাচক শব্দবোৰৰহে লিঙ্গ বিচাৰ কৰা হয়। কিন্তু সীমিত ক্ষেত্রত অসমীয়া ভাষাতো সংস্কৃতৰ দৰে বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণৰ লিঙ্গ পৰিৱর্তন হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

বিদ্বান পুৰুষ — বিদূষী মহিলা


সুন্দৰ ল'ৰা — সুন্দৰী ছোৱালী

ৰূপহ কোঁৱৰ — ৰূপহী কুঁৱৰী

অজলা ককাই — আজলী নবৌ

পগলা ল'ৰা — পাগলী ছোৱালী

ৰঙা বলধ — ৰাঙী গাই ইত্যাদি। এই উদাহৰণকেইটাত বিশেষ্যৰ লিঙ্গ অনুসৰি বিশেষণৰ লিঙ্গৰো পৰিৱর্তন ঘটিছে। সেয়েহে অসমীয়া ভাষাৰ লিঙ্গ আংশিক ভাৱে ব্যাকৰণগত বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাত কি কি প্রক্রিয়াৰ দ্বাৰা লিঙ্গ নির্ণয় কৰা হয় চমুকৈ আলোচনা কৰক (২০০ শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৬ ঃ ব্যাকৰণগত লিঙ্গ বুলিলে কি বুজায়? সেই সম্পর্কে আলোচনা কৰি অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত হয় নে নহয় চমুকৈ লিখক। (২০০ শব্দৰ ভিতৰত)

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যায়ন কৰি আমি—

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক গুৰুত্বপূৰ্ণ দিশ বচন আৰু লিঙ্গ সম্পৰ্কে সম্যক ধাৰণা আহৰণ কৰাত অধ্যায়টোৱে সহায় কৰিলো।

- বচন কি, একবচন, বহুবচন আৰু বচন নিৰপেক্ষ ৰূপ সম্পৰ্কেও জানিব পাৰিলো।
- অসমীয়া ভাষাত একবচন আৰু বহুবচনৰ অর্থ প্রকাশ কৰাৰ বিভিন্ন উপায় আছে। সেই সম্পৰ্কে অৱগত হ'লো।
- অসমীয়া ভাষাত একচনৰ পৰা বহুবচন কৰিবলৈ বিভিন্ন প্রত্যয় সংযোগ কৰা হয়। সেই বহুবচনৰ প্রত্যয়বোৰৰ উদাহৰণসহ প্রয়োগ কৰি অসমীয়া ভাষাত বহুবচন বুজোৱা হয়। সেইবোৰবো উদাহৰণসহ দাঙি ধৰা হৈছে। গতিকে এই অধ্যায়টোৱে বচন সম্পৰ্কীয় বিভিন্ন দিশ জনাত সহায় কৰিলে।
- অসমীয়া ভাষাৰ লিঙ্গ আৰু বচন সম্পৰ্কে এক সাধাৰণ ধাৰণা লাভ কৰিব পাৰি। অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক গুৰুত্বপূৰ্ণ আহৰণ কৰাত অধ্যায়টোৱে সহায় কৰিলে।
- অসমীয়া ভাষাত একবচন আৰু বহুবচনৰ অর্থ প্রকাশ কৰাৰ বিভিন্ন উপায় আছে। সেই সম্পৰ্কেও অৱগত হ'লো।
- অসমীয়া ভাষাত একবচনৰ পৰা বহুবচনৰ প্রত্যয়বোৰৰ উদাহৰণসহ প্রয়োগ কৰি অসমীয়া ভাষাত বহুবচনৰ বুজোৱা হয়। উদাহৰণসহ দাঙি ধৰা হৈছে গতিকে এই অধ্যায়টোৱে বচন সম্পৰ্কীয় বিভিন্ন দিশ জনাত সহায় কৰিলে।
- এই অধ্যায়টোত লিঙ্গৰ সংজ্ঞা, লিঙ্গৰ প্রকাৰ-পুংলিঙ্গ, স্ত্রীলিঙ্গ, লিঙ্গনিৰপেক্ষ ৰূপ এই সকলো কথা আলোচনা কৰা হৈছে। অসমীয়া ভাষাত লিঙ্গ নির্ণয় কৰাৰ বিভিন্ন উপায় আছে। সেই সম্পৰ্কেও অৱগত হ'ব পাৰিলো।
- অসমীয়া ভাষাৰ স্ত্রীপ্রত্যয় সম্পৰ্কেও এক সাধাৰণ ধাৰণা লাভ কৰিব পাৰি। স্ত্রীপ্রত্যয়ৰ যোগত কিদৰে বিভিন্ন স্ত্রীলিঙ্গবাচক শব্দ সাধন কৰিব পাৰি সেই সম্পৰ্কেও অৱগত হ'ব পাৰিলো।
- অধ্যাটোৰ জৰিয়তে ব্যাকৰণগত লিঙ্গৰ এক ধাৰণা লাভ কৰিব পাৰিলো। তদুপৰি অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণ গত হয় নে নহয় সেই বিষয়েও জানিব পৰা গ'ল।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ, অর্পনা (২০০২; *ভাষাবিজ্ঞান উপক্রমনিকা,* বনলতা, ডিব্রুগড়।
২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা,* মণি-মানিক প্রকাশ গুৱাহাটী।
৩) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ,* মণি-মানিক প্রকাশ গুৱাহাটী।
৪) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *ভাষাবিজ্ঞান,* মণি-মানিক প্রকাশ, গুৱাহাটী।
৫) গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রৱেশ,* বীণা লাইব্রেৰী, গুৱাহাটী।
৬) গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,* বীণা লাইব্রেৰী, গুৱাহাটী।
৭) দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়,* বনলতা, ডিব্রুগড়।
৮) দত্তবৰুৱা ফণীন্দ্রনাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা,* বনলতা, ডিব্রুগড়।
৯) নাথ প্রফুল্ল কুমাৰ আৰু
১০) হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); *অসমীয়া ভাষাৰ অধ্যয়ন,* বনলতা, ডিব্রুগড়।
১১) পাঠক, ৰমেশ (১৯৮৮); *ব্যাকৰণ আৰু প্রাকৃতিবিজ্ঞান,* বীণা লাইব্রেৰী, গুৱাহাটী।
১২) পাঠক, ৰমেশ (২০১৪); *অসমীয়া ভাষাৰ ইতিহাস,* অশোক বুক ষ্টল, গুৱাহাটী।
১৩) ফুকন, পাটগিৰি, দিপ্তী (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ,* সৰস্বতী প্রকাশন, গোলাঘাট।
১৪) ভট্টাচার্য, বসন্ত কুমাৰ (২০১৫); *ভাষাবিজ্ঞান প্রৱেশ,* চন্দ্রপ্রকাশ গুৱাহাটী।
১৫) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* বনলতা, গুৱাহাটী।
১৬) শইকীয়া বৰা, লীলাৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ,* চন্দ্রপ্রকাশ, গুৱাহাটী।

ইংৰাজী গ্রন্থ ঃ

1. Kakati, Banikanta (1995); *Assames, its formation and Development,* LBs Publication, Guwahati

৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বচন মানে কি— বচনৰ প্রকাৰ-প্রত্যেকবিধ বচনৰ উদাহৰণসহ এক চমু পৰিচয় দাঙি ধৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ একবচনৰ সংজ্ঞা — একবচনৰ অর্থ প্রকাশ কৰা বিভিন্ন উপায়বোৰৰ চমু আলোচনা—বহুবচনৰ সংজ্ঞা — বহুবচনৰ অর্থ প্রকাশ কৰা বিভিন্ন উপায়বোৰৰ সংক্ষিপ্ত পৰিচয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ একবচন বুজোৱা প্রাকৃতি কোনবোৰ— তেনে প্রাকৃতিৰ জৰিয়তে একে সময়তে কিমানটা অর্থ প্রকাশ কৰিব পাৰি উদাহৰণসহ লিখিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ বহুবচন কি— অসমীয়া ভাষাত বহু বচনৰ কি কি প্রত্যয় পোৱা যায় সেই প্রত্যয়বোৰ উল্লেখ কৰি-প্রত্যেকৰে উদাহৰণসহ প্রয়োগ বিশ্লেষণ কৰিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ লিঙ্গ মানে কি— অসমীয়া ভাষাত লিঙ্গ নির্ণয়ৰ বিভিন্ন উপায়— প্রত্যেকৰে উদাহৰণসহ চমু আলোচনা কৰিব লাগিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্যাকৰণগত লিঙ্গ কি— কি কি ভাষাৰ ব্যাকৰণগত লিঙ্গ আছে— তাৰ উদাহৰণসহ আলোচনা—অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত হয় নে নহয় উদাহৰণ দি লিখিব লাগিব।



৬.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বচনৰ সংজ্ঞা দাঙি ধৰা অসমীয়া ভাষাত বচন সেই প্রকাৰৰ আৰু কি কি তাৰ এক চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ বচন নিৰপেক্ষ ৰূপ বুলিলে কি বুজায়? উদাহৰণসহ চমুকৈ লিখক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাত একবচনৰ অর্থ প্রকাশ কৰাৰ উপায়সমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ ঃ একবচনবাচক ৰূপ কোনবোৰ? একবচনবাচক ৰূপ এটাই একে সময়তে কিমান অর্থ প্রকাশ কৰিব পাৰে উদাহৰণ দি বুজাই লিখক।

প্রশ্ন ৫ ঃ অসমীয়া ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায়কেইটাৰ এক চমু আলোচনা যুগুত কৰক।

প্রশ্ন ৬ ঃ অসমীয়া ভাষাত কি কি বহুবচনৰ প্রত্যয় পোৱা যায় সেই সম্পর্কে উল্লেখ কৰি এই প্রত্যয়বোৰৰ উদাহৰণসহ প্রয়োগ বিশ্লেষণ কৰক।

প্রশ্ন ৭ ঃ লিঙ্গ বুলিলে কি বুজায়? অসমীয়া ভাষাত লিঙ্গ কেইপ্রকাৰৰ আৰু কি কি? প্রত্যেকৰে উদাহৰণসহ এক চমু আলোচনা দাঙি ধৰক।

প্রশ্ন ৮ ঃ লিঙ্গ নিৰপেক্ষ ৰূপ মানে কি? উপযুক্ত উদাহৰণেৰে বুজাই লিখক।

প্রশ্ন ৯ ঃ অসমীয়া ভাষাত লিঙ্গ নির্ণয়ৰ কি কি পদ্ধতি পোৱা যায়? প্রত্যেকৰে উদাহৰণসহ বিশদ আলোচনা দাঙি ধৰক।

প্রশ্ন ১০ ঃ স্ত্রীপ্রত্যয় কাক বোলে? অসমীয়া ভাষাত কি কি স্ত্রীপ্রত্যয় পোৱা যায় সেই

সম্পৰ্কে ফঁহিয়াই এক আলোচনা যুগুত কৰক।

প্ৰশ্ন ১১ ঃপুংলিঙ্গ শব্দৰ পিছত স্ত্ৰীপ্ৰত্যয় সংযোগ হৈ কেনেকৈ স্ত্ৰীলিঙ্গবাচক ৰূপবোৰ গঠিত হয় সেই সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ১২ ঃব্যাকৰণগত লিঙ্গ মানে কি? অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত হয়নে? উপযুক্ত উদাহৰণেৰে বুজাই লিখক।

*** ***** ***

অধ্যায় ৭ ঃ শ্রেণী নির্দেশক বা নির্দিষ্টতাবাচক প্রত্যয় আৰু অনির্দিষ্টতাবাচক প্রত্যয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ নির্দিষ্টতাবাচক প্রত্যয়ৰ এক চমু পৰিচয়
৭.৩.১ অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় আৰু ইয়াৰ প্রয়োগ
৭.৪ অনির্দিষ্টতাবাচক প্রত্যয় আৰু ইয়াৰ প্রয়োগ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় বা শ্রেণীনির্দেশক প্রত্যয় সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব
- শ্রেণীনির্দেশক বা নির্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগৰ ক্ষেত্রত অসমীয়া ভাষা অতি চহকী। আধুনিক ভাৰতীয় আর্য ভাষাবোৰৰ ভিতৰত একমাত্র অসমীয়া ভাষাতে যথেষ্ট সংখ্যক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। এই নির্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগৰ কাৰণ সম্পর্কেও অৱগত হ'ব
- অসমীয়া ভাষাৰ নির্দিষ্টবাচক প্রত্যয়সমূহ ক'ত কেনেদৰে প্রয়োগ হয় সেই সম্পর্কেও জানিব পাৰিব
- নির্দিষ্টতাবাচক প্রত্যয়ৰ দৰে অসমীয়া ভাষাত অনির্দিষ্টতাবাচক প্রত্যয় কিছুমানৰ প্রয়োগ হোৱা দেখা যায়। সেই অনির্দিষ্টতাবাচক প্রত্যয়সমূহ কি কি, সেইবোৰ ক'ত কেনেদৰে প্রয়োগ হয় সেই বিষয়েও আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় যান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় 'প্রাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল সপ্তম অধ্যায়। এই অধ্যায়টো নামকৰণ কৰা হৈছে এনেদৰে— 'শ্রেণীনির্দেশক বা নির্দিষ্টতাবাচক প্রত্যয় আৰু

অনির্দিষ্টতাবাচক প্রত্যয়'। এই অধ্যায়টোত অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয় বা শ্রেণীনির্দেশক প্রত্যয় আৰু অনির্দিষ্টতাবাচক প্রত্যয়— এই দুয়োবিধ প্রত্যয়ৰ এক আলোচনা দাঙি ধৰা হৈছে। অর্থাৎ নির্দিষ্টতাবাচক প্রত্যয়ৰ পৰিচয়, প্রত্যয়সমূহৰ মূল, প্রত্যয়সমূহৰ প্রয়োগ বিশ্লেষণ, এইবোৰৰ বহুল প্রয়োগৰ কাৰণ, প্রয়োগৰ বৈশিষ্ট্য অনির্দিষ্টতাবাচক প্রত্যয় আৰু এইবোৰৰ প্রয়োগ ইত্যাদিৰ বিভিন্ন দিশ এই অধ্যায়টোত যথাযথভাৱে আলোচনা কৰা হৈছে। গতিকে এই অধ্যায়টোৱে স্নাতকোত্তৰ ভাষা শাখাৰ শিক্ষার্থীসকলক অসমীয়া ভাষাত প্রয়োগ হোৱা শ্রেণীনির্দেশক বা নির্দিষ্টতাবাচক আৰু অনির্দিষ্টতাবাচক প্রত্যয় সম্পর্কে এক সামগ্রিক ধাৰণা দিবলৈ সক্ষম হ'ব।

৭.৩ নির্দিষ্টতাবাচক প্রত্যয়ৰ এক চমু পৰিচয়

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এটা অন্যতম দিশ হ'ল নির্দিষ্টতাবাচক বা শ্রেণীনির্দেশক প্রত্যয়। এই প্রত্যয়বোৰ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক গুৰুত্বপূর্ণ উপাদান। আধুনিক ভাৰতীয় আর্যভাষাৰ ভিতৰত একমাত্র অসমীয়া ভাষাতে এনে প্রত্যয়ৰ বহুল প্রয়োগ দেখা যায়। বাংলা আৰু ওড়িআ ভাষাত এনে প্রত্যয়ৰ প্রয়োগ পোৱা দেখা যায় যদিও সংখ্যাৰ ফালৰ পৰা সি নিচেই তাকৰ। কিন্তু অসমীয়া ভাষাত প্রায় ৭০ টাতকৈও অধিক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। সেইফালৰ পৰা নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত অসমীয়া ভাষা অতি চহকী।

নির্দিষ্টতাবাচক বা শ্রেণীনির্দেশক প্রত্যয় হৈছে সেইবোৰ প্রত্যয় যিবোৰ প্রত্যয়ে কোনো বস্তুৰ আকৃতি, প্রকৃতি, পৰিমাণ, সংখ্যা, লিঙ্গ আদি বিশেষভাৱে নির্দিষ্ট কৰি বুজায়। এইবোৰ প্রত্যয় প্রাণীবাচক আৰু অপ্রাণীবাচক সকলো শব্দৰ লগত প্রয়োগ হয়। বিশেষ্য, বিশেষণ, কিছুমান সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হৈ কোনো বস্তু বা প্রাণীৰ ইহঁতে নির্দিষ্টকৈ প্রকাশ কৰে। গতিকে যিবোৰ প্রত্যয়ে বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হৈ কোনো বস্তু বা প্রাণীৰ আকৃতি, প্রকৃতি, লিঙ্গ, পৰিমাণ, সংখ্যা আদি নির্দিষ্ট কৰি দেখুৱাবা পাৰে তেনেবোৰ প্রত্যয়ক নির্দিষ্টতাবাচক প্রত্যয় বুলি কোৱা হয়। নিদর্শন স্বৰূপে—

(i) মানুহজন বৰ ভদ্র।

(ii) পাঁচখন কিতাপ আনিবা।

(iii) পাহাৰটো ওখ।

(iv) কোন গৰাকী মানুহৰ কথা কৈছা?

(v) বস্তিগছ জ্বলাই দিয়া ইত্যাদি। এই বাক্যকেইটা হ'ল নির্দিষ্টতাবাচক প্রত্যয়। এই প্রত্যয়কেইটা কোনো বস্তু বা ব্যক্তিক নির্দিষ্টকৈ বুজাইছে।

নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রথম উল্লেখ পোৱা যায় ১৯৪৮ চনত ৰচিত নাথান ব্রাউনৰ দ্বিতীয়খন অসমীয়া ব্যাকৰণ 'Grammatical notes on the Assamese

Language'ত। এই নির্দিষ্টতাবাচক প্রত্যয়বোৰক বিভিন্ন পণ্ডিতে নামেৰে বিভিন্ন নামকৰণ কৰিছে। নাথান ব্রাউনে এই নির্দিষ্টতাবাচক প্রত্যয়বোৰক 'generic affix' বুলি উল্লেখ কৰিছে। সুনীতি কুমাৰ চেট্টার্জীয়ে এই প্রত্যয়বোৰক 'পদাশ্রিত নির্দেশক' নাম দিছে। বাণীকান্ত কাকতিয়ে নির্দিষ্টতাবাচক প্রত্যয়সমূহক 'Enclitic definitives' বুলি কৈছে। ভাষাবিদ গোলকচন্দ্র গোস্বামীয়ে এইবোৰক 'মূলাভাগ প্রাকৃতি' নাম দিছে। ভাষাৰ ওজা হেমচন্দ্র বৰুৱা আৰু দেৱানন্দ ভৰালীয়ে নির্দিষ্টতাবাচক প্রত্যয়বোৰক 'উপশব্দ' বুলি কৈছে। সত্যনাথ বৰাই 'অন্য এবিধ তদ্ধিৎ প্রত্যয়' নাম দিছে। কালিৰাম মেধিয়ে এই প্রত্যয়বোৰক 'শব্দাংশ' বুলি নামকৰণ কৰিছে। ভাষাবিদ উপেন্দ্রনাথ গোস্বামীয়ে এইবোৰক 'নির্দিষ্টতাবাচক প্রত্যয়' বুলি কৈছে। আধুনিক ভাষাবিজ্ঞানত নির্দিষ্টতাবাচক প্রত্যায়বোৰক Classifier বোলা হৈছে যাৰ অসমীয়া প্রতিশব্দ হৈছে 'শ্রেণী নির্দেশক'। কিন্তু এইবোৰৰ প্রত্যয়ে কোনো বস্তু বা প্রাণীক নির্দিষ্টকৈ দেখুৱাই দিব পাৰে বাবে আমি এই প্রত্যয়বোৰক নির্দিষ্টতাবাচক প্রত্যয় বুলিয়েই উল্লেখ কৰিম।

আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত একমাত্র অসমীয়া ভাষাতেই নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ সর্বাধিক। এই প্রত্যয়বোৰ ব্যৱহাৰ কৰাৰ বৈশিষ্ট্যটো আর্যভিন্ন ভাষাৰ প্রভাৱৰ পৰা অসমীয়া ভাষলৈ আহিছে বুলি বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে। কাৰণ অসমত থকা তিব্বত-বর্মী ভাষাবোৰত নির্দিষ্টতাবাচক প্রত্যয়ৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। বড়ো, গাৰো, টাই, আহোম আদি ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। আনকি অসমীয়া ভাষাত প্রয়োগ হোৱা কিছুমান নির্দিষ্টতাবাচক প্রত্যয় বড়ো ভাষাতো পোৱা যায়। গতিকে অসমীয়া ভাষাও নির্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগত তিব্বত-বর্মী ভাষাৰ প্রভাৱৰ কথা অনুমান কৰিব পাৰি। অৱশ্যে অসমীয়া ভাষাত প্রয়োগ হোৱা প্রায়বোৰ নির্দিষ্টতাবাচক প্রত্যয়ৰ মূল সংস্কৃত বুলি বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থ 'Assamese its formation and Development'ত উল্লেখ কৰিছে। কিন্তু তথাপি অসমীয়া ভাষাত এই প্রত্যয়বোৰৰ ব্যাপক প্রয়োগৰ দিশটোত তিব্বত-বর্মী ভাষাৰ প্রভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।

৭.৩.১ অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় আৰু ইয়াৰ প্রয়োগ

আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাতেই নির্দিষ্টতাবাচক প্রত্যয়ৰ সংখ্যা সর্বাধিক আৰু এইবোৰৰ ব্যৱহাৰ বৈচিত্র্যও অধিক। অসমীয়াৰ লগত একেলগে জন্ম লাভ কৰা বাংলা আৰু ওড়িআ ভাষাত এনে প্রত্যয়ৰ প্রাচুর্য দেখা নাযায়। নির্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগ অসমীয়া ভাষাৰ এক অন্যতম বিশেষত্ব। ভাষাবিদ বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণাগ্রন্থত নির্দিষ্টতাবাচক প্রত্যয় কিছুমানৰ মূল উল্লেক কৰি সেইবোৰৰ প্রয়োগ বিশ্লেষণ কৰিছে। তলত অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়ৰ মূল আৰু

অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়ৰ মূল আৰু প্রয়োগ তলত উল্লেখ কৰা হ'ল—

কণ/কণি ঃ 'কণ' প্রত্যয়টো প্রাচীন ভাৰতীয় আর্য বা সংস্কৃত 'কণ'ৰ পৰা আহিছে। ক্ষুদ্র অর্থত এই প্রত্যয় ব্যৱহাৰ কৰা হয়। বিশেষ্য, বিশেষণ, প্রাণীবাচক আৰু অপ্রাণীবাচক শব্দৰ পিছত এই প্রত্যয় প্রয়োগ হয়। যেনে— কেঁচুৱাকণ, পোনাকণ, বস্তুকণ, ভালকণ, বেয়াকণ ইত্যাদি। ক্ষুদ্রার্থৰ লগতে মৰম বুজাবলৈ 'কণি' ব্যৱহাৰ কৰা হয়। যেনে— পোণাকণি, ল'ৰাকণি আদি।

খন/খনি ঃ 'খন' প্রত্যয়টো সংস্কৃত 'খণ্ড'ৰ পৰা আহিছে। ই অপ্রাণীবাচক শব্দৰ পিছত যোগ হয়। বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হৈ এই প্রত্যয়ে বহল,দীঘল, চেপেটা আৰু পাতল অর্থ প্রকাশ কৰে। যেনে— কিতাপখন, নৈখন, বহীখন, হাতখন, দুখন, তিনিখন আদি। 'খন' প্রত্যয় অপ্রাণীবাচক শব্দৰ লগত যোগ হয় যদিও কেতিয়াবা বিশেষ পৰিবেশত প্রাণীবাচক শব্দৰ লগত যোগ হৈ মানুহৰ ক্ষেত্রত প্রয়োগ হ'লে গালি অর্থ প্রকাশ কৰে। যেনে— গৰুখন, ল'ৰাখন। ক্ষুদ্রার্থত 'খনি' ব্যৱহাৰ হয়। যেনে— পুথিখনি, নৈখনি আদি।

গছ/গছি ঃ এই প্রত্যয়টো সংস্কৃত 'গছ' শব্দৰ পৰা আহিছে। দীঘল আৰু লেহুকা বস্তু বুজাবলৈ অপ্রাণীবাচক শব্দ, বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হয়। যেনে —ডোলগছ, বন্তিগছ, জৰিগছ, এইগছ, ভালগছ আদি। যেনে— যেনে-বন্তিগছি, শলিতাগছি আদি।

গৰাকী ঃ গৰাকী শব্দৰ মূল হ'ল সংস্কৃত 'ভৰু' শব্দ। মানুহৰ ক্ষেত্রত লিঙ্গ নির্বিশেষে প্রয়োগ হৈ এই প্রত্যয় অধিক মান্যার্থ প্রকাশ কৰে। বিশেষ্য, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত এই প্রত্যয় প্রয়োগ হয়। যেনে— মানুহগৰাকী, মন্ত্রীগৰাকী, কোনগৰাকী, সেইগৰাকী আদি। দুই এটা বিশেষণৰ লগত যোগ হৈ এই প্রত্যয়ে নিন্দা অর্থ অবাঞ্ছিত অর্থ বা প্রকাশ কৰে। নিদর্শন স্বৰূপে— ভালগৰাকীকে লগ পালা।

গোট ঃ প্রাচীন ভাৰতীয় আর্য বা সংস্কৃতৰ 'গাত্র' শব্দৰ পৰা বিকাশ হৈ 'গোট' প্রত্যয়টো অসমীয়ালৈ আহিছে। আধুনিক অসমীয়াত এই প্রত্যয়ৰ প্রয়োগ পোৱা নাযায়। পুৰণি অসমীয়াত 'গোট' প্রত্যয়ৰ সঘনে প্রয়োগ হৈছিল। অর্থাৎ পুৰণি অসমীয়াত ই প্রাণীবাচক-অপ্রাণীবাচক সকলো শব্দৰ লগতে সমানে প্রয়োগ হৈছিল। যেনে— পণ্ডগোট, মানুহগোট, কন্দলগোট ইত্যাদি।

চটা/চটি ঃ 'চটা' শব্দৰ মূল হ'ল সংস্কৃত 'ত্বষ্টা' শব্দ। এই প্রত্যয় অপ্রাণীবাচক শব্দ, বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হয়। দীঘল, চেপেটা বস্তুক বুজাবলৈ বিশেষকৈ ফালি চটাচট কৰা বস্তুক বুজাবলৈ

'চটা' প্রত্যয় প্রয়োগ কৰা হয়। যেনে— কাঠচটা, বাঁহচটা, ভালচটা, সৰুচটা এইচটা, পাঁচচটা আদি। ক্ষুদ্রার্থত 'চটি' ব্যৱহাৰ হয়। যেনে— চিৰিচটি।

জন/জনা/জনী ঃ সংস্কৃত 'জন' শব্দৰ পৰা এই প্রত্যয়টো অসমীয়ালৈ আহিছে। 'জন' প্রত্যয়ে সাধাৰণ মান্য অর্থত মানুহৰ ক্ষেত্রত পুংলিঙ্গ বুজায়। 'জন' প্রত্যয়ৰ স্ত্রীলিঙ্গৰ ৰূপ হ'ল 'জনী' আৰু এই প্রত্যয়ে মানুহৰ ক্ষেত্রত তুচ্চার্থ প্রকাশ কৰে। জীৱ-জন্তুৰ ক্ষেত্রতো এই প্রত্যয়টো প্রয়োগ হয়। বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত এই প্রত্যয় ব্যৱহাৰ হয়। যেনে— মানুহজন, ল'ৰাজন, ছোৱালীজনী, চৰাইজনী, গৰুজনী, এইজন, ভালজনী আদি। 'জন' প্রত্যয়ৰ লগত আ প্রত্যয় লগ লগাই গঠন কৰা 'জনা' প্রত্যয়ে সদায় অধিক মান্যার্থ প্রকাশ কৰে। যেনে— ৰাণীজনা, গুৰুজনা, বৰজনা, মন্ত্রীজনা আদি।

টা/টি/টো ঃ এই প্রত্যয়ৰ মূল হ'ল সংস্কৃত 'বৃৎ' ধাতু। 'টা' প্রত্যয় সদায় সংখ্যাবাচক শব্দৰ লগত সংযোগ হয়। যেনে — এটা, দুটা, পাঁচটা আদি। ক্ষুদ্রার্থৰ লগতে মৰম বুজাবলৈ বিশেষ্যৰ পাছত 'টি' প্রত্যয়ৰ প্রয়োগ হয়। যেনে— আইটি, পোনাটি, ল'ৰাটি আদি। বিশেষ্য, বিশেষণ, সর্বনাম, প্রাণীবাচক আৰু অপ্রাণীবাচক, মূর্ত আৰু অমূর্ত শব্দৰ পাছত 'টো' ব্যৱহাৰ হয়। যেনে — মানুহটো, ল'ৰাটো, ভালটো, এইটো, গৰুটো, মনটো, সৰুটো, ওখটো, কোনটো আদি।

টাঁৰ/টাঁৰি ঃ সংস্কৃত 'তন্ত্র' শব্দৰ পৰা 'টাঁৰ' প্রত্যয়টো অসমীয়ালৈ আহিছে। কিন্তু বাণীকান্ত কাকতিৰ মতে এই 'তন্ত্র' মূলটো সন্দেহ জনক। এই প্রত্যয় সাধাৰণতে প্রাণীবাচক শব্দ, বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত ব্যৱহাৰ হয়। এই প্রত্যয়ে দীঘল, ক্ষীণ, লেহুকা আৰু একেলগে বন্ধা মুঠা অর্থ প্রকাশ কৰে। যেনে— বাঢ়নীটাঁৰ, ঝাৰুটাঁৰ, চুলিটাঁৰি, কোনটাঁৰ, ভালটাঁৰ, তিনিটাঁৰ ইত্যাদি।

ডাল/ডালি ঃ ভাষাবিদ বাণীকান্ত কাকতিয়ে 'ডাল' প্রত্যয়টো দেশজ বুলি মন্তব্য কৰিছে। গোটা, দীঘল, ঘূৰণীয়া বস্তুক বুজাবলৈ 'ডাল' প্রত্যয় ব্যৱহাৰ কৰা হয়। যেনে— বাঁহডাল, কাঠডাল, খৰিডাল, চুটিডাল, ভালডাল আদি। ক্ষুদ্রার্থত 'ডালি' ব্যৱহাৰ কৰা হয়। যেনে — খৰিডালি।

পাট ঃ এই প্রত্যয়টো সংস্কৃত 'পট্ট' শব্দৰ পৰা আহিছে। দীঘল, চেপেটা আৰু ঠেক অর্থ বুজাবলৈ এই প্রত্যয় ব্যৱহাৰ কৰা হয়। বিশেষ্য, বিশেষণ, সর্বনাম, সংখ্যাবাচক শব্দ আৰু অপ্রাণীবাচক শব্দৰ পাছত এই প্রত্যয় প্রয়োগ হয়। যেনে— বঠাপাট, স্কেলপাট, কাঁড়পাট, এইপাট, ভালপাট, তিনিপাট আদি। বিৰক্তিৰ ভাব প্রকাশ কৰিবলৈ কেতিয়াবা মানুহবাচক শব্দৰ পাছতো এই 'পাট' প্রত্যয় প্রয়োগ হয়। যেনে— ল'ৰাপাট, এইপাট আদি।

ফেৰা/ফেৰি ঃ 'ফেৰা' প্রত্যয়ৰ মূল কি জনা নাযায়। বস্তুৰ সামান্য পৰিমাণ

বুজাবলৈ দ্রব্যবাচক বিশেষ্য আৰু সর্বনামৰ পাছত এই প্রত্যয় ব্যৱহাৰ হয়। যেনে— গুৱফেৰা, বস্তুফেৰা, লোনফেৰা, এইফেৰা আদি।

এইবোৰ নির্দিষ্টতাবাচক প্রত্যয়ৰ উপৰিও অসমীয়া ভাষাত আৰু যথেষ্ট সংখ্যক নির্দিষ্টতাবাচক প্রত্যয় ব্যৱহাৰ হোৱা দেখা যায়। ভাৰতীয় আর্য ভাষাসমূহৰ ভিতৰত সৰহসংখ্যক নির্দিষ্টতাবাচক প্রত্যয় ব্যৱহাৰ হোৱা ভাষা হিচাপে অসমীয়া ভাষা অন্যতম। তলত এই নির্দিষ্টতাবাচক প্রত্যয়সমূহ উদাহৰণসহ দাঙি ধৰা হ'ল—

আখি — কলআখি
খিলা — পাণখিলা
কোছা — দাড়িকোছা
চকল — আমচকল
ডোখৰ — কাঠডোখৰ
ডৰা — কঠিয়াডৰা
কুৰা — জুইকুৰা
কাচলি — ৰ'দকাচলি
গাল — ভাতগাল
জাক — চৰাইজাক
থোক — কলথোক
টুকুৰা — মাছটুকুৰা
থোপা — ফুলথোপা
চপৰা — মাটি চপৰা
চলু — পানীচলু
জাউৰি —গালিজাউৰি
জোপা — তামোলজোপা
জুপি — ফুলজুপি
লদা — গোবৰৰ লদা
ডোঙা — পানীডোঙা
পাহ — ফুলপাহ
সাজ — ভাতসাজ
হাল — গৰুহাল
চাব — কোৰচাব
অঁৰা — তামোলঅঁৰা
কঠা — চাউলকঠা
খিনি — পানীখিনি

চমকা — মাটি চমকা

চলা — পাটচলা

চাম — লেখক চাম

জোপ — বেঙেনাজোপা

থান — কাপোৰ থান

ধাৰ/ধাৰি — মালাধাৰি/মালাধাৰ

পাব — কুঁহিয়াৰ পাব

ভাগ — পূজাভাগ

মুঠি — ভাতমুঠি,

মুঠা — কুশমুঠা

মখা — গৰুমখা

টোপা — পানীটোপা

দল — ডেকাদল

ঢোক — পানীঢোক

পালি — দৰৱপালি

ফাকি — কথাফাকি

যুৰি — চকুযুৰি

যাৰ — মাতযাৰ

সোপা — ল'ৰাসোপা

পোলা —খৰিপোলা

চিৰা — মাহচিৰা

পদ — অলঙ্কাৰপদ

যোৰ — পাৰযোৰ আদি।

এইদৰে অসমীয়া ভাষাত যথেষ্ট সংখ্যক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ পোৱা যায়। এই প্রত্যয়সমূহৰ প্রয়োগে অসমীয়া ভাষাক স্বকীয় বৈশিষ্ট্যসম্পন্ন কৰি তুলিছে।

অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়সমূহলৈ মন কৰিলে দেখা যায় যে এই প্রত্যয়সমূহৰ কিছুমান একবাচক, কিছুমান দ্বিবাচক, কিছুমান চতুর্বাচক আৰু কিছুমান বহুত্ববাচক। নিদর্শন স্বৰূপে—

একবাচক — জন, জনী, টো, খন, গৰাকী আদি।

দ্বিবাচক — যোৰ, যুৰি, হাল আদি।

চতুর্বাচক — অঁৰা, গণ্ডা আদি।

বহুত্ববাচক — কোছা, পোলা, মুঠি, জোকা আদি।

নির্দিষ্টতাবাচক প্রত্যয়বোৰৰ ৰূপসাপেক্ষে (morphologically conditoned)। এইবোৰ কিছুমান নির্দিষ্ট ৰূপৰ লগতহে লগ লাগে। যেনে— চকুটো কিন্তু কপালখন। অসমীয়া ভাষাত এই নির্দিষ্টতাবাচক প্রত্যয়বোৰ লগ লগাৰ কিবা সুনির্দিষ্ট নিয়ম আছে বুলি ক'ব নোৱাৰি। কেতিয়াবা আকৃতিগত সাদৃশ্য থকা দুটা ভিন্ন বস্তু বুজাবলৈ দুটা ভিন্ন প্রত্যয় ব্যৱহাৰ কৰা হয় আৰু কেতিয়াবা সাদৃশ্য নথকা সত্ত্বেও দুটা ভিন্ন বস্তু বুজাবলৈ এটা মাথোন প্রত্যয় ব্যৱহাৰ কৰা হয়। কেতিয়াবা এটা নির্দিষ্টতাবাচক প্রত্যয়ৰ সলনি আন এটা প্রত্যয় ব্যৱহাৰ কৰিলে বাক্যৰ অর্থৰ পৰিবর্তন ঘটা দেখা যায়। নিদর্শন স্বৰূপে 'ঘৰটো ভাগিল' বুলি ক'লে যি অর্থ বুজায় 'ঘৰখন ভাগিল' বুলি ক'লে এটা বেলেগ অর্থ প্রকাশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নির্দিষ্টতাবাচক প্রত্যয় কাক বোলে উদাহৰণসহ বুজাই লিখক। অসমীয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয় বেছি হোৱাৰ কাৰণ কি বুলি ভাবে চমুকৈ বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত ব্যৱহৃত নির্দিষ্টতাবাচক প্রত্যয়সমূহ উল্লেখ কৰি এইবোৰৰ প্রয়োগ বিশ্লেষণ কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

৭.৪ অনির্দিষ্টতাবাচক প্রত্যয় আৰু ইয়াৰ প্রয়োগ

অনির্দিষ্টতাবাচক প্রত্যয় হ'ল সেইবিলাক প্রত্যয় যিবিলাক প্রত্যয়ে কোনো প্রাণী, বস্তু বা ভাবৰ অনির্দিষ্টতা প্রকাশ কৰে। অর্থাৎ যিবোৰ প্রত্যয়ে কোনো বস্তু বা পদার্থ বা প্রাণীৰ আকৃতি বা পৰিমাণ নির্দিষ্ট কৰি দেখুৱাই দিব নোৱাৰে, কেৱল আকৃতি বা পৰিমাণ সম্বন্ধে নির্দেশহে কৰে সেইবোৰ প্রত্যয়ক অনির্দিষ্টতাবাচক প্রত্যয় বুলি কোৱা হয়। ইংৰাজী ভাষাৰ 'A' আৰু 'An' articleয়ে যেনেদৰে কাম কৰে অসমীয়া ভাষাতো এই অনির্দিষ্টতাবাচক প্রত্যয়বোৰে তেনেদৰে কাম কৰে বুলি ক'ব পাৰি। অসমীয়া ভাষাত অনির্দিষ্ট ভাব প্রকাশ কৰিবলৈ কেইটামান প্রত্যয় প্রয়োগ কৰা হয়। এই প্রত্যয়কেইটা হ'ল— এক, দিয়েক, চেৰেক, মান, কেই/কেইবা, কেত আদি। তলত ইহঁতৰ প্রয়োগ বিশ্লেষণ কৰা হ'ল—

এক ঃ নাম শব্দৰ পাছত 'এক' সংখ্যাবাচক শব্দ প্রত্যয়ৰ নিচিনাকৈ ব্যৱহাৰ কৰি অনির্দিষ্টতাৰ ভাব প্রকাশ কৰা হয়। অনির্দিষ্ট কোনো সময় বা সংখ্যা বুজাবলৈ এই প্রত্যয় যোগ কৰা হয়। যেনে—

(ক) মাহেক-পযেকে এবাৰ দেখা কৰিবাচোন

(খ) সেইবোৰ শতেক বছৰ আগৰ কথা

(গ) সি বছৰকেত এবাৰহে আহে ইত্যাদি।

দিয়েক ঃ নির্দিষ্টতাবাচত প্রত্যয়ৰ পিছত 'দিয়েক' প্রত্যয় লগলগাই নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰিলে সি অনির্দিষ্টভাব বা অনির্দিষ্ট পৰিমামৰ বস্তু বুজাবলৈ শব্দৰ পাছত এই প্রত্যয় যোগ কৰা হয়। যেনে—

(ক) চাউল মুঠিদিয়েক ভিক্ষাৰীজনক দিয়াচোন।

(খ) পৰীক্ষাৰ খবৰ ল'বলৈ জনদিয়েক মানুহ আহিছিল।

(গ) গুটিদিয়েক চিন্তাৰ টো ইত্যাদি।

চেৰেক ঃ নির্দিষ্টতাবাচক প্রত্যয়ৰ পিছত 'চেৰেক' প্রত্যয় সংযোগ কৰি নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰিলে অনির্দিষ্টতাৰ ভাব বা বস্তুক বুজায়। অর্থাৎ অনির্দিষ্টতাবোধক কম পৰিমাণৰ বস্তু বুজাবলৈ 'চেৰেক' প্রত্যয় প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) সভালৈ জনচেৰেক লোক আহিছিল।

(খ) দিনচেৰেক পিছত আহিবা।

(গ) তামোল খন চেৰেক আনাচোন ইত্যাদি।

মান ঃ সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি তাৰ পাছত 'মান' ব্যৱহাৰ কৰিলে সি অনির্দিষ্টতা ভাব প্রকাশ কৰে। নিদর্শন স্বৰূপে—

(ক) দুখনমান ব্যাকৰণ গোটাই ল'বা।

(খ) পেঞ্চিল দুডালমান বেছিকৈ আনিবা।

(গ) আমি পাঁচোটামান বন্ধু একেলগে যাম। আদি কেতিয়াবা বিশেষণৰ পিছতো 'মান' প্রত্যয় যোগ হৈ অনির্দিষ্টতাৰ ভাব বা পৰিমাণ প্রকাশ কৰে। যেনে—

সমদলত ভালেমান মানুহে অংশ গ্রহণ কৰিছিল।

কেই/কেইবা ঃ অসমীয়া ভাষাত ব্যৱহৃত 'কেই' এই প্রত্যয়টোৰ পাছত সদায় নির্দিষ্টতাবাচক প্রত্যয় সংযোগ হয়। 'কেই' প্রত্যয় অকলে কেতিয়াও নামপদৰ আগত বা পাছত ব্যৱহাৰ হ'ব নোৱাৰে। 'কেই' প্রত্যয়ৰ যোগত নামশব্দৰ অনির্দিষ্টতা ভাৱ প্রকাশ পায়। সেইদৰে 'কেই' ৰূপৰ পাছত 'বা' প্রত্যয় লগলগাই বিশেষ্য শব্দৰ আগত ব্যৱহাৰ কৰিলে অনির্দিষ্টতাৰ ভাব প্রকাশ কৰে। নিদর্শন স্বৰূপে—

(ক) মানুহ কেইজন অহাৰ কথা আছিল?

(খ) কিতাপ কেইখন দিলানে?

(গ) গৰম দিনকেইটা নোযোৱাই হ'ল।

(ঘ) তোমাৰ লগত কেইবাটাও কথা পাতিবলগা আছে।

(ঙ) দুর্ঘটনাত কেইবাজনো মানুহ আহত হ'ল। ইত্যাদি।

কেত ঃ 'কেই' প্রত্যয়ৰ দৰে 'কেত' প্রত্যয়ো অকলে ব্যৱহাৰ হ'ব নোৱাৰে। বহুবচনৰ

প্রত্যয় 'বোৰ' আৰু 'বিলাক' প্রত্যয়ৰ লগত ব্যৱহাৰ হৈ বিশেষ্য পদৰ আগত বা পাছত বহি ই অনির্দিষ্টতাৰ ভাব প্রকাশ কৰে। নিদর্শন স্বৰূপে —

(ক) কেতবোৰ চৰাই সৰু, কেতবোৰ ডাঙৰ।

(খ) মানুহ কেতবিলাক গ'লগৈ ইত্যাদি।

অনির্দিষ্ট পৰিমাণৰ ভাব বা বস্তু বুজোৱা এইকেইটা প্রত্যয়ৰ উপৰিও অসমীয়া ভাষাত আন কেতবোৰ উপায় অৱলম্বন কৰি অনির্দিষ্টতাৰ ভাব প্রকাশ কৰা হয়। সেইবোৰ এনে ধৰণৰ—

(i) কেতিয়াবা নির্দিষ্টতাবাচক প্রত্যয়ৰ আগত 'এ' যোগ কৰি অনির্দিষ্ট অর্থ প্রকাশ কৰা হয়। যেনে— মানুহ এজন দেশ এখন, ঘৰ এখন, এখন কিতাপ, এজোপা নাৰিকল ইত্যাদি।

(ii) কেতিয়াবা দুটা ভিন্ন সংখ্যাবাচক শব্দ প্রয়োগ কৰি অনির্দিষ্টতাৰ অর্থ প্রকাশ কৰা হয়। যেনে— দুদিন-তিনিদিন ধৰি, তিনি-চাৰিবাৰ, দুই-একেযাৰ, দহ-বাৰ টা আদি।

(iii) কেতিয়াবা ভিন্ ভিন্ শব্দ প্রয়োগ কৰিও অনির্দিষ্টতাৰ অর্থ বুজোৱা হয়। যেনে— মাজে-সময়ে, কেতিয়াবা-কেতিয়াবা আদি।

(iv) কেতিয়াবা সংখ্যাবাচক শব্দযুক্ত দুটা নামপদৰ মাজত 'কি', 'নে' প্রয়োগ কৰিও অনির্দিষ্টতা অর্থ প্রকাশ কৰা হয়। যেনে— দুদিন কি তিনিদিন, এদিন নে দুদিন আদি।

অসমীয়া ভাষাত এইদৰে বিভিন্ন ধৰণে অনির্দিষ্টতাৰ অর্থ প্রকাশ কৰা হয়। অনির্দিষ্টতাৰ অর্থ প্রকাশ কৰিবৰ বাবে অসমীয়া ভাষাত কেইবাটাও প্রত্যয় আছে। অৱশ্যে এই প্রত্যয়বোৰৰ ভিতৰত 'দিয়েক' আৰু 'চেৰেক' প্রত্যয়ৰ প্রয়োগ সীমিত। বর্তমান এই দুটা প্রত্যয়ৰ প্রয়োগ কমি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অনির্দিষ্টতাবাচক প্রত্যয় কাক বোলে? অসমীয়া ভাষাত প্রয়োগ হোৱা অনির্দিষ্টতাবাচক প্রত্যয়কেইটা উল্লেখ কৰি প্রয়োগ সম্পর্কে চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত)

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় সম্পর্কে এক সম্যক পৰিচয় লাভ কৰিব পাৰিব। নির্দিষ্টতাবাচক প্রত্যয় কি, এই প্রত্যয়বোৰৰ বিভিন্ন নামকৰণ আদিৰ বিষয়ে জানিব পাৰিলো।

- আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাতেই নির্দিষ্টতাবাচক প্রত্যয়ৰ যথেষ্ট ব্যৱহাৰ পোৱা যায়। সমগোত্রীয় বাংলা আৰু ওড়িআ ভাষাত এনে প্রত্যয়ৰ প্রয়োগ অতি কম। গতিকে অসমীয়া ভাষাত এনে নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ কিয় বেছি হ'ল তাৰ কাৰণ সম্পর্কেও এই অধ্যায়টোৰ জৰিয়তে প্রয়োগ আছে। সেই প্রত্যয়বোৰ কি কি, প্রত্যয়বোৰৰ মূল আৰু সেইবোৰৰ প্রয়োগ বিশ্লেষণ সম্পর্কেও অৱগত হ'ল।
- অসমীয়া ভাষাত প্রায় ৭০ টাতকৈও অধিক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। সেই প্রত্যয়বোৰ কি কি, প্রত্যয়বোৰৰ মূল আৰু সেইবোৰৰ প্রয়োগ বিশ্লেষণ সম্পর্কেও অৱগত হ'ল।
- অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়বোৰৰ ভাগ, সেইবোৰ লগ লগাৰ পদ্ধতি, সিহঁতে প্রকাশ কৰা অর্থ ইত্যাদিৰ বিষয়েও জানিব পাৰিলো।
- নির্দিষ্টতাবাচক প্রত্যয়ৰ দৰে অসমীয়া ভাষাত কিছুমান অনির্দিষ্টতাবাচক প্রত্যয়বো প্রয়োগ আছে। এই প্রত্যয়বোৰ কি কি, সেইবোৰ কিদৰে প্রয়োগ হয় সেই কথাও ইয়াত দাঙি ধৰা হৈছে। তদুপৰি প্রত্যয় যোগ নোহোৱাকৈও কেনেকৈ অনির্দিষ্টতাৰ অর্থ প্রকাশ কৰিব পাৰি সেই কথাও জানিব পাৰিলো।
- মুঠতে এই অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক আৰু অনির্দিষ্টতাবাচক এই দুয়োবিধ প্রত্যয়ৰ এক সামগ্রিক ধাৰণা লাভ কৰিলো।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৰৰ, অর্পনা (২০০২); *ভাষাবিজ্ঞান উপক্রমনিকা,* ডিব্রুগড় ঃ বনলতা।

২) গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রৱেশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা,* গুৱাহাটী ঃ মণি-মনিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ব্যাকৰণৰ,* গুৱাহাটী ঃ মণি-মনিক প্রকাশ।

৬) গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণৰ,* গুৱাহাটী ঃ মণি-মনিক প্রকাশ।

৭) দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়,* ডিব্রুগড় ঃ বনলতা।

৮) দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা,* ডিব্রুগড় ঃ বনলতা।

৯) পাঠক, ৰমেশ (১৯৯৮); *ব্যাকৰণ আৰু প্রাকৃতি বিজ্ঞান,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১০) পাঠক, ৰমেশ (২০১১); *ভাষাবিজ্ঞানৰ ভূমিকা,* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১১) ফুকন পাটগিৰি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ,* গোলাঘাট ঃ সৰস্বতী প্রকাশন।


১২) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

১৩) শইকীয়া বৰা, লীলাৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৪) ভট্টচার্য, বসন্ত কুমাৰ (২০১৫); *ভাষাবিজ্ঞান প্রৱেশ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

১৫) Kakati, Banikanta (1995); *Assamese : Its formation and Development*, LBS Publication, Guwahati.



৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ নির্দিষ্টতাবাচক প্রত্যয় মানে কি..... তাৰ উদাহৰণ..... এই নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ বিভিন্ন নাম..... অসমীয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয় বেছি হোৱাৰ কাৰণ ঃ ইত্যাদি আলোচনা কৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কি কি নির্দিষ্টতাবাচক প্রত্যয় আছে..... সেইবোৰ ক'ত কেনেদৰে প্রয়োগ হয়..... প্রত্যয়বোৰৰ মূল ইত্যাদি কথা আলোচনা কৰিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ অনির্দিষ্টতাবাচক প্রত্যয়ৰ সংজ্ঞা..... উদাহৰণ..... অসমীয়া ভাষাত কি কি অনির্দিষ্টতাবাচক প্রত্যয় আছে..... সেইবোৰৰ প্রয়োগ..... ইত্যাদি সম্পর্কে লিখিব লাগিব।



৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ নির্দিষ্টতাবাচক প্রত্যয় কাক বোলে, উপযুক্ত উদাহৰণেৰে বুজাই লিখক। লগতে এই প্রত্যয়সমূহৰ নামকৰণ সম্পর্কে এক চমু টোকা যুগুত কৰক।

প্রশ্ন ২ ঃঅসমীয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয় অধিক হোৱাৰ কাৰণ কি বুলি ভাৱে চমুকৈ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ মূল উল্লেখ কৰি সেই প্রত্যয়বোৰৰ প্রয়োগ বিশ্লেষণ কৰক।

প্রশ্ন ৪ ঃ নির্দিষ্টতাবাচক প্রত্যয়সমূহক কি কি ভাগত ভাগ কৰিব পাৰি সেই সম্পর্কে চমুকৈ উল্লেখ কৰক।

প্রশ্ন ৫ ঃ 'নির্দিষ্টতাবাচক প্রত্যয়বোৰ ৰূপসাপেক্ষে' কথাষাৰ উপযুক্ত উদাহৰণেৰে বিচাৰ কৰক।

প্রশ্ন ৬ ঃ অনির্দিষ্টতাবাচক প্রত্যয় কাক বোলে উদাহৰণ দি বুজাই লিখক। অসমীয়া ভাষাত কি কি উপায়েৰে অনির্দিষ্টতাৰ অর্থ প্রকাশ কৰা হয় সেই সম্পর্কে এক চমু আলোচনা যুগুত কৰক।

প্রশ্ন ৭ ঃ অসমীয়া ভাষাত কি কি অনির্দিষ্টতাবাচক প্রত্যয় আছে সেইবোৰ উল্লেখ কৰি এই প্রত্যয়সমূহৰ প্রয়োগ বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ৮ ঃ কাৰক আৰু শব্দবিভক্তি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ কাৰকৰ সাধাৰণ পৰিচয়
৮.৩.১ কাৰকৰ ভাগ বা প্ৰকাৰভেদ
৮.৩.২ কাৰক নিৰ্ণয়ৰ উপায়
৮.৪ শব্দবিভক্তি আৰু শব্দবিভক্তিৰ প্ৰকাৰ
৮.৪.১ কাৰকবাচক বিভক্তি আৰু ইয়াৰ প্ৰয়োগ
৮.৪.২ পুৰুষবাচক বিভক্তি আৰু ইয়াৰ প্ৰয়োগ
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ কাৰক সম্পৰ্কে জানিব পাৰিব
- কাৰকৰ বিভিন্ন ভাগ বা প্ৰকাৰ আৰু এই বিভিন্ন কাৰকবোৰৰ এক সাধাৰণ পৰিচয় লাভ কৰিব
- অসমীয়া ভাষাত যে বিভিন্ন পদ্ধতিৰে কাৰক নিৰ্ণয় কৰিব পাৰি সেই বিষয়ে জানিব পাৰিব
- কাৰক নিৰ্ণয়ৰ সেই বিভিন্ন প্ৰক্ৰিয়া সম্পৰ্কেও এই অধ্যায়টোৰ জৰিয়তে অৱগত হ'ব পাৰিব
- শব্দবিভক্তি কি, শব্দবিভক্তিৰ প্ৰকাৰ, কাৰকবাচক শব্দবিভক্তি আৰু পুৰুষবাচক শব্দবিভক্তি সম্পৰ্কেও এক পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব
- পুৰুষবিভক্তি কি, অসমীয়া ভাষাত কি কি পুৰুষবিভক্তি, পুৰুষবিভক্তিবোৰ সম্বন্ধবাচক শব্দৰ লগত কেনেদৰে সংযোগ হয় সেই বিষয়েও অৱগত হ'ব পাৰিব
- এইদৰে অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ এক সামগ্ৰিক ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয়

'প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তৰ্গত এইটো হ'ল অষ্টম অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম হৈছে 'কাৰক আৰু শব্দবিভক্তি'। অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ বিষয়ে এক বিশ্লেষণ আগবঢ়োৱা হৈছে। অৰ্থাৎ এই অধ্যায়টোত কাৰকৰ পৰিচয়, কাৰকৰ প্ৰকাৰ, কাৰক নিৰ্ণয়ৰ উপায়, শব্দবিভক্তি কি, শব্দবিভক্তিৰ প্ৰকাৰ, কাৰক বিভক্তি আৰু পুৰুষবিভক্তিৰ প্ৰয়োগ, সম্বন্ধবাচক শব্দত পুৰুষবিভক্তিৰ প্ৰয়োগ আদি বিভিন্ন দিশ বিশদভাৱে আলোচনা কৰা হৈছে। এই অধ্যায়টোত সন্নিবিষ্ট হোৱা বিষয়সমূহে ভাষা শাখাৰ শিক্ষাৰ্থীসকলক অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কে এক সামগ্ৰিক ধাৰণা আগবঢ়াব পাৰিব বুলি ক'ব পাৰি।

৮.৩ কাৰকৰ সাধাৰণ পৰিচয়

বাক্যত ব্যৱহৃত অন্যান্য পদবোৰৰ ক্ৰিয়াপদৰ লগত যি সম্বন্ধ সেই সম্বন্ধক কাৰক বুলি কোৱা হয়। বাক্যত বিভিন্ন পদৰ অৱস্থান ঘটে আৰু সেই বিভিন্ন পদবোৰৰ ক্ৰিয়াপদৰ লগত এক ওতঃপ্ৰোত সম্বন্ধ আছে। গতিকে ক্ৰিয়াপদৰ লগত বাক্যত ব্যৱহৃত আন পদৰ যি সম্বন্ধ বা অন্বয় তাকে কাৰক বোলা হয়। অৰ্থাৎ বাক্যৰ ক্ৰিয়াৰ লগত অন্যান্য নামপদৰ সম্বন্ধই হৈছে কাৰক। পাণিনিয়ে কৈছে— ক্ৰিয়ান্বয়ী কাৰকম্। কাৰকে ক্ৰিয়া সম্পাদনত সহায় কৰে। বাক্যত ক্ৰিয়াপদৰ লগত অন্যান্য পদে কেনেদৰে সম্বন্ধ স্থাপন কৰে সেই কথা তলৰ বাক্যকেইটাৰ পৰা বুজিব পাৰি। যেনে—

ৰামে ভাত খাইছে — কোনে খাইছে → ৰামে
শিক্ষকে ছাত্ৰক পঢ়াইছে — কাক পঢ়াইছে → ছাত্ৰক
কলমেৰে চিঠি লিখিছে — কিহেৰে লিখিছে → কলমেৰে
পূজালৈ ফুল আনিবা — ক'লৈ আনিবা → পূজালৈ
গছৰ পৰা আম পৰিছে — ক'ৰ পৰা → গছৰ পৰা
বাঘ হাবিত থাকে — ক'ত থাকে → হাবিত

ওপৰৰ বাক্যকেইটালৈ মন কৰিলে দেখা যায় যে বাক্যকেইটাত ক্ৰিয়াপদে অন্যান্য পদবোৰৰ লগত বিভিন্ন ধৰণে সম্বন্ধ স্থাপন কৰিছে আৰু এই পদবোৰে ক্ৰিয়াটো সম্পাদন হোৱাত সহায় কৰিছে। গতিকে ক্ৰিয়াপদৰ লগত অন্যান্য পদৰ সম্পৰ্কই হৈছে কাৰক। অৰ্থাৎ বিভক্তিযুক্ত পদবোৰে ক্ৰিয়াপদৰ লদত সম্বন্ধ স্থাপন কৰি যি গাঁথনিক অৰ্থ প্ৰকাশ কৰে তাকে কাৰক বুলি কোৱা হয়।

আন এটা মনকৰিবলগীয়া কথা হ'ল বাক্যত ব্যৱহৃত পদবোৰে অকল ক্ৰিয়াপদৰ লগতে যে সম্বন্ধ স্থাপন কৰে এনে নহয়। কেতিয়াবা বাক্যত ব্যৱহৃত এটা পদে ক্ৰিয়াপদৰ লগত সম্বন্ধ স্থাপন নকৰি বাক্যৰ আন পদৰ লগত সম্বন্ধ স্থাপন কৰে। অৰ্থাৎ ক্ৰিয়াপদ নোহোৱাকৈও বাক্য গঠন কৰিব পাৰি। তেনে ক্ৰিয়াপদবিহীন বাক্যত এটা পদে আন পদৰ লগত সম্বন্ধ স্থাপন কৰে। নিদৰ্শন স্বৰূপে — ৰমেশ গিৰিশৰ ভায়েক।

এইটো ৰীমাৰ ঘৰ।

দিল্লী ভাৰতৰ ৰাজধানী। ইত্যাদি।

এই বাক্যকেইটাত ক্রিয়াপদৰ প্রয়োগ পোৱা নাযায়। বাক্যকেইটাত সেয়েয়ে এটা পদে ক্রিয়াপদৰ লগত সম্বন্ধ স্থাপন কৰিব পৰা নাই। বাক্যৰ অন্যান্য পদৰ লগতহে সম্বন্ধ স্থাপন কৰিছে। গতিকে ইয়াক সম্বন্ধ পদ বুলি কোৱা হয়। অর্থাৎ দুটা নামপদৰ মাজত থকা সম্বন্ধই হ'ল সম্বন্ধ পদ। গতিকে কাৰক আৰু সম্বন্ধপদ একে নহয়। চমুকৈ ক'বলৈ গ'লে বাক্যত ব্যৱহৃত নামপদৰ লগত ক্রিয়াপদৰ যি সম্বন্ধ সিয়েই হ'ল কাৰক আৰু এটা নামপদৰ লগত আন এটা নামপদৰ যি সম্বন্ধ সিয়েই হ'ল সম্বন্ধ পদ।

৮.৩.১ কাৰকৰ ভাগ বা প্রকাৰভেদ

অসমীয়া ভাষাত ক্রিয়াপদে বাক্যত ব্যৱহৃত আন পদৰ লগত ছয় ধৰণে সম্পর্ক স্থাপন কৰে। তাৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাত ছটা কাৰক পোৱা যায়। সেই কাৰক কেইটা হ'ল— (i) কর্তা কাৰক (ii) কর্ম কাৰক (iii) কৰণ কাৰক (iv) নিমিত্ত কাৰক (v) অপাদান কাৰক আৰু (vi) অধিকৰণ কাৰক। এই ছবিধকাৰকৰ উপৰিও অসমীয়া ভাষাত সম্বন্ধ পদ বুলি আন এবিধ পদ পোৱা যায়।

অসমীয়া ভাষাত কাৰকৰ অর্থ প্রকাশ কৰিবলৈ কিছুমান বিভক্তি সংযোগ কৰা হয় সেই বিভক্তিবোৰ হ'ল শব্দবিভক্তি বা কাৰকবিভক্তি। অর্থাৎ যাৰ দ্বাৰা কাৰক আৰু সম্বন্ধপদ চিনি উলিয়াব পাৰি বা যাৰ জৰিয়তে কাৰক আৰু সম্বন্ধপদৰ বোধ জন্মে সেইবোৰক কাৰক বিভক্তি বা শব্দবিভক্তি বোলা হয়। অসমীয়া ভাষাত ছবিধ শব্দবিভক্তি পোৱা যায়। সেইকেইবিধ হ'ল— (i) প্রথমা বিভক্তি (ii) দ্বিতীয় বিভক্তি (iii) তৃতীয় বিভক্তি (iv) চতুর্থী বিভক্তি (v) ষষ্ঠী বিভক্তি আৰু (vi) সপ্তমী বিভক্তি। এই কাৰকবিভক্তি বা শব্দবিভক্তিবোৰ সংযোগ হ'লেহে নামপদ বা বিশেষ্য পদবোৰ বাক্যত বাৱহাৰৰ উপযোগী হয়। (পৰৱর্তী সময়ত বিভক্তি সম্পর্কে আকৌ আলোচনা কৰা হ'ব)

তলত অসমীয়া ভাষাৰ কাৰক আৰু কাৰক অনুযায়ী লগ লগা বিভক্তিৰ এক চমু পৰিচয় দাঙি ধৰা হ'ল—

কর্তা কাৰক ঃ যিয়ে ক্রিয়া সম্পন্ন কৰে বা যাৰ যত্নত ক্রিয়া সম্পাদিত হয় তাকে কর্তা কাৰক বোলা হয়। অর্থাৎ যিয়ে কৰে সিয়েই কর্তা। কর্তা কাৰকত প্রথমা বিভক্তি যোগ হয়। এই বিভক্তিৰ চিন হ'ল 'এ/ই'। নিদর্শন স্বৰূপে—

(ক) মহেশে ভাত খাইছে।

ৰীমাই চিঠি লিখিছে আদি।

কর্তা কাৰকত কেতিয়াবা ০ (শূন্য) বিভক্তি যোগ হয়। যেনে — (ক) চৰাই উৰে (খ) দেউতা গ'ল আদি।

এই বাক্য দুটাত দেখাত একো বিভক্তি যোগ হোৱা নাই। কিন্তু ক্রিয়া সম্পাদনত এই পদকেইটাই মুখ্য ভূমিকা গ্রহণ কৰিছে। গতিকে দেখাত বিভক্তি নাই বাবে ইয়াত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়। সাধাৰণতে অকৰ্মক ক্রিয়াত শূন্য বিভক্তি যোগা হয়।

কৰ্ম কাৰক ঃ যাৰ ওপৰত ক্রিয়া সম্পাদিত হয় বা কৰ্তাই যাক আধাৰ কৰি ক্রিয়া সম্পাদিত কৰে তাক কৰ্ম কাৰক বোলা হয়। কৰ্ম কাৰকত দ্বিতীয় বিভক্তি লগ লাগে যাৰ চিন হ'ল 'ক'। নিদর্শন স্বৰূপে—

(ক) পুলিচে চোৰটোক ধৰিলে।

(খ) শিক্ষকে ছাত্রক পঢ়াইছে।

(গ) ভাইটিয়ে ভিক্ষাৰীটোক পইচা দিছে আদি।

কৰ্ম কাৰকত কেতিয়াবা বিভক্তিটো উহ্য হৈ থকা দেখা যায়।

যেনে — (ক) মায়ে ভাত খাইছে।

(খ) বাঘে হৰিণ খাইছে আদি।

কৰণ কাৰক ঃ কৰ্তাই যাৰ দ্বাৰা ক্রিয়া সম্পাদন কৰে তাক কৰণ কাৰক বুলি কোৱা হয়। কৰণ কাৰকত তৃতীয়া বিভক্তি সংযোগ হয়। তৃতীয় বিভক্তিৰ চিন হ'ল 'ৰে/এৰে'। নিদর্শন স্বৰূপে—

(ক) মাজনীয়ে কটাৰীৰে তামোল কাটিছে।

(খ) দেউতাই চাবোনেৰে গা ধুইছে।

(গ) সি কুঠাৰেৰে গছ কাটিছে আদি।

কেতিয়াবা কৰণ কাৰকৰ অর্থ প্রকাশ কৰিবলৈ 'দি' আৰু 'দ্বাৰা' পৰসর্গ সংযোগ কৰা হয়। যেনে—

(ক) ৰমেশৰ দ্বাৰা চিঠিখন ডাকত দিয়ালোঁ।

(খ) গৰম বস্তু হাতেদি নুচুবা।

(গ) ৰামে যদুৰ সৈতে ফুৰিবলৈ গৈছে আদি।

এই বাক্যকেইটাত দি, দ্বাৰা, সৈতে আদি অনুপদৰ সংযোগত কৰণ কাৰকৰ অর্থ প্রকাশিত হৈছে।

নিমিত্ত কাৰক ঃ অসমীয়া ভাষাত প্রতি, নিমিত্ত, উদ্দেশ্য, দিশ, লক্ষ্য, আদি অর্থত ক্রিয়াৰ লগত কিছুমান শব্দৰ সম্বন্ধ ঘটে। তাক নিমিত্ত কাৰক বুলি কোৱা হয়। নিমিত্ত কাৰকত চতুর্থী বিভক্তি যোগ হয়। চতুর্থী বিভক্তিৰ চিন হ'ল 'লৈ'। নিদর্শন স্বৰূপে—

(ক) সি বাছেৰে তেজপুৰলৈ গ'ল।

(খ) পৰীক্ষালৈ আৰু বেছি দিন নাই।

(গ) গৰুলৈ ঘাঁহ আনিবা।

(ঘ) ডাঙৰলৈ শ্রদ্ধা-ভক্তি ৰাখিবা আদি।

অপাদান কাৰক ঃ যাৰ বা যিহৰ পৰা কোনো বস্তু পৃথক হোৱা বা বিশ্লেষ হোৱা বুজায় তাক অপাদান কাৰক বোলা হয়। অর্থাৎ যাৰ পৰা আৰম্ভ হোৱা, ভয় খোৱা, উৎপন্ন হোৱা, ৰক্ষা পৰা, আঁতৰ হোৱা আদি অর্থ বুজায় তাক অপাদান কাৰক বোলা হয়। অপাদান কাৰকত পঞ্চমী বিভক্তি যোগ হয়। কিন্তু মনকৰিবলগীয়া কথা হ'ল অসমীয়া ভাষাত অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ পঞ্চমী নাই। অসমীয়াত ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত 'পৰা' পৰসর্গ সংযোগ কৰি অপাদান কাৰকৰ অর্থ প্রকাশ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) গছৰ পৰা তামোল সৰিছে।

(খ) আমি দোকানৰ পৰা বস্তু কিনো।

(গ) দুর্ঘটনাটোৰ পৰা কথমপিহে ৰক্ষা পৰিলোঁ।

(ঘ) তিলৰ পৰা তেল হয় আদি।

অধিকাৰ কাৰক ঃ যাক আধাৰ কৰি ক্রিয়া সম্পাদিত হয় তাক অধিকাৰ কাৰক বোলা হয়। অর্থাৎ স্থান, কাল, পাত্র যাক আশ্রয় কৰি বা আধাৰ হিচাপে লৈ ক্রিয়াটো সমাধা হয় তাক অধিকৰণ কাৰক বুলি কোৱা হয়। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। সপ্তমী বিভক্তিৰ চিন হ'ল 'ত'। নিদর্শন স্বৰূপে—

(ক) বাঘ হাবিত থাকে।

(খ) সাপত বিশ্বাস নাই।

(গ) তেওঁ সংগীতত বিশাৰদ আদি।

অধিকৰণ কাৰকত কেতিয়াবা 'এ' বিভক্তি যোগ হয়। যেনে—

(ক) উত্তৰে গাজিছে (অর্থাৎ উত্তৰ দিশত গাজিছে)

(খ) ভাৰতৰ উত্তৰে হিমালয় পর্বত অৱস্থিত (অর্থাৎ উত্তৰ দিশত) কেতিয়াবা বিভক্তি যোগ নোহোৱাকৈও অধিকৰণ কাৰকৰ অর্থ প্রকাশিত হয়। যেনে—

(ক) যি কোনোদিন সভালৈ নাহে।

(খ) ৰাতিপুৱা সূর্য উদয় হয়। এই বাক্য দুটাৰ 'কোনোদিন' আৰু 'ৰাতিপুৱা' পদ দুটাত কোনো বিভক্তি সংযোগ হোৱা নাই। অর্থাৎ শূন্য বিভক্তি লগ লাগিছে। 'বিনা' আৰু 'বিনে' শব্দৰ যোগতো অধিকৰণ কাৰকৰ অর্থ প্রকাশ পায়। যেনে—

(ক) বিনা দোষত শাস্তি দিয়া উচিত নহয়।

(খ) হৰি বিনে গতি নাই আদি।

সম্বন্ধ পদ ঃ অসমীয়া ভাষাত ওপৰত উল্লেখ কৰা এই ছবিধ কাৰকৰ উপৰিও সম্বন্ধপদ নামৰ আৰু এবিধ পদ পোৱা যায়। যাৰ বা যিহৰ লগত সম্বন্ধ

পৰিলক্ষিত হয় সিয়েই সম্বন্ধ পদ। সম্বন্ধপদত ষষ্ঠী বিভক্তি যোগ হয়। এই ষষ্ঠী বিভক্তিৰ চিন হ'ল 'ৰ'। যেনে—

(ক) বীণা ৰীণাৰ ভাল বান্ধবী।

(খ) এইটো ৰমেনৰ ঘৰ।

(গ) এইখন ৰবীনৰ দোকান।

৮.৩.২ কাৰক নির্ণয়ৰ উপায়

অসমীয়া ভাষাত কাৰক নির্ণয়ৰ বিভিন্ন উপায় আছে। প্রধানকৈ দুটা উপায় অৱলম্বন কৰি কাৰক আৰু সম্বন্ধপদৰ বোধ জন্মোৱা হয়। সেই দুটা উপায় হ'ল—

(ক) কাৰক অনুযায়ী বিভিন্ন শব্দবিভক্তি যোগ কৰি আৰু

(খ) সম্বন্ধ পদৰ ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত ভিন্ ভিন্ অনুপদ বা পৰসর্গ সংযোগ কৰি।

অসমীয়া ভাষাত ছটা কাৰক আৰু সম্বন্ধপদৰ অর্থ প্রকাশ কৰিবৰ বাবে কিছুমান কাৰকবিভক্তি বা শব্দবিভক্তিৰ প্রয়োগ আছে। অর্থাৎ যাৰ দ্বাৰা কাৰক আৰু সম্বন্ধপদ চিনি উলিয়াব পাৰি সেইবোৰেই হ'ল কাৰকবিভক্তি। অসমীয়া ভাষাত প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, ষষ্ঠী আৰু সপ্তমী— এই ছবিধ শব্দবিভক্তি বা কাৰকবিভক্তি পোৱা যায়। এই প্রত্যেকবিধ বিভক্তিৰে চিনবোৰ বেলেগ বেলেগ। তদুপৰি কেতিয়াবা একেটা বিভক্তিৰ দ্বাৰা সুকীয়া প্রয়োগৰ ফলত সুকীয়া কাৰক পাব পাৰি। যেনে 'এ' বিভক্তিৰ জৰিয়তে প্রয়োগ অনুসৰি কেতিয়াবা কর্তা কাৰকৰ অর্থ প্রকাশ পায় আৰু কেতিয়াবা অধিকৰণ কাৰকৰো অর্থ প্রকাশ পায়। সেইদৰে একেটা কাৰকতে কেতিয়াবা একাধিক কাৰকৰ বিভক্তি প্রয়োগ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে— অধিকৰণ কাৰকত 'ত', 'এ', আৰু 'শূন্য (০)' এই তিনিটা বিভক্তি সংযোগ হয়। এই তিনিটা বিভক্তিৰ সুকীয়া সংযোগ ঘটে যদিও আটাইকেইটাই অধিকৰণ কাৰকৰ অর্থহে প্রকাশ কৰে।

অসমীয়া ভাষাৰ কাৰক নির্ণয়ৰ আন এটা উপায় হ'ল অনুপদৰ ব্যৱহাৰ। অসমীয়া ভাষাত কেতিয়াবা কাৰক বুজাবৰ বাবে সুকীয়া বিভক্তি পোৱা নাযায়। তেনে ক্ষেত্রত ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত অনুপদ সংযোগ কৰি কাৰকৰ অর্থ প্রকাশ কৰা হয়। নিদর্শন স্বৰূপে— অসমীয়া ভাষাত অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত 'পৰা' পৰসর্গ সংযোগ কৰা হয়।

তলত বিভিন্ন কাৰক আৰু সম্বন্ধপদ অনুযায়ী লগ লগা শব্দবিভক্তি আৰু অনুসর্গৰ এখন তালিকা (বিভক্তিৰ চিনসহ) দিয়া হ'ল—


কাৰক	শব্দবিভক্তি	বিভক্তিৰ চিন বা অনুসর্গ
কর্তা কাৰক	প্রথমা	এ, ই, ০ (শূন্য)
কর্ম কাৰক	দ্বিতীয়	ক, ০ (শূন্য)
কৰণ কাৰক	তৃতীয়	ৰে এৰে, দি, দ্বাৰা, সৈতে, হতুৱাই (পৰসর্গ)
নিমিত্তকাৰক	চতুর্থী	লৈ
অপাদান কাৰক	পঞ্চমী	নিজা বিভক্তি নাই, ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত 'পৰা' পৰসর্গ যোগ দিয়া হয়।
অধিকৰণ কাৰক	সপ্তমী	ত, এ, ০ (শূন্য)
সম্বন্ধ পদ	ষষ্ঠী	ৰ

গতিকে দেখা গ'ল যে অসমীয়া ভাষাত কর্তা, কর্ম, কৰণ, নিমিত্ত আৰু অধিকৰণ কাৰকৰ অর্থ প্রকাশ কৰিবলৈ নিজা বিভক্তি আছে। কিন্তু অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ নিজা বিভক্তি নাই। ষষ্ঠী 'ৰ' বিভক্তিৰ পিছত 'পৰা' পৰসর্গ সংযোগ কৰিহে অপাদান কাৰকৰ অর্থ প্রকাশ কৰিব পাৰি। সেইদৰে অসমীয়া ভাষাত কৰণ কাৰকৰ অর্থ প্রকাশৰ বাবে নিজা বিভক্তি আছে যদিও দি, দ্বাৰা, সৈতে, হতুৱাই আদি পৰসর্গ সংযোগৰ জৰিয়তে কৰণ কাৰকৰ অর্থ প্রকাশ কৰিব পাৰি।



জানি থোৱা ভাল

অসমীয়া ভাষাত কেতিয়াবা কাৰক বিভক্তি নোহোৱাকৈও কাৰকৰ অর্থ প্রকাশ কৰিব পাৰি। আকৌ কেতিয়াবা বিভক্তি প্রয়োগ হ'লেও কাৰকৰ অর্থ প্রকাশ নহ'বও পাৰে। অর্থাৎ অসমীয়া ভাষাত অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ বিভক্তি নাই। সেয়ে সম্বন্ধ পদৰ ষষ্ঠী 'ৰ' বিভক্তিৰ লগত''পৰা' অনুপদ সংযোগ কৰা হয়। সেইদৰে 'ৰামৰ ঘৰ' বুলি ক'লে 'ৰাম' শব্দৰ লগত বিভক্তি যোগ হৈছে। কিন্তু সেই বিভক্তিয়ে কাৰকৰ অর্থ প্রকাশ কৰিব পৰা নাই। গতিকে অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু পঞ্চমী বিভক্তি নাই। আনহাতে সম্বন্ধপদত ষষ্ঠী বিভক্তি লগ লাগে কিন্তু সি কাৰক নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কাৰক কাক বোলে? উদাহৰণসহ বুজাই লিখক। কাৰক কেই প্রকাৰৰ আৰু কি কি? (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত কি কি কাৰক পোৱা যায় প্রত্যেকৰে এক চমু পৰিচয় দাঙি ধৰক। (২০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাত কি কি প্ৰক্ৰিয়াৰে কাৰক নিৰ্ণয় কৰিব পাৰি চমুকৈ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ শব্দবিভক্তি কাক বোলে? অসমীয়া ভাষাত শব্দবিভক্তি কেইবিধ আৰু কি কি? অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৮.৪ শব্দবিভক্তি আৰু শব্দবিভক্তিৰ প্ৰকাৰ

যিবোৰ ৰূপে বাক্যত ব্যৱহাৰৰ উপযোগী পদৰ সৃষ্টি কৰে যিবোৰ নহ'লে বাক্যত পদবোৰ ব্যৱহাৰ হ'ব নোৱাৰে তেনেবোৰ ৰূপক বিভক্তি বুলি কোৱা হয়। অসমীয়া ভাষাত দুবিধ বিভক্তি পোৱা যায়। এবিধ ধাতু বা ক্ৰিয়াৰ বিভক্তি আৰু আনবিধ হ'ল নামবিভক্তি বা শব্দবিভক্তি।

নাম পদৰ পিছত যোগ হৈ যিবোৰ বিভক্তিয়ে নামপদক বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে বিভক্তিক নামবিভক্তি বা শব্দবিভক্তি বোলা হয়। নামবিভক্তি বা শব্দবিভক্তি দুই প্ৰকাৰৰ। সেই দুবিধ হ'ল—

(ক) কাৰকবাচক শব্দ বিভক্তি আৰু

(খ) পুৰুষবাচক শব্দবিভক্তি

কাৰকবাচক শব্দবিভক্তি ঃ যিবোৰ বিভক্তি নামশব্দৰ পাছত যোগ হৈ কাৰকৰ বোধ জন্মায় নাইবা যিবোৰ বিভক্তিয়ে কাৰক আৰু সম্বন্ধপদ চিনাক্ত কৰি উলিওৱাত সহায় কৰে সেইবোৰ বিভক্তিক কাৰকবাচক বিভক্তি বোলা হয়। এই কাৰকবাচক শব্দবিভক্তিবোৰ সংযোগ নোহোৱাকৈ বাক্যত অকলে নামপদবোৰ ব্যৱহাৰ হ'ব নোৱাৰে। কাৰক অনুযায়ী অসমীয়া ভাষাত ছবিধ কাৰকবাচক শব্দবিভক্তি পোৱা যায়।

৮.৪.১ কাৰকবাচক বিভক্তি আৰু ইয়াৰ প্ৰয়োগ

অসমীয়া ভাষাত কাৰক অনুসৰি ভিন-ভিন কাৰকত ভিন-ভিন বিভক্তি সংযোগ হয়। এই কাৰকবিভক্তি সম্পৰ্কে এই অধ্যায়ৰ '৮.৩.২' কাৰক নিৰ্ণয়ৰ উপায়'ত আলোচনা কৰা হৈছে।

৮.৪.২ পুৰুষবাচক বিভক্তি আৰু ইয়াৰ প্ৰয়োগ

অসমীয়া ভাষাত আৰু এবিধ নামবিভক্তি বা শব্দবিভক্তি পোৱা যায় যিবিধ

বিভক্তি পুৰুষবাচক বিভক্তি বোলা হয়। এই পুৰুষবাচক বিভক্তিবোৰ সংযোগ নোহোৱাকৈ বাক্যত সম্বন্ধবাচক বিশেষ্য পদবোৰ বহিব নোৱাৰে। অর্থাৎ পুৰুষবাচক বিভক্তি হ'ল অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দত পুৰুষ অনুসৰি লগ-লগা এবিধ বিভক্তি যিয়ে সম্বন্ধবাচক শব্দবোৰক বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে। সম্বন্ধবাচক শব্দৰ লগত সংযোগ হোৱা এই বিভক্তিবোৰে পুৰুষ নির্দেশ কৰে বাবে ইহঁতক পুৰুষবাচক বিভক্তি বোলা হয়।

অসমীয়া ভাষাত প্রধান পুৰুষ তিনিটা— উত্তম পুৰুষ, মধ্যম পুৰুষ আৰু নাম পুৰুষ। অৱশ্যে মধ্যম পৰুষৰ দুটা ৰূপ পোৱা যায়। এটা হ'ল মধ্যম মান্য পুৰুষ আৰু আনটো হ'ল মধ্যম তুচ্চ পুৰুষ। গতিকে এই দুটা ৰূপ ধৰি অসমীয়া ভাষাত চাৰিটা পুৰুষ পোৱা যায়। এই চাৰিটা পুৰুষ হ'ল—

(i) উত্তম পুৰুষ

(ii) মধ্যম মান্য পুৰুষ

(iii) মধ্যম তুচ্চ পুৰুষ আৰু

(iv) নাম পুৰুষ।

অসমীয়া ভাষাত ব্যৱহৃত সম্বন্ধবাচক বিশেষ্য শব্দবোৰত এই চাৰিটা পুৰুষ অনুসৰি ভিন্ ভিন্ বিভক্তি সংযোগ হয়। উদাহৰণ স্বৰূপে — 'মোৰ দেউতা সভালৈ আহিছে'— এই বাক্যটোৰ পুৰুষ সলনি কৰি মধ্যম পুৰুষৰ মান্য ৰূপ কৰিলে বাক্যটো হ'ব— 'তোমাৰ দেউতাৱা সভালৈ আহিছেনে'। আকৌ মধ্যম তুচ্চ পুৰুষত হ'ব 'তোৰ দেউতাৰ সভালৈ আহিছেনে'। আকৌ মধ্যম তুচ্চ পুৰুষত হ'ব তোৰ দেউতাৰ সভালৈ আহিছেনে'। সেইদৰে নাম পুৰুষত বাক্যটো হ'ব 'তোৰ দেউতাৰ সভালৈ আহিছেনে'। এই বাক্যকেইটালৈ মন কৰিলে দেখা যায় যে 'দেউতা' এই সম্বন্ধবাচক শব্দটো অকলে ব্যৱহাৰ হোৱা নাই। শব্দটোৰ লগত পুৰুষ অনুসৰি বিভক্তি লগ লাগিছে। এই বিভক্তি কেইটা হ'ল—

উত্তম পুৰুষ— ϕ (শূন্য বিভক্তি)

মধ্যম মান্য পুৰুষ — ৱা

মধ্যম তুচ্চ পুৰুষ — ৰ

নাম পুৰুষ — ক।

এই পুৰুষ বিভক্তিকেইটাৰ সংযোগ সম্বন্ধবাচক শব্দৰ ক্ষেত্রত অপৰিহার্য। সম্বন্ধবাচক শব্দৰ উত্তম পুৰুষত দেখাত একো বিভক্তি লগ নালাগে। কিন্তু যিহেতু পুৰুষৰ বিভক্তি সংযোগ নোহোৱাকৈ বাক্যত সম্বন্ধবাচক শব্দবোৰ প্রয়োগ হ'ব নোৱাৰে সেয়ে উত্তম পুৰুষত ০ (শূন্য বিভক্তি) লগ লাগে বুলি কোৱা হয়। অর্থাৎ উত্তম পুৰুষ বিভক্তিৰ চিন হ'ল— ০; মধ্যম মান্য পুৰুষক বিভক্তিৰ চিন হ'ল— ৱা বা - এৱা; মধ্যম তুচ্চ পুৰুষৰ বিভক্তিৰ চিন হ'ল— ৰ বা - এৰ আৰু নাম পুৰুষৰ

বিভক্তিৰ চিন হ'ল— ক বা এক। তলত উদাহৰসহ এই বিভক্তিসমূহৰ এখন তালিকা

দেখুওৱা হ'ল—			
পুৰুষ	আ স্বৰান্ত	**বিভক্তিৰ চিন** আ-ভিন্ন অন্যস্বৰ	**উদাহৰণ**
	শব্দ	আৰু ব্যঞ্জনান্ত শব্দ	
উত্তম পুৰুষ	-ও	-ও	মোৰ/ভাই
মধ্যম মান্য পুৰুষ	-ৰা	-এৰা	তোমাৰ মাৰ/ভায়েৰা
মধ্যম তুচ্ছ পুৰুষ	-ৰ	-এৰ	তোৰ মাৰ/ভায়েৰ
নাম পুৰুষ	-ক	-এক	তাৰ মাক/ভায়েক


গতিকে দেখা গ'ল যে অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দত এইদৰে পুৰুষবাচক বিভক্তি সংযোগ কৰাটো বাধ্যতামূলক। পুৰুষবাচক বিভক্তি সংযোগ হোৱাৰ পাছতহে সম্বন্ধবাচক শব্দবোৰত কাৰকৰ বিভক্তি সংযোগ হয়। অৰ্থাৎ সম্বন্ধবাচক শব্দত পুৰুষবাচক বিভক্তি আৰু কাৰকবাচক বিভক্তি এই দুবিধ বিভক্তি সংযোগ হয়।

জানি থোৱা ভাল



সম্বন্ধবাচক শব্দৰ লগত পুৰুষ অনুসৰি বিভিন্ন বিভক্তি সংযোগ হৈ বাক্যত ব্যৱহাৰৰ উপযোগী হোৱাটো অসমীয়া ভাষাৰ এটা অন্যতম স্বকীয় বৈশিষ্ট্য। আন কোনো আধুনিক ভাৰতীয় আৰ্যভাষাত সম্বন্ধবাচক শব্দত পুৰুষবাচক বিভক্তি সংযোগ হোৱাৰ নিয়ম পোৱা নাযায়। কিন্তু অসমত প্ৰচলিত আৰ্যভিন্ন ভাষাবোৰত বিশেষকৈ তিব্বতবৰ্মীয় ভাষাবোৰত এই বৈশিষ্ট্যটো দেখিবলৈ পোৱা যায়। গতিকে অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ লগত পুৰুষ অনুসৰি বিভক্তি সংযোগ হোৱাৰ নিয়মটোত জনজাতীয় ভাষাৰ প্ৰভাৱ পৰিছে বুলি পণ্ডিতসকলে অনুমান কৰিছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৫ ঃ নামবিভক্তি বা শব্দবিভক্তিয়ে কি বুজায়? অসমীয়া ভাষাত নামবিভক্তি কেই প্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে সংজ্ঞা লিখি উদাহৰণ দিয়ক। (১০০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৬ ঃ পুৰুষবাচক বিভক্তি মানে কি? এই বিভক্তিসমূহৰ প্ৰয়োগ সম্বন্ধে এক চমু আলোচনা যুগুত কৰক।

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কীয় কথাখিনি বিশদভাৱে আলোচনা কৰা হৈছে। সেয়ে অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিলে।
- কাৰক কি, সম্বন্ধপদ কি, কাৰক সেই প্ৰকাৰৰ আৰু সেই বিভিন্ন প্ৰকাৰৰ কাৰকবোৰৰ এক সাধাৰণ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ল।
- অসমীয়া ভাষাত দুটা উপায়েৰে কাৰক নিৰ্ণয় কৰিব পাৰি। এটা হ'ল কাৰক বিভক্তি সংযোগ কৰি আৰু আনটো হ'ল ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত অনুসৰ্গ সংযোগ কৰি। এই কাৰক নিৰ্ণয়ৰ উপায় দুটাৰ বিষয়েও অৱগত হ'ব পাৰিব।
- অধ্যায়টোৰ জৰিয়তে শব্দবিভক্তি সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিলে। শব্দবিভক্তি মানে কি, অসমীয়া ভাষাত শব্দবিভক্তি প্ৰকাৰ আৰু কাৰক নিৰ্ণয়ত শব্দবিভক্তিৰ গুৰুত্ব সম্পৰ্কেও এক ধাৰণা লাভ কৰিলে।
- অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য বহন কৰা পুৰুষবাচক বিভক্তিৰ বিষয়েও অধ্যায়টোত এক আলোচনা আগবঢ়োৱা হৈছে। অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ লগত পুৰুষ অনুসৰি বিভক্তি সংযোগ হোৱাটো এটা অন্যতম স্বকীয় বিশেষত্ব। এই পুৰুষ বাচক বিভক্তিবোৰ কি কি আৰু এইবোৰ কেনেদৰে সংযোগ হৈ অসমীয়া ভাষাক স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত কৰি তুলিছে সেই সকলো কথা এই অধ্যায়টোৰ জৰিয়তে জানিব পাৰিলো। তদুপৰি অসমীয়া ভাষাৰ পুৰুষ সম্পৰ্কেও অধ্যায়টোৰ জৰিয়তে অৱগত হ'ল।
- মুঠতে অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কীয় এক সাধাৰণ ধাৰণা লাভ কৰাৰ ক্ষেত্ৰত অধ্যায়টোৱে আপোনাক সহায় কৰিলো।



৮.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পনা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমনিকা,* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, গোলোকচন্দ্ৰ (২০০২); *অসমীয়া ব্যাকৰণ প্ৰৱেশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) গোস্বামী, গোলোকচন্দ্ৰ (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা,* গুৱাহাটী ঃ মণি-মনিক প্ৰকাশ।

৫) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *ভাষাবিজ্ঞান,* গুৱাহাটী ঃ মণি-মনিক প্ৰকাশ।

৬) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মনিক প্ৰকাশ।

৭) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়,* ডিব্ৰুগড় ঃ বনলতা।

৮) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা,* ডিব্ৰুগড় ঃ বনলতা।

৯) নাথ, প্ৰফুল্ল কুমাৰ আৰু হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); *অসমীয়া ভাষাৰ অধ্যায়ন,* গুৱাহাটী ঃ বনলতা।

১০) পাঠক, ৰমেশ (২০১১); *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১১) পাঠক, ৰমেশ (২০১১); *ভাষাবিজ্ঞানৰ ভূমিকা,* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১২) ফুকন পাটগিৰি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ;* গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।

১৩) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

১৪) শইকীয়া বৰা, লীলৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৫) ভট্টাচাৰ্য, বসন্ত কুমাৰ (২০১৫); *ভাষাবিজ্ঞান প্ৰৱেশ,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১৬) Kakati, Banikanta (1995); Assamese : *its formation and development,* LBS publication, Guwahati.

৮.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ কাৰকৰ সংজ্ঞা দিব লাগিব..... উদাহৰণসহ কাৰকৰ বিষয়ে লিখিব লাগিব..... কাৰকৰ বিভিন্ন ভাগবোৰ আৰু প্ৰতিটো ভাগৰ উদাহৰণ সহ এক সাধাৰণ পৰিচয় দিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ কাৰকৰ বিভিন্ন প্ৰকাৰ-প্ৰত্যেকবিধ কাৰকৰ বিভক্তিসহ উদাহৰণৰ সৈতে এটি চমু টোকা লিখিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ কাৰক নিৰ্ণয়ৰ প্ৰক্ৰিয়া..... শব্দবিভক্তিৰ প্ৰয়োগ..... অনুসৰ্গৰ প্ৰয়োগ..... প্ৰত্যেকৰে চমু পৰিচয় দিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শব্দ বিভক্তি কাক বোলে..... শব্দবিভক্তিৰ প্ৰকাৰ..... সেইবোৰৰ উল্লেখ ..... কাৰক অনুযায়ী শব্দবিভক্তিৰৰ এখন তালিকা প্ৰস্তুত কৰি দিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নামবিভক্তি কি..... নামবিভক্তিৰ প্ৰকাৰ উল্লেখ কৰি প্ৰতিবিধৰ চমু পৰিচয় দাঙি ধৰিব লাগিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষবাচক বিভক্তি কি..... এইবোৰ ক'ত প্ৰয়োগ হয়..... পুৰুষবাচক বিভক্তিবোৰ কি কি..... এইবোৰৰ প্ৰয়োগ সম্বন্ধে সবিশেষ আলোচনা আগবঢ়াব লাগিব।



৮.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ কাৰক কাক বোলে? অসমীয়া ভাষাৰ কাৰক সম্বন্ধে এক পৰিচয়মূলক টোকা যুগুত কৰক।

প্ৰশ্ন ২ ঃ কাৰক কেই প্ৰকাৰৰ আৰু কি কি? অসমীয়া ভাষাৰ আটাইকেইবিধ কাৰকৰ উদাহৰণসহ এক পৰিচয়মূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ সম্বন্ধ পদ কাক বোলে? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাত কি কি উপায়েৰে কাৰক নিৰ্ণয় কৰিব পাৰি সেই সম্পৰ্কে এক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ শব্দবিভক্তি কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে চমু টোকা যুগুত কৰক।

প্ৰশ্ন ৬ ঃ কাৰক নিৰ্ণয়ৰ ক্ষেত্ৰত শব্দবিভক্তিয়ে কেনেদৰে মুখ্য ভূমিকা পালন কৰে সেই সম্পৰ্কে ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ কাৰক বাচক শব্দবিভক্তি কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? অসমীয়া ভাষাৰ কাৰক আৰু কাৰক প্ৰকাশ কৰা শব্দবিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৮ ঃ কাৰক আৰু বিভক্তি একেনে? দুয়োৰে মাজত থকা সম্বন্ধ বিচাৰ কৰক।

প্ৰশ্ন ৯ ঃ অপাদান কাৰক কি? অসমীয়া ভাষাত কেনেদৰে অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয় উপযুক্ত উদাহৰণেৰে সৈতে বুজাই লিখক।

প্ৰশ্ন ১০ ঃপুৰুষবাচক বিভক্তি কাক বোলে? এই বিভক্তিকেইটা কি কি? এইবোৰ ক'ত প্ৰয়োগ হয় চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ১১ ঃসম্বন্ধবাচক বিশেষ্য শব্দত পুৰুষ অনুসৰি কেনেদৰে ভিন্ ভিন্ বিভক্তি সংযোগ হয় উপযুক্ত উদাহৰণেৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ ক্রিয়া আৰু ক্রিয়া-বিভক্তি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ক্রিয়াৰ সঙ্গতি

৯.৩.১ কর্তা আৰু ক্রিয়াৰ সঙ্গতি

৯.৪ ক্রিয়া পদৰ ভাগ

৯.৪.১ সমাপিকা ক্রিয়া

৯.৪.২ অসমাপিকা ক্রিয়া

৯.৪.৩ সদর্থক আৰু নঞৰ্থক ক্রিয়া

৯.৪.৪ অকর্মক ক্রিয়া আৰু সকর্মক ক্রিয়া

৯.৫ ক্রিয়াৰ কাল আৰু দশা

৯.৬ ক্রিয়াৰ পুৰুষ আৰু ক্রিয়াৰ বিভক্তি

৯.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্রিয়াপদ কাক বোলে আৰু ক্রিয়াপদৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব
- ক্রিয়াৰ পুৰুষ, ক্রিয়াৰ ভাব, ক্রিয়াৰ কাল সম্পর্কে অৱগত হ'ব
- ক্রিয়াৰ গঠন কেনেদৰে হয় সেয়া আলোচনা কৰিব পাৰিব
- সমাপিকা-অসমাপিকা, সকর্মক-অকর্মক আদি ক্রিয়াৰ ভাগসমূহৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব
- বিভিন্ন কাল আৰু দশাত ক্রিয়াৰ ৰূপ কেনে ধৰণৰ হয় সেই সম্পর্কে জানিব পাৰিব
- ক্রিয়াৰ বিভক্তিৰ প্রয়োগৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ পূর্বৰ আঠোটা অধ্যায়ত অসমীয়া ৰূপতত্ত্বৰ ভালে কেইটা দিশৰ আলোচনা পঢ়িবলৈ পালে। এইটো অধ্যায়ত ক্রিয়া আৰু ক্রিয়া বিভক্তিৰ বিষয়ে পঢ়িবলৈ পাব। অসমীয়া ভাষাত গঠনৰ আধাৰত মূলতঃ দুই প্রকাৰৰ পদ পোৱা যায়— অব্যয় পদ আৰু

সব্যয় পদ। স্ব্যয় পদক বিভক্তিৰ প্রয়োগ অনুসৰি আকৌ প্রধানকৈ দুটা ভাগত ভগোৱা হৈছে—

ক) নামপদ

খ) ক্রিয়াপদ

যিবোৰ পদে কোনো কার্য কৰা, হোৱা, কৰি থকা, ঘটি থকা, হৈ থকা অথবা এইবোৰৰ নেতিবাচক অর্থ বুজায় সেইবোৰ পদকে ক্রিয়াপদ বোলা হয়। গোলোকচন্দ্র গোস্বামীয়ে *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰত* পুৰুষৰ বিভক্তিযুক্ত ধাতু বা ধাতুশব্দকে ক্রিয়াপদ বোলে বুলি ক্রিয়াপদৰ সংজ্ঞা আগবঢ়াইছে। উদাহৰণ স্বৰূপে—

আমি ভাত খাইছোঁ।

ভাল ছাত্রই নিয়মিতভাৱে কিতাপ পঢ়ে।

যোৱা বছৰ অসমত বানপানী বৰ বেছিকৈ হৈছিল।

বানপানীৰ কাৰণে এইবাৰ কাৰোৱে খেতি-বাতি নহ'ল।

তোমালোক দিল্লীলৈ কেতিয়া যাবা?

মই কিতাপ পঢ়ি ভাল পাওঁ।

ওপৰৰ বাক্যকেইটাৰ খাইছোঁ, পঢ়ে, হৈছিল, নহ'ল, যাবা, পঢ়ি— এই গোটেইকেইটাই বাক্যটোত কিবা এটা কাম হৈ যোৱা, ঘটা, কৰি থকা বা নোহোৱা বুজাইছে। 'খাইছোঁ' পদে ভাত খাই থকা, 'পঢ়ে' পদে সদায় কিতাপ পঢ়াৰ কথা, 'হৈছিল' পদে এটা ঘটনা ঘটি যোৱাৰ কথা, 'নহ'ল' পদে নোহোৱা বা নঘটা, 'যাবা' পদে যোৱা কার্য, 'পঢ়ি' পদে পঢ়া কার্যটো বুজাইছে। ইহঁত প্রতিটোৱেই ক্রিয়াপদ।এই ক্রিয়াপদসমূহ বাক্যৰ ধৰণীস্বৰূপ।

ধাতুৰ লগত পুৰুষবাচক বিভক্তি অথবা কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি একেলগে যোগ হ'লে ক্রিয়াপদ গঠন হয়। যেনে—

ধাতু + পুৰুষবাচক বিভক্তি = ক্রিয়াপদ

কৰ্ + ওঁ = কৰোঁ

ধাতু + কালবাচক প্রত্যয় + পুৰুষবাচক বিভক্তি = ক্রিয়াপদ

কৰ্ + ইছ্ +ইল + আ = কৰিছিলা

কৰ্ + ইল্ + ই = কৰিলি



জানি থোৱা ভাল

—যিবোৰ পদে কোনো কার্য কৰা, হোৱা, কৰি থকা, ঘটি থকা, হৈ থকা অথবা এইবোৰৰ নেতিবাচক অর্থ বুজায় সেইবোৰ পদকে ক্রিয়াপদ বোলা হয়। গোলোকচন্দ্র গোস্বামীয়ে *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰত* "পুৰুষৰ বিভক্তিযুক্ত ধাতু বা ধাতুশব্দকে ক্রিয়াপদ বোলে" বুলি ক্রিয়াপদৰ সংজ্ঞা আগবঢ়াইছে।

—ধাতুৰ লগত পুৰুষবাচক বিভক্তি অথবা কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি একেলগে যোগ হ'লে ক্রিয়াপদ গঠন হয়।

৯.৩ ক্রিয়াৰ সঙ্গতি

বাক্যত ব্যৱহৃত সকলো মূল পদৰে ক্রিয়াপদৰ লগত সম্পর্ক বা সঙ্গতি থাকে। ক্রিয়াৰ লগত পদৰ এই সঙ্গতিকে কাৰক বোলে। উদাহৰণস্বৰূপে—

আমি খেলপথাৰত ফুটবল খেলি আছোঁ।

উদাহৰণটোত কর্তা হ'ল 'আমি', 'ফুটবল' কর্ম আৰু 'খেলপথাৰত' হ'ল অধিকৰণ কাৰক।

আমি খেলি আছোঁ—কর্তা আৰু ক্রিয়াৰ সঙ্গতি

ফুটবল খেলি আছোঁ—কর্ম আৰু ক্রিয়াৰ সঙ্গতি

খেলপথাৰত খেলি আছোঁ—অধিকৰণ কাৰক আৰু ক্রিয়াৰ সঙ্গতি

অর্থাৎ ক্রিয়াৰ সৈতে বাক্যটোৰ প্রতিটো পদৰে পোনপটীয়া সম্পর্ক আছে। সেইদৰে—

"তেওঁ গুৱাহাটীৰ পৰা লখিমপুৰলৈ বাছেৰে গৈছে"

—এই বাক্যটোত কর্তাৰ উপৰিও অপাদান কাৰক, কৰণ কাৰক আৰু নিমিত্তার্থক কাৰক কেউটাৰে ক্রিয়াৰ সৈতে পোনপটীয়া সম্পর্ক আছে।

তেওঁ গৈছে—কর্তা আৰু ক্রিয়াৰ সঙ্গতি

লখিমপুৰৰ পৰা গৈছে—অপাদান কাৰক আৰু ক্রিয়াৰ সঙ্গতি

গুৱাহাটীলৈ গৈছে—নিমিত্তার্থক কাৰক আৰু ক্রিয়াৰ সঙ্গতি

বাছেৰে গৈছে—কৰণ কাৰক আৰু ক্রিয়াৰ সঙ্গতি

গতিকে দুয়োটা উদাহৰণৰ পৰা এটা কথা স্পষ্ট হৈছে যে প্রত্যেক কাৰকৰ লগত ক্রিয়াপদৰ পোনপটীয়া সম্পর্ক আছে। আনহাতে বাক্যত ব্যৱহৃত যিবোৰ পদৰ ক্রিয়াৰ সৈতে সম্পর্ক নাথাকে সেইবোৰক সম্প্রসাৰক বুলি কোৱা হয়। বিশেষণ পদবোৰ সম্প্রসাৰক। ইহঁতৰ ক্রিয়াৰ সৈতে প্রত্যক্ষ সম্পর্ক নাথাকে।

৯.৩.১ কর্তা আৰু ক্রিয়াৰ সঙ্গতি

বাক্যত কর্তাৰ সৈতে ক্রিয়াৰ ঘনিষ্ঠ আৰু পোনপটীয়া সম্পর্ক থাকে । সেইবাবে কর্তাৰ পুৰুষ অনুযায়ী ক্রিয়াৰো পুৰুষ হয় আৰু সেই অনুসৰিয়ে বিভক্তিও যোগ হয়। উদাহৰণস্বৰূপে—

অনিতাই কিতাপ পঢ়িছে।

মই কিতাপ পঢ়িছোঁ।

তুমি কিতাপ পঢ়িছাঁ।

প্রথম বাক্যটোত 'অনিতা' হৈছে কর্তা। কর্তা নামপুৰুষ বাবে ক্রিয়াটোতো নামপুৰুষৰ বিভক্তি যোগ হৈছে। দ্বিতীয় আৰু তৃতীয় বাক্যত কর্তা প্রথম আৰু দ্বিতীয় পুৰুষৰ হোৱা কাৰণে ক্রিয়াটোতো ক্রমে প্রথম আৰু দ্বিতীয় পুৰুষৰ বিভক্তি যোগ হৈছে। অর্থাৎ ক্রিয়াত কি বিভক্তি যোগ হ'ব সেয়া কর্তাৰ পুৰুষ অনুযায়ী নির্ণিত হয়। আনহাতে একেটা বাক্যতে ক্রিয়াটোৰ যদি কেইবাটাও কর্তা থাকে তেন্তে ক্রিয়াপদত বিভক্তি যোগ হোৱাৰ নিজস্ব ৰীতি থাকে। উদাহৰণ স্বৰূপে—

মানী, বানী আৰু ধুনুৱে লুডু খেলিছে।

ৰামে আৰু তই কি কৰিছ?

তাই আৰু মই গান গাই আছোঁ।

গল্পটো তই আৰু মই পঢ়িছোঁ।

প্রথম উদাহৰণটোত মানী, বানী, ধুনু তিনিওটা কর্তা নামপুৰুষৰ।সেয়েহে 'খেলিছে' ক্রিয়াত নামপুৰুষৰ বিভক্তি যোগ হৈছে। আনহাতে দ্বিতীয় উদাহৰণটোত 'ৰামে' কর্তা নামপুৰুষৰ; কিন্তু 'তই' কর্তা মধ্যম তুচ্চ পুৰুষৰ।এনেদৰে নামপুৰুষ আৰু মধ্যম পুৰুষ একেলগে কর্তা হ'লে মধ্যম পুৰুষৰ কর্তাটো পিছত বহে আৰু সেই মধ্যম পুৰুষ অনুসৰিয়ে ক্রিয়াত বিভক্তি যোগ হয়।সেয়েহে উদাহৰণটোত 'কৰিছ' ক্রিয়াত মধ্যম তুচ্ছ পুৰুষৰ বিভক্তি যোগ হৈছে। আনহাতে এই দ্বিতীয় উদাহৰণটোৰ আন এটা লক্ষণীয় দিশ হ'ল ইয়াত বিশেষ্য আৰু সর্বনাম একেলগে কর্তা হৈ আছে।এনেদৰে একেটা বাক্যতে সর্বনাম পদ আৰু বিশেষ্য পদ একেলগে কর্তা হৈ থাকিলে বিশেষ্য পদৰ কর্তাটো সর্বনামৰ কর্তাটোতকৈ আগত বহে। উদাহৰণটোত দেখা গৈছে যে সর্বনাম 'তই' বিশেষ্য 'ৰামে' কর্তাতকৈ পিছত বহিছে আৰু সেই অনুসৰিয়ে ক্রিয়াত বিভক্তিও যোগ হৈছে। তৃতীয় উদাহৰণত নাম পুৰুষৰ আৰু উত্তম পুৰুষৰ কর্তা একেলগে আছে। এনে ক্ষেত্রত প্রথমে নামপুৰুষৰ আৰু পিছত উত্তম পুৰুষৰ কর্তা বহে। ক্রিয়াটোত উত্তম পুৰুষৰে বিভক্তি যোগ হয়। সেইদৰে চতুর্থ উদাহৰণতো মধ্যম পুৰুষ আৰু উত্তম পুৰুষৰ কর্তা একেটা বাক্যতে আছে আৰু উত্তম পুৰুষ অনুসৰিয়ে ক্রিয়াত বিভক্তি যোগ হৈছে।

এটা ক্রিয়াপদৰ যেনেকৈ কেইবাটাও কর্তা থাকিব পাৰে তেনেকৈ একেটা বাক্যতে এটা কর্তাৰ কেইবাটাও ক্রিয়া থাকিব পাৰে। যেনে—

মই ৰাতিপুৱা উঠি খোজ কাঢ়িলো, ঘৰ সাৰিলো আৰু পঢ়িলো।

উদাহৰণটোত কর্তা কেৱল 'মই'। কিন্তু ক্রিয়া তিনিটা—খোজ কাঢ়িলো, সাৰিলো আৰু পঢ়িলো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক্রিয়াৰ সঙ্গতি বুলিলে কি বুজে? বিভিন্ন কাৰকৰ সৈতে ক্রিয়াৰ সঙ্গতি দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....

৯.৪ ক্রিয়া পদৰ ভাগ

ক্রিয়াপদক ইহঁতৰ ৰূপ আৰু অর্থৰ ভিত্তিত দুটা বহল ভাগত ভাগ কৰিব পাৰি—

ক) সমাপিকা ক্রিয়া।

খ) অসমাপিকা ক্রিয়া।

সমাপিকা ক্রিয়াক সাধ্যা ক্রিয়া আৰু অসমাপিকা ক্রিয়াক সিদ্ধা ক্রিয়া বুলিও কোৱা হয়।

৯.৪.১ সমাপিকা ক্রিয়া

সমাপিকাৰ অর্থ হ'ল সমাপন কৰিব পৰা। যিবোৰ ক্রিয়াপদে বাক্যৰ গঠন আৰু অর্থ সম্পূর্ণ কৰিব পাৰে সেইবোৰকে সমাপিকা ক্রিয়া বোলে। যেনে—

'ৰাজনে পৰীক্ষাত ভালকৈ লিখিছে।

ইয়াত লিখিছে ক্রিয়াটোৱে এটা পূর্ণ অর্থ প্রকাশ কৰিছে আৰু বাক্যটো শেষ হোৱাটো বুজাইছে। সেয়েহে ই সমাপিকা ক্রিয়া। সমাপিকা ক্রিয়াৰ প্রধান বৈশিষ্ট্য হৈছে—

অ) সমাপিকা ক্রিয়াত সদায় পুৰুষবাচক বিভক্তি লাগি থাকে। পুৰুষবাচক বিভক্তি নলগাকৈ কোনো সমাপিকা ক্রিয়াপদ বাক্যত ব্যৱহাৰ হ'ব নোৱাৰে।সেইবাবে পুৰুষৰ বিভক্তিযুক্ত ক্রিয়াপদকে সমাপিকা ক্রিয়া বুলিও কোৱা হয়। যেনে—

মই ফুটবল খেলো।

তুমি ফুটবল খেলা।

তই ফুটবল খেল।

সি ফুটবল খেলে।

আ) সমাপিকা ক্রিয়া কালসাপেক্ষ। অর্থাৎ সমাপিকা ক্রিয়াই সদায় নির্দিষ্ট

সময়ত কোনো কাম কৰা বুজায়। যেনে—

মই পঢ়িছোঁ

মই পঢ়ি আছোঁ

মই পঢ়িলো।

মই পঢ়িছিলো।

মই পঢ়িম।

ইয়াত প্রতিটো বাক্যতে ক্রিয়াৰ লগত কাল সংযুক্ত হৈ আছে।

ই) প্রয়োগভেদে সমাপিকা ক্রিয়া অসমাপিকা ক্রিয়া ৰূপে ব্যৱহাৰ হ'ব পাৰে। যেনে—

সি কলেজলৈ যাব নে নেযায় মই নাজানো।

তোমাৰ হাতত কিতাপখন আছে যদি মোক দিবা।

প্রথম উদাহৰণত 'যাব' আৰু 'নেযায়' দুয়োটাতে নামপুৰুষৰ বিভক্তি যোগ হৈ আছে। কিন্তু বাক্যটোত ইহঁতে এটা পূর্ণ অর্থ দিব পৰা নাই। বাক্যটোৰ গঠনো সম্পূর্ণ কৰিবৰ কাৰণে আন এটা সমাপিকা ক্রিয়াৰ প্রয়োজন হৈছে।গতিকে বাক্যটোত 'যাব' আৰু 'নেযায়' অসমাপিকা ক্রিয়া।সেইদৰে দ্বিতীয় উদাহৰণটোত 'আছে' অসমাপিকা ক্রিয়া ৰূপেহে ব্যৱহাৰ হৈছে।

৯.৪.২ অসমাপিকা ক্রিয়া

অসমাপিকা মানে অসম্পূর্ণ। কিছুমান ক্রিয়াপদত পুৰুষৰ বিভক্তি লগ নালাগে আৰু ইহঁতে বাক্যও সম্পূর্ণ কৰিব নোৱাৰে।এনেবোৰ ক্রিয়াপদক অসমাপিকা ক্রিয়া বোলে। যেনে—

মই গান গাই ভাল পাওঁ।

তোমালোকে কিতাপ পঢ়ি ভাল পোৱানে?

উদাহৰণকেইটাত 'গাই' আৰু 'পঢ়ি' ক্রিয়াই বাক্যটো সম্পূর্ণ কৰিব পৰা নাই।সেইবাবে 'পাওঁ' আৰু 'পোৱানে' ক্রিয়া দুটাৰ প্রয়োজন হৈছে। এনেদৰে বাক্যক সম্পূর্ণ কৰিব নোৱাৰা ক্রিয়াকে অসমাপিকা ক্রিয়া বোলে। অসমাপিকা ক্রিয়াৰ গঠন এনে ধৰণৰ—

ধাতু বা ধাতুশব্দ+ ই প্রত্যয় = অসমাপিকা ক্রিয়া

যেনে—

কৰ্ + ই = কৰি

কান্দ্ + ই = কান্দি

চিঞৰ + ই = চিঞৰি

অসমাপিকা ক্রিয়াৰ পোনপটীয়া সম্পর্ক সদায় সমাপিকা ক্রিয়াৰ লগত।

সেই কাৰণে ইয়াক সমাপিকা ক্রিয়াৰ সহচৰ বুলিব পাৰি।

অসমাপিকা ক্রিয়াৰ বৈশিষ্ট্য হ'ল—

অ)অসমাপিকা ক্রিয়া কাল নিৰপেক্ষ। অসমাপিকা ক্রিয়াই সময়ৰ নির্দেশনা দিব নোৱাৰে। যিটো সমাপিকা ক্রিয়াৰ লগত ই সহচৰ হৈ থাকে সেই সমাপিকাটোৰ পৰাহে কালৰ কথা গম পোৱা যায়। যেনে—

মই কামটো কৰি আছোঁ।

মই কামটো কৰি আছিলো।

মই কামটো কৰি থাকিম।

ইয়াত 'কৰি' অসমাপিকা ক্রিয়া। তিনিওটা কালতে ইয়াৰ ৰূপ একে। তাৰ কাষত থকা সমাপিকা ক্রিয়াটোৰ পৰাহে সময়ৰ ধাৰণাটো স্পষ্ট হৈছে।

আ) অসমাপিকা ক্রিয়া পুৰুষ নিৰপেক্ষ। অসমাপিকা ক্রিয়া সকলো পুৰুষতে একেদৰেই ব্যৱহাৰ হয়।সেয়েহে ইয়াক দেখি সি কোন পুৰুষৰ সেয়া ধৰিব নোৱাৰি। যেনে—

মই খেলি আছোঁ।

তুমি খেলি আছা।

তই খেলি আছ।

সি খেলি আছে।

ইয়াত তিনিওটা পুৰুষতে অসমাপিকা ক্রিয়া 'খেলি' একে ৰূপতে ব্যৱহাৰ হৈছে।

ই) অসমাপিকা ক্রিয়াই সমাপিকা ক্রিয়াৰ দৰে সকলো কাৰকৰ লগত প্রত্যক্ষ সম্পর্ক দেখুৱাব পাৰে। কিন্তু ই কাৰকৰ বিভক্তি নলয়।

ঈ) অসমাপিকা ক্রিয়া 'আছ্' বা 'থাক্' ধাতুৰ ক্রিয়াৰ সহচৰ হ'লে অসমাপিকা ক্রিয়াটোৰ কাম চলি থকা, কৰি থকা, ঘটি থকা বুজায়। অন্য ধাতুৰ ক্রিয়াৰ সহচৰ হ'লে সচৰাচৰ ইহঁতৰ কাম শেষ হোৱা বুজায়।

উ) অসমাপিকা ক্রিয়াই বাক্য শেষ হোৱা বুজাব নোৱাৰে, কিন্তু কোনো কার্য শেষ হোৱা বুজাব পাৰে। যেনে—

তেখেত আহিব বুলি ৰৈ ৰৈ

তেখেত আহিব বুলি ৰৈ ৰৈ গুচি আহিলো।

উদাহৰণকেইটাৰ প্রথমটোত ৰৈ ৰৈ ক্রিয়াপদে বাক্যটো সম্পূর্ণ কৰিব পৰা নাই। কিন্তু দ্বিতীয় উদাহৰণটোত দেখা গৈছে যে "ৰৈ ৰৈ গুচি আহিলো" মানে ৰোৱা কার্যটো ইতিমধ্যে কৰা হৈ গৈছে। অর্থাৎ ই এটা কাম সম্পূর্ণ হোৱা বুজাইছে। কিন্তু বাক্যটো সম্পূর্ণ হৈছে 'আহিলো' ক্রিয়াপদটোৰ কাৰণেহে। সেইদৰে—

বানপানীত গাঁওখন উটি গ'ল।

সি অভিনয় কৰি ভাল পায়।

এই উদাহৰণকেইটাৰ 'উটি' আৰু 'কৰি' —এই অসমাপিকা ক্রিয়াকেইটাই নির্দিষ্ট কামকেইটা সমাপন হোৱা বুজাইছে। অর্থাৎ অসমাপিকা ক্রিয়াৰ মূল বৈশিষ্ট্যটো হ'ল ইহঁতে কাম এটা চলি থকা বা হৈ যোৱা যিয়েই নুবুজাওক কিন্তু ইহঁতে কেতিয়াও বাক্য সম্পূর্ণ কৰিব নোৱাৰে। অসমাপিকাটোৱে কামটো ঘটি যোৱা নে হৈ থকা বুজাইছে সেইটো নির্ভৰ কৰে বাক্যটো সম্পূর্ণ কৰা সমাপিকাটোৰ ওপৰতহে।

ঊ) অসমাপিকা ক্রিয়া 'আছ্' বা 'থাক্' ধাতুৰ সহচৰ হ'লে অসমাপিকা ক্রিয়াটোৰ কাম চলি থকা বা হৈ থকা বুজায়। অন্য ধাতুৰ সহচৰ হ'লে সচৰাচৰ কামটো শেষ হোৱা বুজায়। যেনে—

সি গল্পটো পঢ়ি আছে।

সি গল্পটো পঢ়ি অভিভূত হ'ল।

প্রথম উদাহৰণত 'পঢ়ি' ক্রিয়া 'আছ্' ধাতুৰ লগত থকা কাৰণে কামটো কৰি থকা বুজাইছে। দ্বিতীয় উদাহৰণত একে 'পঢ়ি' ক্রিয়াই কিন্তু কামটো সম্পন্ন হোৱা বুজাইছে।

অসমাপিকা ক্রিয়াৰ ব্যৱহাৰ—

ক) একোটা বাক্যত একেটা অসমাপিকা ক্রিয়াকে দুই-তিনিবাৰো ব্যৱহাৰ হ'ব পাৰে। যেনে—

একেটা কামকে কৰি কৰি আমনি লাগিছে।

মানুহজনলৈ ৰৈ ৰৈ ভাগৰি গ'লো।

খ) একেটা বাক্যত কেইবাটাও বেলেগ বেলেগ অসমাপিকা ক্রিয়া একেলগে ব্যৱহাৰ হ'ব পাৰে।একেটা কর্তাই ভিন্ ভিন্ কাম কৰা বুজাবলৈ এনে প্রয়োগ কৰা হয়। যেনে—

মই পুৱাই উঠি খোজ কাঢ়ি, চোতাল সাৰি, গা ধুই, গোঁসাই ঘৰত চাকি দিলো।



জানি থোৱা ভাল

—অসমাপিকা ক্রিয়াৰ পোনপটীয়া সম্পর্ক সদায় সমাপিকা ক্রিয়াৰ লগত।সেইকাৰণে ইয়াক সমাপিকা ক্রিয়াৰ সহচৰ বুলিব পাৰি।

—সমাপিকা ক্রিয়া কালসাপেক্ষ। অর্থাৎ সমাপিকা ক্রিয়াই সদায় নির্দিষ্ট সময়ত কোনো কাম কৰা বুজায়। অসমাপিকা ক্রিয়া 'আছ্' বা 'থাক্' ধাতুৰ সহচৰ হ'লে অসমাপিকা ক্রিয়াটোৰ কাম চলি থকা বা হৈ থকা বুজায়। অন্য ধাতুৰ সহচৰ হ'লে সচৰাচৰ কামটো শেষ হোৱা বুজায়।

৯.৪.৩ সদর্থক আৰু নঞৰ্থক ক্রিয়া

সমাপিকা-অসমাপিকা সকলোবোৰ ক্রিয়াপদ আকৌ মূলতঃ দুই প্রকাৰৰ

ক) সদর্থক বা যথার্থক

খ) নঞৰ্থক

ইতিবাচক বা কোনো কার্য হোৱা, ঘটা অর্থ প্রকাশ কৰা ক্রিয়াপদক সদর্থক ক্রিয়া আৰু নেতিবাচক বা নোহোৱা, নঘটা আদি বুজোৱা ক্রিয়াপদক নঞৰ্থক ক্রিয়া বোলে। সদর্থক ক্রিয়াৰ আগত নঞৰ্থক পূর্বসর্গ 'ন' যোগ কৰি নঞৰ্থক ক্রিয়া গঠন কৰা হয়। যেনে—

সদর্থক—সি যায়।

নঞৰ্থক—সি নাযায়।

সদর্থক আৰু নঞৰ্থক ক্রিয়া সমাপিকা-অসমাপিকা দুয়োটা ৰূপতে পোৱা যায়। যেনে—

ক) সদর্থক সমাপিকা ক্রিয়া—মই কিতাপখন পঢ়িলো।

সদর্থক অসমাপিকা ক্রিয়া—মই কিতাপখন পঢ়ি দোকানলৈ যাম।

খ) নঞৰ্থক সমাপিকা ক্রিয়া—মই কিতাপখন নপঢ়িলো।

নঞৰ্থক অসমাপিকা ক্রিয়া—মই কিতাপখন নপঢ়ি ভুল কৰিলো।

নঞৰ্থক ক্রিয়া গঠন কৰিবলৈ ন উপসর্গ সদর্থক ক্রিয়াটোত যোগ হওঁতে সমাপিকা আৰু অসমাপিকা দুয়োটা ক্রিয়াৰে আদিতে থকা ব্যঞ্জনৰ পিছৰ স্বৰটোৰ সৈতে 'ন' সমীভূত হয়। যেনে—

সমাপিকা ক্রিয়াৰ নঞৰ্থক ৰূপ—

ন-খায়—নাখায়

ন-দিয়ে—নিদিয়ে

ন-মেলে—নেমেলে

অসমাপিকা ক্রিয়াৰ নঞৰ্থক ৰূপ—

ন-গৈ —নগৈ

ন-শুই—নুশুই

ন-দি—নিদি

কিন্তু সদর্থক ক্রিয়াটো যদি স্বৰবর্ণৰে আৰম্ভ হয় তেন্তে 'ন' উপসর্গৰ স্বৰটো লোপ হয়। যেনে—

ন-আহিবা—নাহিবা

ন-ওলোৱা—নোলোৱা

'আছে' ক্রিয়াৰ নঞৰ্থক ৰূপ 'নাই'।এই 'নাই' ৰূপটো পুৰুষ নিৰপেক্ষ। ই অব্যয়ৰ দৰে। যেনে—

মই গুৱাহাটীত নাই।

তুমি গুৱাহাটীত নাই।

তই গুৱাহাটীত নাই।

সি গুৱাহাটীত নাই।

৯.৪.৪ অকৰ্মক ক্রিয়া আৰু সকৰ্মক ক্রিয়া

কৰ্মপদ আৰু ক্রিয়াপদৰ সঙ্গতি অনুসৰি ক্রিয়াপদ দুই প্রকাৰৰ—

ক) অকৰ্মক ক্রিয়া

খ) সকৰ্মক ক্রিয়া

কিছুমান ক্রিয়াপদৰ কৰ্ম নাথাকে। সেইবোৰক অকৰ্মক ক্রিয়া বোলে। যেনে—

মই আহিলো।

সি গ'ল।

দুয়োটা উদাহৰণতে দেখা গৈছে যে 'আহিলো' আৰু 'গ'ল' ক্রিয়াৰ কোনো কৰ্ম নাই।সেয়েহে এইবোৰ অকৰ্মক ক্রিয়া। আনহাতে যিবোৰ ক্রিয়াৰ কৰ্ম থাকে সেইবোৰক সকৰ্মক ক্রিয়া বোলে। যেনে—

সি কিতাপ নপঢ়ে।

তই গছজোপা কাটিলি।

উদাহৰণকেইটাত 'নপঢ়ে' আৰু 'কাটিলি' ক্রিয়াৰ কৰ্ম ক্রমে 'কিতাপ' আৰু 'গছজোপা'। সেয়েহে এইবোৰ ক্রিয়া সকৰ্মক। কিছুমান সকৰ্মক ক্রিয়াৰ দুটাকৈ কৰ্ম থাকে। যেনে—

শিক্ষকজনে ছাত্রসকলক ব্যাকৰণ শিকাইছে।

মোক এখন বাতৰি-কাকত দিয়ক।

উদাহৰণকেইটাৰ প্রথমটোত 'শিকাইছে' ক্রিয়াৰ কৰ্ম 'ছাত্রসকলক' আৰু 'ব্যাকৰণ'। সেইদৰে 'দিয়ক' ক্রিয়াৰ কৰ্ম 'এখন' আৰু 'বাতৰি-কাকত'।



জানি থোৱা ভাল

—'আছে' ক্রিয়াৰ নঞৰ্থক ৰূপ 'নাই'। এই 'নাই' ৰূপটো পুৰুষ নিৰপেক্ষ। ই অব্যয়ৰ দৰে।

—কৰ্মপদ আৰু ক্রিয়াপদৰ সঙ্গতি অনুসৰি ক্রিয়াপদ দুই প্রকাৰৰ— অকৰ্মক ক্রিয়া আৰু সকৰ্মক ক্রিয়া। কিছুমান ক্রিয়াপদৰ কৰ্ম নাথাকে। সেইবোৰক

অকৰ্মক ক্রিয়া বোলে। আনহাতে যিবোৰ ক্রিয়াৰ কৰ্ম থাকে সেইবোৰক সকৰ্মক ক্রিয়া বোলে।

৯.৫ ক্রিয়াৰ কাল আৰু দশা

সমাপিকা ক্রিয়া কালসাপেক্ষ। অর্থাৎ ক্রিয়াপদটোৱে কোন কালত কামটো সম্পন্ন হৈছে সেয়া বুজাব পাৰে। অসমীয়া ভাষাত ক্রিয়াপদৰ মূলতঃ তিনিটা কাল আৰু তিনিটা দশা পোৱা যায় বুলি গোলোকচন্দ্র গোস্বামীয়ে *অসমীয়া ব্যাকৰণ-প্রৱেশত* দেখুৱাইছে। সেইসমূহ হৈছে—

কাল—

ক) নিত্য বর্তমান কাল

খ) স্বৰূপ ভূত কাল

গ) ভৱিষ্যত কাল

দশা—

ক) অনুজ্ঞা

খ) স্বৰূপ বর্তমান

গ) অপূর্ণভূত

ক্রিয়াপদে আদেশ, অনুৰোধ বা ইচ্ছা প্রকাশ কৰিলে ক্রিয়াৰ অনুজ্ঞা ৰূপ বুলি কোৱা হয়। যেনে—

বর্তমান কালবাচক অনুজ্ঞা—

তোমালোকে কৰাঁ।

তই কৰ্।

সি বা আপুনি কৰক।

উদাহৰণকেইটাত দেখা গৈছে যে ইয়াত কিবা এটা কাম কৰিবলৈ কোৱা হৈছে। কৰাঁ, কৰ্, কৰক—এই ক্রিয়াপদকেইটাই কিবা এটা কাম এতিয়াইযে কৰিব লাগে সেই অর্থ প্রকাশ কৰিছে। অর্থাৎ ইহঁতে অনুজ্ঞা আৰু বর্তমান কাল বুজাইছে। অসমীয়া ভাষাত অনুজ্ঞা বুজোৱা পুৰুষবাচক বিভক্তি তিনিটা। উত্তম পুৰুষে অন্য পুৰুষকহে আদেশ বা অনুৰোধ কৰিব পাৰে বাবে উত্তম পুৰুষৰ অনুজ্ঞাৰ ৰূপ নাই। অনুজ্ঞা বুজোৱা পুৰুষবাচক বিভক্তিকেইটা হ'ল—

মধ্যম মান্য পুৰুষ ঃ -আ—কৰাঁ

মধ্যম তুচ্ছ পুৰুষ ঃ ০ (শূন্য)—কৰ্

নামপুৰুষ ঃ -অক আৰু -ওক—কৰক আৰু কৰাওক

উদাহৰণকেইটাত দেখা গৈছে যে ধাতুৰ পিছত পোনে পোনে পুৰুষবাচক বিভক্তি যোগ হৈ অনুজ্ঞাবাচক ক্রিয়াপদ গঠন হৈছে। অর্থাৎ পুৰুষবাচক বিভক্তিতে অনুজ্ঞাৰ ভাবো নিহিত হৈ আছে।

কাল অনুসৰি ক্রিয়াৰ গঠন—

ক) নিত্য বর্তমান কালঃ ধাতুশব্দৰ লগত পোনে পোনে পুৰুষবাচক বিভক্তি যোগ হ'লেই নিত্য বর্তমান কালৰ ক্রিয়াপদ পোৱা যায়। নিত্যৰ অর্থ স্থায়ী। অর্থাৎ অতীত, বর্তমান, ভৱিষ্যত যিকোনো সময়তে নিতৌ এই ক্রিয়া ঘটিব পাৰে। নিত্য বর্তমান কালৰ ক্রিয়াপদৰ গঠন এনে ধৰণৰ—

ধাতু বা ধাতুশব্দ + পুৰুষবাচক বিভক্তি = নিত্য বর্তমান কালৰ ক্রিয়াপদ

উদাহৰণ স্বৰূপে—

মই বা আমি কৰ্ + ওঁ = কৰোঁ

তুমি বা তোমালোকে কৰ্ + আ = কৰা

তই বা তহঁতে কৰ্ + অ = কৰ

সি বা আপুনি কৰ্ + এ = কৰে

খ) স্বৰূপ বর্তমান কাল—যিবোৰ ক্রিয়াপদে বর্তমান কালত কোনো এটা কাম চলি থকা বা কৰি থকা বুজায় সেইবোৰকে স্বৰূপ বর্তমান কালৰ ক্রিয়াপদ বোলে। স্বৰূপ বর্তমান বুজোৱা ক্রিয়াপদৰ গঠন এনে ধৰণৰ—

ধাতু + ইছ্ + পুৰুষবাচক বিভক্তি = স্বৰূপ বর্তমানৰ ক্রিয়া

উদাহৰণ স্বৰূপে—

মই বা আমি কৰ্ + ইছ্ +ওঁ = কৰিছোঁ

তুমি বা তোমালোকে কৰ্ + ইছ্ + আ = কৰিছা

তই বা তহঁতে কৰ্ + ইছ্ +অ = কৰিছ

সি বা আপুনি কৰ্ + ইছ+ এ = কৰিছে

উদাহৰণকেইটাৰ ক্রিয়াপদৰ গঠনলৈ লক্ষ্য কৰিলে দেখা যায় যে নিত্য বর্তমানৰ পুৰুষবাচক বিভক্তিসমূহেই স্বৰূপ বর্তমানতো যোগ হৈছে। ইয়াত মাত্র ধাতুৰ পিছত অতিৰিক্ত -ইছ প্রত্যয় যোগ হৈছে। এই '-ইছ' প্রকৃতার্থত দশাবাচক প্রত্যয়হে। ধাতুৰ লগত পোনে পোনে যুক্ত হ'লে ই স্বৰূপ বর্তমান আৰু '-ইল' এই অতীতবাচক প্রত্যয়ৰ লগত যোগ হ'লে অপূর্ণভূত কাল প্রকাশ কৰে।

গ) স্বৰূপভূত কাল—যেতিয়া ক্রিয়াপদে কোনো এটা কাম ইতিমধ্যে শেষ কৰা বুজায় তেনে ক্রিয়াপদক স্বৰূপ ভূত কালৰ ক্রিয়াপদ বোলে। স্বৰূপভূত কালৰ ক্রিয়াপদৰ গঠন এনে ধৰণৰ—

ধাতুশব্দ + অতীত কালবাচক -ইল/-ল প্রত্যয় + পুৰুষবাচক বিভক্তি = স্বৰূপভূত কালৰ ক্রিয়াপদ

উদাহৰণ স্বৰূপে—

মই বা আমি কৰ্ + ইল্ + ওঁ = কৰিলো

তুমি বা তোমালোকে কৰ্ + ইল্ + আ = কৰিলা

তই বা তহঁতে কৰ্ + ইল্ + ই = কৰিলি

সি বা আপুনি কৰ্ + ইল্ + এ = কৰিলে

ঘ) অপূর্ণভূত কাল— যেতিয়া ক্রিয়াপদে কামটো কেতিয়াবাই কৰা হৈছিল অর্থ প্রকাশ কৰে তেতিয়া তাক অপূর্ণ ভূত কালৰ ক্রিয়াপদ বোলে। '-ইছ' আৰু '-ইল' যোগ হৈ গঠন হোৱা '-ইছিল' প্রত্যয়ে সুদূৰ অতীত বুজায়। অপূর্ণভূত কালৰ ক্রিয়াৰ গঠন এনে ধৰণৰ—

ধাতুশব্দ + ইছিল + পুৰুষবাচক বিভক্তি = অপূর্ণভূত কালৰ ক্রিয়াপদ

উদাহৰণ স্বৰূপে—

মই বা আমি কৰ্ + ইছ্ + ইল্ + ওঁ = কৰিছিলোঁ

তুমি বা তোমালোকে কৰ্ + ইছ্ + ইল্ + আ = কৰিছিলা

তই বা তহঁতে কৰ্ + ইছ্ + ইল্ + ই = কৰিছিলি

সি বা আপুনি কৰ্ + ইছ্ + ইল্ + ০ (শূন্য) = কৰিছিল

ঙ) ভৱিষ্যৎ কাল— আগলৈ কোনো কার্য কৰা হ'ব অর্থ প্রকাশ কৰা ক্রিয়াপদক ভৱিষ্যৎ কালৰ ক্রিয়াপদ বোলে। ভৱিষ্যৎকালৰ ক্রিয়াপদৰ গঠন এনে ধৰণৰ—

ধাতুশব্দ + ইব + পুৰুষবাচক বিভক্তি = ভৱিষ্যৎ কালৰ ক্রিয়াপদ

উদাহৰণ স্বৰূপে—

মই বা আমি কৰ্ + ইব্ + ওঁ = কৰিম

তুমি বা তোমালোকে কৰ্ + ইব + আ = কৰিবা

তই বা তহঁতে কৰ্ + ইব + ই = কৰিবি

সি বা আপুনি কৰ্ + ইব + ০ (শূন্য) = কৰিব

এই আলোচনাসমূহৰ পৰা দেখা গ'ল যে সমাপিকা ক্রিয়াৰ ছটা কাল আৰু দশাত ৰূপ পোৱা যায়। কাল আৰু দশা অনসৰি ক্রিয়াৰ বিভক্তিসমূহৰ তালিকা এনে ধৰণৰ—

কাল	**কাল আৰু দশাৰ ভাগ**	**কালসূচক প্রত্যয়**		**পুৰুষবাচক বিভক্তি**		
			উত্তমপুৰুষ	**মধ্যমপুৰুষ**		**নামপুৰুষ**
				তুচ্ছ	*মান্য*	
	অনুজ্ঞা (দশা)	-	-	-০	-আ	-অক(ওক)
বর্তমান	নিত্য বর্তমান (কাল)	-	-ওঁ	-অ	-আ	-এ, য়
	স্বৰূপ বর্তমান (দশা)	ইছ্	-ওঁ	-অ	-আ	-এ
ভুত	স্বৰূপ ভুত (কাল)	ইল্	-ওঁ	-ই	-আ	-এ (০)
	অপূর্ণ ভুত (দশা)	ইছ্-ইল্	-ওঁ	-ই	-আ	০
ভৱিষ্যত	ভৱিষ্যৎ (কাল)	ইব	-ম	-ই	-আ	০



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিভিন্ন কালত ক্রিয়াপদৰ গঠন কেনেধৰণৰ হয় আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

—অসমীয়া ভাষাত অনুজ্ঞা বুজোৱা পুৰুষবাচক বিভক্তি তিনিটা। উত্তম পুৰুষে অন্য পুৰষকহে আদেশ বা অনুৰোধ কৰিব পাৰে বাবে উত্তম পুৰুষৰ অনুজ্ঞাৰ ৰূপ নাই।

৯.৬ ক্রিয়াৰ পুৰুষ আৰু ক্রিয়াৰ বিভক্তি

অসমীয়া ভাষাত বিভক্তি দুই প্রকাৰৰ—

ক) ক্রিয়াৰ বা ধাতুৰ বিভক্তি

খ)নামবিভক্তি

ধাতুৰ বিভক্তিক পুৰুষবাচক বিভক্তিও বোলে। ধাতুৰ পিছত এই বিভক্তিবোৰ যোগ হৈ ক্রিয়াপদ গঠন হয়।এই বিভক্তিসমূহেই ক্রিয়াপদৰ কর্তাজনৰ পুৰুষ নির্ণয় কৰে। মূলতঃ চাৰিটা পুৰুষত এই বিভক্তিসমূহ যোগ হয়—

অ) উত্তম পুৰুষৰ বিভক্তি

আ) মধ্যম মান্য পুৰুষৰ বিভক্তি

আ) মধ্যম তুচ্ছ পুৰুষৰ বিভক্তি

ই) নাম পুৰুষৰ বিভক্তি

পুৰুষ অনুযায়ী ক্রিয়াৰ বিভক্তিৰ প্রয়োগ—

অ) ক্রিয়াৰ উত্তম পুৰুষৰ বিভক্তিৰ প্রয়োগ—

(বিভক্তি— -ওঁ)

পঢ়োঁ—পঢ়্-ওঁ

কৰিছোঁ—কৰ্-ইছ্-ওঁ

আ) মধ্যম মান্য পুৰুষৰ বিভক্তিৰ প্রয়োগ—

(বিভক্তি— -আ)

কৰাঁ—কৰ্-আ

কৰিছা—কৰ্-ইছ্-আ

কৰিলা—কৰ্-ইল্-আ

ই) মধ্যম তুচ্ছ পুৰুষৰ বিভক্তিৰ প্ৰয়োগ—

(বিভক্তি— -০ (শূন্য), -অ, -ই)

কৰ—কৰ্ -০ (শূন্য)

কৰিছ—কৰ্-ইছ্-অ

কৰিলি—কৰ্-ইল্-ই

ঈ) নাম পুৰুষৰ বিভক্তিৰ প্ৰয়োগ—

(বিভক্তি— -অক, -এ, -০ (শূন্য))

কৰক—কৰ্-অক

কৰে—কৰ্-এ

কৰিছে—কৰ্-ইছ্-এ

কৰিব—কৰ্-ইব-০ (শূন্য)

ক্ৰিয়াৰ বিভক্তিৰ বৈশিষ্ট্যসমূহ হ'ল—

ক) ক্ৰিয়াৰ বিভক্তিসমূহ বচন নিৰপেক্ষ। ইহঁতে একবচন-বহুবচন একো বুজাব নোৱাৰে। কেতিয়াবা কিন্তু ক্ৰিয়াৰ পিছত '-হঁক' আৰু '-হঁত' যোগ হ'লে সমূহ বুজায়। যেনে—আহিবাহঁত, যোৱাহঁক।

খ) এই বিভক্তিবোৰ পোনে পোনে ধাতুৰ মূলৰ লগত অথবা সাধিত ধাতুৰ লগতো যোগ হ'ব পাৰে। যেনে—

ধাতুৰ লগত পোনে পোনে যোগ—পঢ়ে (পঢ়্- এ), খেলো (খেল্-ওঁ), কৰে (কৰ্-এ), মৰে (মৰ্-এ), শোৱা (শো-আ)।

সাধিত ধাতুৰ লগত যোগ—খুৱাও (খা-উৱা-ওঁ), পঢ়াওঁ (পঢ়্-আ-ওঁ)

গ) কালবাচক আৰু দশাবাচক প্ৰত্যয় যোগে গঠন হোৱা ধাতুশব্দৰ পিছতো এই বিভক্তিসমূহ যোগ হয়। যেনে—পঢ়িছোঁ, পঢ়িছিলা, পঢ়িব।

ঘ) ক্ৰিয়াৰ বিভক্তি পুৰুষ সাপেক্ষ। পুৰুষ অনুযায়ী ইহঁতৰ ৰূপ বেলেগ।



জানি থোৱা ভাল

—অসমীয়া ভাষাত বিভক্তি দুই প্ৰকাৰৰ— ক্ৰিয়াৰ বা ধাতুৰ বিভক্তি আৰু নামবিভক্তি।

—মূলতঃ চাৰিটা পুৰুষত ক্ৰিয়াৰ বিভক্তিসমূহ যোগ হয়—উত্তম পুৰুষৰ বিভক্তি, মধ্যম মান্য পুৰুষৰ বিভক্তি, মধ্যম তুচ্ছ পুৰুষৰ বিভক্তি, নাম পুৰুষৰ বিভক্তি।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ক্রিয়াপদ কাক বোলে, ক্রিয়াপদৰ গঠন কেনেদৰে হয় সেয়া জানিব পৰা গ'ল।
- ক্রিয়াপদৰ বিভিন্ন ভাগৰ বিষয়ে অৱগত হ'ল।
- সমাপিকা আৰু অসমাপিকা ক্রিয়াৰ গঠন আৰু বৈশিষ্ট্য সম্পৰ্কে বিস্তৃতভাৱে জানিব পাৰিলে।
- ক্রিয়াৰ সকৰ্মক-অকৰ্মক, সদৰ্থক-নঞৰ্থক ৰূপৰ বিষয়ে বহলকৈ জানিব পাৰিলে।
- বিভিন্ন কাল আৰু দশাত ক্রিয়াৰ ৰূপ কেনে ধৰণৰ হয় সেই সম্পৰ্কে অৱগত হ'ল।
- ক্রিয়াৰ বিভক্তিৰ প্রয়োগৰ বিষয়ে জানিব পাৰিলে।



৯.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭) ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৫) ঃ *অসমীয়া ভাষাৰ ৰূপ-কথা,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, গোলোকচন্দ্র (১৯৯৩) ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।


৪) গোস্বামী, গোলোকচন্দ্র (২০০০) ঃ *অসমীয়া ব্যাকৰণ-প্রৱেশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) গোস্বামী, গোলোকচন্দ্র (১৯৯৬) ঃ *অসমীয়া বৰ্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (২০০৩) ঃ *ভাষা-জিজ্ঞাসা,* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Kakati, Banikanta : *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall, 2007



৯.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ক্রিয়াৰ সঙ্গতি মানে ক্রিয়াৰ সৈতে আন পদ বা কাৰক আদিৰ সম্পর্ক....ক্রিয়াৰ সৈতে কর্ম, অপাদান, নিমিত্ত আদি কাৰকৰ সম্পর্কৰ বিষয়ে লিখিব লাগিব। কর্তা আৰু ক্রিয়াৰ পোনপটীয়া আৰু ঘনিষ্ঠ সম্পর্কৰ বিষয়ে বিস্তৃতভাৱে লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ নিত্য বর্তমান কাল, স্বৰূপ বর্তমান কাল, স্বৰূপভূত কাল, অপূর্ণভূত কাল, ভৱিষ্যত কাল—এই আটাইকেইটা কালতে ক্রিয়াপদৰ গঠনৰ সূত্র আৰু উদাহৰণসমূহ লিখিব লাগিব।



৯.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ক্রিয়াপদ কাক বোলে?

প্রশ্ন ২ ঃ ক্রিয়াৰ বিভক্তি মানে কি বুজে?

প্রশ্ন ৩ ঃ অসমীয়া ভাষাত ক্রিয়াৰ কাল আৰু দশা কেইপ্রকাৰৰ আৰু কি কি ?

প্রশ্ন ৪ ঃ ক্রিয়াপদৰ গঠন কেনেদৰে কৰা হয়?

প্রশ্ন ৫ ঃ ক্রিয়াপদৰ সকর্মক আৰু অকর্মক ৰূপ মানে কি বুজে লিখক।

প্রশ্ন ৬ ঃ ক্রিয়াপদৰ সদর্থক আৰু নঞর্থক ৰূপৰ বিষয়ে লিখক।

প্রশ্ন ৭ ঃ কর্তা আৰু ক্রিয়াৰ সঙ্গতি কেনে ধৰণৰ লিখক।

প্রশ্ন ৮ ঃ অসমাপিকা ক্রিয়াৰ বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ৯ ঃ সমাপিকা ক্রিয়াৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন ১০ ঃ অসমীয়া ভাষাৰ ক্রিয়াপদ সম্পর্কে এটা আলোচনা দাঙি ধৰক।

প্রশ্ন ১১ ঃ ক্রিয়াৰ সঙ্গতি মানে কি বুজে? বিভিন্ন কাৰকৰ লগত ক্রিয়াপদৰ সঙ্গতি উদাহৰণসহ দেখুৱাওক।

প্রশ্ন ১২ ঃ ক্রিয়াপদৰ শ্রেণীবিভাগ সম্পর্কে সকলো দিশ সামৰি এটা প্রবন্ধ যুগুত কৰক।

প্রশ্ন ১৩ ঃ বিভিন্ন কাল আৰু দশাত ক্রিয়াপদৰ গঠন কেনেধৰণৰ হয় উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ১৪ ঃ ক্রিয়াপদৰ পুৰুষবাচক বিভক্তি বুলিলে কি বুজে? অসমীয়া ভাষাৰ এই ক্রিয়া বিভক্তিসমূহৰ বিষয়ে লিখক।

প্রশ্ন ১৫ ঃ সমাপিকা আৰু অসমাপিকা ক্রিয়াৰ গঠন আৰু বৈশিষ্ট্য সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ১৬ ঃ সকর্মক আৰু অকর্মক ক্রিয়াৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ অব্যয় পদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ অব্যয় পদ

১০.৪ অব্যয় পদৰ বিভাজন

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ামন (ৰূপৰেখা)

১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি---

- অব্যয় পদ সম্পৰ্কে পৰিচয় লাভ কৰিব পাৰিব
- অব্যয় পদৰ বিভিন্ন শ্ৰেণীবোৰৰ বিষয়ে উদাহৰণসহ জানিব পাৰিব।

১০.২ পৰিচয়

পূৰ্ব অধ্যায়টিত অসমীয়া ভাষাৰ ক্ৰিয়া আৰু ক্ৰিয়া বিভক্তি সম্পৰ্কে এক ধাৰণা লাভ কৰিলে। এই অধ্যায়টিত অসমীয়া ৰূপতত্ত্বৰ আন এটি দিশ অব্যয়ৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। লগতে অব্যয়ৰ বিভাগসমূহ উদাহৰণসহ ব্যাখ্যা কৰা হ'ব।


১০.৩ অব্যয় পদ

অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক আলোচনাত স্থান পোৱা এটি উপাদান হৈছে অব্যয় পদ। যিবোৰ শব্দৰ কাৰক, পুৰুষ, বচন, লিংগ ইত্যাদি অনুযায়ী ৰূপ সলনি নহয়, সেইবোৰক অব্যয় পদ বোলা হয়। অর্থাৎ বাক্যত ব্যৱহৃত যিবোৰ পদৰ লগত বিভক্তি যুক্ত নহয়, বচন, লিংগ আদিতো কোনো ৰূপৰ সলনি নহয়, সেইবিলাক পদকে অব্যয় বোলে। বিভক্তি যুক্ত নহ'লেও এইবিলাক পদে বাক্যত ব্যৱহৃত হৈ বাক্যৰ অর্থ প্ৰকাশ কৰিব পাৰে আৰু বাক্যত থাকি বাক্যক সংযোজন বা পৃথক কৰিব পাৰে অথবা সমিধান, সম্বোধন সন্দেহ আদি বিভিন্ন ভাব প্ৰকাশ কৰিব পাৰে। যেনে - যদি, আৰু, কিন্তু, কিজানি, অথবা, নতুবা, আদি, যেন ইত্যাদি। উদাহৰণস্বৰূপে-

- তুমি আৰু মই যাম।
- সি যদি দিয়ে, মোৰ আপত্তি নাই।
- ইমান মাতিলোঁ, তথাপি নাহিল।
- ছিঃ! তেনে কথা ক'ব নাপায়। ইত্যাদি।

এই বচনকেইটাত ব্যৱহৃত 'আৰু', 'যদি', 'তথাপি', 'ছি' শব্দকেইটাত কাৰক, বচন বা লিংগবাচক শব্দ যোগ নহয়। সেয়েহে সকলো পৰিবেশত এই শব্দবোৰ অপৰিৱৰ্তিত হৈ ৰয়। অৱশ্যে কোনো কোনো ক্ষেত্ৰত জোৰ বুজোৱা প্ৰত্যয় আৰু সম্বোধনবাচক নির্দিষ্টতাবাচক প্ৰত্যয় অব্যয় পদত লাগে। যেনে --

- এইটো তোমাৰ কাৰণেই আনিছোঁ।
- এইটো তোমাৰ কাৰণেহে আনিছোঁ।
- এইটো তোমাৰ কাৰণেও আনিম।
- ইমান ক'লো, তথাপিও তেওঁ নুশুনিলে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অব্যয় বুলিলে কি বুজায় যায়? উদাহৰণসহ আলোচনা কৰক।

(৫০ টা শব্দৰ ভিতৰত)

১০.৪ অব্যয় পদৰ বিভাজন

অব্যয়ৰ শ্ৰেণীবিভাগ বিভিন্ন প্ৰকাৰে কৰিব পাৰি—

গঠনৰ দিশৰপৰা অব্যয়ক দুটা ভাগত ভাগ কৰিব পাৰি—

(ক) মৌলিক অব্যয় আৰু

(খ) যৌগিক অব্যয়

যিবোৰ অব্যয় স্বয়ংসিদ্ধ, অর্থাৎ যিবোৰক সৰু সৰু ভাগ কৰি ব্যৱহাৰ কৰিব নোৱাৰি সেইবোৰ সৰল অব্যয়। যেনে— বা, আৰু, যদি, ৰৰং, প্ৰতি, বিনা, তথাপি, সত্ত্বৰ, আদি মৌলিক অব্যয়। আনহাতে কেতিয়াবা একাধিক অব্যয় লগ লাগি সৃষ্টি হোৱা অব্যয় অর্থাৎ অর্থবহ ভাবে ভাগ ভাগ কৰিব পৰা অব্যয় শব্দবোৰক যৌগিক অব্যয় বোলা হয়। যেনে— নতুবা, জানোচা, কিজানিবা, হ'বলা, ইত্যাদি।

গোলোকচন্দ্ৰ গোস্বামীয়ে অব্যয়ৰ প্ৰয়োগ আৰু সঙ্গতিলৈ লক্ষ্য ৰাখি পাঁচটা বিশেষ ভাগ দেখুৱাইছে। সেইকেইটা হ'ল এনে ধৰণৰ—

(১) উপপদ অব্যয়

(২) অনুপদ অব্যয়

(৩) কেৱলীয়া বা পৰমপদ অব্যয়

(৪) আনুষঙ্গিক অব্যয়

(৫) বিশেষণীয় অব্যয়

কিছুমান অব্যয়পদৰ নামপদৰ লগত ঘনিষ্ঠ সম্বন্ধ থাকে, আৰু যি পদৰ লগত সম্বন্ধ থাকে তাৰ থিক আগতে বহে। এনেকৈ, নামপদৰ আগতে বহা অব্যয়পদক উপপদ অব্যয় বোলে। যেনে—

ল'ৰাটো সাইলাখ দেউতাৰ নিচিনা।

বিনা মেঘে বজ্রপাত।

প্রতি মঙ্গলবাৰে বজাৰ বহে।

ইয়াত সাইলাখ, বিনা, প্রতি আদি অব্যয় পদ আৰু এইবোৰ নামপদৰ আগত বহিছে। এইবোৰ পদে নামপদৰ লগত সম্বন্ধ দেখুৱাইছে। সেয়েহে এইবোৰ পদক উপপদ অব্যয় বোলে।

যিবোৰ অব্যয় নামবিভক্তিযুক্ত পদৰ পিচত বহে সেইবোৰক অনুপদ অব্যয় বোলে। যেনে—

তাৰ দ্বাৰা কামটো নহ'ব।

ৰামৰ সৈতে সীতাও বনলৈ গৈছিল।

সোণৰ দৰে উজ্জ্বল।

গাঁৱৰ প্রতি আকর্ষণ।

গুৱাহাটীৰ পৰা লখিমপুৰলৈ।

ভগবানৰ বিনে বচাওতা কেও নাই।

ওপৰৰ বাক্যবোৰৰ আঁচটনা পদবোৰ অনুপদ অব্যয় বুলি ধৰিব পাৰি। উল্লেখযোগ্য যে এনে পদবোৰৰ বেছিভাগেই সম্বন্ধবাচক '-অৰ' বিভক্তিযুক্ত নামপদৰ পিছত বহে। কোনো কোনো অনুপদ অধিকৰণ বিভক্তিযুক্ত পদৰ পিছতো বহে। তদুপৰি কিছুমান নামপদ আৰু কিছুমান ক্রিয়াপদৰ পিছত বহা অনুপদো পোৱা যায়। যেনে—

তুমি দেখোন যোৱাৰ কথা আছিল। নগ'লা দেখোন।

বাক্যৰ অন্য পদৰ লগত কিছুমান অব্যয় পদৰ সঙ্গতি নাথাকে। তেনেবোৰ অব্যয়পদক কেৱলীয়া বা পৰমপদ অব্যয় বোলে। যেনে— হেৰি শুনকচোন, এইফালে আহক।

ইয়াত 'হেৰি' পদটোৰ অন্য পদৰ লগত সম্পর্ক নাই। সেইদৰে ছিঃ, উঃ, বাৰু, এৰা, ইতি, ইত্যাদি কেৱলীয়া বা পৰমপদ অব্যয়। সাধাৰণতে ভাবাবেগসূচক উক্তিবোৰক কেৱলীয়া অব্যয়ৰ ভিতৰত ধৰা হয়। সেইদৰে, সংযোজক বা বিয়োজক অব্যয়বোৰকো কেৱলীয়া শ্রেণীত ধৰা হয়।

কিছুমান অব্যয় পদৰ সঙ্গতি ক্রিয়া পদৰ লগত হ'লেও ইহঁত বাক্যৰ য'তে ত'তে বহিব পাৰে। তেনেবোৰ অব্যয়ক আনুষঙ্গিক অব্যয় বোলে।

যদি তুমি সময় মতে আহা, তেনেহ'লে মই তোমাৰ লগত যাম।

তুমি যদি সময় মতে আহা, তেনেহ'লে মই তোমাৰ লগত যাম।

তুমি সময় মতে আহা যদি, তেনেহ'লে মই তোমাৰ লগত যাম।

এই বাক্যবোৰত যদি পদটো বাক্যৰ বেলেগ বেলেগ স্থানত বহিলেও অর্থৰ কোনো হীন-দেৰি নঘটে। সেইদৰে বিশেষণীয় অব্যয় বুলিও এক প্রকাৰ অব্যয় আছে, সেইবোৰ হ'ল যিবোৰ অব্যয় পদে বিশেষণ ৰূপে ব্যৱহাৰ হৈ অন্য পদক বিশেষকৈ বুজায় সেইবোৰকে বিশেষণীয় অব্যয় পদ বোলে। যেনে— বিতং বিৱৰণ, খাটাং কথা, বেছ সুন্দৰ, অতি চমৎকাৰ ইত্যাদি।

অর্থৰ ওপৰত ভিত্তি কৰি অব্যয়ক আঠটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল এনে ধৰণৰ—

১) যোজক বা সংযোজক অব্যয়

২) বিযোজক বা পৃথকবোধক অব্যয়

৩) সন্দেহবোধক অব্যয়

৪) ভাৱবোধক অব্যয়

৫) সম্বোধনবোধক অব্যয়

৬) প্রশ্নবোধক অব্যয়

৭) সমিধানবোধক অব্যয়

৮) আনুষঙ্গিক বা পদান্বয়ী অব্যয়

তলত উদাহৰণসহ এই বিভাগকেইটাৰ পৰিচয় আগবঢ়োৱা হ'ল ---

- **যোজক বা সংযোজক অব্যয় ঃ**

দুটা শব্দ বা বাক্যৰ মাজত বহি সেই শব্দ দুটাৰ বা বাক্য দুটাৰ ইটোৰ সৈতে সিটোৰ সংযোগ বা সম্বন্ধ স্থাপন কৰা অব্যয়বোৰেই যোজক বা সংযোজক অব্যয়। যোজক অব্যয়ৰ উদাহৰণ হ'ল - আৰু, অথচ, যেনে, কাৰণ, কাৰণে, নিমিত্তে, হেতু, হেতুকে, এতেকে, কিয়নো, দেখি, তেন্তে, তেনেহ'লে, গতিকে ইত্যাদি। বাক্যত যোজক অব্যয়ৰ ব্যৱহাৰ এনেধৰণৰ--

- দয়া আৰু ক্ষমা মহৎ গুণ।
- ইমান মাতিলো অথচ তুমি নাহিলা।
- তুমি মতা হেতুকে মই আহিলোঁ।
- যদি সি আহে, তেন্তে মই যাম।

এই বাক্যকেইটাত 'আৰু', 'অথচ', 'হেতুকে', 'যদি' যোজক অব্যয়।

- **বিযোজক বা পৃথকবোধক অব্যয় ঃ**

দুটা শব্দ বা দুটা বাক্যৰ মাজত বহি শব্দ বা বাক্য দুটাক পৃথক কৰি দেখুওৱা অধ্যয়বোৰেই পৃথকবোধক অব্যয়। যেনে - বা, নাইবা, অথবা, কিম্বা, নতুবা, কি, কিন্তু, তথাপি, তেন্তে, বিশেষ, বিশেষতঃ আদি। বাক্যত এইবোৰৰ ব্যৱহাৰ এনেধৰণৰ --

- দুজন অথবা তিনিজন আহিলেই হ'ব।
- সি বা মই যাম।
- তুমি মাতিলা যদিও সি নাহিল।

বাক্যকেইটাত 'অথবা' অব্যয়ে দুজন আৰু তিনিজনক, 'বা' অব্যয়ে 'সি' আৰু 'মই'ক, 'যদিও' অব্যয়ে 'তুমি মাতিলা' আৰু 'সি নাহিল'ক পৃথক কৰিছে।

- **সন্দেহবোধক অব্যয় ঃ**

সন্দেহ, সম্ভাৱনা বা অনিশ্চয়তাৰ ভাব প্ৰকাশ কৰা অব্যয়বোৰেই সন্দেহবোধক অব্যয়। যেনে -- যদি, কিজানি, জানোচা, ইত্যাদি এই অব্যয়ৰ উদাহৰণ। বাক্যত এইবোৰৰ ব্যৱহাৰ এনেধৰণৰ-

- যদি বৰষুণ দিয়ে, ফুৰিবলৈ নাযাওঁ।
- চাকৰিটো হ'ব কিজানি।
- কিজানি তেওঁলোক আহেই, মই ৰৈ আছোঁ।

- **ভাববোধক অব্যয় ঃ**

মনৰ আনন্দ, সুখ-দুখ, বেজাৰ, লাজ, ভয়, ঘৃণা, আশ্চর্য আদি ভাৱ প্ৰকাশ কৰা অব্যয়বোৰেই ভাববোধক অব্যয়। অসমীয়া ভাষাত সততে ব্যৱহাৰ হোৱা কেইটামান ভাববোধক অব্যয় হ'ল -- উঃ, ইচ্, আই ঐ, আই ঐ দেহি, দেহি ঐ, ছিঃ, ইঃ, হৰি-হৰি আদি। বাক্যত ইয়াৰ ব্যৱহাৰ এনেধৰণৰ -

- বাঃ! কি সুন্দৰ দৃশ্য।
- হায়! মানুহৰ কি অধঃপতন
- উস্! কি গৰম।
- ছিঃ ছিঃ কি ঘৃণনীয় কাম

- **সম্বোধনবোধক অব্যয় ঃ**

কাৰোবাক সম্বোধন কৰি মাতিবলৈ ব্যৱহাৰ কৰা অব্যয়বোৰেই হৈছে সম্বোধনবোধক অব্যয়। হেৰি, হেৰৌ, হঞেৰা, অ', ঐ, হেৰা আদি অসমীয়া ভাষাত ব্যৱহৃত সম্বোধনবোধক অব্যয়। যেনে - ঐ, ঔ, হে, হেই, অ, হেৰ, হেৰা, হেৰি ইত্যাদি। বাক্যত সম্বোধনসূচক অব্যয়ৰ ব্যৱহাৰ এনেধৰণৰ---

- ঐ ল'ৰা, এইফালে আহ।
- মধু ঔ, মাতি আছোঁ, শুনিছানে?

- হেৰ আইজনী, সোনকালে যাওঁ ব'ল।
- হেৰা, এইফালে আহাচোন।

- **প্রশ্নবোধক অব্যয় ঃ**

কাৰোবাক প্রশ্ন কৰিবলৈ ব্যৱহাৰ কৰা অব্যয়বোৰেই হ'ল প্রশ্নবোধক অব্যয়। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা প্রশ্নবোধক অব্যয়বোৰ হৈছে -- বোলে, হেনো, হয়, জানো, কি, নে, নেকি ইত্যাদি। এইবোৰৰ বাক্যগত প্রয়োগ এনেধৰণৰ--

- সি কামটো কৰিলে বোলে?
- চেষ্টা কৰিছোঁ হয়, ভগবানেহে জানে!
- সি বোলে সেইদিনা নাহিল?

- **সমিধানবোধক অব্যয় ঃ**

আন মানুহৰ কথা বা আচৰণৰ উত্তৰস্বৰূপে ব্যৱহাৰ হোৱা অব্যয়ৰ নাম সমিধানবোধক অব্যয়। যেনে--

- তুমি আজি ক্লাছলৈ যাবানে?

  --- ওঁ, যাম
- তুমি যাবানে?

  --- ওহোঁ, নাযাওঁ

আন কিছুমান সমিধানবোৰক অব্যয় হ'ল --- এৰা, বাৰু, ভাল, পাচে, বেচ্, ঠিক্, আদি।

- **আনুষঙ্গিক অব্যয় ঃ**

যিবিলাক অব্যয় পদে বিশেষ্য (সংজ্ঞা) বা সর্বনাম শব্দৰ পিছত থাকি সিহঁতৰ অর্থ ভিন্ন কৰে, সেইবোৰক আনুসঙ্গিক অব্যয় বোলে। যেনে - সৈতে, হতুৱাই, বাজে, বাহিৰে, বাবে, দৰে, কাৰণে, নিমিত্তে, নিচিনা, প্রতি, বিনা আদি। এইবোৰৰ বাক্যগত প্রয়োগ এনেধৰণৰ-

- ভগৱান তোমাৰ প্রতি সদয় হওঁক।
- মোৰ কাৰণে চিন্তা নকৰিবা।
- তোমাৰ দৰে মানুহ ক'তো দেখা নাই।
- মোৰ বিনে তাৰ গতি নাই, মই কৈ দিছোঁ।

বাক্যত প্রয়োগৰ দিশৰ পৰাও অব্যয়বোৰক দুটা ভাগত ভগাব পাৰি---

ক) উপপদ অব্যয় (Preposition)

খ) অনুপদ অব্যয় (Postposition)

ইংৰাজী Prepositionৰ অনুৰূপ উপপদ অব্যয় অসমীয়াত যথেষ্ট তাকৰ। প্ৰকৃততে অসমীয়াত ব্যৱহৃত আটাইবোৰ উপসৰ্গই উপপদ অব্যয়। এই অব্যয়বোৰেই নামপদৰ লগত ঘনিষ্ঠ সম্বন্ধ থাকে আৰু যি পদৰ লগত সম্বন্ধ থাকে তাৰ ঠিক আগতে বহে। এইদৰে নামপদৰ ঠিক আগতে বহা অব্যয়বোৰে উপপদ অব্যয়। উপপদ অব্যয়বোৰ উপসৰ্গৰ দৰে নামপদৰ গাতে লগত বহুৱাব লাগে। যেনে --

- বিনামেঘে বজ্ৰপাত।
- উপপ্ৰধানমন্ত্ৰী।
- সহযোদ্ধা।
- সাইলাখ মাকৰ দৰে।
- প্ৰতি দেওবাৰ আৰু সোমবাৰে।

বাক্যকেইটাত ব্যৱহৃত বিনা, উপ, সহ, সাইলাখ প্ৰতি উপপদ অব্যয়।

আনহাতে, যিবোৰ অব্যয় নামবিভক্তিযুক্ত পদৰ ঠিক পিছতে বহে, সেইবোৰক অনুপদ অব্যয় বোলা হয়। যেনে ---

- তাৰ দ্বাৰা কামটো সমাধা হ'ল।
- সি মোৰ সৈতে বজাবলৈ গৈছিল।
- সাগৰৰ দৰে বিশাল।



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অব্যয় পদ সম্পৰ্কে পৰিচয় লাভ কৰিলোঁ।
- গঠনৰ দিশৰপৰা অব্যয়ক দুটা ভাগত ভাগ কৰিব পাৰি—

(ক) মৌলিক অব্যয় আৰু (খ) যৌগিক অব্যয়

যিবোৰ অব্যয়ক সৰু সৰু ভাগ কৰি ব্যৱহাৰ কৰিব নোৱাৰি সেইবোৰ মৌলিক অব্যয়। যেনে— বা, আৰু, যদি, বৰং, প্ৰতি, বিনা, তথাপি, সম্ভৱ, আদি। আনহাতে কেতিয়াবা একাধিক অব্যয় লগ লাগি সৃষ্টি হোৱা অব্যয় অৰ্থাৎ অৰ্থবহভাৱে ভাগ ভাগ কৰিব পৰা অব্যয় শব্দবোৰ যৌগিক অব্যয়। যেনে— নতুবা, জানোচা, কিজানিবা, হ'বলা, ইত্যাদি।

- গোলোকচন্দ্ৰ গোস্বামীয়ে অব্যয়ৰ প্ৰয়োগ আৰু সঙ্গতিলৈ লক্ষ্য ৰাখি উপপদ, অনুপদ, কেৱলীয়া বা পৰমপদ, আনুষঙ্গিক আৰু বিশেষণীয় অব্যয় নামে পাঁচটা বিশেষ ভাগত ভাগ কৰিছে।
- কিছুমান অব্যয়পদৰ নামপদৰ লগত ঘনিষ্ঠ সম্বন্ধ থাকে, আৰু যি পদৰ লগত সম্বন্ধ থাকে তাৰ থিক আগতে বহে। এনেকৈ, নামপদৰ আগতে বহা অব্যয়পদক উপপদ অব্যয় বোলে। যেনে— সাইলাখ, বিনা, প্ৰতি আদি।

- যিবোৰ অব্যয় নামবিভক্তিযুক্ত পদৰ পিচত বহে সেইবোৰ অনুপদ অব্যয়। যেনে— দ্বাৰা, সৈতে, দৰে, প্ৰতি, পৰা ইত্যাদি।
- কিছুমান অব্যয় পদৰ বাক্যৰ অন্য পদৰ লগত সঙ্গতি নাথাকে। তেনেবোৰ অব্যয়পদক কেৱলীয়া বা পৰমপদ অব্যয় বোলে। যেনে- হেৰি, শুনকচোন, এইফালে আহক। ইয়াত 'হেৰি' পদটোৰ অন্য পদৰ লগত সম্পৰ্ক নাই। সেইদৰে ছিঃ, উঃ, বাৰু, এৰা, ইতি, ইত্যাদি কেৱলীয়া বা পৰমপদ অব্যয়।
- কিছুমান অব্যয় পদৰ সঙ্গতি ক্ৰিয়া পদৰ লগত হ'লেও ইহঁত বাক্যৰ য'তে ত'তে বহিব পাৰে। তেনেবোৰ অব্যয়ক আনুষঙ্গিক অব্যয় বোলে। সেইদৰে বিশেষণীয় অব্যয় বুলিও এক প্ৰকাৰ অব্যয় আছে, সেইবোৰ হ'ল যিবোৰ অব্যয় পদে বিশেষণ ৰূপে ব্যৱহাৰ হৈ অন্য পদক বিশেষকৈ বুজ্যায় সেইবোৰকে বিশেষণীয় অব্যয় পদ বোলে। যেনে— বিতং বিৱৰণ, খাটাং কথা, বেছ সুন্দৰ, অতি চমৎকাৰ ইত্যাদি।
- অৰ্থৰ ওপৰত ভিত্তি কৰি অব্যয়ক যোজক বা সংযোজক , বিয়োজক বা পৃথকবোধক, সন্দেহবোধক, ভাৱবোধক, সম্বোধনবোধক, প্ৰশ্নবোধক, সমিধানবোধক আৰু আনুষঙ্গিক বা পদান্বয়ী নামেৰে আঠটা ভাগত ভাগ কৰা হৈছে।
- দুটা শব্দ বা বাক্যৰ মাজত বহি সেই শব্দ দুটাৰ বা বাক্য দুটাৰ ইটোৰ সৈতে সিটোৰ সংযোগ বা সম্বন্ধ স্থাপন কৰে, সেইবোৰেই সংযোজক অব্যয়। যেনে— আৰু, কিন্তু, যদিও এতেকে, তেন্তে, তেনেহ'লে, বৰং, কাৰণে, বাবে, গতিকে, কিয়নো, দেখি ইত্যাদি।
- যিবিলাক অব্যয় পদে দুটা বা ততোধিক পদ বা বাক্যৰ অৰ্থ পৃথক কৰি দেখুৱায় সেইবোৰক পৃথকবোধক অব্যয় বোলা হয়। যেনে— বা, নাইবা, অথবা, কিম্বা, নতুবা, কি, কিন্তু, তেও, তথাপি, নহ'লে ইত্যাদি।
- সন্দেহ, সম্ভৱনা বা অনিশ্চয়তা ভাব প্ৰকাশক অব্যয়বোৰেই সন্দেহবোধক অব্যয়। যেনে— যদি, জানোচা, কিজানি, জানো, চাগৈ, হ'বলা ইত্যাদি।
- যিবিলাক অব্যয় পদে মনৰ সুখ, দুখ, আনন্দ, বেজাৰ, লাজ, ভয়, ঘৃণা, ধিক্কাৰ, ক্ৰোধ, আশ্চৰ্য আদি ভাৱ প্ৰকাশ কৰে, তেনে অব্যয়বোৰেই ভাৱবোধক অব্যয়। যেনে— বাঃ, হায়, হায়, ছিঃ, আও, হুচিয়াৰ, খবৰদাৰ, উস, ইচ্, আঃ, উঃ, ঔ, অক, ছিঃছিঃ ইত্যাদি।
- কাৰোবাক সম্বোধন কৰি মাতিবলৈ হ'লে কিছুমান অব্যয় ব্যৱহাৰ কৰা হয়। যেনে— ঐ ল'ৰা, অ' কমল, হে ঈশ্বৰ, হেৰা ডেকাল'ৰা, মাই ঔ, হয়ে মানুহজনী ইত্যাদি।

- যিবিলাক অব্যয়ে প্রশ্ন কৰা বুজায় সেইবোৰক প্রশ্নবোধক অব্যয় বোলে। অসমীয়া ভাষাত এনে অব্যয় কেতবোৰ হ'ল— নে, নো, জানো, বোলে, হয়, হেনো ইত্যাদি।
- আন মানুহৰ কথা বা আচৰণৰ উত্তৰ স্বৰূপে ব্যৱহাৰ হোৱা অব্যয়বোৰেই হৈছে সমিধানবোধক অব্যয়। অসমীয়া ভাষাৰ কেতবোৰ সমিধানবোধক অব্যয় হৈছে— ওঁ, বাৰু, ভাল, এৰা, হয়, হৈছে, ওঁহ।
- বিশেষ্য বা সর্বনাম আৰু ক্রিয়াপদৰ পিছত বহি সিহঁতৰ অর্থ ভিন্ ভিন্ কৰা অব্যয়বোৰেই আনুষঙ্গিক অব্যয়। এনে অব্যয় যোগ হ'লে বিশেষ্য বা সর্বনাম শব্দৰ পিছত প্রয়ে বিশেষ বিভক্তি যোগ হয়। সেই বিভক্ত্যন্ত পদৰ সৈতে এইবোৰ অব্যয়ৰ অন্বয় বা সম্বন্ধ স্থাপিত হয় বাবেই এইবোৰক পদান্বয়ী অব্যয় বোলা হয়। প্রয়োগৰ ভিত্তিত আনুষঙ্গিক অব্যয়বোৰক 'উপপদ অব্যয়' আৰু 'অনুপদ অব্যয়' এই দুটা ভাগত ভাগ কৰা হৈছে।
- বেলেগ বেলেগ ব্যাকৰণবিদে পদবোৰৰ আলোচনা বেলেগ বেলেগ দিশৰ পৰা আগবঢ়োৱা পৰিলক্ষিত হয়। ফলত পদৰ বিভাজন বেলেগ বেলেগ হোৱা পৰিলক্ষিত হৈছে।



১০.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্রনাথ, (২০১৫) ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*, মণি-মাণিক প্রকাশ, গুৱাহাটী।

২) গোস্বামী, গোলোকচন্দ্র, (২০১২) ঃ *অসমীয়া ব্যাকৰণ প্রৱেশ*, বীণা লাইব্রেৰী, গুৱাহাটী।

৩) গোস্বামী, গোলোকচন্দ্র, (২০১৪) ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, বীণা লাইব্রেৰী, গুৱাহাটী।

৪) বৰা, লীলাৱতী শইকীয়া, (২০১৫) ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, গুৱাহাটী।



১০.৭ অগ্রগতি খতিয়ান (ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি---অব্যয়ৰ সংজ্ঞা---উদাহৰণ--সামৰণি।



১০.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অব্যয়ৰ প্ৰকাৰবোৰ উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক।

ক) অৰ্থৰ দিশৰ পৰা অব্যয়ৰ ভাগ।

খ) বাক্যত প্ৰয়োগৰ দিশৰ পৰা অব্যয়ৰ ভাগ।

অধ্যায় ১১ ঃ বাক্যতত্ত্ব

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ বাক্য ঃ সাধাৰণ পৰিচয়
১১.৪ বাক্যৰ শ্ৰেণীবিভাগ
১১.৫ খণ্ডবাক্য
১১.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাক্য কি তাৰ পৰিচয় লাভ কৰিব
- অসমীয়া বাক্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ক্ৰিয়াযুক্ত আৰু ক্ৰিয়াহীন সৰল বাক্যৰ মাজত থকা প্ৰভেদ সম্পৰ্কে জানিব পাৰিব
- খণ্ডবাক্য কি তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব।
- অসমীয়া ৰূপতত্ত্বৰ অন্তৰ্গত এটা বিশিষ্ট দিশ হিচাপে খণ্ড বাক্যৰ আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ইতিমধ্যে আপুনি অসমীয়া ৰূপতত্ত্বৰ সামগ্ৰিক আলোচনাযুক্ত 'প্ৰাকৃতি বিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব' পাঠ্যবিষয়ৰ দহটা অধ্যায় পঢ়িলে। তাত আলোচনা কৰা বিষয়সমূহৰ মাজেদি ইতিমধ্যে আপুনি অসমীয়া ৰূপতত্ত্বৰ নানা দিশৰ বিষয়ে থুলমূল ধাৰণা লাভ কৰিছে। এই বিশেষ অধ্যায়টোত অসমীয়া বাক্যতত্ত্বৰ আলোচনা আগবঢ়োৱা হৈছে। আহকচোন, আমি অসমীয়া বাক্যতত্ত্বৰ লগত জড়িত মনোজ্ঞ দিশসমূহত চকু ফুৰাও।

১১.৩ বাক্য ঃ সাধাৰণ পৰিচয়

বাক্য হ'ল ভাষাৰ বৃহত্তম একক। এই বাক্যৰ বিজ্ঞানসম্মত অধ্যয়নকেই বাক্যতত্ত্ব বুলি ক'ব পাৰি। এটা শব্দৰ সৈতে আন এটা শব্দ মিলিত হৈ কিদৰে বাক্যৰ গঠন হয় তাৰ

বিশ্লেষণেই হ'ল বাক্যতত্ত্ব। অসমীয়া বাক্যতত্ত্ব অভিধাটো ইংৰাজী syntax শব্দৰ সমার্থক। syntax শব্দটো গ্রীক Syn আৰু taxis শব্দৰ সংমিশ্রণত সৃষ্ট হোৱা Synyaxis শব্দৰ পৰা অহা। Syntaxis শব্দটোৰ অর্থ হ'ল বিধিসম্মত বা প্রণালীবদ্ধ গঠন। ভাষাবিজ্ঞানত Syntax হ'ল বাক্যৰ প্রণালীবদ্ধ গঠনৰ অধ্যয়ন। পৃথিৱীৰ সকলো ভাষাৰে স্বকীয় বাক্য গঠন প্রণালী থাকে। অর্থাৎ প্রতিটো ভাষাৰে শব্দৰ সৈতে শব্দ সংযোজনৰ নিজস্ব নিয়ম আৰু পৰম্পৰা থাকে। অসমীয়া ভাষাৰ ক্ষেত্রতো এনে কেতবোৰ নিয়ম আৰু প্রণালী আছে। এই অধ্যায়ত অসমীয়া ভাষাত বাক্য গঠনৰ প্রণালী বা নিয়ম তথা বাক্যৰ বিভিন্ন শ্রেণী বিভাগ সম্পর্কে থূলমূলকৈ বিশ্লেষণ কৰা হৈছে। অধ্যায়টোৰ অধ্যয়নৰ দ্বাৰা শিক্ষার্থীয়ে অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।

১১.৪ বাক্যৰ শ্রেণীবিভাগ

যিকোনো ভাষাৰ বাক্যক বিভিন্ন দিশেৰে বিভিন্ন শ্রেণীত ভাগ কৰিব পাৰি। এই দিশ গাঁথনিক বা অর্থ বা পদৰ প্রাধান্য আদিৰ আলমত নির্ণিত হ'ব পাৰে। বিশিষ্ট ভাষাতত্ত্ববিদ ফণীন্দ্র নাৰায়ণ দত্তবৰুৱাই অসমীয়া ভাষাৰ বাক্যক চাৰিটা দিশেৰে চাৰি শ্রেণীত ভাগ কৰি আলোচনা কৰিছে। এই ভাগসমূহ হ'ল—

(ক) বাক্যৰ গাঁথনিক দিশেৰে বাক্যৰ শ্রেণীবিভাগ।

(খ) বাক্যৰ অর্থৰ দিশেৰে বাক্যৰ শ্রেণীবিভাগ।

(গ) বাক্যত ক্রিয়াই প্রকাশ কৰা ভাবৰ দিশেৰে বাক্যৰ শ্রেণীবিভাগ।

আৰু (ঘ) বাক্যত পদৰ প্রাধান্যৰ দিশেৰে বাক্যৰ শ্রেণীবিভাগ।

বাক্যৰ গাঁথনিক দিশেৰে অসমীয়া বাক্যৰ শ্রেণীবিভাগ ঃ

বাক্যৰ গঠনগত দিশৰ ফালৰ পৰা অর্থাৎ বাক্যটো ৰচনা হোৱা প্রক্রিয়া বা উপাদান অনুযায়ী অসমীয়া বাক্যসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ তিনিটা হ'ল—

(ক) সৰল বাক্য

(খ) যুগ্ম বাক্য আৰু

(গ) জটিল বাক্য

সৰল বাক্য ঃ

সকলো বাক্যৰে মূলতঃ দুটা অংশ থাকে। এই অংশ দুটাক আমাৰ পৰম্পৰাগত ব্যাকৰণবোৰত উদ্দেশ্য আৰু বিধেয় নামেৰে নামাকৰণ কৰা হৈছে। ইংৰাজীত উদ্দেশ্যক Subject আৰু বিধেয়ক Predicate বুলি কোৱা হয়। এটা বাক্যত যাৰ বিষয়ে কোৱা হয় তাক উদ্দেশ্য আৰু যি কোৱা হয় তাক বিধেয় বুলি কোৱা হয়। এটা অসমীয়া সৰল বাক্য হ'বলৈ সাধাৰণতে এই উদ্দেশ্য আৰু বিধেয় অংশ দুটা থাকিব লাগে। যেনে—

ৰামে খালে

তাই হাঁহিছে

দীপকে নাচিছে আদি।

ওপৰৰ উদাহৰণ উল্লেখ কৰা বাক্যকেইটাৰ ৰামে, তাই আৰু দীপকে উদ্দেশ্যৰ স্থান পূৰণ কৰিছে আৰু খালে, হাঁহিছে আৰু নাচিছে পদকেইটাই বিধেয়ৰ স্থান পূৰণ কৰিছে। বাক্যকেইটাত সহজে বুজিব পাৰি যে যাৰ বিষয়ে কোৱা হৈছে সেইকেইটা উদ্দেশ্য আৰু যি কোৱা হৈছে সেইকেইটায়ে বিধেয়। এইদৰে এটা মাত্ৰ উদ্দেশ্য আৰু এটা মাত্ৰ বিধেয়েৰে গঠন হোৱা সমাপিকা বাক্যবোৰকে সৰল বাক্য বুলি কোৱা হয়। সৰল বাক্যবোৰ স্বয়ং সম্পূৰ্ণ হয় আৰু কোনো অংশই অন্য অংশৰ অধীন নহয়।

এই সৰল বাক্যক সংখ্যা আৰু ক্ৰিয়াৰ ভিন্ন প্ৰয়োগ অনুসৰি চাৰিটা ভাগত ভাগ কৰিব পাৰি। এই ভাগকেইটা হ'ল—

১. একশব্দযুক্ত সৰল বাক্য
২. ক্ৰিয়াযুক্ত সৰল বাক্য
৩. ক্ৰিয়াহীন সৰল বাক্য
৪. দ্বিক্ৰিয়াযুক্ত সৰল বাক্য আৰু
৫. ক্ৰিয়াৰ পুনৰাবৃত্তি সমৃদ্ধ সৰল বাক্য।

এক শব্দযুক্ত সৰল বাক্য ঃ

এক শব্দযুক্ত সৰল বাক্য হ'ল সেই বাক্য য'ত মাত্ৰ এটা শব্দৰ জৰিয়তেই এটা পূৰ্ণাঙ্গ বাক্যৰ ভাৱ প্ৰকাশ কৰা হয়। সচৰাচৰ এনেবোৰ বাক্য মাত্ৰ এটা ক্ৰিয়া পদেৰে গঠিত হয়। যেনে—

মই এতিয়া খামনে?
খোৱা।
তোমাৰ কামটো হ'লনে?
হ'ল।
মই ৰৈ থাকো নে যাওঁ?
যা।
(তই ৰৈ থাকিব নালাগে, যা।)
দেউতাৰা ঘৰত আছেনে?
আছে।
(দেউতা ঘৰত আছে।)
মই ইয়াত বহিব পাৰোনে?
বহক।
(হয়, আপুনি ইয়াতে বহক।)
এইটো ৰমেন নেকি?
হয়।
(হয়, মই ৰমেন।)

ওপৰত উল্লেখ কৰা উদাহৰণবোৰৰ পৰা বুজিব পাৰি যে অসমীয়া ভাষাত এক শব্দযুক্ত সৰল বাক্যবোৰ কোনো প্রশ্নবোধক বাক্যৰ হয় প্রত্যুত্তৰ নাইবা অনুজ্ঞাসূচক হয়। আনহাতে, এনেবোৰ বাক্যৰ অন্তৰালত এটা সম্প্রসাৰিত পূৰ্ণাঙ্গ বাক্য থাকে যদিও দৈনন্দিন জীৱনৰ কথোপকথন সম্প্রসাৰিত ৰূপৰ ঠাইত এটা পদৰ বাক্যই বহুলভাৱে ব্যৱহাৰ কৰা হয়।

ক্রিয়াযুক্ত সৰল বাক্য ঃ

অসমীয়া ভাষাৰ সাধাৰণ সৰল বাক্যবোৰ ক্রিয়াযুক্ত হয়। অন্যান্য নব্য ভাৰতীয় আর্য ভাষাৰ দৰে অসমীয়া ভাষাৰ সৰল বাক্যও কর্তা + কর্ম + ক্রিয়া ৰূপে গঢ় লয়। সচৰাচৰ উদ্দেশ্যৰ ঘৰত কর্ম আৰু বিধেয়ৰ ঘৰত কর্ম আৰু কর্তা পদ বহে। যেনে—

মনালিছাই চাইকেল চলাইছে।

ৰাইজে চোৰটো খেদিছে। আদি।

অৱশ্যে কর্তা + কর্ম + ক্রিয়া ক্রমটোৰ বিশেষ পৰিস্থিতিত সাল সলনিও হয়। এই পৰিস্থিতিবোৰ এনে ধৰণৰ—

কর্মত বিশেষ গুৰুত্ব দিব লাগিলে ক্রমটো কর্ম + কর্তা + ক্রিয়া হয়। যেনে—

পুতলাটো তাই ভাঙিলে।

কণীটো ময়ে খালো।

কবিতাটো সি পঢ়িছিল। আদি।

কর্তা যদি অকর্মক হয়, তেনে ক্ষেত্রত কেৱল কর্তা আৰু ক্রিয়া ক্রমত থাকে। যেনে—

সি সুধিছে।

দীপকে দিছে।

লীলাই আনিছে। আদি।

সন্মতি নথকা বা বিৰক্তিৰে প্রকাশ কৰিবলৈ পদৰ ক্রম ক্রিয়া+ কর্ম + কর্তা হয়। যেনে—

নিদিয়ে টকা সি।

নুসুধিবা সহায় তাইক।

নাপায় ৰীতাই ভাল। আদি।

বহুক্ষেত্রত দাবী, আব্দাৰ, মৰম আদি বুজাবলৈও বাক্যৰ আৰম্ভণিতে ক্রিয়া পদ ব্যৱহাৰ কৰা হয়। যেনে—

দিয়ানা সোনকালে।

কোৱানা মোক কথাটো।

ৰোৱা না মোৰ লগত। আদি।

ক্রিয়াহীন সৰল বাক্য ঃ

অসমীয়া ভাষাত ক্রিয়া পদ নথকাকৈও এটা পূৰ্ণাঙ্গ সৰল বাক্য হ'ব পাৰে। এক প্রকাৰ এনেবোৰ বাক্যত ক্রিয়া উহ্য হৈ থাকে। যেনে—

আকাশ অন্তহীন।

ধর্মই অথন্তৰ। আদি।

এনেধৰণৰ ক্রিয়াহীন সৰল বাক্যবোৰ দুটা বিশেষ্য শব্দগুচ্ছেৰে গঠিত হয়। প্রথম বিশেষ্যটোৱে বিশেষ্য বা সর্বনামক তথা দ্বিতীয়টোৱে বিশেষণ বা বিশেষ্যক বুজায়। দ্বিতায়টোৱে প্রথমটোৰ পূৰক ৰূপে অর্থ প্রকাশ কৰে।

দ্বিক্রিয়াযুক্ত সৰল বাক্য ঃ

অসমীয়া ভাষাত প্রায়ে দুটা ক্রিয়া থকা সৰল বাক্যৰ প্রয়োগ আছে। দ্বিক্রিয়াযুক্ত সৰল বাক্যত প্রথম ক্রিয়া পদটো অসমাপিকা আৰু দ্বিতীয় ক্রিয়া পদটো সমাপিকা হয়। দ্বিতীয় ক্রিয়া পদটোৰ মাজেৰেই কাল আৰু পুৰুষ নির্ণিত হয়। যেনে—

সি কলেজৰ পৰা আহি ভাত নাখায়।

নীভাই বিয়াত গৈ প্রৱন্ধ লিখিছিল।

মই তোমাক মাতি কামটো দিম। আদি।

ক্রিয়াৰ পুনৰাবৃত্তি সমৃদ্ধ সৰল বাক্য ঃ

অসমীয়া ভাষাত ক্রিয়াৰ ধাৰাবাহিকতা অথবা ভাবৰ অবিচ্ছন্নতা সূচাবলৈ ক্রিয়া পদটোৰ পুনৰুক্তি কৰা হয়। দ্বিক্রিয়াযুক্ত সৰল বাক্যত এনে এনেধৰণে পুনৰাবৃত্তি দেখআ পোৱা যায়। যেনে—

বাইদেউৱে ফোন কৰি কৰি কামটো কৰালে।

সি পঢ়ি পঢ়ি পগলা হৈছে।

মোক খুজি খুজি নিব পৰা নাই। আদি।

যুগ্ম বাক্য ঃ

দুই বা তাতোধিক সৰল বাক্যক সংযোজক বা বিয়োজক অব্যয়ৰ দ্বাৰা সংযুক্ত কৰি এটা বাক্যলৈ ৰূপান্তৰ কৰিলে তাকে যুগ্ম বাক্য বুলি কোৱা হয়। যেনে—

মনোজ আৰু মনালিছা দার্জিলিঙলৈ গৈছিল।

উদাহৰণৰ বাক্যটোত দুটা সৰল বাক্য আছে—

মনোজ দার্জিলিঙলৈ গৈছিল।

মনালিছা দার্জিলিঙলৈ গৈছিল।

বাক্য দুটাক *আৰু* সংযোজক অব্যয়ৰ সহায়ত এটা বাক্যলৈ ৰূপান্তৰণ কৰা হৈছে। একেদৰে,

ভৈৰবে কলেজত চাকৰি কৰিছিল।

ভৈৰবে ইউনিভার্ছিটিত চাকৰি কৰিছিল।

ভৈৰবে একো লিখা মেলা কৰা নাছিল।

ওপৰৰ তিনিওটা সৰল বাক্যক সংযোজক অব্যয়ৰ সহায়ত *ভৈৰবে কলেজ আৰু ইউনিভার্ছিটিত চাকৰি কৰিছিল যদিও একো লিখা মেলা কৰা নাছিল* - এই যুগ্ম বাক্যটো গঠন কৰিব পাৰি।

অৱশ্যে কোনো সংযোজক বা বিয়োজক অব্যয় অবিহনেও যুগ্ম বাক্য গঠন হ'ব পাৰে। যেনে—

মই নগ'লো, জানিছিলো সিও নাহে।

বুজাই লাভ নাই, সি নামানে।

সি নাযায়, মই ভালদৰে জানো।

যুগ্মবাক্যত দুই বা তাতোধিক সৰল বাক্য থাকে। গতিকে, বাক্যবোৰৰ যদি উদ্দেশ্যৰ উপবাক্য একে হয় তেন্তে এবাৰেই সেই উপবাক্য প্ৰয়োগ কৰা হয় আৰু যদি বিধেয়ৰ উপবাক্য একে হয় তেন্তে এবাৰেই বিধেয়ৰ প্ৰয়োগ কৰা হয়। যেনে—

ৰামে মোক মাতি নিছিল।

ৰামে মোক পিটিছিল।

এই সৰল বাক্য দুটা যুগ্মলৈ ৰূপান্তৰ কৰিলে হ'ব—

ৰামে মোক মাতি নিছিল আৰু পিটিছিল।

যিহেতু দুয়োটা বাক্যৰ উদ্দেশ্য *ৰাম* গতিকে যুগ্ম বাক্যটোত ৰাম উদ্দেশ্য এবাৰেই ব্যৱহৃত হৈছে। একেদৰে,

নীভা বিয়া খাবলৈ গৈছে।

ভিনিদেউ বিয়া খাবলৈ গৈছে।

ওপৰৰ সৰল বাক্য দুটাত উদ্দেশ্য ভিন্ন যদিও বিধেয় একে হোৱা বাবে সৰকল বাক্যটো তলত দিয়া ধৰণৰ হ'ব—

নীভা আৰু ভিনিদেউ বিয়া খাবলৈ গৈছে।

জটিল বাক্য ঃ

জটিল বাক্য হ'ল সেই বাক্য য'ত দুই বা তাতোধিক সৰল বাক্যক বিশেষ ধৰণে সংযোগ কৰা হয়। এটা জটিল বাক্যত অতি কমেও দুটা উপবাক্য থাকে আৰু প্ৰতিটো উপবাক্যতে একোটাকৈ উদ্দেশ্য আৰু বিধেয় থাকে। অৰ্থৰ দিশৰ ফালৰ পৰা এটা উপবাক্য প্ৰধান আৰু আনটো উপবাক্য গৌণ বা তলতীয়া হৈ থাকে। যেনে—

যদি ৰঙ্গাই চাই দিয়ে কিতাপখন ওলাব।

উদাহৰণৰ বাক্যটোত দুটা বাক্যক বিশেষভাৱে সংযোগ কৰা হৈছে। বাক্য দুটা হ'ল *কিতাপখন ওলাব* আৰু *যদি ৰঙ্গাই চাই দিয়ে*। ইয়াত *কিতাপখন ওলাব* এটা স্বয়ং সম্পূৰ্ণ বাক্য। বাক্যটো কোনো অন্য বাক্যৰ ওপৰত নিৰ্ভৰশীল নহয়। গতিকে এই বাক্যটো প্ৰধান উপবাক্য। আনহাতে যদি *ৰঙ্গাই চাই দিয়ে* বাক্যটো গৌণ বা তলতীয়া বাক্য কিয়নো প্ৰধান উপবাক্যটোৰ অনুপস্থিতি ত উক্ত বাক্যটোৰ অৰ্থ অসম্পূৰ্ণ। প্ৰধান উপবাক্যটোৰ আশ্ৰয় অবিহনে তলতীয়া বাক্যটোৰ অৰ্থ সম্পূৰ্ণ নোহোৱা হেতুকে তলতীয়া বাক্যক আশ্ৰিত উপবাক্য বুলিও ক'ব পাৰি।

জটিল বাক্য দুই বা তাতোধিক সৰল বাক্য, এটা যুগ্ম আৰু এটা সৰল বাক্য বা দুটা যুগ্ম বাক্যৰ সংযোগেৰেও গঠন হ'ব পাৰে। যেনে—

যদি মোক মাতে আৰু নয়নো আহে তেন্তে কামটো সফল হ'ব।

উদাহৰণৰ বাক্যটোত *যদি মোক মাতে আৰু নয়নো আহে* এটা যুগ্ম বাক্য আৰু *কামটো সফল হ'ব* এটা সৰল বাক্য। একেদৰে,

যদি ৰাইজে সহায় কৰে আৰু চৰকাৰে বাধা নিদিয়ে তেন্তে কামৰ ফল পোৱা যাব আৰু বিকাশো হ'ব।

উক্ত বাক্যটোত *ৰাইজে সহায় কৰে আৰু চৰকাৰে বাধা নিদিয়ে* তথা *কামৰ ফল পোৱা যাব আৰু বিকাশো হ'ব* যুগ্ম বাক্য দুটাক বিশেষ ধৰণে সংযোগ কৰি জটিল বাক্য গঠন কৰা হৈছে।

কেতিয়াবা আশ্রিত বা তলতীয়া বাক্যটো প্রধান বাক্যৰ গৰ্ভত সোমাই থাকে। তেতিয়া প্রধান বাক্যক ধাৰক বাক্য আৰু গৰ্ভত সোমাই থকা বাক্যটোক গৰ্ভবাক্য বুলি কোৱা হয়। যেনে—

মামনিয়ে সুধিছিল যে মই বিয়া পাতিম নে নাপাতো।

উদাহৰণৰ বাক্যটোত *মই বিয়া পাতিম নে নাপাতিম* বাক্যটো *মামনিয়ে সুধিছিল* বাক্যটোৰ গৰ্ভত সোমাই আছে। সেয়েহে, মামনিয়ে সুধিছিল উপবাক্যটো ধাৰক বাক্য আৰু *মই বিয়া পাতিম নে নাপাতিম* উপবাক্যটো গৰ্ভবাক্য বা গৰ্ভউপবাক্য।

অসমীয়া ভাষাত ব্যৱহৃত জটিল বাক্যবোৰক ক্রমানুযায়ী বিভিন্ন ধৰণে গঠন কৰিব পাৰি। তলত তেনে ধৰণৰ ক্রমবোৰৰ উদাহৰণ দাঙি ধৰা হৈছে—

সীতাই কৈছিল তাইক কোনো প্রমাণ নালাগে।
তাইক কোনো প্রমাণ নালাগে বুলি সীতাই কৈছিল।
ৰামে জানে যে সীতাক বুজোৱাতো সহজ নহয়।
সীতাক বুজোৱাতো সহজ নহয় বুলি ৰামে জানে।
তাই নহাকৈ নাথাকে, যদি তুমি সন্মতি দিয়া।
যদি তুমি সন্মতি দিয়া তাই নহাকৈ নাথাকে। আদি।

বাক্যৰ অর্থৰ দিশেৰে বাক্যৰ শ্রেণীবিভাগ ঃ

বাক্যই প্রকাশ কৰা অর্থৰ দিশৰ ফালৰ পৰা অসমীয়া ভাষাৰ বাক্যসমূহক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পাৰি—

বর্ণনাত্মক বাক্য
প্রশ্নবোধক বাক্য
নির্দেশাত্মক বাক্য
বিস্ময়সূচক বাক্য
প্রার্থনামূলক বাক্য আৰু
সন্দেহবোধক বাক্য।

বর্ণনাত্মক বাক্য ঃ

যিবোৰ বাক্যত কোনো ঘটনা বা পৰিস্থিতিৰ বর্ণনা মাত্ৰ থাকে তেনেবোৰ বাক্যকে বর্ণনাত্মক বাক্য বুলি কোৱা হয়। এইবোৰ বাক্য ছুটিও হ'ব পাৰে বা দীঘলীয়াও হ'ব পাৰে। যেনে—

পদুম বোকাত ফুলে।

ৰাম এজন ল'ৰা।

চোৰটো মৰিল।

বেলি ডুবিল। আদি।

প্রশ্নবোধক বাক্য ঃ

প্রশ্নসূচক বাক্যই প্রশ্ন সোধা ভাব প্রকাশ কৰে। সাধাৰণ বর্ণনাত্মক সাৰ বাক্যৰ পৰা তিনিটা উপায়েৰে প্রশ্নবোধক বাক্য গঠন কৰা হয়। এই উপায়কেইটা হ'ল—

(ক) সুৰ লহৰৰ পৰিৱর্তন

(খ) প্রশ্নবোধক প্রত্যয় নে, নেকি বা জানো ৰ সংযোগ আৰু

(গ) ক ৰে আৰম্ভ হোৱা ক্রিয়াবিশেষণ বা সর্বনামৰ ব্যৱহাৰ

সুৰলহৰৰ প্রয়োগৰ দ্বাৰা বর্ণনাত্মক বাক্য এটাক প্রশ্নবোধকলৈ ৰূপান্তৰ কৰিব পাৰি। বর্ণনাত্মক বাক্য আৰু প্রশ্নবোধক বাক্যৰ সুৰ বেলেগ হয়। তলত তাৰ উদাহৰণ আগবঢ়োৱা হৈছে—

তোমাৰ ঘৰ গুৱাহাটীত।

তোমাৰ ঘৰ গুৱাহাটীত?

সি বিয়ালৈ নাযায়।

সি বিয়ালৈ নাযায়?

মই নামানো।

মই নামানো? আদি।

বর্ণনাত্মক বাক্যৰ শেষত নে বা নেকি প্রত্যয় সংযোগ কৰিও প্রশ্নবোধক বাক্য গঠন কৰা হয়। কেতিয়াবা জানো ব্যৱহাৰ কৰিও প্রশ্নবোধক বাক্য গঠন কৰা হয়। জানো বাক্যৰ শেষত বা কেতিয়াবা উদ্দেশ্য বা কর্তাৰ পিছত বা কর্মৰ পিছতো বহিব পাৰে। তলত এনেধৰণৰ বাক্যৰ উদাহৰণ আগবঢ়োৱা হৈছে—

দীপেন স্কুললৈ গৈছেনে?

তুমি মোক ক'বা নেকি?

তুমি শুনা নাছিলা জানো?

তুমি জানো শুনা নাছিলা?

তুমি শুনা জানো নাছিলা? আদি।

অসমীয়া ভাষাত ক ৰে আৰম্ভ হোৱা সর্বনাম বা ক্রিয়া বিশেষণেৰে কোনো বিশেষ্য

বা ক্রিয়া বিশেষণ স্থানান্তৰ কৰি সেই ক ত বিহিত ভাৱে বিভক্তি সংযোগ কৰি প্ৰশ্নবোধক বাক্য গঠন কৰা হয়। যেনে—

তুমি ক'ত থাকা?
ৰাম কেতিয়া আহিব?
কোনে সুধিছিল ? আদি।

ভৱিষ্যত কালৰ ইতিবাচক আৰু নেতিবাচক ৰূপৰ বিৰোধ দেখুৱাইও অসমীয়া ভাষাত প্ৰশ্নবোধক বাক্য গঠন কৰা হয়। যেনে—

সি তোমাক বিয়া পাতিব নে নাপাতে?
নীভাই টকাকেইটা দিব নে নিদিয়ে?

নিৰ্দেশাত্মক বাক্য ঃ

আদেশ, অনুৰোধ, অনুজ্ঞা, উপদেশ আদি ভাৱ প্ৰকাশ কৰা বাক্যকে নিৰ্দেশাত্মক বাক্য বুলি কোৱা হয়। নিৰ্দেশাত্মক বাক্যত উদ্দেশ্যৰ ঘৰত কেৱল কৰ্তা বহে আৰু কৰ্তা প্ৰায়েই দ্বিতীয় পুৰুষ হয় গতিকে উহ্য থাকে। যেনে—

(তই) কামটো কৰ।
সোনকালে পাঠটো দিয়ক।
কিছুপৰ ৰওঁক।
মোক লগ ধৰক।
মনে মনে থাক। আদি।

বিস্ময়সূচক বাক্য ঃ

যি বাক্যত আশ্চৰ্য ভাব প্ৰকাশ হয় সেই বাক্যকে বিস্ময়সূচক বাক্য বুলি কোৱা হয়। অসমীয়া ভাষাত সচৰাচৰ আহ্, উহ্, ইচ্, আই ঔ, বাঃ আদি অব্যয় প্ৰয়োগ কৰি আনন্দ, দুখ, আৱেগ, উচ্ছাস আদি প্ৰকাশ কৰা হয়। যেনে—

আঃ মজা।
হায়! কি যে দেখিলো।
হে ৰাম, সি মৰি গ'ল!
বাঃ খুব ধুনীয়া। আদি।

প্ৰাৰ্থনামূলক বাক্য ঃ

বক্তাৰ মনৰ আশা আকাংক্ষাৰ ভাৱ প্ৰকাশ কৰা বাক্যতে প্ৰাৰ্থনামূলক বাক্য বুলি কোৱা হয়। যেনে—

সদায় সুখী হোৱা।
ৰাইজে সহায় কৰক।
আল্লাহে মঙ্গল কৰক।
তোমাৰ উন্নতি হওঁক। আদি।

সন্দেহবোধক বাক্য ঃ

অনিশ্চয়তা অথবা সন্দেহৰ ভাৱ প্ৰকাশ কৰা বাক্যকে সন্দেহবোধক বাক্য বুলি কোৱা হয়। যেনে—

সি বোধহয় ফোনত খুব কথা পাতে।

তাই চাগে বিয়া নহবও পাৰে।

সি কিজানি নাহেই।

আজি ছাৰে প্ৰশ্ন সুধিব পাৰে। আদি।

বাক্যত পদৰ প্ৰাধান্যৰ দিশেৰে বাক্যৰ শ্ৰেণীবিভাগ ঃ

বাক্যক পদৰ প্ৰধান্যৰ দিশৰ ফালৰ পৰা অৰ্থাৎ কৰ্তা, কৰ্ম বা ক্ৰিয়াৰ গুৰুত্ব অনুযায়ী শ্ৰেণীবিভাজন কৰিব পাৰি। এনে শ্ৰেণাবিভাজনকে বাচ্য বুলি কোৱা হয়। বাচ্য তিনি প্ৰকাৰৰ—

কৰ্তৃ বাচ্য

কৰ্ম বাচ্য আৰু

ভাৱ বাচ্য।

যি বাক্যত কৰ্তাই মুখ্য স্থান লাভ কৰে, তেনে বাক্যকে কৰ্তৃ বাচ্য বুলি কোৱা হয়। যেনে—

হৰিয়ে হাতেৰেই নাৰিকলটো কাটিলে।

চোৰটোৱে কাকো একো নক'লে। আদি।

যি বাক্যত কৰ্মই মুখ্য স্থান লাভ কৰে তেনে বাক্যকে কৰ্ম বাচ্যৰ বাক্য বোলে। এনে বাক্যত কৰ্তা বা ক্ৰিয়াই গুৰুত্ব নাপায়। যেনে—

ঘৰত লুকাই আছে।

পোহৰত কামটো নহ'ব। আদি।

যি বাক্যত ক্ৰিয়াৰ কাৰ্যৰ বৰ্ণনা কৰাই মুখ্য আৰু কৰ্তা তথা কৰ্ম দুয়োটাই গৌণ, সেই বাক্যকে ভাৱবাচ্যৰ বাক্য বুলি কোৱা হয়। যেনে—

কেতিয়া বা কোৱা হয়?

কিয়বা অহা হ'ল?

এতিয়া সোধা হওঁক। আদি।

এইদৰে বিভিন্ন দৃষ্টিভঙ্গীৰে অসমীয়া ভাষাৰ বাক্যবোৰক বিভিন্ন ধৰণে শ্ৰেণীবিভাজন কৰিব পাৰি।

১১.৫ খণ্ডবাক্য

এটা সৰল বা সম্প্ৰসাৰিত উদ্দেশ্য অথবা সৰল বা সম্প্ৰসাৰিত বিধেয় যদি নিজেই এটা স্বতন্ত্ৰ বাক্য ৰূপে ব্যৱহৃত নহয় অন্য কোনো দীঘলীয়া বাক্যৰ অংশৰূপে প্ৰয়োগ হয়

তেন্তে তাক খণ্ডবাক্য বুলি কোৱা হয়।খণ্ডবাক্যৰ বৈশিষ্ট্যবোৰ হ'ল—

- খণ্ডবাক্যবোৰ আসক্তিযুক্ত পদৰ সমষ্টি হয় যদিও ই পূর্ণাঙ্গ বাক্য নহয়।
- ই এটা বাক্যৰ অংশৰূপে ব্যৱহৃত হয়।
- খণ্ডবাক্যত কর্তাপদ থাকিব পাৰে।
- খণ্ডবাক্যত কেতিয়াও সমাপিকা ক্রিয়া থাকিব নোৱাৰে।

খণ্ডবাক্যবোৰ কাৰ লগত যুক্ত হৈ থাকে সেই অনুযায়ী ইহঁতক তিনি ভাগত ভগাব পাৰি। এই ভাগ কেইটা হ'ল—

বিশেষ্য খণ্ডবাক্য।

বিশেষণীয় খণ্ডবাক্য।

ক্রিয়াবিশেষণীয় খণ্ডবাক্য।

বিশেষ্য খণ্ডবাক্য ঃ যি খণ্ডবাক্যই কর্তা বা কর্মৰ সম্প্রসাৰক ৰূপে গথিত হয় তাকে বিশেষ্য খণ্ডবাক্য বুলি কোৱা হয়। এই খণ্ডবাক্যবোৰ গুণবোধক হয়। যেনে—

সি কলেজলৈ গৈ দেখিলে কোনো ছাত্র ছাত্রী অহাই নাই।

সীতা বিয়ালৈ যাব নে নাই ৰামে সেই কথা নাজানে।

বিশেষণীয় খণ্ডবাক্য ঃ যি খণ্ডবাক্যই প্রধান খণ্ডবাক্যৰ অন্তর্গত কোনো বিশেষ্য বা সর্বনামৰ দোষ, গুণ আৰু অৱস্থা প্রকাশ কৰে তাকেই বিশেষণীয় খণ্ডবাক্য বোলে। যেনে—


সোণ ৰূপ গুণেৰে ভৰা আমাৰ অসমৰ সেউজ মাটি।

যিয়ে আজিৰ এই ছবি নেদেখিলে সি বহু কিবা হেৰুৱালে।

ক্রিয়াবিশেষণীয় খণ্ডবাক্যঃ যি খণ্ডবাক্য ক্রিয়াপদৰ স্থান, কাল বা কাৰণ নির্দেশ কৰাৰ বাবে প্রয়োগ হয় তাকে ক্রিয়াবিশেষণীয় খণ্ডবাক্য বুলি কোৱা হয়। যেনে—

তুমি ক'বা বুলি মই বহু পৰ ৰৈ আছিলো।

য'ত দুখন নৈ লগ হয় তাকেই মোহনা বোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যুগ্ম বাক্য আৰু জটিল বাক্যৰ মাজত থকা পার্থক্য কি? (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ প্রশ্নবোধক বাক্য কিদৰে গঠন কৰা হয়? (১০০টা শব্দৰ ভিতৰত)

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই বাক্যৰ বিজ্ঞানসম্মত অধ্যয়নকেই বাক্যতত্ত্ব বুলি কোৱা হয়।
- বাক্যৰ গঠনগত দিশৰ ফালৰ পৰা অর্থাৎ বাক্যটো ৰচনা হোৱা প্রক্রিয়া বা উপাদান অনুযায়ী অসমীয়া বাক্যসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি।
- বাক্যই প্রকাশ কৰা অর্থৰ দিশৰ ফালৰ পৰা অসমীয়া ভাষাৰ বাক্যসমূহক ছয় ভাগত ভগাব পাৰি।
- এটা সৰল বা সম্প্রসাৰিত উদ্দেশ্য অথবা সৰল বা সম্প্রসাৰিত বিধেয় যদি নিজেই এটা স্বতন্ত্র বাক্য ৰূপে ব্যৱহৃত নহয় অন্য কোনো দীঘলীয়া বাক্যৰ অংশৰূপে প্রয়োগ হয় তেন্তে তাক খণ্ডবাক্য বুলি কোৱা হয়।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, অনু. বিশ্বেশ্বৰ হাজৰিকা। ৰৰপেটা সাহিত্য সভাৰ হৈ বাণী প্রকাশ, গুৱাহাটী।

২) গোস্বামী, উপেন্দ্র নাথ (২০০৪) ঃ *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, গোলোক চন্দ্র (১৯৯২) ঃ *ভাষা ভাষণিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) গোস্বামী, গোলোক চন্দ্র (১৯৯৩) ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

ইংৰাজী গ্রন্থ ঃ

৫) Goswami, Golok chandra (1982) : *Structure of Assamese.* Publication Department. Gauhati University. Guwahati.



১১.৮ অগ্রগতিৰ খতিয়ান (কৈৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ যুগ্ম বাক্যৰ গঠন আৰু সৰল বাক্যৰ গঠন প্রক্রিয়া লিখি উদাহৰণসহ গঠনগত পার্থক্য আৰু প্রকাৰ ভেদ লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ প্রশ্নবোধক বাক্য কাক বোলে লিখি তাৰ প্রকাৰবোৰ উল্লেখ কৰি উদাহৰণ দিব লাগিব।



১১.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাক্যতত্ত্ব কাক বোলে? অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ চমু পৰিচয় দিয়ক।

প্রশ্ন ২ ঃ অসমীয়া সৰল বাক্যৰ গঠনসমূহ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ জটিল বাক্য কাক বোলে? অসমীয়া ভাষাৰ জটিল বাক্যবোৰ কেনেধৰণৰ আলোচনা কৰক।

প্রশ্ন ৪ ঃ খণ্ডবাক্য কাক বোলে? উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া ৰূপতত্ত্বৰ ঐতিহাসিক বিকাশ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ৰূপতত্ত্ব ঃ এটি চমু পৰিচয়

১২.৪ অসমীয়া ৰূপতত্ত্বৰ ইতিহাস

১২.৪.১ প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতত্ত্ব

১২.৪.২ প্ৰাক্-শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

১২.৪.৩ শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

১২.৪.৪ উত্তৰ-শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

১২.৪.৫ আধুনিক অসমীয়া ভাষাৰ ৰূপতত্ত্ব

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপতত্ত্ব সম্পৰ্কে এটি ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বিৱৰ্তন সম্পৰ্কে বিস্তৃতভাৱে জানিব পাৰিব।

১২.২ পৰিচয়

পূৰ্বৱৰ্তী অধ্যায়ত আপুনি বাক্যতত্ত্বৰ বিষয়ে ধাৰণা লাভ কৰিলে। এই অধ্যায়ত অসীয়া ভাষাৰ ৰূপতত্ত্ব ঐতিহাসিক বিৱৰ্তন সম্পৰ্কে এক আলোচনা আগবঢ়োৱা হ'ব। অসমীয়া ভাষাৰ স্তৰ বিভাজন কৰি প্ৰতিটো স্তৰতে পৰিলক্ষিত হোৱা সাধাৰণ ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰ উদাহৰণসহ এই অধ্যায়ত দাঙি ধৰা হ'ব।

১২.৩ ৰূপতত্ত্ব ঃ এটি চমু পৰিচয়

ইংৰাজী morphology শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাপে ৰূপতত্ত্ব শব্দটো ব্যৱহাৰ কৰা হয়। যিকোনো ভাষাৰ ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হ'ল প্ৰাকৃতি যাক

ইংৰাজীত morpheme বুলি কোৱা হয়। ভাষাৰ এক বা একাধিক বৰ্ণেৰে গঠিত আকৃতিসমুহৰ ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অর্থৰ বাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। এনে শ্রেণীবদ্ধ কৰা আকৃতিসমূহৰ প্রয়োগ বিশ্লেষণ কৰি বিৰোধ আছে নে নাই অর্থাৎ একে পৰিৱেশত ব্যৱহাৰ কৰিলে অর্থৰ শ্রেণী পৰিৱর্তন কৰিব পাৰে নে নোৱাৰে তাক বিশ্লেষণ কৰা হয়। বিৰোধ নথকা আকৃতিবোৰক একোটা গোট কৰি 'আকৃতি' বা 'ৰূপ' বুলি চিনাক্ত কৰা হয়। এটা প্রাকৃতিৰ অন্তর্গত হোৱাৰ লগে লগে আকৃতিবোৰক সেই প্রাকৃতিটোৰ উপাকৃতি নামেৰে চিহ্নিত কৰা হয়। অসমীয়া ভাষাত প্রাকৃতিক দুটা ভাগত ভগাব পাৰি—

ক) মুক্ত প্রাকৃতি বা মুক্ত ৰূপ (Free morpheme)

খ) বদ্ধ প্রাকৃতিক আৰু বদ্ধ ৰূপ বা সর্গ (Bound morpheme)

যিবোৰ প্রাকৃতিয়ে অকলশৰীয়াকৈ বহি অর্থ প্রকাশ কৰিব পাৰে, সেইবোৰক মুক্ত প্রাকৃতি বা মুক্ত ৰূপ বোলে। আন ভাষাত ক'বলৈ গ'লে যিবোৰ ৰূপক আশ্রয় কৰি বাকী ৰূপবিলাক লগ লাগে তাক মুক্ত প্রাকৃতি বোলে। যেনে—

খেতি + অক = খেতিয়ক

পথাৰ + অত = পথাৰত

আনহাতে যিবোৰ প্রাকৃতি বা ৰূপে অকলশৰীয়াকৈ বহি অর্থ প্রকাশ কৰিব নোৱাৰে, মুক্ত প্রাকৃতিৰ লগতহে বহি অর্থ প্রকাশ কৰিব পাৰে, সেইবোৰক বদ্ধ ৰূপ বোলে। যেনে—

খেতি + অক = খেতিয়ক

পথাৰ + অত = পথাৰত



জানি থোৱা ভাল

বহলভাৰে বদ্ধ প্রাকৃতিক সর্গ বোলে। স্থান অনুসৰি অকৌ সর্গবোৰক তিনিটা ভাগত ভগাব পাৰি—

ক) পূর্বসর্গ বা উপসর্গ

খ) মধ্যমর্গ বা অন্তঃসর্গ

ক) পৰমর্গ বা অনুসর্গ

বদ্ধ ৰূপবোৰৰো একোটা নিজস্ব অর্থ আছে যদিও সিহঁতে অকলে সেই অর্থ প্রকাশ কৰিব নোৱাৰে। মুক্ত ৰূপৰ সহযোগতহে বদ্ধ ৰূপৰ অর্থ প্রকাশ কৰে।

গতিকে ভাষাৰ ৰূপতাত্ত্বিক আলোচনাত ৰূপ বা আকৃতি হৈছে এক বা একাধিক বৰ্ণেৰে গঠিত ক্ষুদ্রতম অর্থবহ গোট (Smallest meaningful unit of a language)। সাধাৰণভাৰে ক'লে কোনো বিশিষ্ট ধ্বনি বা ধ্বনি সমষ্টিয়ে কোনো অর্থ প্রকাশ কৰিলে তাক ৰূপ বোলে। সচৰাচৰ এটাতকৈ অধিক বিশিষ্ট ধ্বনিয়ে একোটা ৰূপ গঠন কৰে।

১২.৪ অসমীয়া ৰূপতত্ত্বৰ ইতিহাস

ভাষা পৰিৱৰ্তনশীল। সময় অতিবাহিত হোৱাৰ লগে লগে বিভিন্ন কাৰকৰ প্ৰভাৱত ভাষা এটাৰ ৰূপ পৰিৱৰ্তন হয়। কঠোৰ নীতি-নিয়মেৰে আৱদ্ধ কৰি ভাষা এটাৰ পৰিৱৰ্তনক বাধা দিব নোৱাৰি। তেনে কৰিলে ভাষা এটা কালক্ৰমত মৃত ভাষাত পৰিণত হোৱাৰ সম্ভাৱনা থাকে। উদাহৰণস্বৰূপে সংস্কৃতৰ কথা ক'ব পাৰো। পাণিনিয়ে 'অষ্টাধ্যায়ী' ৰচনা কৰি নিৰ্দিষ্ট নীতি-নিয়মৰ মাজত সংস্কৃতক আৱদ্ধ কৰি ভাষালৈ সময়ৰ লগে লগে অহা পৰিৱৰ্তনক বাধা দিছিল। এইদৰে ভাষাৰ সৰলীকৰণৰ প্ৰক্ৰিয়াক বাধা দিয়া বাবে কালক্ৰমত সংস্কৃত ভাষী মানুহৰ সংখ্যা কমি আহিল আৰু ই মৃত ভাষাত পৰিণত হোৱাৰ উপক্ৰম হৈছে।

অসমীয়া ভাষা এনে কোনো কঠোৰ নীতি-নিয়মৰ দ্বাৰা আৱদ্ধ নহয়। মাগধী অপভ্ৰাংশৰ পৰা অসমীয়া ভাষা উদ্ভৱ হোৱাৰ পিছৰ পৰাই ভাষাটোৱে কালানুযায়ী নিজৰ ৰূপ সলাই আহিছে। চৌপাশৰ অন্যান্য ভাষা পৰিয়ালৰ অন্তৰ্গত ভাষাৰ প্ৰভাৱ, সৰলীকৰণৰ প্ৰৱণতা, সময়ানুযায়ী হোৱা পৰিৱৰ্তনৰ বাবে বিভিন্ন সময়ত অসমীয়া ভাষাই নিজৰ ৰূপ সলাই আহিছে। দৰাচলতে ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, অৰ্থতত্ত্ব আৰু বাক্যতত্ত্বই ৰূপ সলালে ভাষা এটাৰ সামগ্ৰিক ৰূপৰো পৰিৱৰ্তন হয়। অসমীয়া ভাষাৰো অন্যান্য দিশৰ লগতে ৰূপতত্ত্বই সময়ৰ লগে লগে ৰূপ পৰিৱৰ্তন কৰিছে। অসমীয়া ৰূপতত্ত্বৰ ইতিহাসক মূলতঃ পাঁচটা ভাগত ভগাব পাৰোঁ। সেইকেইটা হ'ল—

১। প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতত্ত্ব
২। প্ৰাক্-শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব
৩। শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব
৪। উত্তৰ শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব
৫। আধুনিক অসমীয়া ভাষাৰ ৰূপতত্ত্ব

তলত এই বিভাগসমূহৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ আলোচনা দাঙি ধৰা হ'ল।

১২.৪.১ প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতত্ত্ব

এটা ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য অধ্যয়ন কৰোঁতে ভাষাটোৰ সাহিত্য সম্ভাৰৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিবলগীয়া হয়। প্ৰত্ন অসমীয়া ভাষাই অসমীয়া ভাষাৰ প্ৰথম নিদৰ্শনক বুজাইছে। খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত হোৱা সাহিত্যত প্ৰাৰম্ভিক স্তৰৰ অসমীয়া ভাষাৰ নিৰ্দশন সঞ্চিত হৈছে। এই সময়ছোৱাত ৰচিত সাহিত্য সম্ভাৰৰ ভিতৰত চৰ্যাপদ আৰু বড়ু চণ্ডীদাসৰ '*শ্ৰীকৃষ্ণ কীৰ্ত্তন*' উল্লেখযোগ্য। এই সাহিত্যিক নিদৰ্শনৰ অধ্যয়নৰ জৰিয়তে প্ৰাৰম্ভিক কালৰ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বৈশিষ্ট্যৰ সন্দৰ্ভত এটি সম্যক ধাৰণা লাভ কৰিব পাৰোঁ। প্ৰত্ন

অসমীয়া। ভাষাত ৰক্ষিত হোৱা ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

ক) চর্যাপদৰ ভাষাত সর্বনাম পদৰ যথেষ্ট ব্যৱহাৰ পোৱা যায়। ইয়াৰে কিছুমান সর্বনাম আধুনিক অসমীয়াত ৰক্ষিত হোৱাও পৰিলক্ষিত হৈছে। চর্যাপদত ব্যৱহৃত এনে সর্বনামৰ উদাহৰণ হ'ল— অপনা, অপনে, কাহেৰি, কাহেৰে, তই/তঁই, তাহেৰ, তামু, তু ইত্যাদি।

খ) চর্যাপদত সংখ্যাবাচক বিশেষ্য আৰু বিশেষণ শব্দৰো ব্যৱহাৰ পোৱা যায়। যেনে- এক, একু, চউশটি, দুই, দো, তিনি, পাঞ্চ আদি।

গ) অইসন, আজি, একাকাৰে, এবে, একেলে, একেলী, তমু আদি ক্রিয়া বিশেষণৰ প্রয়োগ চর্যাকাৰসকলে চর্যাপদত কৰিছে।

ঘ) আধুনিক অসমীয়াৰ নিচিনা চর্যাপদত বিশেষ্য বা সর্বনাম শব্দৰ একবচন বা বহুবচন অনুসৰি ক্রিয়াৰূপৰ পৰিৱর্তন নঘটে।

ঙ) চর্যাপদত বিভিন্ন কাৰক আৰু সম্বন্ধ পদ বুজাবলৈ কিছুমান শব্দ বিভক্তি ব্যৱহাৰ কৰা হয়। মন কৰিবলগীয়া এই শব্দ বিভক্তিবোৰৰ কিছুমান প্রাক্-শংকৰী যুগত ৰক্ষিত হোৱাৰ লগতে কিছুমানৰ লগত আধুনিক অসমীয়াৰ সাদৃশ্য দেখা যায়। উদাহৰণস্বৰূপে চর্যাপদৰ সম্বোধনত আধুনিক অসমীয়াৰ দৰে কোনো শব্দ বিভক্তি যোগ নহয়।

চ) চর্যাপদত শব্দ গঠনৰ বাবে প্রত্যয়ৰ সঘন ব্যৱহাৰ দেখা নগ'লেও দুই-এটা দৃষ্টান্ত পোৱা যায়। যেনে— আলি/আলী (যবৰালী)। এই প্রত্যয়ৰ ব্যৱহাৰ আধুনিক অসমীয়াতো আছে। যেনে— পুৰুষালি।

চর্যাপদৰ পৰৱর্তী সাহিত্যিক নিদর্শন হ'ল বড়ু চণ্ডীদাসৰ 'শ্রীকৃষ্ণ কীর্ত্তন'। চর্যাপদৰ পিছৰ সময়ছোৱাত ৰচিত হোৱা বাবে ইয়াৰ ভাষাৰ লগত মধ্যযুগীয় আৰু আধুনিক অসমীয়া ভাষাৰ যথেষ্ট মিল আছে। ই অসমীয়া ভাষাই নির্দিষ্ট ৰূপ গ্রহণৰ দিশে আগবঢ়া কথাটোক সূচায়। 'শ্রীকৃষ্ণ কীর্ত্তন'ৰ ভাষাৰ বিভিন্ন ৰূপতাত্ত্বিক বৈশিষ্ট্য এনে ধৰণৰ—

ক) 'শ্রীকৃষ্ণ কীর্ত্তন'ত আধুনিক অসমীয়াৰ দৰে -ঈ আৰু -নী স্ত্রী প্রত্যয়ৰ ব্যৱহাৰ আছে। যেনে— আজলী, নাতিনী।

খ) আধুনিক অসমীয়াৰ দৰে অতীত কালৰ ক্রিয়া বিভক্তি '-ইলোঁ'ৰ ব্যৱহাৰ পোৱা যায়। যেনে— আছিলোঁ।

গ) আধুনিক অসমীয়াৰ অনুৰূপ অসমাপিকা ক্রিয়াৰ ব্যৱহাৰ 'শ্রীকৃষ্ণ কীর্ত্তন'ত আছে। যেনে— সুনি।

ঘ) ষষ্ঠী বিভক্তিত '-ৰ'ৰ পিছত পৰসর্গ ব্যৱহাৰ কৰিছে। যেনে— তোমাৰ কাৰণে।

ঙ) দুই, চাৰি, সাত, তেৰ আদি সংখ্যাবাচক শব্দৰ ব্যৱহাৰ পোৱা যায়।

গতিকে দেখা যায় চর্যাপদৰ তুলনাত 'শ্রীকৃষ্ণ কীর্ত্তন'ৰ ভাষা আধুনিক অসমীয়াৰ অধিক ওচৰ চপা। অৱশ্যে ইয়াৰ ভাষাত বাংলা ভাষাৰো বৈশিষ্ট্য নিহিত নথকা নহয়। সেয়েহে বহু সময়ত বাংলা পণ্ডিতসকলে 'শ্রীকৃষ্ণ কীর্ত্তন'ক বাংলা ভাষাৰ সম্পদ বুলি দাবী কৰা পৰিলক্ষিত হৈছে।

১২.৪.২ প্রাক্-শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

চর্যাপদ আৰু 'শ্রীকৃষ্ণ কীর্ত্তন'ত আৰম্ভ হোৱা অসমীয়া ভাষাৰ ধাৰাটোই প্রাক্-শংকৰী যুগৰ সাহিত্যিকসকলৰ হাতত বিকশিত ৰূপ লাভ কৰিছিল। কমতাপুৰৰ ৰজা দুর্লভ নাৰায়ণ, পুত্র ইন্দ্রনাৰায়ণ, শ্রীমন্ত তাম্রধ্বজ আৰু তেওঁৰ অনুজ আৰু বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত হেম সৰস্বতী, ৰুদ্র কন্দলি, হৰিবৰ বিপ্র, কবিৰত্ন সৰস্বতী আৰু মাধৱ কন্দলিয়ে সাহিত্য চর্চা কৰিছিল। হেম সৰস্বতী এই যুগৰ প্রথম কবি হোৱাৰ বিপৰীতে মাধৱ কন্দলি শেষৰ আৰু এই যুগৰ শ্রেষ্ঠতম কবি। অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত মাধৱ কন্দলিৰ ৰামায়ণখনে এক বিশেষ গুৰুত্ব বহন কৰিছে। ৰামায়ণখনৰ ভাষাবৈশিষ্ট্য আলোচনাৰ জৰিয়তে সেই সময়ৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰি। তলত কন্দলিকৃত ৰামায়ণৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পর্কে উদাহৰণসহ উল্লেখ কৰা হ'ল—

ক) কন্দলিয়ে ব্যৱহাৰ কৰা শব্দ বিভক্তি বহু ক্ষেত্রত আধুনিক অসমীয়াৰ ওচৰ চপা। যেনে—

প্রথম ঃ এ দশৰথে বোলন্ত

দ্বিতীয়া ঃ -ক/-ঙ্ক ঃ ৰামক বথত তুলি আনিও সত্বৰ

তৃতীয়া ঃ ৰ/-ন ঃ ৰাম সীতা প্রবেশিলা ৰজাৰ মন্দিৰি।

খ) আধুনিক অসমীয়াৰ দৰে ৰামায়ণত পঞ্চমী বিভক্তিৰ কোনো চিন নাই। অপাদান কাৰক বুজাবলৈ কেতিয়াবা ষষ্ঠীৰ '-ৰ' বা সপ্তমীৰ '-ত' বিভক্তি আৰু কেতিয়াবা অকল পৰসর্গ 'হন্তে' নাইবা ষষ্ঠী '-ৰ' আৰু সপ্তমী '-ত'ৰ পিছত 'হন্তে'ৰ ব্যৱহাৰ কৰিছে। যেনে— যাত হন্তে ভৈলা তুমি দুর্গতি উদ্ধাৰ।

গ) নিমিত্ত কাৰক বুজাবলৈ দ্বিতীয়া '-ক' বিভক্তি নাইবা তাৰ পিছত পৰসর্গ 'লাগি'ৰ ব্যৱহাৰ কৰিছে। যেনে— কিষ্কিন্ধাক লাগি বেগে চলিলা দুন্দুভি।

ঘ) নস্ত্যর্থক ক্রিয়া ৰূপৰ প্রয়োগ— নালাগে, নাজান, নজানোহো, নপাৰোঁ, নেৰে, নিদিবাহা আদি।

ঙ) গছ-গছনি সম্পর্কীয় শব্দ— সৰল, শাল, তমাল, গমাৰি, তেন্তেলি, গুৱা আদি।

চ) চৰাই-চিৰিকটি সম্পৰ্কীয় শব্দ— কংক, বংক, কাক, কোকিল, ৰাজহংস, চক্ৰবাক আদি।

ছ) জীৱ-জন্তু বুজোৱা শব্দ — ব্যাঘ্ৰ, বাঘ, ঘোঙ, বৰাহ, ভালুক, গৰ্দ্দভ, হস্তী, মহিষ আদি।

জ) আ-অলংকাৰ বুজোৱা শব্দ— মুকুট, কুণ্ডল, নেপূৰ, কংকণ আদি।

ঝ) নিৰ্দিষ্টতাবাদক প্ৰত্যয়— কুজগুটি, ৰাত্ৰিগোট, ৰথখান, শূলপাট আদি।

ঞ) সৰ্বনাম শব্দৰ ব্যৱহাৰ — তুমি, তযু, মোৰ, তোমাৰ, আমাৰ আদি।

ট) বহুবচনাত্মক প্ৰত্যয় — মাণিকসব, ব্ৰহ্মসব, তাৰাগণ

আদি বৈশিষ্ট্যসমূহ বিচাৰ কৰিলে এটা কথা স্পষ্ট হয় যে মাধৱ কন্দলিৰ ৰামায়ণখনত অসমীয়া ভাষাটোৰ এটা পূৰ্ণ আৰু পুষ্ঠ ৰূপ সংৰক্ষিত হৈ আছে। চৰ্যাপদ আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ ভাষাৰ তুলনাত কন্দলিৰ ভাষা যথেষ্ট সমৃদ্ধ আৰু আধুনিক অসমীয়া ভাষাৰ অধিক ওচৰ চপা। প্ৰকৃততে প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ হাতত অসমীয়া ভাষাৰ এটা সুস্থ ৰূপে গা-কৰি উঠিছিল। কন্দলি ৰামায়ণ ইয়াৰ উৎকৃষ্ট নিদৰ্শন।



জানি থোৱা ভাল

মাধৱ কন্দলিৰ ৰামায়ণখনক 'সপ্তকাণ্ড ৰামায়ণ' বোলা হয় যদিও কন্দলিকৃত মূল ৰামায়ণখনৰ পাঁচটা কাণ্ডহে উদ্ধাৰ হৈছে। আদি কাণ্ড আৰু উত্তৰা কাণ্ড শংকৰী যুগত ক্ৰমে মাধৱদেৱ আৰু শংকৰদেৱে ৰচনা কৰি ৰামায়ণখন সম্পূৰ্ণ কৰিছিল।

১২.৪.৩ শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

শংকৰী যুগত অসমীয়া ভাষাৰ দুটা ৰূপ দেখিবলৈ পোৱা যায়— পদ্য আৰু গদ্য। পূৰ্বৰে পৰা চলি অহা অসমীয়া পদ্যৰ ধাৰণাটো শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ অনুগামী সাহিত্যিকসকলে বৰ্তাই ৰাখিছিল। একে সময়তে শংকৰদেৱে অংকীয়া নাট ৰচনা কৰি অসমীয়া গদ্য সৃষ্টিৰো প্ৰয়াস কৰিছিল। অৱশ্যে অংকীয়া নাটৰ ভাষা ব্ৰজবুলি আৰু এই গদ্য অধিক পদ্যধৰ্মী হোৱা বাবে পৰৱৰ্তী কালত অধিকাংশ সাহিত্যৰ বুৰঞ্জী প্ৰণেতাই শংকৰদেৱক অসমীয়া গদ্যৰ জনক নুবুলি এই খিতাপ ভট্টদেৱক প্ৰদান কৰিছিল।

মন কৰিবলগীয়া যে এই যুগত শংকৰদেৱ-মাধৱদেৱকে আদি কৰি তেওঁলোকৰ অনুগামীসকলে সাহিত্যচৰ্চাৰ বাবে ব্ৰজবুলি ভাষা ব্যৱহাৰ কৰিছিল। অসমীয়া আৰু মৈথিলি ভাষাৰ সংযোগত প্ৰস্তুত কৰা ভাষাই হ'ল ব্ৰজবুলি।

শংকৰদেৱে শ্রীকৃষ্ণ চৰিত্র-মাহাত্ম্য প্রকাশক গীত-পদ ৰচনাৰ বাবে ব্রজবুলি ভাষা নির্বাচন কৰিছিল যাতে জনসাধাৰণ বৈষ্ণৱ ধর্মৰ প্রতি অতি সহজে আকর্ষিত হ'ব পাৰে। শংকৰদেৱৰ লগতে মাধৱদেৱৰ ব্রজবুলিত পৰিলক্ষিত হোৱা বৈশিষ্ট্যবোৰ হ'ল—

ক) ব্রজবুলি ভাষাত ষষ্ঠী বিভক্তিত '-ক' ৰূপ ব্যৱহাৰ কৰা হয়। যেনে— তুহু ৰামক চৰিত্র কিছু জানয়ে নাহি। (*ৰামবিজয় নাট*)

খ) সপ্তমী বিভক্তি বুজাবলৈ -এ আৰু -হি ব্যৱহাৰ কৰা হয়। যেনে— মেৰি ঘৰে। (*কালিয়া দমন নাট*)

গ) ক্রিয়া বিভক্তিৰ ক্ষেত্রত দেখা যায় যে বর্তমান কালৰ প্রথম পুৰুষত 'হুঁ', দ্বিতীয় পুৰুষত '-সি' আৰু তৃতীয় পুৰুষত -এ/-অ ব্যৱহাৰ কৰা হয়। যেনে—

মঞি সেবহুঁ ৰাম চৰণ দুজা (*ৰৱগীত*, মাধৱদেৱ)

আজু কাহাঁ যাসি (ৰৱগীত, মাধৱদেৱ)

জীৱন নাৰহে মোৰ (ৰৱগীত, শংকৰদেৱ)

ঘ) ভৱিষ্যৎ কালৰ প্রথম পুৰুষত '-ব' ক্রিয়া বিভক্তি ব্যৱহাৰ কৰা হয়। যেনে— হামু নৃত্য কৰব (*চোৰধৰা*)

ঙ) শংকৰী যুগৰ ভাষাত এহু, কাহেক, কাহেৰি, কে, কেহোঁ, কোই, যাহাৰ, যে, যো, তঞি/তই, তুহু আদি সর্বনামৰ ব্যৱহাৰ পোৱা যায়।

চ) ব্রজবুলি ভাষাত নস্ত্যর্থক ৰূপ ক্রিয়াৰূপৰ আগত ব্যৱহাৰ কৰা হয়—

নাযায়ো নাযায়ো তুমি গোৱালীৰ পাৰা।

অৱশ্যে শংকৰ-মাধৱে কেৱল নাট আৰু ৰৱগীততহে ব্রজবুলি ব্যৱহাৰ কৰিছিল। *কীর্তন, দশম, ৰুক্মিণী হৰণ* কাব্যত তেৰাসৰে ব্রজবুল ব্যৱহাৰ কৰা নাছিল। শংকৰদেৱৰ অনা-ব্রজবুলি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য এনে ধৰণৰ—

ক) শব্দ বিভক্তিৰ ক্ষেত্রত বৈশিষ্ট্য—

প্রথমা ঃ -এ ঃ শংকৰে নিগদতি

দ্বিতীয়া ঃ -ক/-ঙ্ক ঃ হৰিক স্মৰণে

ষষ্ঠী ঃ -ৰ ঃ ভূমিৰ ভাৰ

খ) নির্দিষ্টতাবাচক প্রত্যয় ঃ — ব্রহ্মেণগুটি, দিনগোট, কুৰিপাট

গ) অপাদান কাৰক বুজাবলৈ 'হন্তে'ৰ ব্যৱহাৰ কৰা হয়। যেনে— ভীষ্মকত হন্তে

ঘ) সর্বনাম শব্দৰ ব্যৱহাৰ — তুমি, তযু, মোৰ, তোক্ষাৰ আদি

ঙ) বহুবচনাত্মক প্রত্যয় — মহাৰাজাসব, গৃহসব, ৰাজাগণ

দেখা যায় শংকৰদেৱৰ এই অনা-ব্রজবুলি ভাষাৰ লগত মাধৱ কন্দলিৰ

ভাষাৰ যথেষ্ট সাদৃশ্য আছে। এক কথাত ক'বলৈ গ'লে প্ৰাক্-শংকৰী যুগৰ অসমীয়া ভাষাৰ যি ৰূপতাত্ত্বিক বৈশিষ্ট্য, সেই বৈশিষ্ট্য শংকৰী যুগৰ অনা-ব্ৰজবুলি ভাষাত ৰক্ষিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাধৱ কন্দলি আৰু শংকৰদেৱৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১২.৪.৪ উত্তৰ শংকৰী যুগৰ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

উত্তৰ শংকৰী যুগ মূলতঃ গদ্য সাহিত্যৰ বিকাশৰ যুগ। এই সময়ছোৱাৰ একাংশ সাহিত্যিকে পদ্যত সাহিত্য চৰ্চা কৰা পৰম্পৰাৰ পৰা ফালৰি কাটি আহি গদ্য সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰিছিল। এই ক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য (চমুকৈ ভট্টদেৱ)ৰ। তেওঁ 'কথা ভাগৱত', 'কথা গীতা' আৰু 'কথা ৰত্নাৱলী' শীৰ্ষক তিনিখন তত্ত্বগধুৰ গ্ৰন্থ অসমীয়া গদ্যত ৰচনা কৰি অসমীয়া গদ্যৰ ধাৰাটোৰ সৃষ্টি কৰিছিল। ভট্টদেৱৰ গদ্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) ভট্টদেৱৰ গদ্যত গণ, সৱ, সকল, চয় আদি বহুবচনাত্মক ৰূপৰ প্ৰয়োগ পোৱা যায়। যেনে— দেৱগণো, জ্ঞানীগণে, ভক্তসব, ভগৱন্তসকল আদি।

খ) স্ত্ৰীবাচক প্ৰত্যয় '-ঈ' আৰু '-ইনী'/'-নী'ৰ ব্যৱহাৰ পোৱা যায়। যেনে— দামী, গোপী, নাশিনী, ব্ৰাহ্মণী আদি।

গ) নিৰ্দিষ্টতাবাচক প্ৰত্যয়— '-খনি', '-জন', '-টা', '-গোট' আদি।

ঘ) কাৰক-বিভক্তি

কৰ্তা — শূন্য বিভক্তি, -এ — ভগবন্ত, পুৰুষে

কৰ্ম — -ক — হৰিক চিন্তি, ব্ৰহ্মাক

কৰণ — -ৰে, -দ্বাৰা — শৰীৰে, কাৰ্য দ্বাৰাসে

নিমিত্ত — -ক, -লাগি — ধৰক, ৰাখিবে

অপাদান — -পৰা, -হন্তে — চৰণৰ পৰা তজুহন্তে

সম্বন্ধ — -ৰ — কৃষ্ণৰ, শ্ৰৱণৰ

অধিকৰণ — -ত — প্ৰাৰ্থনাত, সাগৰত

এইদৰে ভট্টদেৱৰ গদ্যত আধুনিক অসমীয়াৰ বহুতো ৰূপতাত্ত্বিক বৈশিষ্ট্য ৰক্ষিত হ'লেও তেওঁৰ গদ্যত সংস্কৃত শব্দৰ ব্যৱহাৰ বেছি আৰু কাব্যধৰ্মী। সম্ভৱতঃ

তেওঁৰ আগত গদ্যৰ কোনো নিদর্শন নথকা বাবে পূর্ৱকবিসকলৰ কাব্যধর্মিতা অক্ষুণ্ণ থাকিল। সেয়া হ'লেও অসমীয়া গদ্যৰ বাটকটীয়া হিচাপে ভট্টদেৱৰ অৱদান লেখত ল'বলগীয়া। তেওঁৰ গদ্যৰ নিদর্শন তলত দাঙি ধৰা হ'ল—

"যাতো লাঙ্গলৰ ইষাহেন দন্ত, পর্ৱতৰ গহ্ৱৰ হেন নাক, গণ্ড শিলা হেন স্তন, অন্ধকুপ হেন চক্ষু, ৰাজআলি হেন ভুজ-উৰুপাদ, শূন্য হ্রদ সম উদৰ।" (ভাগৱত)

ভট্টদেৱৰ পৰৱর্তী সময়ত গদ্যৰ নিদর্শন আহোম স্ৱর্গদেউৰ আমোলত ৰচিত বুৰঞ্জীসমূহত পোৱা যায়। স্ৱর্গদেউসকলৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী অসমীয়া সাহিত্যৰ ভঁৰাললৈ আহোমসকলৰ অনন্য অৱদান। বুৰঞ্জীৰ গদ্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

ক) বহুবচনার্থক প্রত্যয় — -গণ, বোৰ/ভুৰ/ভোৰ, -বোলাক/বিলাক, হঁত, সকল। উদাহৰণ— ৰাজাগণে, তিপমীয়াবোৰ, সকলোভুৰ, ইবিলাক, তহঁত, দেৱতাসকল আদি।

খ) নির্দিষ্টতাবাচক প্রত্যয় — টে (বৰটে), -খন (তিনিখন), -খান (এইখান), -জন (লোকজন), -ডাল (একডাল) আদি।

গ) স্ত্রী প্রত্যয় — ঈ (কুঞৱী), -নী (গোমানী), -অনী/-ইনী (মিকিৰনী/নাগিনী)

ঘ) কাৰক-বিভক্তি

কর্তা — -এ, -ই — কছাৰীয়ে, ৰণুৰাই

কর্ম — -অক, -ক — ভার্যাক, কনচেণ্ডক

কৰণ — -ৰে, — মেখেলাৰে, জখলাৰে

নিমিত্ত — -লৈ — দিখৌমুখলৈ

অপাদান — -ৰ + পৰা — লুইতৰ পৰা

(পৰসর্গ)

সম্বন্ধ — -ৰ — চুকাফাৰ

অধিকৰণ — -অত, -ত — দেশত

বৈশিষ্ট্যসমূহৰ পর্যালোচনা কৰি ভট্টদেৱৰ গদ্যৰ লগতে তুলনা কৰিলে দেখা যায় বুৰঞ্জীৰ গদ্য আধুনিক অসমীয়াৰ অধিক ওচৰ চপা। তৎসম শব্দৰ কম ব্যৱহাৰ হোৱা বুৰঞ্জীৰ গদ্য মানুহৰ দৈনন্দিন ভাষাৰ যথেষ্ট ওচৰ চপা আছিল। যেনে—

"তাই ল'ৰাটিক পো বুলি লৈ ফুৰাইছিল। পাচে যেয়ে দেখে সেয়ে সোধে এটি কাৰ ল'ৰা। গোহাঞে বোলে ই মোৰ লাই পো।" (তুংখুঙীয়া বুৰঞ্জী)

বুৰঞ্জীৰ গদ্যৰ সমান্তৰালভাৱে চৰিত তোলা প্রথাৰ ওপৰত ভিত্তি কৰি সত্রসমূহত চৰিত লিখাৰ যি পৰম্পৰা, তাৰ পৰাই চৰিত পুথিৰ গদ্যৰ সৃষ্টি হৈছে। চৰিতপুথিৰ গদ্যত পৰিলক্ষিত হোৱা ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ হ'ল—

ক) বহুবচনাত্মক প্রত্যয় — -গণ (গোপীগণ), -বিলাক (ইবিলাক), -সব (দ্বিজসব), -হত (ইহত) আদি।

খ) ই/ঈ, নি/নী স্ত্রী প্রত্যয় যোগ কৰি পুংলিংগবাচক শব্দক স্ত্রীলংগ কৰা হয়। যেনে— কোৱৰ — কুৱৰি

দাস — দাসি

সুন্দৰ — সুন্দৰী

গ) নির্দিষ্টতাবাচক প্রত্যয় — -টা/-টি (চাইটা/পশুটি), -খন/-খনি (জাপখন/এখনি), -জন/-জনা (গুৰুজন/দুজনা), -পজালি (এপজালি) আদি।

ঘ) কাৰক-বিভক্তি

কর্তা — শূন্য বিভক্তি, -এ — পাচে গুৰু সুধিলে

কর্ম — -ক/-ত — পণ্ডিতক, স্বামীত

কৰণ — -ৰে, -এৰে/-দি — খুৰাকেৰে, কুঠাৰে, কটোৱাল দি

নিমিত্ত — -লৈ/-লাগি — বলোৱাম, আতৈলৈ


অপাদান — -ৰ + পৰা/-হন্তে — জমিন দেশৰপৰা, চতুৰা হন্তে

সম্বন্ধ — -ৰ — কৃষ্ণৰ মাহাত্ম্য

অধিকৰণ — -এ/-ত/-ৎ — গ্রামে, জন্ম, বৰদুৱাত বৈছেহি, সেনাৎ গুৰুস্নান কৰি

বৈশিষ্ট্যসমূহৰ পৰা এটা কথা স্পষ্ট হয় যে বহু ক্ষেত্রত চৰিত পুথিৰ গদ্যৰ লগত ভট্টদেৱৰ গদ্য আৰু বুৰঞ্জীৰ গদ্যৰ বহুখিনি মিল আছে। তথাপি চৰিত পুথিৰ গদ্য সত্রীয়া পৰিৱেশত বিকশিত হোৱা বাবে শংকৰী যুগৰ কিছু বৈশিষ্ট্যও ৰক্ষিত হৈছে। তদুপৰি ইয়াৰ ভাষাত বিনম্র ভকতীয়া ঠাঁচ ফুটি উঠিছে। বিনম্রতাপূর্ণ ভকতীয়া ঠাঁচৰ বাবে বুৰঞ্জীৰ গদ্যৰ দৰে চৰিত পুথিৰ গদ্যক জনসাধাৰণৰ কথ্য ভাষাৰ সম্পূর্ণ ওচৰ চপা বুলিব নোৱাৰি। যেনে—

"আন্ধাৰ দুপৰ নিশা বৃষ্টি এবুকু এককাল জল ঠাই হাবি-জংঘল বোলা মহ বাগ হাতি।। গা উৰু কটি জঙ্ঘা কাটি এৰালি সিঙ্গৰিএ জোকে পোকে মহে দাহে খাই বোবৰা ৰঙ্গা কৈলে সব শৰীৰ।" (কথা গুৰুচৰিত)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ভট্টদেৱৰ গদ্য, বুৰঞ্জীৰ গদ্য আৰু চৰিত পুথিৰ গদ্যৰ মাজৰ সাদৃশ্য, বৈসাদৃশ্য আলোচনা কৰি অসমীয়া গদ্যৰ ইতিহাসত এই তিনিওটা গদ্যশৈলীৰ স্থান নির্ণয় কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

১২.৪.৫ আধুনিক অসমীয়া ভাষাৰ ৰূপতত্ত্ব

অসমীয়া ভাষাৰ আধুনিক স্তৰ আৰম্ভ হৈছিল মিছনেৰীসকলৰ আগমনৰ পিছত। 'অৰুণোদয়' বার্তালোচনী প্ৰকাশ কৰি মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্যক পুনৰ প্ৰতিষ্ঠা কৰিছিল। মিছনেৰীৰ জৰিয়তে প্ৰতিষ্ঠিত হোৱা আধুনিক অসমীয়া ভাষাই পৰৱৰ্তী স্তৰত জোনাকী আৰু যুদ্ধোত্তৰ যুগৰ গল্পলেখকসকলৰ জৰিয়তে সুদৃঢ় হৈছিল। আধুনিক অসমীয়া ভাষাৰ স্তৰটোক আলোচনাৰ সুবিধার্থে দুটা বহল ভাগত ভগাব পাৰি—

ক) অৰুণোদয় যুগৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

খ) জোনাকী আৰু যুদ্ধোত্তৰ কালৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য।

তলত এই স্তৰ দুটাৰ বৈশিষ্ট্য আলোচনা কৰা হ'ল—

ক) অৰুণোদয় যুগৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

ড° নাথান ব্ৰাউন, ড° মাইলচ ব্ৰন্সন, এ. কে. গার্ণি, নিধিৰাম ফাৰৱেল আদি খ্ৰীষ্টান লেখকসকলৰ সৃষ্টিৰাজিৰ জৰিয়তে এই সময়ছোৱাৰ অসমীয়া ভাষাটো সমৃদ্ধ হৈছিল।

এই সময়ছোৱাৰ ভাষাটোত ৰক্ষিত হোৱা ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ এনে ধৰণৰ—

➢ বহুবচনাত্মক প্ৰত্যয় — বিলাক (মান্যার্থত), -হঁত, -বোৰ আদি। যেনে— মানুহবিলাক, মানুহহঁত, মানুহবোৰ

➢ নির্দিষ্টতাবাচক প্ৰত্যয়—

খন/খান ঃ কটাৰী এখন, নৈ এখান

গছ ঃ হাৰ এগছ

চপড়া ঃ মাটি এচপড়া

জন ঃ মানুহ দুজন

ডোঙ্গা ঃ এডোঙ্গা পানী

লডা ঃ পিঠাগুড়ি এলডা

➢ অনির্দিষ্টতাবাচক প্ৰত্যয় — -গোটাচেৰেক, যেনে— মহগোটাচেৰেক

➢ স্ত্রী প্ৰত্যয় — ঈ/নী (জনী, বুড়ী), -ইনী (নাগিনী)

➢ পুৰুষবাচক নির্দিষ্টতাবাচক প্ৰত্যয় — শূন্য (ϕ), এৰ/-ৰ, -এৰা/-ৰা, -এক/-ক। যেনে— (তোৰ) বোপাই, (তোৰ) বাপেৰ, (তোমাৰ) বাপেৰা, (তাৰ) বাপেক।

এই বৈশিষ্ট্যসমূহ বিচাৰ কৰিলে দেখা যায় আধুনিক অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ যি বৈশিষ্ট্য সেয়া আধুনিক অসমীয়া ভাষাৰ লগত প্ৰায় একে। বাক্যতাত্ত্বিক

আৰু ধ্বনিতাত্ত্বিক দিশত মিছনেৰী যুগৰ ভাষাৰ লগত কিছু পাৰ্থক্য থাকিলেও ৰূপতাত্ত্বিক দিশত আধুনিক অসমীয়াৰ যথেষ্ট নিকটৱৰ্তী।

খ) জোনাকী আৰু যুদ্ধোত্তৰ কালৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

এই স্তৰটোৱে সাম্প্ৰতিক সময়ত প্ৰচলিত অসমীয়া ভাষাটোক প্ৰতিনিধিত্ব কৰে। অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ যি বৈশিষ্ট্য, সেইবোৰ এই স্তৰটোত প্ৰতিফলিত হৈছে। সাম্প্ৰতিক অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ হ'ল—

➢ বহুবচনাত্মক প্ৰত্যয় — -সকল (শিক্ষকসকল), -বোৰ (ল'ৰাবোৰ), -বিলাক (মানুহবিলাক), -সোপা (বস্তুসোপা) আদি।

➢ স্ত্ৰী প্ৰত্যয় — -আ (মৃত-মৃতা), -ইকা (সম্পাদিকা), -আনী (ৰুদ্ৰানী), -ঈ (পাত্ৰী), -নী (বৰাণী), -ইনী (বাঘিনী) আদি।

➢ নিৰ্দিষ্টতাবাচক প্ৰত্যয় — টো, খন, পাট, খিলা, জন/জনা ইত্যাদি।

ঘ) কাৰক-বিভক্তি

কৰ্তা — শূন্য বিভক্তি, -এ, -ই — ৰামে, সীতাই

কৰ্ম — শূন্য বিভক্তি, -ক, -অক — ৰামক, সীতাক

কৰণ — -ৰে, -এৰে, -দ্বাৰা, -দি — কটাৰীৰে, কুঠাৰেৰে

নিমিত্ত — -লৈ, -অলৈ — সীতালৈ, ৰামলৈ

অপাদান — -ৰ + পৰা/-হন্তে — গছৰপৰা (পৰসৰ্গ)

সম্বন্ধ — -ৰ — ৰামৰ, সীতাৰ

সপ্তমী — -ত/-অত — গছত, গুৱাহাটীত।



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰূপতত্ত্বৰ অৰ্থ সম্পৰ্কে এটি সম্যক ধাৰণা লাভ কৰিলোঁ।
- অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ যুগ বিভাজনৰ বিষয়ে অৱগত হ'লো।
- চৰ্যাপদ আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ ভাষাৰ ৰূপতত্ত্বত পৰিলক্ষিত হোৱা পৌৰাণিক বৈশিষ্ট্য সম্পৰ্কে জানিলোঁ।
- শংকৰদেৱ আৰু মাধৱদেৱে ব্যৱহাৰ কৰা ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্যৰ বিষয়ে জ্ঞাত হ'লো।

- অসমীয়া ভাষাৰ ৰূপতত্ত্ব ঐতিহাসিক বিৱর্তন সম্পর্কে জানিলোঁ।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অর্পণা ঃ *প্ৰাচীন অসমীয়া গদ্যশৈলী*, বনলতা, চতুর্থ প্ৰকাশ, ২০১৪ চন।

২) গোস্বামী, উপেন্দ্ৰনাথ ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*, মণি-মাণিক প্ৰকাশন, চতুর্থ প্ৰকাশ, ২০১৪ চন।

৩) শইকীয়া বৰা, লীলাৱতী ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, তৃতীয় সংস্কৰণ, ২০১৫ চন।

৪) শর্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং প্ৰাইভেট লিমিটেড, দ্বিতীয় প্ৰকাশ, ১৯৮৪ চন।

৫) হাজৰিকা, বিশ্বেশ্বৰ (অনু.) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, বীণা লাইব্ৰেৰী, এপ্ৰিল, ২০১২।

৬) হাজৰিকা, লক্ষ্মী ঃ *মধ্যযুগৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ*, বনলতা, প্ৰথম প্ৰকাশ, জুন ২০১৫।



১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — মাধৱ কন্দলিৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য — শংকৰদেৱৰ অনা-ব্ৰজবুলি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য — সাদৃশ্য-বৈসাদৃশ্য — সামৰণি।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱৰ গদ্য, চৰিত পুথিৰ গদ্য আৰু বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্য — সাদৃশ্য-বৈসাদৃশ্য — অসমীয়া গদ্যৰ বিকাশত এই তিনিওবিধ গদ্যৰ ভূমিকা — সামৰণি।



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চর্যাপদত ব্যৱহৃত ভাষাৰ ৰূপতত্ত্বৰ বৈশিষ্ট্য সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ চৰ্যাপদ, 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' আৰু মাধৱ কন্দলিৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ভিত্তিত ভাষাৰ সৰলীকৰণ প্ৰৱণতাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ বুৰঞ্জীৰ গদ্য আধুনিক অসমীয়া গদ্যৰ নিকটৱৰ্তী বুলি আপুনি ভাবেনে? উদাহৰণৰ সৈতে নিজৰ মত প্ৰতিষ্ঠা কৰক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক ঃ

ক) বুৰঞ্জীৰ গদ্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

খ) ব্ৰজবুলি ভাষা বনাম অনা-ব্ৰজবুলি ভাষা

গ) মিছনেৰী গদ্যৰ ৰূপতত্ত্ব

অধ্যায় ১৩ ঃ অসমীয়া আৰু মগধীয় ভাষাৰ ৰূপতত্ত্বৰ তুলনা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অসমীয়া, বাংলা, ওড়িআ আদি মগধীয় ভাষাৰ উদ্ভৱ আৰু পৰিচয়
১৩.৪ বাংলা ভাষাৰ ৰূপতত্ত্বৰ আলোচনা
১৩.৫ ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ আলোচনা
১৩.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ
১৩.৭ মৈথিলী ভাষাৰ ৰূপতত্ত্ব ঃ এক পৰিচয়
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.১১ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ লগত একেলগে, একেটা উৎসৰ পৰা জন্ম লাভ কৰা মগধীয় ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এক ধৰাণা লাভ কৰিব পাৰিব
- বাংলা ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ, যেনে— বচন, লিঙ্গ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম, ক্ৰিয়া আদিৰ বিষয়ে এক ধাৰণা লাভ কৰিব পাৰিব
- এই অধ্যায়টোত ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ, যেনে— বচন, লিঙ্গ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা সর্বনাম, ক্ৰিয়া আদিৰ বিষয়ে আলোচনা কৰা হৈছে। ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ এই বিভিন্ন দিশসমূহৰ বিষয়েও এক সাধাৰণ ধাৰণা লাভ কৰাৰ ক্ষেত্ৰত অধ্যায়টোৱে আপোনাক অৱিহণা যোগাব
- অসমীয়া ভাষাৰ লগত বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ এক তুলনামূলক আলোচনা এই অধ্যায়টোত প্ৰতিপাদিত হৈছে। গতিকে ৰূপগত দিশত অসমীয়া ভাষাৰ লগত বাংলা আৰু ওড়িআ ভাষাত ক'ত ক'ত সাদৃশ্য আছে ক'ত বৈসাদৃশ্য আছে সেই সম্পৰ্কেও অৱগত হ'ব পাৰিব
- অধ্যায়টোৰ জৰিয়তে মৈথিলী ভাষাৰ ৰূপতত্ত্বৰ এক সাধাৰণ পৰিচয় লাভ কৰিবলৈ সুবিধা পাব
- তদুপৰি অধ্যায়টোৰ আৰম্ভণিতে আটাইকেইটা মগধীয় ভাষাৰ উদ্ভৱ আৰু বিকাশৰ এক সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। সেই সম্পৰ্কে জানিবলৈ সমর্থ হ'ব।

- অসমীয়া, বাংলা, ওড়িআ আৰু মৈথিলী ভাষাৰ ৰূপতত্ত্বৰ আলোচনাৰ জৰিয়তে আৰু তুলনামূলক বিচাৰৰ পৰিপ্রেক্ষিতত অসমীয়া ভাষাৰ লগত ভগ্নীস্থানীয় ভাষাসমূহৰ সম্পর্ক জনাৰ ক্ষেত্রত এই অধ্যায়টোৱে আপোনাক সহায় কৰিব। অর্থাৎ গাঁথনিক দিশত অসমীয়া ভাষাৰ লগত অন্যান্য মগধীয় ভাষাৰ সম্পর্ক কেনেধৰণৰ সেই বিষয়ে অৱগত হ'ব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষান্মাসিকৰ বাবে আগবঢ়োৱা ঐচ্ছিক-১ পাঠ্যবিষয় 'প্রাকৃতি বিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল ত্রয়োদশ অধ্যায়। অধ্যায়টোৰ শিৰোনামা হৈছে 'অসমীয়া আৰু মগধীয় ভাষাৰ ৰূপতত্ত্বৰ তুলনা'। ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি ৰূপতত্ত্বৰ এটা সাধাৰণ ধাৰণা লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত বিভিন্ন দিশ যেনে— পদ বিভাজন — বিশেষ্য, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামৰ তির্যক ৰূপ, বচন আৰু লিঙ্গ, কাৰক আৰু শব্দবিভক্তি, নির্দিষ্টতাবাচক প্রত্যয় আৰু অনির্দিষ্টতাবাচক প্রত্যয়, ক্রিয়া আৰু ক্রিয়াবিভক্তি, বাক্যতত্ত্ব ইত্যাদিৰ এক সামগ্রিক ধাৰণা লাভ কৰিলে। এই অধ্যায়টোত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ লগত বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হৈছে। তদুপৰি মেথিলী ভাষাৰ ৰূপতত্ত্বৰ এক সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। অধ্যায়টোত সন্নিবিষ্ট হোৱা বিষয়সমূহে বাংলা, ওড়িআ আৰু মৈথিলী ভাষাৰ ৰূপতত্ত্বৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰাৰ ক্ষেত্রত সহায় কৰিব আৰু অসমীয়া ভাষাৰ লগত বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ-বিশ্লেষণে সমগোত্রীয় ভাষাসমূহৰ মাজত সম্পর্ক নির্ণয় কৰাৰ ক্ষেত্রত সহায় কৰিব বুলি ক'ব পাৰি।

১৩.৩ অসমীয়া, বাংলা, ওড়িআ আদি মগধীয় ভাষাৰ উদ্ভৱ আৰু পৰিচয়

আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত মাগধী প্রাকৃতৰ পৰা অর্থাৎ একেটা মূলৰ পৰা জন্ম লাভ কৰা মগধীয় ভাষা গুচ্ছ অন্যতম। এই মগধীয় ভাষাগুচ্ছ হ'ল— অসমীয়া, বাংলা, ওড়িআ, মৈথিলী, মগধী আৰু ভোজপুৰী। এই ছটা ভাষাক একেলগে মগধীয় ভাষাগুচ্ছ বুলি কোৱা হয়। ভাৰতবর্ষত যিমানবোৰ আধুনিক ভাৰতীয় আর্য ভাষা পোৱা যায় সেই সকলো ভাষাৰ মূল হ'ল পৃথিৱীৰ সর্ববৃহৎ আৰু উল্লেখযোগ্য ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়াল। এই ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালত একশ্রেণীৰ 'তালব্য (Palatal)' ধ্বনি আছিল। এই তালব্য ধ্বনিৰ ভিতৰত 'ক' ধ্বনিটোৰ দুটা দিশত পৰিৱর্তন হৈছিল। এই 'ক' ধ্বনিৰ পৰিবর্তন অনুসৰি ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীক ১৮৭০ খ্রীষ্টাব্দত 'এছকোলি' নামৰ এজন ভাষাবিদে কেন্তম' আৰু 'সতম্'— এই দুটা ভাগত ভাগ কৰে। এই

কেন্তুম' আৰু 'সতম্' বৰ্গৰ অন্তৰ্গত নটা শাখা পোৱা যায়। এই শাখাকেইটা হ'ল— কেলটীয়, ইটালীয়, জার্মানীয়, গ্রীক, টোখাৰীয় (কন্তুম শাখাৰ); আর্মেনীয়, আলবানীয়, বাল্টোস্লাৱীয়, ইণ্ডো-ইৰাণীয় বা আর্য (সতম্ শাখাৰ)। এই নটা শাখাৰ ভিতৰত এচিয়া মহাদেশৰ এক বিশাল অংশ জুৰি বিয়পি থকা ইণ্ডো-ইৰাণীয় নামৰ শাখাটো এটা অন্যতম শাখা। ঐতিহাসিক ক্রমবিকাশ, ভৌগোলিক অৱস্থান আৰু পাৰস্পৰিক সম্বন্ধৰ ওপৰত ভিত্তি কৰি এই শাখাটোক তিনিটা উপবিভাগত ভাগ কৰা হৈছে। এই ভাগ কেইটা হ'ল— (ক) ইৰাণীয় আর্য (খ) দৰ্দীয় আর্য আৰু ভাৰতীয় আর্য। এই তিনিটা শাখাৰ ভিতৰত প্রাচীন সাহিত্য সভ্যতাৰে অধিক উল্লেখযোগ্য শাখাটো হ'ল ভাৰতীয় আর্য শাখা।

আনুমানিক খ্রীষ্টপূর্ব পঞ্চদশ শতিকামানত ইৰাম অঞ্চলৰ পৰা বিভিন্ন দল উপদলত বিভক্তি হৈ আর্যসকল ভাৰতবর্ষত প্রবেশ কৰে আৰু তেতিয়াৰ পৰা এতিয়ালৈকে ভাৰতীয় আর্যভাষাই বিভিন্ন ৰূপ পৰিগ্রহণ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ভাষাৰ জন্ম দিয়ে। ভাৰতবর্ষত আর্যভাষাৰ ক্রমবিকাশৰ যি সুদীর্ঘ ইতিহাস, সেই ইতিহাসক তিনিটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ তিনিটা হ'ল—

(ক) প্রাচীন ভাৰতীয় আর্যভাষা

(খ) মধ্য ভাৰতীয় আর্যভাষা আৰু

(গ) নব্য ভাৰতীয় আর্যভাষা। ইয়াৰে নব্য ভাৰতীয় আর্য স্তৰত অসমীয়া, বাংলা, ওড়িআ, মৈথিলীকে ধৰি ভাৰতবর্ষৰ প্রাদেশিক ভাষাবোৰে জন্ম লাভ কৰে। ভাৰতবর্ষৰ প্রাদেশিক ভাষাবোৰৰ ভিতৰত অসমত প্রচলিত অসমীয়া ভাষা, পশ্চিমবংগত প্রচলিত বাংলা ভাষা, ওড়িচাত প্রচলিত ওড়িআ ভাষা আৰু প্রাচীন বিদেহ বা বর্তমানৰ মিথিলা অঞ্চলত প্রতলিত মৈথিলী ভাষা অন্যতম। এই আটাইকেইটা ভাষাই প্রাচীন ভাৰতীয় আর্যস্তৰৰ পাছত মধ্য ভাৰতীয় আর্যৰ স্তৰ অতিক্রমি খ্রীষ্টাব্দ নৱম-দশম শতিকামানত জন্ম লাভ কৰিবলৈ সক্ষম হয়। প্রাচীন ভাৰতীয় আর্য স্তৰৰ ভাষা আছিল অতি জটিল আৰু বৈচিত্র্যপূর্ণ। ইয়াৰ পৰৱর্তী স্তৰ মধ্য ভাৰতীয় আর্যৰ সময়ত এই ভাষা অনেক সৰলীকৃত হয়। পালি-প্রাকৃত-অপভ্রংশ ভাষাত সেই সময়ৰ সাহিত্যই বিকাশ লাভ কৰে। প্রত্যেকটো সাহিত্যিক প্রাকৃতৰ পৰাই একোটি অপভ্রংশ স্তৰৰ সৃষ্টি হয় আৰু ইয়াৰে মাগধী প্রাকৃত অপভ্রংশৰ পৰা কেইবাটাও পূর্বী আধুনিক আর্যভাষাৰ জন্ম হয়। গ্রীয়ার্ছনৰ মতে পূবৰ আঞ্চলিক প্রাকৃত মাগধীয়েই আছিল ভাৰতৰ পূব দিশত উদ্ভৱ আৰু সমৃদ্ধ হোৱা আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ প্রধান উৎস। অর্থাৎ মধ্য ভাৰতীয় আর্যৰ স্তৰৰ সাহিত্যিক প্রাকৃত মাগধীয়েই হৈছে ভাৰতৰ পূব প্রান্তৰত উদ্ভৱ হোৱা আধুনিক আর্যভাষা অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদিৰ প্রধান উসৎ। মাগধী প্রাকৃত অপভ্রংশক প্রাচ্য, মধ্য আৰু পশ্চিম-এই তিনিটা ভাগত ভাগ কৰিব পাৰি। ইয়ৰে—

(i) প্রাচ্য মাগধী অপভ্রংশ শাখাৰ পৰা অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ জন্ম হয়।

(ii) মধ্য মাগধী অপভ্রংশৰ শাখাৰ পৰা মৈথিলী আৰু মগহী ভাষাৰ জন্ম হয়।

(iii) পশ্চিম মাগধী অপভ্রংশ শাখাৰ পৰা ভোজপুৰী ভাষাৰ জন্ম হয়।

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাই একেটা মূলৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰিছে বাবে এই আটাইকেইটা ভাষাৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। অৱশ্যে গঠন প্ৰণালীৰ ক্ষেত্ৰত এই আটাইকেইটা ভাষাই কিছু সুকীয়া ৰূপ পৰিগ্ৰহণ কৰা পৰিলক্ষিত হয়। ইণ্ডো-ইউৰোপীয় মূল ভাষাগোষ্ঠীয়ে প্ৰধান স্থানৰ পৰা স্থানান্তৰিত হৈ যিদৰে পৃথিৱীৰ বিভিন্ন স্থানত বিভিন্ন ভাষাৰ জন্ম দিলে, সেইদৰে স্থান পৰিবৰ্তন আৰু সময়ৰ অগ্ৰগতিৰ লগে লগে মূল সুঁতি মাগধীৰ পৰা অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি কেউটা ভাষাত পৰিণত হয়। অৰ্থাৎ, অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি মগধীয় ভাষাকেইটাই সমসাময়িকভাৱে আনুমানিক খ্ৰীষ্টাব্দ দশম শতিকামানত সুকীয়া সুকীয়া ভৌগোলিক স্থানত ভিন্ ভিন্ ভাষা ৰূপে প্ৰতিষ্ঠা লাভ কৰে। ভৌগোলিক পৰিবেষ্টনৰ নাম অনুসৰি অসমত প্ৰচলিত ভাষাটোৰ নাম অসমীয়া ভাষা, বংগদেশত প্ৰচলিত ভাষাটোৰ নাম বাংলা ভাষা, ওড়িচাত প্ৰচলিত ভাষাটোৰ নাম উৰিয়া ভাষা আৰু মিথিলা অঞ্চলত প্ৰচলিত ভাষাটোৰ মৈথিলী ভাষা।

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত খ্ৰীষ্টাব্দ নৱম-দশম শতিকামানত জন্ম লাভ কৰা অসমীয়া ভাষা অসমৰ প্ৰধান ভাষা। খ্ৰীষ্টাব্দ দশম শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰত বিভিন্ন তামৰ ফলি, শিলালিপি আৰু বৌদ্ধ সহজমান পন্থৰ সিদ্ধাচাৰ্য সকলে ৰচনা কৰা চৰ্যাগীতবোৰৰ ভাষাই অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন দাঙি ধৰে যদিও অসমীয়া ভাষাৰ বিশুদ্ধ লিখিত সাহিত্যিক নিদৰ্শন চতুৰ্দশ শতিকাৰ পৰাহে পোৱা যায়। অসমীয়া সাহিত্যৰ বুৰঞ্জীক প্ৰাচীন, মধ্য আৰু আধুনিক — এই তিনিটা ভাগত ভাগ কৰিব পাৰি। অসমীয়া ভাষাৰ প্ৰাচীন যুগটো প্ৰাকশঙ্কৰী আৰু শঙ্কৰী যুগৰ বিবিধ সাহিত্যৰ সমৃদ্ধ হৈছে। প্ৰাকশঙ্কৰী যুগৰ হেম সৰস্বতী, মাধৱ কন্দলী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ আৰু কবি ৰত্ন সৰস্বতী আদি কবিসকলৰ সাহিত্য সম্ভাৰে অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি তোলে। সেইদৰে শঙ্কৰী যুগৰ শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, ভট্টদেৱ আদিয়ে অসমীয়া সাহিত্যক অধিক সমৃদ্ধি প্ৰদান কৰে। মধ্য অসমীয়া যুগটোক ঐশ্বৰ্যশালী কৰি তোলাৰ ক্ষেত্ৰত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, বাৰহাৰিক সাহিত্য, বিবিধ অনুবাদমূলক সাহিত্য আদিৰ অৱদান অনস্বকাৰ্য। অসমীয়া সাহিত্যত আধুনিক যুগৰ সূচনা হয় ঊনবিংশ শতিকাৰ প্ৰাৰম্ভৰ পৰা। এই সময়ছোৱাত মিছনেৰীসকলৰ উদ্যোগত ১৮৪৬ চনত প্ৰথম অসমীয়া আলোচনী অৰুণোদই প্ৰকাশ পায় আৰু অসমীয়া ভাষাত ব্যাকৰণ, অভিধান আদি প্ৰণয়ন দয়। ১৮৮৯ চনত জোনাকী আলোচনীৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যলৈ ৰমন্যাসবাদৰ ঢল আহে। লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি, চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা, বেণুধৰ ৰাজখোৱা, সূৰ্যকুমাৰ ভূঞা আদিয়ে অসমীয়া ভাষাক বিশুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰে। দ্বিতীয় মহাসমৰৰ পাছত অসমীয়া ভাষা সাহিত্যই এক বিশেষ

ৰূপ লাভ কৰিবলৈ সক্ষম হয়।

অসমীয়া ভাষাৰ অন্তৰ্গত দুটা প্ৰধান উপভাষা পোৱা যায়। এটা হ'ল উজনি অসমৰ উপভাষা আৰু আনটো হ'ল নামনি অসমৰ উপভাষা। নামনি অসমৰ উপভাষাৰ দুটা স্বতন্ত্ৰ ভাষাৰূপ পোৱা যায়— এটা কামৰূপী উপভাষা আৰু আনটো গোৱালপৰীয়া উপভাষা। ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামীয়ে কামৰূপী উপভাষাৰ পশ্চিম, মধ্য আৰু দক্ষিণ— এই তিনিটা আঞ্চলিক ৰূপৰ কথা উল্লেখ কৰিছে। সেইদৰে গোৱালপৰীয়া উপভাষাটোকো দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া। অসমীয়া ভাষাটো অসমৰ উপৰিও অসমৰ দাঁতি কাষৰীয়া মেঘালয়, নাগালেণ্ড, অৰুণাচল প্ৰদেশ আদিত প্ৰচলিত। সেয়ে অসমৰ উপভাষাৰ ক্ষেত্ৰখনত নাগামিজ, অৰুণামিজ আৰু সাদানি ভাষাত উল্লেখযোগ্য। নগা অঞ্চলৰ বিভিন্ন জনজাতিৰ মাজত পাৰস্পৰিক ভাব বিনিময় কৰিবলৈ ব্যৱহাৰ কৰা 'নাগামিজ' হ'ল অসমীয়াৰ এটা মিশ্ৰিত ৰূপ। সেইদৰে অৰুণাচল প্ৰদেশৰ বিভিন্ন জনজাতিৰ মাজত 'অৰুণামিজ' ভাষাৰ প্ৰচলন আছে। আকৌ চাহ বাগিছাৰ বিভিন্ন ফৈদবোৰৰ মাজত 'সাদিন' ভাষা নামৰ এটা বিশেষ ভাষাৰূপৰ প্ৰচলন আছে। এই বিভিন্ন উপভাষাবোৰে অসমৰ ঔপভাষিক ক্ষেত্ৰখনলৈ বিশেষ অৰিহণা আগবঢ়াইছে।

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত বংগদেশৰ বাংলা ভাষাই এক বিশেষ স্থান লাভ কৰিছে। বাংলা ভাষা প্ৰধানকৈ পশ্চিমবংগ, ত্ৰিপুৰা আৰু বৰাক উপত্যকা অঞ্চলত প্ৰচলিত। ইয়াৰ বাহিৰে ভাৰতৰ বাহিৰৰ বাংলাদেশতো বাংলা ভাষাৰ প্ৰচলন আছে। বাংলা ভাষাৰ ইতিহাসক সাহিত্যিক নিদৰ্শনৰ ওপৰত ভিত্তি কৰি প্ৰাচীন বাংলা, মধ্য বাংলা আৰু আধুনিক বাংলা— এই তিনিটা ভাগ ভাগ কৰিব পাৰি। বাংলা ভাষাৰ প্ৰাচীন স্তৰৰ সাহিত্যিক নিদৰ্শন পোৱা যায় চৰ্যাগীতৰ মাজত। চৰ্যাগীতৰ ভাষাক 'প্ৰত্ন বাংলা' ভাষা বুলিও কোৱা হয়। অৱশ্যে, চৰ্যাগীতৰ ভাষাই অকল বাংলা ভাষাৰেই প্ৰতিনিধিত্ব নকৰে, বৰং ইয়াৰ ভাষাই অসমীয়া, ওড়িআ আদি ভাষাৰ প্ৰত্নৰূপ এটাও দাঙি ধৰে। মধ্য বাংলা ভাষাৰ আদি মধ্য বাংলা আৰু অন্ত মধ্য বাংলা নামৰ দুটা উপস্তৰ পোৱা যায়। আদি মধ্য বাংলা ভাষাৰ সাহিত্যিক নিদৰ্শন দাঙি ধৰে বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্ত্তন* নামৰ গ্ৰন্থখনিয়ে। তদুপৰি কীৰ্তিবাসৰ *ৰামায়ণ,* মালাধৰ বসুৰ *শ্ৰীকৃষ্ণ বিজয়,* বিজয় গুপ্তৰ *পদ্মপুৰাণ* আদিয়েও এই যুগৰ সাহিত্যিক নিদৰ্শন বহন কৰে। দ্বিতীয় স্তৰৰ সাহিত্যিক নিদৰ্শন পোৱা যায় বৈষ্ণৱ *পদাৱলী, মঙ্গলকাব্য* আদিৰ মাজত। অৱশ্যে, অনুবাদ সাহিত্য, আখ্যান সাহিত্য, জীৱনী সাহিত্য, লোকসাহিত্য আদিৰ ভষায়ো এই স্তৰৰ সাহিত্যিক নিদৰ্শন দাঙি ধৰে। আধুনিক বাংলা ভাষা-সাহিত্যৰ উন্মেষ ঘটে ঊনবিংশ শতিকাৰ পৰা। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, মাইকেল মধুসূদন দত্ত আদিয়ে আধুনিক বাংলা ভাষাৰ বিকাশত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, বংকিমচন্দ্ৰ, মানিক বন্দোপাধ্যায়, শৰৎচন্দ্ৰ, বিভূতিভূষণ, তাৰাশঙ্কৰ আদি আধুনিক বাংলা সাহিত্যক কৰ্ণধাৰ সকলে বাংলা ভাষাক সুপ্ৰতিষ্ঠিত কৰি তোলে।

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰো কেইবাটাও উপভাষা আছে। সুনীতি কুমাৰ চেট্টার্জীয়ে বাংলা ভাষাৰো ৰাঢ়, বাৰেন্দ্র, কামৰূপ আৰু বংগ— এই চাৰিটা উপভাষাৰ কথা উল্লেখ কৰিছে। আকৌ সুকুমাৰ সেনে আধুনিক বাংলা ভাষাৰ পাঁচোটা উপভাষাৰ কথা কৈছে। সেইকেইটা হ'ল ৰাঢ়ী, ঝড়খণ্ডী, বৰেন্দ্রী, বঙ্গালী আৰু কামৰূপী উপভাষা। এই উপভাষাবিলাকৰ ভিতৰত কামৰূপী আৰু ৰাঢ়ী উপভাষাটোক মানবিশিষ্ট উপভাষা বুলি ধৰিব পাৰি। আধুনিক মান্য বাংলা ভাষাটো ৰাঢ়ী উপভাষাক কেন্দ্র কৰি গঢ়ি উঠিছে।

আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত ওড়িচাৰ ওড়িআ ভাষাৰ সাহিত্যিক নিদর্শন নৱম শতিকাৰ পৰাই পোৱা যায়। প্রাচীন ওড়িআ সাহিত্যৰ নিদর্শন বহন কৰে কলিংগৰাজ অন্তদেৱৰ নাগৰী লিপিৰ প্রস্তৰ লেখ, অশোকৰ অনুশাসন আদিয়ে পণ্ডিতসকলে ওড়িআ ভাষা সাহিত্যৰ বুৰঞ্জীক প্রাক্ শাৰলা যুগ শাৰলা যুগ, পঞ্চসখা যুগ, ৰীতি যুগ আৰু আধুনিক যুগ— এই পাঁচোটা ভাগত ভাগ কৰিছে। প্রাক্ শাৰলা যুগৰ নিদর্শন বহন কৰে চর্যাগী, মৌখিক সাহিত্য, ব্রতকথা আদিয়ে। শাৰলা দাসৰ *মহাভাৰত* শাৰলা যুগৰ অন্যতম কীর্তি। পঞ্চসখা যুগৰ পাঁচজন সাহিত্যিকৰ ৰচনাৰ মাজেৰে ধর্মীয় ধাৰণা প্রকাশ পায়। বলৰাম দাসৰ *জগমোহন ৰামায়ণ,* জগন্নাথ দাসৰ *ওড়িআ ভাগৱত,* অচ্যুতনন্দ দাসৰ *শূন্য সংহিতা,* যশোৱন্তৰ *ব্রহ্মগীতা* আৰু অনন্ত দাসৰ *সতুদ্বয়* এই যুগৰ অন্যতম সাহিত্য কীর্তি। ৰীতি যুগত বিভিন্ন কাব্য সাহিত্য, কাকত আলোচনী প্রকাশ পায় আৰু এইবোৰে ওড়িআ ভাষা সাহিত্যৰ বিকাশত যথেষ্ট অৰিহণা যোগায়। মিছনেৰীসকলৰ উদ্যোগত এই যুগতে ছপাশাল প্রতিষ্ঠা হয় আৰু ওড়িআ ভাষা ৰীতিয়ে আধুনিক ৰূপ লাভ কৰিবলৈ প্রয়াস কৰে। মুঠতে ৰীতি যুগটোত ওড়িআ গদ্য সাহিত্যই বিকাশৰ পথত ভালেখিনি অগ্রসৰ হয়। আধুনিক যুগত কবিতা, উপন্যাস, চুটিগল্প আদিয়ে ওড়িআ সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰি তোলে। আধুনিক ওড়িআ সাহিত্যৰ প্রখ্যাত সাহিত্যিক ফকিৰ মোহন সেনাপতি, ৰাধানাথ ৰায়, মধুসূদন ৰাও আদিয়ে ওড়িআ সাহিত্যক বিশেষভাৱে চহকী কৰি তুলিবলৈ সক্ষম হয়।

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাৰো কেইবাটাও উপভাষা আছে। ফণীন্দ্রনাৰায়ণ দত্তবৰুৱাই ওড়িআ ভাষাৰ চাৰিটা উপভাষাৰ কথা উল্লেখ কৰিছে। এইকেইটা হ'ল—

(i) দক্ষিণ ওড়িচাৰ উপভাষা (ii) পশ্চিম ওড়িচাৰ উপভাষা

(iii) উত্তৰ ওড়িচাৰ উপভাষা আৰু (iv) মধ্য ওড়িচাৰ উপভাষা।

আধুনিক ভাৰতীয়া আর্যভাষা সমূহৰ ভিতৰত আন এটা অন্যতম ভাষা হ'ল মৈথিলী ভাষা। মৈথিলী ভাষাৰ ক্রমবিকাশক গোবিন্দ ঝাই চাৰিটা ভাগত ভাগ কৰিছে— (i) উদ্ভৱ যুগ (ii) প্রাচীন যুগ (iii) মধ্য যুগ আৰু (iv) আধুনিক যুগ। অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত চর্যাপদসমূহ হ'ল উদ্ভৱ যুগৰ প্রথম সাহিত্য। তদুপৰি ডাকৰ বচন আৰু গোপীচন্দৰ গীত; হেমচন্দ্রৰ *প্রাকৃত ব্যাকৰণ; প্রাকৃত পৈঙ্গল* আদি এই স্তৰৰ সাহিত্যিক নিদর্শন কবিশেখৰ জ্যোতিৰীশ্বৰ ঠাকুৰৰ *বর্ণ ৰত্নাকৰ* নামৰ গ্রন্থখনেই মৈথিলী ভাষাৰ

প্ৰাচীনতম সাহিত্য সম্পদ। গদ্যত ৰচিত এই *বৰ্ণ ৰত্নাকৰ* নামৰ গ্ৰন্থখন মৈথিলী সাহিত্যৰ প্ৰথম গ্ৰন্থ। বিখ্যাত কবি বিদ্যাপতি হ'ল মধ্যযুগৰ মৈথিলী সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ কবি। মৈথিলী ভাষাত ৰচিত বিদ্যাপতিৰ *পদাৱলী* তেওঁৰ অন্যতম সাহিত্য কীৰ্তি। তেওঁৰ পদাৱলীয়ে কেৱল মৈথিলী ভাষাকে সমৃদ্ধ কৰা নাই, পূব ভাৰতত মৈথিলী ভাষাটোক আদৰণীয় কৰি তোলাতো সহায় কৰে। এই যুগত ৰচিত উমাপতি উপাধ্যায়ৰ *পাৰিজাত হৰণ* মৈথিলী ভাষাৰ প্ৰথম নাটক। অষ্টদশ শতিকাৰ কবিশ্বৰ ছন্দা ঝাৰ *মৈথিলী ৰামায়ণ* এই যুগৰ এক উল্লেখযোগ্য সাহিত্য কীৰ্তি। তদুপৰি হৰিদাস, গোবিন্দঠাকুৰ, কাশীনাথ, ৰামনাথ, শ্ৰীধৰ আদি কবিসকলে মৈথিলী সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰে। বিদ্যাপতিৰ পুত্ৰ আৰু বোৱাৰী ক্ৰমে হৰিপতি আৰু চন্দ্ৰকলাই মহেশ-বাণী, ব্যৱহাৰ প্ৰদীপিকা আৰু ৰাগ-তৰংগিনী কাব্য ৰচনা কৰি মৈথিলী ভাষাক সমৃদ্ধ কৰে। আধুনিক মৈথিলী সাহিত্যৰ অন্যতম সাহিত্যিক হ'ল হৰিমোহন ঝা। তেওঁ আধুনিক মৈথিলী সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰে। গল্প, উপন্যাস, কবিতা ৰচনা কৰি আধুনিক মৈথিলী সাহিত্যক সমৃদ্ধ কৰা সাহিত্যিকসকলৰ ভিতৰত ৰামদেৱ ঝা, সুহাস যাদৱ, ধীৰেন্দ্ৰ ঝা, সুধাংশু শেখৰ চৌধুৰী, কাঞ্চিৰাম ঝা বিশেষভাৱে উল্লেখযোগ্য।

এইদৰে অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি ভাষাই একেটা মূলৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰিছে বাবে এই আটাইকেইটা ভাষাৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। গঠন প্ৰণালীৰ ক্ষেত্ৰত এই আটাইকেইটা ভাষাৰ মাজত কোনো কোনো দিশত সাদৃশ আছে আৰু কোনো কোনো দিশত কিছুমান স্বকীয় বিশেষত্ব দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাকে ধৰি আটাইকেই মগধীয় ভাষাৰ উদ্ভৱ আৰু বিকাশ কেনেদৰে ঘটিছে সেই বিষয়ে এক চমু আলোচনা যুগুত কৰক (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ মগধীয় ভাষাগুচ্ছৰ সাহিত্যৰ যুগবিভাগ সম্পৰ্কে এটা টোকা যুগুত কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

১৩.৪ বাংলা ভাষাৰ ৰূপতত্ত্বৰ আলোচনা

ভাষা অধ্যায়নৰ এক গুৰুত্বপূৰ্ণ স্তৰ হ'ল ৰূপতত্ত্ব। এই ৰূপতত্ত্বত ভাষাৰ ৰূপগঠন প্ৰক্ৰিয়া সম্বন্ধে প্ৰণালীবদ্ধভাৱে আলোচনা কৰা হয়। সেয়ে ভাষাৰ অধ্যায়নত ধ্বনিতত্ত্বৰ দৰে ৰূপতত্ত্বই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। ৰূপতত্ত্বিক দিশত বা ৰূপ সংযোগ

প্ৰণালীৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰো কিছুমান নিজস্ব বৈশিষ্ট্য আছে। প্ৰত্যেক ভাষাৰ ৰূপ সংযোগ হোৱাৰ একোটা নিৰ্দিষ্ট প্ৰণালী আছে। ভাষাভেদে ৰূপবোৰ বেলেগ বেলেগ আৰু সেয়ে প্ৰ্যতক ভাষাৰে ৰূপ সংযোগ ৰীতিও সুকীয়া সুকীয়া। তলত বাংলা ভাষাৰ ৰূপতত্ত্বৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে আলোচনা কৰা হ'ল—

বাংলা ভাষাৰ বচন ঃ

ভাষাত ব্যৱহৃত যিবোৰ ৰূপৰ দ্বাৰা সংখ্যা সম্বন্ধে বোধ জন্মে তাকে বচন বুলি কোৱা হয়। সংস্কৃত ভাষাত একবচন, দ্বিবচন আৰু বহুবচন বুলি কোৱা হয়। সংস্কৃত ভাষাত একবচন, দ্বিবচন আৰু বহুবচন এই তিনিটা বচন আছিল। আধুনিক ভাৰতীয় আৰ্য ভাষাত দ্বিবচন একেবাৰে লুপ্ত হ'ল। নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত অন্যতম বাংলা ভাষাতো দুটা বচন পোৱা যায়- একবচন আৰু বহুবচন। এটাক বুজালে একবচন আৰু এটাতকৈ অধিক সংখ্যা বুজালে তাক বহুবচন বোলা হয়। বাংলা ভাষাত এই দুয়োবিদ বচন বুজোৱা উপায়বোৰ বেলেগ বেলেগ।

একবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়—

(i) বাংলা ভাষাত একবচন বুজাবৰ বাবে কোনো সুকীয়া প্ৰত্যয় বা বিভক্তি নাই। শব্দৰ মূল ৰূপটোৱেই অকলে একবচনৰ অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে— দাদাকে।

(ii) কেতিয়াবা এক যোগ কৰিও একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে— এক ছিল ৰাজা, এক ছিল ৰাণী।

(iii) বাংলা ভাষাত নিৰ্দিষ্টাতাবাচক প্ৰত্যয় যোগ কৰাত একবচনৰ অৰ্থ বুজাব পাৰি। অৰ্থাৎ মূল শব্দৰ লগত টা, টি, খানা, খানি, গছি আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয় সংযোগ কৰি একবচন কৰা হয়। যেনে মানুষটা, মেয়েটি, ঘৰখানি, জামাখানা, মালাগাছি ইত্যাদি।

বহুবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়—

(i) বাংলা ভাষাত বিভিন্ন বহুবচনাত্মক প্ৰত্যয় সংযোগ কৰি বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। এই প্ৰত্যয়বোৰ হ'ল— -ৰা, -এৰা, -ওলি, -গুলো, -দেৰ, -দিগকে আদি। নিদৰ্শন স্বৰূপে—

ৰা — তাৰা, ৰাজাৰা
এৰা — কালকেৰা, পাগলেৰা
গুলি — বইগুলি, দিনগুলি
গুলো — গাছগুলো
দেৰ — ছেলেদেৰ, মানুষদেৰ
দিগকে — আমাদিগকে ইত্যাদি।

(ii) বাংলা ভাষাত প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক তৎসম শব্দৰ পাছত সমষ্টিবাচক শব্দসমূহৰ কিছুমান সংস্কৃত আৰু কিছুমান অনা-সংস্কৃত। বাংলা ভাষাত এনে সমষ্টিবোধক শব্দ যথেষ্ট পোৱা যায়। তলত এনে সমষ্টিবোধক শব্দৰ নিদৰ্শন দাঙি ধৰা হ'ল—

আৱলী — ৰচনাৱলী, পদাৱলী
কুল — অলিকুল, বাষ্পাকুল
গণ — কোকিলগণ, বন্ধুগন
গুচ্ছ — শব্দগুচ্ছ, কেশগুচ্ছ
দাম — কেশদাম, লতাদাম
মহল — বন্ধুমহল, গুণীমহল
পুঞ্জ — দ্বীপুঞ্জ, মেঘপুঞ্জ
ৰাশি — পুষ্পৰাশি, পত্ৰৰাশি
ৰাজি — ৰত্নাৰাজি, পুষ্পৰাজি
লোক — জ্ঞানীলোক, পণ্ডিতলোক
মণ্ডল — গগণমণ্ডল, মেঘমণ্ডল
মণ্ডলী — শিক্ষকমণ্ডলী, নক্ষত্রমণ্ডলী
সকল — পণ্ডিতসকল, মনুষ্যসকল
দল — তাৰাদল, বৈতালিকদল
বর্গ — ৰাজন্যবর্গ, শ্রোতাবর্গ
বৃন্দ — দর্শকবৃন্দ, শিষ্যবৃন্দ।
মালা — পর্বতমালা, মেঘমালা
শ্রেণী — দ্বিজশ্রেণী, তৰুশ্রেণী
সমূহ — জাতিসমূহ, পত্রসমূহ
জাল — শব্দজাল, শৰজাল
পাল — মৃগপাল
সব — ছাত্রসব
গ্রাম — গুণগ্রাম
যুথ — মৃগযুথ
নিচয় — পুষ্পনিচয় ইত্যাদি।

(iii) অনেক, সব আদি বহুবচনবাচক শব্দৰ যোগ্যতা বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে—

অনেক কাজ পড়ে আছে,
সব বই কিনেছ? আদি।

(iv) শব্দৰ দ্বিত প্রয়োগৰ দ্বাৰাও বাংলা ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰি। অর্থাৎ বিশেষ্য, বিশেষণ, সর্বনাম ইত্যাদি পদৰ দ্বিত্ব প্রয়োগৰ দ্বাৰা বহুবচনৰ ৰূপ কৰিব পাৰি। যেনে—

(i) মেঘে মেধে বৃষ্টি নাই (ii) এমন কচি কচি আম

(iii) কেউ কেউ একথা বলেন (iv) ছোট ছোট লোক ইত্যাদি।

(v) সম্বন্ধপদ প্রয়োগৰ ক্ষেত্রতো বহুবচনৰ ৰূপ পোৱা যায়। যেনে— গুচ্ছৰ কলা আনলি কেন?

(vi) কেতিয়াবা বিনয়ৰ ক্ষেত্রতো বহুবচনৰ প্রয়োগ হোৱা দেখা যায়।

এইদৰে বাংলা ভাষাত একবচন আৰু বহুবচন এই দুটা বচন পোৱা যায় আৰু এই দুয়োটা বচনৰ অর্থ প্রকাশ কৰা উপায়বোৰ বেলেগ বেলেগ। আন আধুনিক ভাৰতীয় আর্যভাষাৰ দৰে বাংলা ভাষাতো দ্বিবচন পোৱা নযায়। কিন্তু দুটা বুজোৱা শব্দৰ যোগত দ্বিবচনৰ ৰূপ কৰা হয়। যেনে— দুই ঘৰে, দুজন মানুষ, দুই চকা ইত্যাদি।

বাংলা ভাষাৰ লিংগ ঃ

লিংগ শব্দৰ অর্থ হ'ল চিহ্ন। বাংলা ভাষাত ব্যৱহৃত যিবোৰ চিনে মতা-মাইকী বা পুৰুষ স্ত্রী আৰু আন বস্তুৰ ধাৰণা দিয়ে তাক লিংগ বুলি কোৱা হয়। ভাষাবিদ সুনীতি কুমাৰ চেট্টার্জীয়ে বাংলা ভাষাৰ তিনিবিধ লিংগৰ কথা উল্লেখ কৰিছে। সেই তিনিবিধ হ'ল— পুংলিংগ, স্ত্রীলিংগ, স্ত্রী বা মাইকী অর্থ প্রকাশ কৰিলে তাক স্ত্রীলিংগ আৰু পুৰুষ-স্ত্রী ধাৰণা দিব নোৱাৰা অপ্রাণীবাচক ৰূপবোৰক ক্লীৱলিংগ বোলা হয়। কিন্তু অন্যান্য আধুনিক ভাৰতীয় আর্য ভাষাৰ দৰে বাংলা ভাষাতো পুংলিংগ আৰু ক্লীৱলিংগ একাকাৰ হৈ পৰিছে।

বাংলা ভাষাত লিংগ নির্ণয়ৰ উপায় ঃ

বাংলা ভাষাত প্রাণীবাচক শব্দসমূহৰ ক্ষেত্রত মতা-মাইকীৰ লিংগ ভেদ কৰা হয়। অর্থাৎ বাংলা ভাষাত শব্দৰ অর্থৰ ওপৰত নির্ভৰ কৰি লিংগ নির্ণয় কৰা হয়। বাংলা ভাষাত লিংগ নির্ণয়ৰ উপায়কেইটা এনে ধৰণৰ—

(i) পুৰুষ আৰু স্ত্রীবাচক শব্দ সুকীয়া সুকীয়াকৈ প্রয়োগ কৰি বাংলা ভাষাত লিংগ নির্ণয় কৰা হয়। নিদর্শন স্বৰূপে—

ভাই — বোন, ছেলে — মেয়ে, শ্বশুৰ — শাশুড়ী,
বাবা — মা, দেওৰ — ননন্দ, বলদ — গাই,
পো — ঝী, ভূত — পেত্নী আদি।

(ii) লিংগ নিৰপেক্ষ ৰূপৰ আগত বেটা/পুৰুষ/মাদ্দা আদি পুংলিংগবাচক শব্দ আৰু মহিলা/মেয়ে/মাদি আদি স্ত্রীলিংগবাচক ভিন্ ভিন্ শব্দ প্রয়োগ কৰি বাংলা ভাষাত লিংগ নির্ণয় কৰা হয়। নিদর্শন স্বৰূপে — পুৰুষ যাত্রী — মহিলা যাত্রী, পুৰুষ কবি — মহিলা কবি, বেটা ছেলে —মেয়ে ছেলে, মাদ্দা ঘোড়া — মাদি ঘোড়া, মাদ্দা ছাগল — মাদি ছাগল, মাদ্দা চিল — মাদি চিল আদি।

(iii) পুংলিগবাচক শব্দৰ পিছত স্ত্রী প্রত্যয় সংযোগ কৰি বাংলা ভাষাত ই, নী, অনি, আনী, ইনি, উনি আদি কেইবাটাও স্ত্রী প্রত্যয় পোৱা যায়। এই প্রত্যয়সমূহৰ নিদর্শন হ'ল—

মামা — মামি, নাতি — নাত্নি, কাঙাল — কাঙালি
ককা — কাকী, বাঘ —বাঘিনী, কুমাৰ — কুমাৰণী
গয়লা — গয়লানী, ডোম — ডোমনী, মেথৰ — মেথৰানি
কুলু — কলুনী ইত্যাদি।

(iv) বাংলা ভাষাত এনে কিছুমান শব্দৰ প্রয়োগ আছে যিবোৰ নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক। এনে ধৰণৰ শব্দৰ প্রয়োগৰ দ্বাৰাও বাংলা ভাষাত লিংগ নির্ণয় কৰা হয়। এনে শব্দৰ নিদর্শন হ'ল—

নিত্য পুংলিংগবাচক ঃ কবিৰাজ কুস্তিগিৰি, বিপত্নীক, ঢাকী, ঢুলী, বাজনাদাৰ ইত্যাদি।

নিত্য স্ত্রীলিংগবাচক ঃ সতিন, ৰূপসী, ধাই, বিধবা, অংগনা, দাইনী, সজনী আদি।

লিংগৰ ক্ষেত্রত বিশেষকৈ কথিত ভাষাৰ লিংগৰ ক্ষেত্রত বাংলা ভাষাত উদাসীনতা


পৰিলক্ষিত হয়। তথাপি সংস্কৃতৰ অনুকৰণত বহু সময়ত বিশেষণৰ স্ত্রীলিংগৰ ৰূপ প্রয়োগ হোৱা দেখা যায়। তৎসম বিশেষণ শব্দত 'আ' 'ঈ' প্রত্যয় প্রয়োগ কৰি স্ত্রীলিংগৰ ৰূপ গঠন কৰা হয়। বাংলা ভাষাৰ বিশেষণৰ স্ত্রীলিংগৰ ৰূপ কিছুমান হ'ল— সবলা নাৰী, বুদ্ধিমতী মেয়ে বিদূষী নাৰী, বিপুলা পৃথিৱী, কনিষ্ঠা কন্যা, মহিয়সী মহিলা ইত্যাদি। গতিকে বাংলা ভাষাৰ লিংগ প্রকৰণৰ ক্ষেত্রত কিছুমান নিজস্ব বৈশিষ্ট্য দেখা যায়।

বাংলা ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় ঃ

কোনো বস্তু বা প্রাণীক নির্দিষ্টকৈ দেখুৱাই দিব পৰা প্রত্যয়বোৰেই হ'ল নির্দিষ্টতাবাচক প্রত্যয়। অর্থাৎ যিবোৰ প্রত্যয়ে বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পিছত যোগ হৈ কোনো বস্তুৰ আকৃতি, প্রকৃতি, পৰিমাণ, সংখ্যা ইত্যাদি নির্দিষ্টকৈ দেখুৱাই দিয়ে তেনেবোৰ প্রত্যয়ক নির্দিষ্টতাবাচক প্রত্যয় বোলা হয়। আধুনিক ভাৰতীয় আর্য ভাষাবোৰত কম-বেছি পৰিমাণে নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ দেখিবলৈ পোৱা যায়। বাংলা ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ সংখ্যা যথেষ্ট সীমিত হোৱা দেখা যায়। বিশেষ্য বা বিশেষণত বিশেষভাৱে নির্দেশ কৰা বাবে কেইটামান শব্দ বা শব্দাংশ বাংলা ভাষাত প্রত্যয়ৰ দৰে ব্যৱহাৰ হয়। বাংলা ভাষাত ব্যৱহৃত নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ উদাহৰণসহ তলত দেখুওৱা হ'ল—

টা — চক্ষুটা, বাদৰটা, অর্ধেকটা
টি — ছেলেটি, মানুষটি, দুটি
টু — একটু
খান — দুইখান, শৰীৰখান
খানি — এতখানি, নৌকাখানি, বইখনি
খানা —বাড়িখানা, মুখখানা, কাপড়খানা
টুক — জলটুক, এতটুক জল
টুকু — দুধটুকু, এতটুকু, জলটুকু
গাছ — লাঠিগাছ, ছড়িগাছ, তিনিগাছ
গাছি — একগাছি, লাঠিগাছি
গাছা — আখগাছা, লাঠিগাছা
গোটা — বানগোটা
গোটি — পাঞ্চগোটি, বাঁশীগোটি
থান — কাপৰ দুথান
টুকুন — একটুকুন, এতটুকুন
জন — এক জন, মাতা-পিতা দুইজন আদি।

গতিকে বাংলা ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ সংখ্যা বৰ কম। কোনো বস্তুক নির্দিষ্ট কৰি বুজাবলৈ অধিকাংশ ক্ষেত্রত টা আৰু টি প্রত্যয় সংযোগ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বাংলা ভাষাৰ বচন কেইবিধ আৰু কি কি ? বাংলা ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায়কেইটা চমুকৈ আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ বাংলা ভাষাৰ লিংগ নির্ণয়ৰ উপায়সমূহ ফঁহিয়াই আলোচনা কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

বাংলা ভাষাৰ বিশেষণ ঃ

ভাষাত ব্যৱহৃত বিশেষণ পদবোৰ বিশেষ্য, বিশেষণ, সর্বনাম আৰু ক্রিয়াপদৰ দোষ, গুণ, অৱস্থা, পৰিমাণ, সংখ্যা আদি বিশেষভাৱে প্রকাশ কৰে। বাংলা ভাষাৰ বিশেষণবোৰক দুটা ভাগত ভাগ কৰিব পাৰি— নাম বিশেষণ আৰু ক্রিয়া বিশেষণ। বিশেষ্য, বিশেষণ আৰু সর্বনাম পদক একলগে নামপদ বোলা হয় আৰু সেই ফালৰ পৰা বাংলা ভাষাত নাম বিশেষণ তিনি প্রকাৰৰ। সেই কেইবিধ হ'ল বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ আৰু সর্বনামীয় বিশেষণ।

বিশেষ্যৰ বিশেষণ ঃ বিশেষ্য পদৰ দোষ, গুণ, অৱস্থা আদি বুজোৱা শব্দক বিশেষ্যৰ বিশেষণ বোলা হয়। যেনে— ভালো ছাত্র, লাল ফুল, নীলা আকাশ, হিংস্র পশু ইত্যাদি। বিশেষ্যৰ বিশেষণ কেইবা প্রকাৰৰ হোৱা দেখা যায়। সেইবোৰ হ'ল—গুণবাচক, অৱস্থাবাচক, সংখ্যাবাচক, পৰিমাণবাচক, বর্ণবাচক ইত্যাদি। বিভিন্ন প্রকাৰৰ বিশেষ্যৰ বিশেষণৰ নিদর্শন হ'ল—

গুণবাচক ঃ ৰাগী মানুষ, বুদ্ধিমতী মেয়ে, দানশীলা মহিলা আদি।

অৱস্থাবাচক ঃ ঘুমন্ত শিশু, জীয়ল মাছ, ধনী মহাজন আদি।

সংখ্যাবাচক ঃ হাজাৰ সৈন্য, সহস্র মুদ্রা আদি।

পৰিমাণবাচক ঃ অগাধ টাকা, গভীৰ জল, বিস্তৰ ধনদৌলত আদি।

বর্ণবাচক ঃ কালো মেয়ে, ৰাঙা গোলাপ, সোণালী ৰং আদি।

বিশেষণীয় বিশেষণ ঃ যি বিশেষণে বিশেষণ বা ক্রিয়াবিশেষণৰ গুণ, অৱস্থা, প্রকাৰ আদি প্রকাশ কৰে তাকে বিশেষণীয় বিশেষণ বোলা হয়। যেনে— খুব ভালো ছাত্র, মেয়েটি খুব মেধাবী, টকটক লাল ফুল ইত্যাদি। এইবোৰ বিশেষণ বা ক্রিয়াবিশেষণৰ আগত প্রয়োগ হয়।

সর্বনামীয় বিশেষণ ঃ সর্বনামৰ পৰা উদ্ভূত বিশেষণবোৰক সর্বনামীয় বিশেষণ বোলা হয়। কেতিয়াবা কেতিবায়া সর্বনাম পদক বিশেষণ ৰূপে বাক্যত প্রয়োগ কৰা হয়। বাক্যত সর্বনাম পদ নিজে বিশেষণ ৰূপে প্রয়োগ হৈ অন্য পদৰ দোষ, গুণ, অৱস্থা আদি প্রকাশ কৰে। নিদর্শন স্বৰূপে— সে দিন, এত ঋণ, কত ব্যথা, কোনো কোনো ছেলে, কত দূৰ, কেমন দেশ, যত মত তত পথ ইত্যাদি।

ক্রিয়া বিশেষণ ঃ যি বিশেষণে ক্রিয়াৰ বিশেষ অৱস্থা সূচায় তেনে বিশেষণক ক্রিয়া বিশেষণ বোলা হয়। অর্থাৎ ক্রিয়া বিশেষণে কোনো ক্রিয়া কি অৱস্থাত, ক'ত কেতিয়া কি ৰূপে সম্পন্ন হয় তাক নির্দেশ কৰে। নিদর্শন স্বৰূপে— মেয়েটি ভালো গায়, তাৰাতাৰি চলো, শীঘ্রে এসো ইত্যাদি। বাংলা ভাষাৰ ক্রিয়া বিশেষণবোৰক অৱস্থাবাচক, কালবাচক, স্থানবাচক ইত্যাদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি। নিদর্শন স্বৰূপে—

অৱস্থাবাচক ঃ বিষ্টি পড়ে টাপুৰ টুপুৰ।

কালবাচক ঃ এখনি আঁধাৰ হবে বেলাটুকু পোহালে

স্থানবাচক ঃ কোঠায় এসোচি, যাব যে কোঠায়— বুঝিতে পাৰি না কিছু ইত্যাদি।

বাংলা ভাষাত ক্রিয়া বিশেষণ গঠনৰ ক্ষেত্রত কিছুমান বিশেষ বৈশিষ্ট্য দেখা যায়। ক্রিয়া বিশেষণ শব্দ বাংলা ভাষাত কেইবা ধৰণেও গঠিত হয়। সেইবোৰ এনে ধৰণৰ—

(i) কিছুমান ক্রিয়াবিশেষণ শব্দ বাংলা ভাষাত বিভক্তিহীন ভাবে প্রয়োগ হোৱা দেখা যায়। যেনে— ঘণ্টা বাজে ঢং ঢং পৰশু যাব, নিশ্চয় যাবে ইত্যাদি।

(ii) বাংলা ভাষাত কেতিয়াবা বিভক্তি যোগ কৰি ক্রিয়াবিশেষণ গঠন কৰা হয়। যেনে— তিনি পদব্রজে হিমালয় ভ্রমণ কৰিলেন, পতংগ যে ৰংগে ধাই ইত্যাদি।

(iii) অসমাপিকা ক্রিয়াৰ যোগতো কেতিয়াবা ক্রিয়া বিশেষণ গঠন হয়। যেনে— হনহনিয়ে চলে গেল, ভাল কৰে পড়াশোনা কৰ আদি।

(iv) বাংলা ভাষাত কেতিয়াবা শব্দৰ দ্বিত প্রয়োগৰ দ্বাৰা ক্রিয়া বিশেষণ গঠন হয়। যেনে— ধীৰে ধীৰে ডুবছে, বাৰ বাৰ দেখছি আদি।

(v) মাত্র, পূর্বক, মত, মতন আদি পদৰ যোগতো বাংলা ভাষাত ক্রিয়া বিশেষণ গঠন হোৱা দেখা যায়। যেনে— মাত্র, ভালো মতন, ঠিক মত ইত্যাদি।

এইকইৈবিধ বিশেষণৰ উপৰিও বাংলা ভাষাত সম্বন্ধ বিশেষণ, অব্যয় বিশেষণ, ধ্বন্যাত্মক বিশেষণ, বিধেয় বিশেষণ ইত্যাদি বিভিন্ন বিশেষণ শব্দ পোৱা যায়। এইবোৰৰ নিদর্শন হ'ল—

সম্বন্ধ বিশেষণ ঃ প্রাণেৰ বন্ধু, গ্রামেৰ লোক আদি।

অব্যয় বিশেষণ ঃ একটু পৰে এস, আৰ ভাত দিওনা আদি।

ধ্বন্যাত্মক বিশেষণ ঃ কনকনে শীত, ঝনঝনে বৃষ্টি আদি।

বিধেয় বিশেষণ ঃ মেয়েটি বড় শান্ত, কলকাতাৰ জলবায়ু দূষিত আদি।

বিশেষণ তাৰতম্য বা তুলনা ঃ বিশেষণৰ তাৰতম্য কথাটোৱে দুটা বস্তু বা দুজন ব্যক্তিৰ তুলনা আৰু বহু বস্তু বা বহু ব্যক্তিৰ তুলনা কৰিবলৈ বিশেষণৰ পাছত কৰা প্রত্যয় সংযোগ ৰীতিক বুজায়। অর্থাৎ বিশেষণ শব্দৰ পাছত কেতবোৰ প্রতায় সংযোগ কৰি দুই বা তাতোধিক বস্তুৰ মাজৰ গুণ, অৱস্থা বা পৰিমাণৰ তুলনা কৰাকে বিশেষণৰ তাৰতম্য বোলা হয়। বিশেষণৰ তাৰতম্যৰ দ্বাৰা দুটা বা বহুতৰ মাজত এটিৰ উৎকর্ষ বা অপকর্ম দেখুওৱা হয়।

বাংলা ভাষাত দুই ধৰণে বিশেষণৰ তাৰতম্য বুজোৱা হয়। এটা হ'ল সংস্কৃতীয় আৰু আনটো হ'ল খাটী বাংলা।

সংস্কৃতীয় ঃ সংস্কৃতত দুটাৰ মাজত তুলনা কৰি বিশেষণৰ তাৰতম্য বুজাবলৈ 'তৰ' আৰু 'ঈয়স' প্রত্যয় যোগ কৰা হয় আৰু বহুতৰ মাজত তুলনা কৰি তাৰতম্য বুজাবৰ বাবে 'তম' আৰু 'ইষ্ঠ' প্রত্যয় যোগ কৰা হয়। সংস্কৃতত বিশেষণ শব্দৰ পাছত লগ লগা এই প্রত্যয়কেইটা বাংলা ভাষাতো লগ লগাই বিশেষণৰ তুলনা কৰা হয়। তলত দুটামান এনে নিদর্শন দিয়া হ'ল—

গুৰ — গুৰুতৰ/গৰীয়া — গুৰুত/গৰিষ্ঠ

লঘু — লঘুতৰ/লঘীয়ান — লঘুতম/লঘিষ্ঠ

মহৎ — মহত্তৰ/ মহীয়ান — মহত্তম/মহিষ্ঠ

উচ্চ — উচ্চতৰ — উচ্চতম ইত্যাদি।

খাটী বাংলা ঃ খাটী বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজাবৰ বাবে কোনো প্রত্যয় যোগ নহয়। সেইবাবে বাংলা নিয়ম অনুযায়ী বিশেষণৰ তাৰতম্য প্রকাশ কৰিলে বিশেষণ পদটি অবিকৃত হৈ থাকে। বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজোৱাৰ নিয়মকেইটা হ'ল—

(i) বাংলা ভাষাত দুটাৰ মাজত তুলনা কৰিবলৈ হ'লে তুলনা কৰা ব্যক্তি, বস্তু বা বিষয়ৰ পাছত অপেক্ষা, চেয়ে, থেকে, হতে, হইতে, চাইতে, চাহিতে ইত্যাদি অনুসর্গ সংযোগ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) দিল্লী অপেক্ষা কলকতাৰ জনসংখ্যা বেশী।

(খ) আমাৰ চেয়ে তুমি পৰিশ্রমী।

(গ) নির্বোধ বন্ধৰ চাইতে পণ্ডিত শত্রু ভালো।

বাংলা ভাষাত দুই এৰ মধ্য, সবাৰ মধ্যে, তুলনায় ইত্যাদি পদৰ সংযোগেৰেও বিশেষণৰ তাৰতম্য বুজোৱা হয়। নিদর্শন স্বৰূপে—

(ক) গোৰু এবং কুকুৰ এই দুইয়েৰ মধ্যে গোৰু উপকাৰী।

(খ) সব গৃহপালিত পশুৰ তুলনায় গোৰু উপকাৰী।

(ii) বাংলা ভাষাত বহুতৰ মাজত তুলনা কৰি এটাৰ উৎকর্ষ-অপকর্ষ বুজাবলৈ বিশেষণৰ আগত সবচেয়ে, সর্বাপেক্ষা, সকলেৰ থেকে ইত্যাদি শব্দ প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) জলচৰ প্রাণীৰ মধ্যে তিমিই সর্বাপেক্ষা বৃহৎ

(খ) এই গাছেৰ আম সবচেয়ে মিষ্টি

(গ) পশুদেৰ মধ্যে হাতিই সব চাইতে বড়। আদি।

(iii) বাংলা ভাষাত তুলনাৰ ক্ষেত্রত উৎকর্ষ-অপকর্ষৰ মাত্রা বেছি বুজালে, পার্থক্য বা ব্যৱধান অধিক হ'লে বিশেষণৰ আগত অর্থ অনুযায়ী অধিক, অনেক, অত্যন্ত, বেছি, অল্প, একটু, অনেকটা আদি বিশ্লেষণ শব্দ প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে—

(ক) অর্থৰ চেয়ে বিদ্যা অধিক কাম্য।

(খ) কুকুৰৰ চেয়ে বানৰ ঢেৰ বেছি বুদ্ধিমান।

গতিকে বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজাবলৈ সংস্কৃত আৰু খাটী বাংলা ৰীতি নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল।

বাক্যৰ মাজত পূৰ্বে ব্যৱহৃত বা অজ্ঞাত, কোনো সংজ্ঞা বা নামৰ পৰিৱৰ্তে যিবোৰ শব্দ ব্যৱহাৰ হয় সেইবোৰক সর্বনাম বোলা হয়। সকলো নামপদৰ পৰিৱৰ্তে ই ব্যৱহাৰ হয় বাবে ইয়াক সর্বনাম বুলি কোৱা হয়। যেনে— তুই আমি, তুমি, কেউ, সব ইত্যাদি। সর্বনামৰ প্রয়োগ বাক্যত পুনৰাবৃত্তি হ্রাস কৰে।

বাংলা ভাষাৰ সর্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। এই ভাগকেইটা হৈছে— (i) ব্যক্তিবাচক সর্বনাম (ii) নিদের্শক সর্বনাম (iii) অনির্দেশক সর্বনাম (iv) সাকল্যবাচক সর্বনাম (v) সম্বন্ধবাচক সর্বনাম (vi) প্রশ্নসূচক সর্বনাম (vii) আত্মবাচক সর্বনাম আৰু (viii) ব্যতিহাৰিক সর্বনাম।

ব্যক্তিবাচক সর্বনাম ঃ বাংলা ভাষাত ব্যক্তিবাচক সর্বনামে বিশেষ ভূমিকা গ্রহণ কৰিছে। ব্যক্তিবাচক সর্বনামে পুৰুষ অনুযায়ী কোনো ব্যক্তিক বুজায়। বাংলা ভাষাত পুৰুষ তিনিবিধ— প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। ব্যক্তিবাচক সর্বনামকো এই তিনিটা পুৰুষ অনুয়াযী ভাগ কৰিব পাৰি। বাংলা ভাষাৰ ব্যক্তিবাচক সর্বনামবোৰ হ'ল— আমি, তুই, তুমি, আপ্নি, সে, তিনি, আম্ৰা, তোৰা, তোম্ৰা আপনাদেৰ, তাৰা, তাঁহাৰা আদি।

উল্লেখযোগ্য যে অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰ কিছুমান সর্বনাম শব্দৰ পাছত শব্দবিভক্তি যোগ কৰিলে কেতিয়াবা মূল শব্দটোৰ কিছু পৰিৱর্তন হয়। অর্থাৎ মূল ৰূপৰ লগত প্রত্যয় বা বিভক্তি যোগ কৰিলে একোটা অতিৰিক্ত স্বৰ বা ব্যঞ্জন সংযোগ হয়। এই অতিৰিক্ত ৰূপবোৰক তির্যক ৰূপ বোলা হয়। তলত বাংলা ভাষাৰ ব্যক্তিবাচক সর্বনামবোৰ তির্যকৰূপৰ সৈতে এখন তালিকা দিয়া হ'ল—

ব্যক্তিবাচক সর্বনাম	একবচন	তির্যকৰূপ	বহুবচন
প্রথম পুৰুষ	আমি	আমা	আম্
দ্বিতীয় পুৰুষ (তুচ্চ)	তুই	তো	তোৰা
(মান্য)	তুমি	তোমা	তোম্ৰা
(অধিক মান্য)	আপ্নি	আপ্না	আপ্নাৰা/আপনাদেৰ
	সে	তাহা/তা	তাহাৰ/তাৰা
তৃতীয় পুৰুষ	তিনি	তাঁহা/তাঁ	তাঁহাৰা/তাঁৰা

ওপৰৰ তালিকাখনত উল্লিখিত আমা, তোমা, তো, আপ্না, তাঁহা, তাঁ আদি ৰূপৰেখা হ'ল সর্বনামৰ তির্যক ৰূপ।

নিদের্শক সর্বনাম ঃ যিবোৰ সর্বনামে কোনো ব্যক্তি বা বস্তুক নির্দেশ কৰে সেইবোৰ সর্বনামবোৰ দুটা ভাগত বিভক্তি— সামীপ্যবাচক আৰু দূৰত্ববাচক। অর্থাৎ ওচৰৰ ব্যক্তি বা বস্তুক নির্দেশ কৰা সর্বনামবোৰ সামীপ্যবাচক আৰু দূৰৰ ব্যক্তি বা বস্তুক নির্দেশ কৰা সর্বনামবোৰ দূৰত্ববাচক। নিদর্শন স্বৰূপে—

নির্দেশক সর্বনাম	একবচন	বহুবচন
সামীপ্যবাচক	এই, ইনি, ইহা	ইহাৰা, এসব, এইগুলি
দূৰত্ববাচক	ও, উনি, উহা	ওৰা, উহাৰা, ওগুলি, ওনাৰা

অনির্দেশক সর্বনাম ঃ যিবোৰ সর্বনাম কোনো অনির্দিষ্ট বস্তু বা ব্যক্তিৰ পৰিৱর্তে প্রয়োগ হয় সেইবোৰক অনির্দেশক সাকল্যবাচক সর্বনাম বোলে। যেনে— উভয়, সব, সকল, সবাই, সব, কিছু ইত্যাদি।

সাকল্যবাচক সর্বনাম ঃ সমষ্টিবাচক বস্তু, ব্যক্তি বা ভাবৰ পৰিৱর্তে যিবোৰ সর্বনাম প্রয়োগ হয় সেইবোৰ সর্বনামক সাকল্যবাচক সর্বনাম বোলে। যেনে— উভয়, সব, সকল সবাই, সব, কিছু ইত্যাদি।


সম্বন্ধবাচক সর্বনাম ঃ যিবোৰ সর্বনমে দুই বা ততোধিক ব্যক্তি বা বস্তুৰ মাজত সংযোগ স্থাপন কৰে সেইবোৰক সম্বন্ধবাচক সর্বনাম বোলে। যেনে— যে, যাহা, যিনি, যাহাৰ যেগুলি ইত্যাদি।

প্রশ্নবাচক সর্বনাম ঃ কোনো কথা জানিবৰ বাবে ইচ্ছা প্রকাশ কৰি যিবোৰ সর্বনাম প্রয়োগ কৰা হয় সেইবোৰেই প্রশ্নবাচক সর্বনাম। যেনে— কে, কি, কোন, কাহা, কাহেৰ, কিসব, কাৰা আদি।

আত্মবাচক সর্বনাম ঃ কাৰো সহায় নোলোৱাৰ ভাবটো বিশেষভাৱে প্রকট কৰি তুলিবৰ বাবে যিবোৰ সর্বনাম প্রয়োগ কৰা হয়। তেনেবোৰ সর্বনামক আত্মবাচক সর্বনাম বোলে। যেনে— নিজ, স্বয়ং, আপ্‌নি আদি।

ব্যতিহাৰিক সর্বনাম ঃ পৰস্পৰৰ অর্থে বা স্বেচ্ছাই অর্থে যিবোৰ সর্বনাম প্রয়োগ কৰা হয় সেইবোৰৰ সর্বনামক ব্যতিহাৰিক সর্বনাম বোলা হয়। যেনে— নিজে নিজে, আপনা-আপুনি আদি।

বাংলা ভাষাৰ সর্বনাৰ ক্ষেত্রত দুটামান বিশেষত্ব পৰিলক্ষিত হয়। ব্যক্তিবাচক সর্বনামৰ ক্ষেত্রত দ্বিতীয় পুৰুষত তিনিটা ৰূপ পোৱা যায়। তদুপৰি এই সর্বনামকেইটাৰ তির্যক ৰূপৰ পিছত বিভক্তি সংযোগ হোৱা পদ্ধতিটোও মন কৰিবলগীয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বাংলা ভাষাৰ বিশেষণৰ তাৰতম্য বা তুলনা সম্পর্কে এটি আলোচনা যুগুত কৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৬ ঃ বাংলা ভাষাৰ সর্বনামৰ প্রকাৰভেদ সম্পর্কে চমুকৈ উল্লেখ কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

বাংলা ভাষাৰ কাৰক আৰু শব্দবিভক্তি ঃ

কাৰক আৰু শব্দবিভক্তি বাংলা ভাষাৰ ৰূপতত্ত্বৰ আন এক গুৰুত্বপূৰ্ণ বিষয়। কাৰ বুলি ক'লে সাধাৰণতে ক্ৰিয়া পদৰ লগত আন পদৰ সম্বন্ধক বুজায়। অৰ্থাৎ বাক্যত বিভিন্ন পদৰ প্ৰয়োগ হয় আৰু সেইবোৰ পদৰ মাজত ইটোৰ লগত সিটোৰ পাৰস্পৰিক সম্পৰ্ক স্থাপন হয়। বাক্যত ক্ৰিয়াপদটোৱে আন পদৰ লগত ভিন্ ভিন্ ধৰণে সম্বন্ধ স্থাপন কৰে আৰু ক্ৰিয়াপদৰ লগত আন পদৰ এই ধৰণে সম্বন্ধ স্থাপন কৰে আৰু ক্ৰিয়াপদৰ লগত আন পদৰ এই অন্বয় বা সম্বন্ধকে কাৰক বুলি কোৱা হয়। বাংলা ভাষাত ক্ৰিয়াপদে আন পদৰ লগত ছয় ধৰণে সম্পৰ্ক স্থাপন কৰে আৰু তাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাত ছবিধ কাৰক পোৱা যায়। ইয়াৰ উপৰিও সম্বন্ধপদ নামৰ আন এবিধ পদ পোৱা যায়। বাংলা ভাষাৰ কাৰক কেইবিধ হ'ল— কৰ্তা কাৰক, কৰ্ম কাৰক, কৰণ কাৰণ, সম্প্ৰদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক। সম্বন্ধ পদে ক্ৰিয়াপদৰ লগত সম্বন্ধ স্থাপন নকৰে। ব্যকাত ব্যৱহৃত আন পদৰ লগতহে সম্পৰ্ক স্থাপন কৰে। সেয়ে সম্বন্ধ এটা পদ, কাৰক নহয়।

সেইদৰে প্ৰতিটো পদৰ লগত ক্ৰিয়াপদৰ সম্বন্ধ হওঁতে সম্বন্ধটো যাৰ দ্বাৰ নিৰ্ণয় কৰা হয় তাক শব্দবিভক্তি বোলা হয়। অৰ্থাৎ যাৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মে বা কাৰক আৰু সম্বন্ধপদ নিৰ্ণয় কৰিব পাৰি সিয়েই হ'ল কাৰক বাচক বিভক্তি বা শব্দবিভক্তি। বাংলা ভাষাত সম্বন্ধ পদক ধৰি সাতবিধ শব্দবিভক্তি পোৱা যায়। সেইকেইবিধ হ'ল— প্ৰথমা বিভক্তি, দ্বিতীয় বিভক্তি, তৃতীয়া বিভক্তি, চতুৰ্থী বিভক্তি, পঞ্চমী বিভক্তি, ষষ্ঠী বিভক্তি আৰু সপ্তমী বিভক্তি। তলত কাৰকৰ এক চমু পৰিচয় বিভক্তিসহ দাঙি ধৰা হ'ল—

কৰ্তা কাৰক ঃ বাক্যত যাৰ দ্বাৰা ক্ৰিয়া সম্পাদিত হয় তাকে কৰ্তা কাৰক বোলা হয়। কৰ্তা কাৰকত প্ৰথমা বিভক্তি যোগ হয়। প্ৰথমা বিভক্তিৰ চিনকেইটা হ'ল— '০ (শূণ্য)', 'এ', 'তে', 'এতে' আদি। যেনে— ঘোড়াতে গাড়ি টানে, মুৰ্খেতেও এ কথা বুজাতে পাৰে আদি।

কৰ্ম কাৰক ঃ কৰ্তাৰ যি কাম সিয়েই হ'ল কৰ্ম। যাক অৱলম্বন কৰি কৰ্তাই ক্ৰিয়া সম্পাদন কৰে তাকে কৰ্ম কাৰক বোলা হয়। কৰ্ম কাৰকত দ্বিতীয় বিভক্তি সংযোগ হয়। দ্বিতীয়া বিভক্তিৰ চিন হ'ল— '০' , 'কে', 'এ', আৰু 'য়'। যেনে— বাঘ হৰিণ খায়, আমি তাকে চিনি, পুলিশে খবৰ দাও ইত্যাদি।

কৰণ কাৰক ঃ কৰ্তাই যাৰ দ্বাৰা ক্ৰিয়া সম্পাদন কৰে তাকে কৰণ কাৰক বোলে। কৰণ কাৰকত তৃতীয়া বিভক্তি সংযোগ হয়। এই বিভক্তি কেইটা হ'ল— 'এ', 'তে'। তদুপৰি 'দ্বাৰা', 'দিয়া', 'কৰিয়া', 'কৰে' আদি অনুসৰ্গ যোগ কৰিও বাংলা ভাষাত কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে— ট্যাক্সিতে এলাম, গৰম জলে স্নান কৰেছি, পাল্কী কৰে বউ আসছে ইত্যাদি।

সম্প্ৰদান কাৰক ঃ স্বত্ব ত্যাগ কৰি যাক কিছু দান কৰা হয় নাইবা যাৰ উদ্দেশ্য কিছু কৰা হয় তাকে সম্প্ৰদান কাৰক বোলে। আকৌ যি বিশেষ্য বা সৰ্বনাম পদে নিমিত্তৰ নিৰ্দেশ

কৰে তাক নিমিত্ত কাৰক বোলে। এইবিধ কাৰকত চতুৰ্থী বিভক্তি যোগ হয়। চতুৰ্থী বিভক্তিৰ চিন হ'ল 'এ', 'কে', 'ৰে', আদি। বাংলা ভাষাত 'জন্যে', 'লাগি', 'থেকে', 'হতে' আদি অনুসৰ্গ যোগ কৰি সম্প্রদান বা নিমিত্ত কাৰকৰ অৰ্থ প্রকাশ কৰা হয়। যেনে— দৰিদ্রকে ধন দাও, তিনি শিকাৰে গেলেন, চাকৰিৰ জন্যে বাঙ্গালোৰ এসেছি আদি।

অপাদান কাৰক ঃ যাৰ দ্বাৰা কোনো বস্তু বা ব্যক্তিৰ বিচ্যুতি, বিৰত, অপসাৰণ, ৰক্ষিত, বঞ্চিত, গৃহীত ইত্যাদি হোৱা বুজায় তাকে অপাদান কাৰক বোলে। অপাদান কাৰকত পঞ্চমী বিভক্তি যোগ হয়। এই বিভক্তিৰ চিন হ'ল— 'এ' 'কে', 'তে' আদি। তদুপৰি 'হতে', 'থেকে', 'দিয়া' আদি স্বৰূপে— তিলে তেল হয়, দধিতে ঘোল হয়, গাছ থেকে ফলটো পড়ল, চোখ দিয়ে জল পড়ল ইত্যাদি।

অধিকাৰ কাৰক ঃ যি স্থান বা যি সময়ত কোনো ক্রিয়া অনুষ্ঠিত হয়, ক্রিয়াৰ সেই আধাৰকে অধিকৰণ কাৰক বোলে। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। এই বিভক্তি কেইটা হ'ল 'এ', 'তে', 'কে', 'য়', 'ত', আদি। যেনে— আজকে স আসবে, পড়াশোনাতে মন দাও, ছেলেবেলায় কত স্বপ্ন দেখেছি আদি।

সম্বন্ধ পদ ঃ যি পদে ক্রিয়াৰ লগত সম্পর্ক স্থাপন নকৰি বাক্যত ব্যৱহৃত আন পদৰ লগত সম্পর্ক স্থাপন কৰে তাকে সম্বন্ধ পদ বোলে। সম্বন্ধ পদত ষষ্ঠী বিভক্তি যোগ হয় আৰু ইয়াৰ চিন হ'ল— 'ৰ' আৰু 'এৰ'। যেনে— ৰামেৰ ভাই, চোখেৰ জল, মামাৰ জামা ইত্যাদি।

তলত বাংলা ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ অনুপদসহ এখন তালিকা দিয়া হ'ল—

কাৰক	শব্দবিভক্তি	বিভক্তিৰ চিন/অনুসৰ্গ
কৰ্তা কাৰক	প্রথম	০, এ, তে, এতে আদি
কৰ্ম কাৰক	দ্বিতীয়া	০, কে, এ, য় আদি
কৰণ কাৰক	তৃতীয়া	এ, তে, দ্বাৰা, দিয়া, কৰে কৰিয়া আদি
সম্প্রদান/নিমিত্ত কাৰক	চতুৰ্থী	এ, কে, ৰে, জন্যে, লাগি, থেকে হতে আদি।
অপাদান কাৰক	পঞ্চমী	এ, কে, তে, হতে, থেকে, দিয়া আদি
অধিকৰণ কাৰক	সপ্তমী	০, এ, তে, য় কে আদি
সম্বন্ধ পদ	ষষ্ঠী	ৰ, এৰ আদি।

গতিকে অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো কাৰকৰ অৰ্থ প্রকাশ কৰিবলৈ পদ্ধতি অৱলম্বন কৰা হয়। সেই দুটা হ'ল (i) বিভিন্ন পদত শব্দবিভক্তি সংযোগ কৰি আৰু (ii) অনুসৰ্গ সংযোগ কৰি। অৰ্থাৎ বাংলা ভাষাত কাৰকৰ অৰ্থ প্রকাশ কৰিবলৈ শব্দ বিভক্তিৰ উপৰিও অনুসৰ্গ সংযোগ কৰা হয়।

বাংলা ভাষাৰ ক্রিয়া ঃ

ক্রিয়া হ'ল ৰূপতত্ত্বৰ এক গুৰুত্বপূৰ্ণ বিষয়। বাক্যৰ এক অপৰিহাৰ্য উপাদান হ'ল

ক্রিয়া। এই ক্রিয়াই বাক্য সম্পূর্ণ কৰে। বাংলা ভাষাতো ক্রিয়াপদে এক বিশেষ ভূমিকা গ্রহণ কৰে। পুৰুষ ভেদে ক্রিয়ৰ ৰূপভেদ হয়। ক্রিয়ামূল বা ধাতুৰ পাছত ক্রিয়াবিভক্তি সংযোগ কৰি ক্রিয়াপদ গঠন কৰা হয়। বাংলা ভাষাৰ ক্রিয়াপদৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে ক্রিয়াপদৰ অন্তর্গত ক্রিয়ামূল বা ধাতু, ক্রিয়াৰ প্রকাৰ, ক্রিয়াৰ কাল, ক্রিয়াৰ ভাব, ক্রিয়াৰ বাচ্য— ইত্যাদি বিষয়বোৰ আলোচনাৰ অন্তর্ভুক্ত হয়।

ক্রিয়ামূল বা ধাতু ঃ

ক্রিয়াৰ মূল অর্থ প্রকাশক অবিভাজ্য মৌলিক অংশকে ধাতু বুলি কোৱা হয়। বাংলা ভাষাত ধাতুৰ সংখ্যা ডেৰ হাজাৰৰো অধিক হ'ব বুলি পণ্ডিতসকলে অনুমান কৰিছে। প্রকৃতি আৰু উৎপত্তিৰ ফালৰ পৰা বাংলা ভাষাৰ ধাতুসমূহক সুনীতি কুমাৰ চেট্টার্জীয়ে দুটা ভাগত ভাগ কৰিছে। সেই দুটা ভাগ হ'ল— (i) মৌলিক বা মুখ্য ধাতু আৰু (ii) সাধিত বা গৌণ ধাতু।

মৌলিক ধাতু ঃ বাংলা বাষাৰ মৌলিক ধাতুসমূহক (i) তদ্ভৱ ধাতু (ii) সংস্কৃতৰ পাঁচনী ধাতুৰ পৰা উদ্ভুত ধাতু (iii) তৎসম আৰু অর্দ্ধ তৎসম ধাতু আৰু (iv) সংশয়াত্মক ধাতু— এই চাৰিটা ভাগত ভাগ কৰা হৈছে।

তদ্ভৱ ধাতু ঃ বাংলা ভাষাত কিছুমান ধাতু সংস্কৃতৰ পৰা আহি মধ্য ভাৰতীয়া আর্যৰ স্তৰত কিছু পৰিৱর্তন লাভ কৰি বাংলা ভাষাত প্রয়োগ হৈছে। বাংলা ভাষাৰ তদ্ভৱ ধাতুবোৰ দুই ধৰণৰ—

সাধাৰণ ধাতু ঃ √কৰ (কৃ), √পড় (পঠ), √দেখ (দৃশ), √মৰ (মৃ), √খা (খাদ) আদি।

উপসর্গযুক্ত ধাতু ঃ √উপজ (উদ পদ), √সঁপ (সম√অর্প), √পস (প্র√বিশ) আদি।

সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভুত ধাতু ঃ বাংলা ভাষাৰ কিছুমান ধাতু সংস্কৃতত প্রয়োগ হোৱা পাঁচনী ক্রিয়াৰূপৰ পৰা আহিছে। এনে ধাতুৰ নিদর্শন হ'ল— √গাল (গালয়তি), √মাৰ (মাৰয়তি), √কহ (কথয়তি), √চাল (চালয়তি), √ফাড় (স্ফাটয়তি) ইত্যাদি।

তৎসম আৰু অর্দ্ধতৎসম ধাতু ঃ বাংলা ভাষাত কিছুমান সংস্কৃত ধাতু যিটো ৰূপত আছিল তেনেদৰেই ব্যৱহাৰ হৈছে আৰু কিছুমান সংস্কৃতৰ পৰা কিছু পৰিবর্তিত ৰূপত ব্যৱহাৰ হৈছে। এইবোৰক তৎসম আৰু অর্দ্ধতৎসম ধাতু বোলা হয়। বাংলা ভাষাত প্রয়োগ হোৱা এনে ধাতুৰ নিদর্শন হ'ল— √স্মৰ, √গর্জ, √বন্দ, √প্রণম, √বর্জ, √নিৰমা, √হিংস, √মর্দ ইত্যাদি।

সংশয়াত্মক ধাতু ঃ বাংলা ভাষাত কিছুমান ধাতু আছে যিবোৰ ধাতু সংস্কৃতৰ পৰা অহা নহয়। এই ধাতুবোৰৰ মূল জনা নাযায়। অজ্ঞাত মূলৰ এই ধাতুবোৰক দেশী ধাতু বোলা হয়। নিদর্শন স্বৰূপে √এড়, √কুঁদ, √খাট, √খুঁট √চাপ, √আঁচ, √খস, √আট, √পুঁত আদি।

সাধিত ধাতু ঃ মুখ্য ধাতুৰ পাছত এক বা একাধিক প্রত্যয় যোগ কৰি যিবোৰ ধাতু গঠন কৰা হয় তাকে সাধিত ধাতু বোলে। বাংলা ভাষাৰ সাধিত ধাতুসমূহক (i) পাঁচনী ধাতু

(ii) নামধাতু (iii) যৌগিক ধাতু (iv) ধ্বন্যাত্মক ধাতু আৰু (v) সংশয়াত্মক দাতু এই পাঁচোটা ভাগত ভাগ কৰিব পাৰি।

পাঁচনী ধাতু ঃ মুখ্য ধাতুৰ পাছত 'আ' 'আৰু 'ওয়া' প্রত্যয় লগ লগাই গঠন কৰা ধাতুবোৰক পাঁচনী ধাতু বোলা হয়। যেনে— √পড়+আ= পড়া, √কৰ+আ=কৰা, √খা+ওয়া=খাওয়া, √স্বা+ওয়া=যাওয়া আদি।

নাম ধাতু ঃ নাম শব্দৰ পাছত 'আ' প্রত্যয় লগ লগাই গঠন কৰা ধাতুবোৰেই হ'ল নামধাতু। যেনে— হাত+আ=হাতা, দাঁড়+আ=দাড়া, ঘাম+আ=ঘামা, চোট+আ=চোটা ইত্যাদি।

যৌগিক ধাতু ঃ বিশেষ্য, বিশেষণ আদি শব্দৰ লগত আন ধাতু সংযোগ কৰি যৌগিক ধাতু সৃষ্টি কৰা হয়। যেনে— ঢাক্কা খা, ভাল বাস, বাড়ি যা, হাবুডুবু খা, দান কৰ, ৰাজি হ ইত্যাদি। বাংলা ভাষাত প্রত্যয়ৰ যোগত গঠিত প্রত্যয়ান্ত ধাতুৰ নিদর্শন হয় √আঁকড়া √খিচঁকা, √ভামসা, √মুচকা ইত্যাদি।

ধ্বন্যাত্মক ধাতু ঃ ধ্বন্যাত্মক শব্দৰ পিছত 'আ' প্রত্যয় লগ লগাই ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। এই ধাতুবোৰ কিছুমান একক ধ্বন্যাত্মক আৰু কিছুমান দ্বিৰুক্তিবাচক ধ্বন্যাত্মক। নিদর্শন স্বৰূপে—

একক ধাতু ঃ √ফুক, √হাঁচ, √চিল্লা, √চুয়া ইত্যাদি।

দ্বিৰুক্তিবাচক ধ্বন্যাত্মক ঃ কড়কড়+আ=√কড়কড়া, ধড়ফড়+আ=√ধড়ফড়া, ছলছল+আ=√ছলছলা, ধুকধুক+আ=ধুকধুকা আদি।

সংশয়াত্মক ধাতু ঃ বাংলা ভাষাত কিছুমান সাধিত ধাতু পোৱা যায় যিবোৰ ধাতুৰ মূল জনা নাযায়। এইবোৰক দেশী ধাতুৰূপে নামকৰণ কৰা হৈছে। এনে ধাতুৰ নিদর্শন হ'ল— √কাঁচা, √গুড়া, √জিৰা, √বিলা, √গজা,√নেউটা ইত্যাদি।

ক্রিয়াৰ প্রকাৰ ঃ

বাংলা ভাষাৰ ক্রিয়াসমূহক কেইবা ধৰণেও ভাগ কৰিব পাৰি। বাক্যৰ ক্রিয়া সম্পূর্ণ হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ ক্রিয়াসমূহক সমাপিকা ক্রিয়া আৰু অসমাপিকা ক্রিয়া— এই দুটা ভাগত ভাগ কৰা হৈছে।

সমাপিকা ক্রিয়া ঃ বাক্যৰ অর্থ বা ভাব যি ক্রিয়াই সম্পূর্ণৰূপে প্রকাশ কৰে তাকে সমাপিকা ক্রিয়া বোলে। এনে ক্রিয়াৰ নিদর্শন হ'ল— (ক) অনেক ক্ষণ হ'ল বৃষ্টি ধৰেছে (খ) সে ভাত খাইল আদি।

অসমাপিকা ক্রিয়া ঃ যি ক্রিয়াই বাক্যৰ অর্থ বা ভাব সম্পূর্ণ কৰিব নোৱাৰে, সম্পূর্ণতাৰ বাবে এটি সমাপিকা ক্রিয়াৰ অপেক্ষাত থাকে তাকে অসমাপিকা ক্রিয়া বোলে। বাংলা ভাষাত কেইবাটাও প্রত্যয়ৰ যোগত অসমাপিকা ক্রিয়া বোলে। বাংলা ভাষাত কেইবাটাও প্রত্যয়ৰ যোগত অসমাপিকা ক্রিয়া গঠন হোৱা দেখা যায়। যেনে—

-ইয়া প্রত্যয় ঃ চেঁচা+ইয়া=চেঁচাইয়া, খা+ইয়া=খাইয়া আদি

যেনে— সে চেঁচাইয়া উঠিল; আমি ভাত খাইয়া যাইব।

-ইলে প্রত্যয় ঃ খা+ইলে=খাইলে, হ+ইলে=হইলে আদি।

মেঘ হইলে শস্য হইত।

-ইতে প্রত্যয় ঃ কহ+ ইতে=কহিতে, নাচ+ইতে=নাচিতে, দেখ+ইতে=দেখিতে আদি। যেনে সে কথা কহিতে লাগিল, তাহাৰা নাচিতে নাচিতে আসিতেছে।

ক্রিয়াৰ কর্ম থকা-নথকাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ ক্রিয়াবোৰক সকর্মক ক্রিয়া আৰু অকর্মক ক্রিয়া— এই দুটা ভাগত ভাগ কৰা হৈছে।

সকর্মক ক্রিয়া ঃ কোনো বিষয় বা কর্মক অৱলম্বন কৰি যি ক্রিয়া সম্পন্ন হয় তেনে ক্রিয়াক সকর্মক ক্রিয়া বোলে। যেনে— আমি ভাত খাই , মধু ইংৰাজী শিখছে।

অকর্মক ক্রিয়া ঃ যে ক্রিয়াৰ কর্ম নাথাকে তেনে ক্রিয়াক অতর্মক ক্রিয়া বোলা হয়। কর্তাক আশ্রয় কৰি এই ক্রিয়া সম্পন্ন হয়। যেনে— মেঘ ডাকে, আম পাকিল আদি।

তদুপৰি বাংলা ভাষাৰ কিছুমান ক্রিয়াৰ দুটা কর্ম থাকে। এটা মুখ্য কর্ম আৰু আনটো গৌণ কর্ম। যেনে— মধু আমাকে গল্পটি বলেছিল।

ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি ক্রিয়াবোৰক আস্ত্যর্থক ক্রিয়া আৰু নাস্ত্যর্থক ক্রিয়া এই দুটা ভাগত ভাগ কৰা হৈছে।

আস্ত্যর্থক ক্রিয়া ঃ বাক্যত ক্রিয়াটোৱে হোৱা অর্থ প্রকাশ কৰিলে তাক আস্ত্যর্থক ক্রিয়া বোলে। যেনে— আমি আম কিনে খেয়েছি।

নাস্ত্যর্থক ক্রিয়া ঃ নাস্ত্যর্থক ক্রিয়াই নোহোৱা, নকৰা, নঘটা আদি অর্থ প্রকাশ কৰি। যেনে — আমি আজ যাব না, বাড়িতে কেউ নাই ইত্যাদি।

অনিয়মিত ক্রিয়া ঃ বাংলা ভাষাত এনে কিছুমান ক্রিয়া আছে যিবোৰ ক্রিয়াৰ সকলো কাল আৰু পুৰুষত ৰূপ নহয়। এই ক্রিয়াবোৰক অনিয়মিত ক্রিয়া বোলে। এনে কেইটামান ক্রিয়া হ'ল— আস, যা, আছ, বট, কৰ, আ, নহ আদি। বাক্যত নিদর্শন হ'ল— (i) আমি যাইলাম (ii) আপুনি আসব (iii) আমি কইলাম (iv) বৃষ্টি এল (v) আপুনি নয় ইত্যাদি।

ক্রিয়াৰ কাল ঃ

যি সময়ত ক্রিয়া অনুষ্ঠিত হয় ক্রিয়াৰ সেই ময়কে কাল বোলে। বাংলা ভাষাত ক্রিয়াৰ কাল তিনি প্রকাৰৰ— বর্তমান কাল, অতীত কাল আৰু ভৱিষ্যৎ কাল।

বর্তমান কাল ঃ যি ক্রিয়াই সদায় চলি থকা বা ঘটা বুজায় তেনে ক্রিয়াৰ কালক বর্তমান কাল বোলে। বাংলা ভাষাৰ বর্তমান কালৰ দুটা ৰূপ পোৱা যায়। এটা নিত্য বর্তমান আৰু আনটো চলিত বর্তমান।

নিত্য বর্তমান কাল ঃ নিত্য বর্তমান কালৰ ক্রিয়াই সদায় চলি থকা অর্থ প্রকাশ কৰে। যেনে— সূর্য পূর্বদিকে ওঠে, ওৰা কাজ কৰে আদি।

চলিত বর্তমান কাল ঃ চলিক বর্তমান কালৰ ক্রিয়াই কামটো চলি থকা অর্থ প্রকাশ কৰে। যেনে— শিশুটি ঘুমিয়েছে, তুমি কিতাপ পড়েছ আদি।

অতীত কাল ঃ অতীত কালৰ ক্রিয়াই কামটো আগতে শেষ হৈ যোৱা বুজায়। বাংলা ভাষাৰ অতীত কাল দুই ধৰণৰ— সাধাৰণ বা নিত্য অতীত কাল আৰু চলিত অতীত কাল। এই দুয়োবিধ কালৰ উপৰিও বাংলা ভাষাত সম্ভাব্য অতীত কাল বুলি আৰু এটা অতীত কালৰ ভাগ আছে।

সাধাৰণ অতীত ঃ সাধাৰণ অতীত কালৰ ক্রিয়াই কামটো অলপ সময়ৰ আগতে শেষ হোৱা বুজায়। যেনে— একটা চিঠি লিখি লাম, আমৰা ভাত খেলাম আদি।

চলিত অতীত ঃ চলিত অতীত কালৰ ক্রিয়াই কামটো অতীতত কিছু সময় ধৰি চলিছিল তেনে অর্থ প্রকাশ কৰে। যেনে— মন্দিৰে কাঁসৰ ঘণ্টা বাজিছিল; আমি একটা কাজ কৰেছিলাম আদি।

সম্ভাব্য অতীত ঃ যি ক্রিয়াই অতীতত কোনো এটা কাম সম্পন্ন হোৱা বা সম্পন্ন হোৱাৰ সম্ভাৱনা থকা বুজায় তেনে ক্রিয়াৰ কালক সম্ভাব্য অতীত কাল বোলে। সম্ভাব্য অতীত কালৰ ক্রিয়া বুজাবলৈ বাংলা ভাষাত 'ত' প্রত্যয় যোগ কৰা হয়। যেনে— আমি হতাম, আমৰা সকালে নদীৰ ধাৰে বেড়াতাম আদি।

ভৱিষ্যৎ কাল ঃ ভৱিষ্যৎ কালৰ ক্রিয়াই কামটো ভৱিষ্যতে হ'ব অর্থ প্রকাশ কৰে। যেনে— আম্‌ৰা ভাত খাইব, আমি এখনি যাইব আদি।

ক্রিয়াৰ ভাব ঃ

যি বিশিষ্ট ভংগীৰ দ্বাৰা সমাপিকা ক্রিয়াৰ কার্য কেনেদৰে ঘটিছে তাক বুজিব পাৰি সেই বিশিষ্ট ভংগীকে ক্রিয়াৰ ভাব বোলা হয়। বাংলা ভাষাত ক্রিয়াৰ ভাব তিনি প্রকাৰৰ (i) নির্দেশক ভাব (ii) অনুজ্ঞা ভাব আৰু (iii) সংযোজক ভাব।

নির্দেশক ভাব ঃ নির্দেশক ভাবে সাধাৰণ ভাবে ক্রিয়াৰ নিদের্শ অর্থ প্রকাশ কৰে। বাংলা ভাষাত তিনিওটি কালতেই ক্রিয়াৰ নির্দেশক ভাব হয়। যেনে— ওৰা কাজ কৰে, স্কুল থেকে ফিৰেছে ইত্যাদি।

অনুজ্ঞা ভাব ঃ যি ক্রিয়াৰ ভাবে বক্তাৰ আদেশ, অনুৰোধ, আমন্ত্রণ, প্রার্থনা, আশীর্বাদ, উপদেশ আদি অর্থ প্রকাশ কৰে তাকে অনুজ্ঞা ভাব বোলা হয়। যেনে— এখুনি পড়তে বস (আদেশ), চিৰসুখী হও (আশীর্বাদ), একদিন আসবেন কিন্তু (অনুৰোধ), মন দিয়ে পড়াশোনা কৰ (উপদেশ) ইত্যাদি।

সংযোজক ভাব ঃ এটা বাক্যৰ এটা ক্রিয়া আন এটা ক্রিয়াৰ ওপৰত নির্ভৰশীল হ'লে সেই নির্ভৰযোগ্য ক্রিয়াটোৰ ভাবক সংযোজক ভাব বোলে। যেনে— শৰীৰ ভাল থাকলে কাল এস, যদি সে খেলে আমিও খেলব আদি।

ক্রিয়াৰ বাচ্য ঃ

ক্রিয়াৰ যি শক্তি বা ৰূপভেদৰ পৰা ক্রিয়াটো কাক অৱলম্বন কৰি প্রযুক্ত হয় বা বাক্যত কাৰ প্রাধান্য সূচিত হৈছে তাক জনা যায়, ক্রিয়াৰ সেই শক্তি বা ৰূপভেদক ক্রিয়াৰ বাচ্য বোলে। বাংলা ভাষাত ক্রিয়াৰ বাচ্য চাৰি প্রকাৰৰ— (i) কর্তৃবাচ্য (ii) কর্মবাচ্য (iii)


ভাববাচ্য আৰু (iv) কর্ম-কর্তৃবাচ্য।

কর্তৃবাচ্য ঃ যি বাচাত কর্তাই ক্রিয়া সম্পন্ন কৰে তাক কর্তৃবাচ্য বোলে। এই বাচ্যত বাক্যৰ মাজত কর্তা প্রধানভাৱে প্রতীয়মান হয়। যেনে— পুলিশ চোৰ ধৰল, আমি পত্র লিখেছি আদি।

কর্মবাচ্য ঃ যি বাচ্যত কর্মক প্রাধান্য দিয়া হয় আৰু ক্রিয়াই তাকেই অনুসৰণ কৰে তেনে বাক্যক কর্মবাচ্য বোলা হয়। যেনে— আমাৰ দ্বাৰা পত্র লিখিত হইতেছে, পুলিশ কর্তৃক চোৰ ধৃত হ'ল আদি।

ভাববাচ্য ঃ যি বাচ্যত কর্ম নাথাকে, ক্রিয়াই প্রাধান্য লাভ কৰে তাকে ভাববাচ্য বোলা হয়। যেনে— অতি কষ্টে পথ চলা যায়, তাৰ গাম শুনা হয়নি আদি।

কর্ম-কর্তৃবাচ্য ঃ যি বাচ্যত কর্তাৰ উল্লেখ নাথাকে, তাকেই কর্তাৰ দৰে আচৰণ কৰে তাকে কর্ম-কর্তৃবাচ্য বোলা হয়। নিদর্শন স্বৰূপে— শাঁখ বাজে, বৃষ্টি পড়ে ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বাংলা ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পর্কে এক চমুকৈ আলোচনা যুগুত কৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৮ ঃ বাংলা ভাষাৰ ধাতুৰ শ্রেণীবিভাগ সম্পর্কে ফঁহিয়াই আলোচনা কৰক।

(২০০ টা শব্দৰ ভিতৰত)

.....

১৩.৫ ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ আলোচনা

ৰূপতাত্ত্বিক দিশত ওড়িআ ভাষাৰো কিছুমান সুকীয়া বিশেষত্ব পৰিলক্ষিত হয়। এই স্বকীয় বিশেষত্ববোৰেই ওড়িআ ভাষাক সমগোত্রীয় আন ভাষাৰ পৰা পৃথক কৰি তুলিছে। ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ কেইটামান বিশেষ দিশ সম্পর্কে তলত আলোচনা কৰা হ'ল—

ওড়িআ ভাষাৰ বচন ঃ

বংলা ভাষাৰ দৰে ওড়িআ ভাষাতো বচন দুবিধ। সেই দুবিধ হ'ল — একবচন আৰু বহুবচন। ওড়িআ ভাষাতো এই দুয়োবিধ বচন বুজোৱা উপায়বোৰ বেলেগ বেলেগ হোৱা দেখা যায়।

একবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

(i) সাধাৰণতে 'টা' আৰু 'টি' প্রত্যয় যোগ কৰি ওড়িআ ভাষাত একবচন বুজোৱা হয়। যেনে— পিলাটা দুষ্ট, ফুলটি সুন্দৰ আদি।

(ii) সেইদৰে 'গোটাত্র', 'গোটিক আদি যোগ কৰি এক বচনৰ অর্থ প্রকাশ কৰা হয়। যেনে— ৰাম গোটিত্র ভাল পিলা, সে গোটাত্র মূর্খ, এই গোটিক ভাল ঘৰ ইত্যাদি।

বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

(iii) ওড়িআ ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিবলৈ কিছুমান প্রত্যয় যোগ কৰা হয়। এই প্রত্যয়সমূহৰ কিছুমান সংস্কৃত মূলীয় আৰু কিছুমান অনা-সংস্কৃতিমূলীয়। ওড়িআ ভাষাৰ কিছুমান বহুবচন বুজোৱা প্রত্যয় হ'ল—

মণ্ডল — তাৰকামণ্ডল	মণ্ডল — গুৰুজন মণ্ডলী
ব্রুন্দ — ছাত্রব্রুন্দ	ৰাশি — ধনৰাশি
মালা — মেঘমালা	পুঞ্জ — দ্বীপপুঞ্জ
হেৰিকা — পিলাহেৰিকা	মানে — লোকমানে, শিক্ষকমানে
বর্গ — গুৰুবর্গ	গুড়িক — ধানগুড়িক, পোছাকগুড়িক
সবু — সবুলোক	সমাজ — ছাত্রসমাজ ইত্যাদি।

(ii) শব্দৰ দ্বিত্ব প্রয়োগৰ দ্বাৰা ওড়িআ ভাষাত বহুবচন বুজোৱা হয়। যেনে— বড় বড় ঘৰ, দেশেদেশে লোক, উচ্ছ উচ্ছ গছ আদি।

(iii) কেতিয়াবা প্রত্যয়হীন ভাৱেও ওড়িআ ভাষাত বহুবচন বুজোৱা হয়। যেনে— আকাশৰে পক্ষী উৰে, পড়িআৰে গাই চৰুছে আদি।

ওড়িআ ভাষাতো সংস্কৃতৰ দ্বিবচন পোৱা নাযায়। দ্বিবচন বুজাবলৈ ওড়িআ ভাষাত দুই ৰূপটি ব্যৱহাৰ কৰা হয়। যেনে— দুইটি পিলা, দুইটি কলম, দুইটি লোক ইত্যাদি।

ওড়িআ ভাষাত বচন ব্যাকৰণগত বিষয়। অর্থাৎ ওড়িআ ভাষাত বচনে ক্রিয়াৰূপত প্রভাৱ বিস্তাৰ কৰে। এই ভাষাত একবচন আৰু বহুবচনৰ ক্রিয়াৰূপৰ মাজত পার্থক্য দেখা যায়। নিদর্শন স্বৰূপে একবচন— সে অছি — বহুবচন— সেমানে অচ্ছন্তি।

ওড়িআ ভাষাৰ লিংগ ঃ

বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো তিনিবিধ লিংগ পোৱা যায়। এই তিনিবিধ হ'ল— পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ। অৱশ্যে ওড়িআ ভাষাতো পুংলিংগৰ লগত ক্লীৱলিংগ এককাৰ হৈ পৰিছে। ফলস্বৰূপে ওড়িআ ভাষাত পুংলিংগ আৰু স্ত্রীলিংগ এই দুবিধ লিংগহে পোৱা যায়। ওড়িআ ভাষাত লিংগ নির্ণ.ৰ কেইবাটাও উপায় আছে। সেইবোৰৰ এনেধৰণৰ—

(i) ওড়িআ ভাষাত পুৰুষ আৰু স্ত্রীবাচক সুকীয়া ৰূপৰ প্রয়োগ কৰি লিংগ নির্ণয় কৰা হয়। নিদর্শন স্বৰূপে—

অজা — আঈ, ভাই —ভউনী, পোঅ — ঝী অ, মউসা — মাউসী,

পিইসা — পিইসী, ককা — খুৰী, দিঅৰ — ননন্দ, পুত্র — কন্যা ইত্যাদি।

(ii) লিংগ নিৰপেক্ষ শব্দৰ আগত পুংলিংগবাচক 'অন্দিৰা' আৰু স্ত্রীলিংগবাচক 'মাই' শব্দ বাৱহাৰ কৰি ওড়িআ ভাষাত লিংগ নির্ণয় কৰা হয়। যেনে— অন্দিৰা মঁইষি —

মাই মঁইষি, অন্দিৰা ওট — মাই ওট, অন্দিৰা কুকুৰ — মাই কুকুৰ, অন্দিৰা বাছুৰী — মাই বাছুৰী আদি।

(iii) পুংলিংগবাচক শব্দৰ লগত বিভিন্ন স্ত্রীপ্রত্যয় সংযোগ কৰি স্ত্রীলিংগৰ ৰূপ কৰা হয়। ওড়িআ ভাষাত কেইবাটাও স্ত্রীপ্রত্যয় পোৱা যায়। সেইবোৰ হ'ল— আ, ই, ঈ, নি, নী, ইনি, উনী, উলী, ইআনী ইত্যাদি। নিদর্শন স্বৰূপে— বৎস — বৎসা, প্রথম — প্রথমা (আ); গুৰু — গুৰ্বী, সখা — সখী, শলা — শালী (ঈ/ই); মাষ্টৰ মাষ্টৰানী (আনী); নাতি — নাতুনী, কেউট — কেউটুনী, চোৰ — চুৰণী (উনী); বগ — বগুলা, বেঙ্গ — বেঙ্গুলী (উলী); পণ্ডিত — পণ্ডিতিয়ানী, মালিক — মালিকিয়ানী (ইআনী) আদি।

(iv) ওড়িআ ভাষাতো বাংলা ভাষাৰ দৰে দুই এটা নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ নিদর্শন হ'ল — হলুআ, ভেণ্ডিআ আদি আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ নিদর্শন হ'ল— বিধবা, সৌতুনী আদি।

ওড়িআ ভাষাত এইদৰে বিভিন্ন উপায়েৰে লিংগ নির্ণয় কৰা হয় আৰু লিংগ নির্ণয়ৰ ক্ষেত্রত ওড়িআ ভাষাই সমগোত্রীয় আন ভাষাৰ বৈশিষ্ট্য ৰক্ষা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ ওড়িআ ভাষাৰ বচন সম্পর্কে এটা টোকা লিখক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ১০ ঃ ওড়িআ ভাষাৰ লিংগ নির্ণয়ৰ উপায়সমূহ চমুকৈ আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

ওড়িআ ভাষাৰ নির্দিষ্টতাবাচক প্রত্যয় ঃ

শব্দৰ পাছত যোগ হৈ নির্দিষ্টতাবাচক প্রত্যয়বোৰে কোনো বস্তুক নির্দিষ্টকৈ দেখুৱাই দিয়ে। বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ সীমিত। ওড়িআ ভাষাত ব্যৱহৃত নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ প্রয়োগসহ উদাহৰণ তলত দাঙি ধৰা হ'ল—

টা — পিলাটা, মনিষটা, গছটা

টি — শিশুটি, নঙ্গটি

হল — বলদহল

পল — গাইপল, মেন্দাপল

খণ্ড — খণ্ডেবহী, খণ্ডেপান

বিৰা — কাঠিবিৰা

জোৰ — ধোতিজোৰ

জোৰি — সাংগজোৰি

পট — জোটাপট

ফৰ্দ — কাগজফৰ্দ

জাক — বৎসজাক

গতিকে নির্দিষ্টতাবাচক প্রত্যয়ৰ ক্ষেত্রত ওড়িআ ভাষাতো কেইটামান নির্দিষ্টতাবাচক প্রত্যয়ৰহে প্রয়োগ আছে। এই প্রত্যয়সমূহৰ ভিতৰত ওড়িআ ভাষাত 'টা' বা 'টি' প্রত্যয়ৰ ব্যৱহাৰ অধিক।

ওড়িআ ভাষাৰ বিশেষণ ঃ

ওড়িআ ভাষাৰ বিশেষণবোৰকো বাংলা ভাষাৰ দৰে কেইবাটাও ভাগত ভাগ কৰিব পাৰি। অর্থাৎ ওড়িআ ভাষাৰ বিশেষণবোৰক বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ, সর্বনামীয় বিশেষণ আৰু ক্রিয়া বিশেষণ ইত্যাদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি।

বিশেষ্যৰ বিশেষণ ঃ বিশেষ্যৰ বিশেষণে বিশেষ্য পদৰ দোষ, গুণ, অৱস্থা আদি প্রকাশ কৰে। যেনে— দুষ্ট পিলা, কটু কথা, মজা কাহানী, গৰম পৰন আদি। ওড়িআ ভাষাত বিশেষ্যৰ বিশেষণ কেইবা প্রকাৰৰ হোৱা দেখা যায়। সেইবোৰ এনে ধৰণৰ—

গুণবাচক ঃ মধুৰ বচন, পণ্ডিত লোক আদি।

অৱস্থাবাচক ঃ দুর্বল শৰীৰ, সজ পৰিবাৰ আদি।

সংখ্যাবাচক ঃ সহস্র দেৱালয়, অসংখ্য ভাবনা, বাৰ সামৰে তেৰ যাত্রা আদি।

পৰিমাণবাচক ঃ কথা কম বেছি কাম কৰে, অলপ ধন বিকল মন আদি।

বিশেষণীয় বিশেষণ ঃ ওড়িআ ভাষাত বিশেষণীয় বিশেষণে বিশেষণ বা ক্রিয়া বিশেষণৰ গুণ, অৱস্থা, প্রকাৰ আদি প্রকাশ কৰে। যেনে— যুধিষ্ঠিৰ পৰম ধার্মিক, পিলাটি বহুত বুদ্ধিমান, পর্বত বহুত উচ্চ আদি।

সর্বনামীয় বিশেষণ ঃ বাক্যত সর্বনাম পদ বিশেষণ ৰূপে প্রয়োগ হৈ আন পদৰ দোষ, গুণ আদি প্রকাশ কৰে। যেনে— মুঁ নির্ভীক, সে ধার্মিক, তুমে পৰোপকাৰী আদি।

ক্রিয়া বিশেষণ ঃ ক্রিয়া বিশেষণে ক্রিয়াৰ বিশেষ অৱস্থা সূচায়। অর্থাৎ কোনো ক্রিয়া কি অৱস্থাত ক'ত কেতিয়া কেনেদৰে সম্পন্ন হয় তাক ক্রিয়া বিশেষণে নির্দেশ কৰে। যেনে— বুঢ়ী ধীৰে চালুছি, নিয়াঁ সুতু সুতু জলুছি, পিলাটি জোৰ্‌ৰে কান্দুছি ইত্যাদি।

এইকেইবিধ বিশেষণৰ উপৰিও ওড়িআ ভাষাত আন কেইবিধমান বিশেষণ পোৱা যায়। সেই কেইবিধ হ'ল— সম্বন্ধ বিশেষণ, ধ্বন্যাত্মক বিশেষণ, অব্যয় বিশেষণ আদি।

সম্বন্ধ বিশেষণ ঃ গৰীবৰ ঝীঅ, গাঁৱৰ লোক আদি।

ধ্বন্যাত্মক বিশেষণ ঃ কিচ্‌কিচীয়া ক'ল, ছঠপটীয়া পিলা আদি।

অব্যয় বিশেষণ ঃ আৰু ভাত দিঅ নাহি, টিকে বিলম্বৰে আসিব আদি।

বিশেষণৰ তুলনা ঃ বাংলা ভাষাৰ দৰে ওড়িআ ভাষাত দুটা বস্তু বা ব্যক্তি নাইবা বহু ব্যক্তি বা বস্তুৰ তুলনা কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়। এটা হ'ল সংস্কৃতীয়া আৰু আনটো হ'ল খাটী ওড়িআ।

সংস্কৃতীয়া ঃ সংস্কৃতত দুটাৰ মাজত তুলনা কৰিবলৈ 'তৰ' আৰু 'ঈয়স' প্রত্যয় যোগ কৰা হয় আৰু বহুতৰ মাজত তুলনা কৰিবলৈ 'তম' আৰু 'ইষ্ঠ' প্রত্যয় সংযোগ কৰা হয়। সংস্কৃতৰ এই প্রত্যয়কেইটা সংযোগ কৰি ওড়িআ ভাষাতো বিশেষণৰ তাৰতম্য বুজোৱা হয়। যেনে—

উচ্চ — উচ্চতৰ — উচ্চতম

সুন্দৰ — সুন্দৰতৰ — সুন্দৰতম

প্রিয় — প্রিয়তৰ — প্রিয়তম

লঘু — লঘুতৰ — লঘুতম/লঘিষ্ঠ ইত্যাদি।

খাটী বাংলা ঃ ওড়িআ ভাষাত দুটা বস্তু বা ব্যক্তি আৰু বহু বা বস্তু ব্যক্তিৰ তুলনা কৰিবলৈ হ'লে 'ঠাৰু' যোগ দিয়া হয়। এই ভাষাত প্রত্যয় সংযোগৰ ফলত বিশেষণৰ কোনো পৰিৱর্তন নহয়। ই সদায় অপৰিবর্তিত হৈ থকা দেখা যায়। যেনে—

(ক) যদুঠাৰু মধু শান্ত।

(খ) ৰূপঠাৰু সোণা বহুত বেশী মূল্যবান।

(গ) জলচৰ প্রাণী ভিতৰে তিমি সবুঠাৰু ব্রুহৎ আদি।

ওড়িআ ভাষাৰ সর্বনাম ঃ

বাক্যৰ এটা প্রধান পদ হৈছে সর্বনাম। সর্বনামৰ প্রয়োগে বাক্যত পুনৰাবৃত্তি হ্রাস কৰে। বাংলা ভাষাৰ দৰে ওড়িআ ভাষাৰ সর্বনামসমূহক হ্রাস কৰে। বাংলা ভাষাৰ দৰে ওড়িআ ভাষাৰ সর্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। সেই ভাগকেইটা হ'ল ব্যক্তিবাচক বা পুৰুষবাচক সর্বনাম, নির্দেশক সর্বনাম, অনির্দেশক সর্বনাম, প্রশ্নবাচক সর্বনাম, সম্বন্ধবাচক সর্বনাম আৰু নিজবাচক সর্বনাম।

ব্যক্তি বা পুৰুষবাচক সর্বনাম ঃ পুৰুষবাচক সর্বনামে পুৰুষ অনুযায়ী ব্যক্তিক বুজায়। ওড়িআ ভাষাত প্রথম, দ্বিতীয়, তৃতীয়— এই তিনিবিধ পুৰুষ পোৱা যায়। আকৌ দ্বিতীয় পুৰুষৰ তুচ্চ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। ওড়িআ ভাষাৰ ব্যক্তিবাচক সর্বনামৰ তালিকাখন পুৰুষ অনুযায়ী তলত উল্লেখ কৰা হ'ল—

পুৰুষবাচক সর্বনাম	একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
প্রথম পুৰুষ	মুঁ	মো	আমে আমভেমানে	আম্
দ্বিতীয় পুৰুষ-তুচ্চ	তু	তো	তুমে	
মান্য	তুমে	তুম্	তুম্হেমানে	
অধিক মান্য	আপন	আপন	আপনমানে	
তৃতীয় পুৰুষ	সে	তা	সেমানে	

ওড়িআ ভাষাৰ ব্যক্তিবাচক সর্বনামসমূহত শব্দবিভক্তি যোগ কৰি মূল ৰূপটোৰ কিছু পৰিৱর্তন হোৱা দেখা যায়। অর্থাৎ মূল ৰূপৰ লগত প্রত্যয় বা বিভক্তি সংযোগ কৰিলে

একোটা অতিৰিক্ত স্বৰ বা ব্যঞ্জন সংযোগ হয়। এই অতিৰিক্ত ৰূপবোৰেই হৈছে তিৰ্যক ৰূপ। ওড়িআ ভাষাৰ ব্যক্তিবাচক সর্বনামৰ তিৰ্যক ৰূপকেইটা হ'ল— মো, আম্, তো, তুম, আপন, তা আদি।

নির্দেশক সর্বনাম ঃ নির্দেশক সর্বনামে কোনো ব্যক্তি বা বস্তু নির্দেশ কৰে। ওড়িআ ভাষাৰ নির্দেশক সর্বনাম দুই প্ৰকাৰৰ— সামীপ্যবাচক বা দূৰত্ববাচক। সামীপ্যবাচক সর্বনামে ওচৰৰ বস্তু নির্দেশ কৰে আৰু দূৰত্ববাচক সর্বনামে দূৰৰ বস্তু বা ব্যক্তিক নির্দেশ কৰে। নিদর্শন স্বৰূপে—

সামীপ্যবাচক ঃ ইএ, এই, এইটো, এহা (একবচন) এমানে, এইমানে, এইসবু, এইগুড়িক (বহুবচন)

দূৰত্ববাচক ঃ সেইটো, সেই (একবচন)

সেইগুড়িক, সেইসবু, সেইমানে (বহুবচন)


অনির্দেশক সর্বনাম ঃ অনির্দেশক কোনো বস্তু বা ব্যক্তিৰ পৰিৱর্তে এই সর্বনাম প্ৰয়োগ হয়। যেনে— কেহি, কিছি, (একবচন); কেহি (বহুবচন)

প্ৰশ্নবাচক সর্বনাম ঃ কোনো কথা জানিবৰ ইচ্ছা কৰি ব্যৱহাৰ কৰা সর্বনামবোৰ হ'ল প্ৰশ্নবাচক সর্বনাম। যেনে— কিএ, কন (একবচন); কেউগুড়িক, কেউমানে, কন কন, কনসবু (বহুবচন)

সম্বন্ধবাচক সর্বনাম ঃ এইবোৰ সর্বনামে দুই বা ততোধিক ব্যক্তি বা বস্তুৰ মাজত সম্পর্ক স্থাপন কৰে। যেনে— খেউ খেউঁমানে (বহুবচন)।

নিজ বা আত্মবাচক সর্বনাম ঃ আত্মবাচক সর্বনামৰ দ্বাৰা কাৰো সহায় নোলোৱাৰ ভাবটো বুজোৱা হয়। যেনে— আপন, নিজে (এক বচন); নিজে-নিজে (বহুবচন)।

ওড়িআ ভাষাৰ সর্বনামৰ কেতবোৰ বিশেষত্ব হ'ল ইয়াৰ ব্যক্তিবাচক সর্বনামৰ তিৰ্যক ৰূপ পোৱা যায়। দ্বিতীয় পুৰুষত তিনিটা ৰূপ পোৱা যায়— তুচ্ছ, মান্য আৰু অধিক মান্য। সেইদৰে সর্বনামৰ বহুবচনত 'মানে' আৰু 'গুড়িক' প্ৰত্যয় সংযোগ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ ওড়িআ ভাষাৰ বিশেষণ কেইপ্ৰকাৰৰ আৰু কি কি? বিশেষণৰ তাৰতম্য তুলনা ওড়িআ ভাষাত কিদৰে কৰা হয় চমুকৈ উল্লেখ কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ১২ ঃ ওড়িআ ভাষাৰ সর্বনামৰ প্ৰকাৰভেদে সম্পর্কে উল্লেখ কৰি প্ৰতিষ্ঠা ভাগৰে উদাহৰণসহ এক চমু পৰিচয় দাঙি ধৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তি ঃ

ওড়িআ ভাষাৰ ৰূপতত্ত্বত কাৰক আৰু শব্দবিভক্তিয়ে এক বিশেষ স্থান লাভ কৰিছে। বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো কাৰক ছয় প্ৰকাৰৰ। সেইকেইবিধ হ'ল— কৰ্তা কাৰক, কৰ্ম কাৰক, কৰণ কাৰক, সম্প্ৰদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক। এই ছবিধ কাৰকৰ উপৰিও ওড়িআ ভাষাত সম্বন্ধপদ নামৰ আন এবিধ পদ পোৱা যায়।

ওড়িআ ভাষাত এই কাৰককেইবিধ চিনাক্ত কৰি উলিয়াবৰ বাবে নাইবা কাৰক আৰু সম্বন্ধপদৰ অৰ্থ প্ৰকাশ কৰিবৰ বাবে কেইটামান শব্দবিভক্তি আছে। সেই বিভক্তিকেইবিধ হ'ল— প্ৰথমা বিভক্তি, দ্বিতীয় বিভক্তি, তৃতীয় বিভক্তি, চতুৰ্থী বিভক্তি, পঞ্চমী বিভক্তি, ষষ্ঠী বিভক্তি (সম্বন্ধ পদ বুজাবলৈ) আৰু সপ্তমী বিভক্তি। তলত ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কে উল্লেখ কৰা হ'ল—

ওড়িআ ভাষাৰ সৰ্বনাম ঃ

কৰ্তা কাৰক ঃ কৰ্তা কাৰকত কৰ্তাই প্ৰধান। অৰ্থাৎ এই কাৰকত কৰ্তাই ক্ৰিয়া সম্পাদন কৰে। কৰ্তা কাৰকত প্ৰথমা বিভক্তি লগ লাগে। প্ৰথমা বিভক্তিৰ চিন হ'ল '০', 'এ'। যেনে— ছাত্ৰ ব্যাকৰণ পঢ়ুছি, পণ্ডিতে সংস্কৃত পঢ়ান্তি। কেতিয়াবা কৰ্তা উহ্য হৈ থকাও দেখা যায়। যেনে— ধৰ্ম আচৰণ কৰু।

কৰ্ম কাৰক ঃ যাৰ অৱলম্বনত কৰ্তাই ক্ৰিয়া সম্পাদন কৰে সিয়েই কৰ্ম কাৰক। কৰ্ম কাৰকত দ্বিতীয় বিভক্তি লগ লাগে। এই বিভক্তিৰ চিন হ'ল '০', 'কু'। যেনে— মুঁ ভাত খাইলি, পিতা পুত্ৰকু ডাকুছন্তি, ৰীতা বহী পঢ়ুছি আদি।

কৰণ কাৰক ঃ যাৰ দ্বাৰ কৰ্তাই ক্ৰিয়া সম্পাদন কৰে সিয়েই কৰণ কাৰক। কৰণ কাৰকত সংযোগ হোৱা তৃতীয় বিভক্তিৰ চিন হ'ল— 'ৰে', 'দ্বাৰা'। যেনে— বীণা তুলিৰে চিত্ৰ আংকুছি; সুদৰ্শন পট্টনায়ক বালি দ্বাৰা সুন্দৰ মূৰ্তি গঢ়ছন্তি ইত্যাদি।

সম্প্ৰদান কাৰক ঃ যাৰ দ্বাৰা কিছু কৰা যায় বা স্বত্ব ত্যাগ কৰি যাক কিছু দান কৰা যায় তাকে সম্প্ৰদান কাৰক বোলে। এই কাৰকত চতুৰ্থী বিভক্তিৰ 'কু' সংযোগ হয়। যেনে— সে ঘৰকু গলে, দৰিদ্ৰকু ভিক্ষা দিঅ, ছাত্ৰকু বহী দিঅ ইত্যাদি।

অপাদান কাৰক ঃ যাৰ দ্বাৰা কোনো ব্যক্তি বা বস্তুৰ বিচ্যুতি, অপসাৰণ আদি বুজোৱা হয় তাকে অপাদান কাৰক বোলে। এই কাৰকত পঞ্চমী বিভক্তি লগ লাগে। পঞ্চমী বিভক্তিৰ চিন হ'ল 'ৰ' আৰু 'ঠাৰু'। যেনে— গছৰু আম্ব জড়িলা, তিলৰু তেল হোৱে, ছাত্ৰৰু পানী গলুছি, যদুঠাৰু আনা আদি।

অধিকৰণ কাৰক ঃ যি স্থান যি সময়ত ক্ৰিয়া সম্পাদিত হয়, ক্ৰিয়াৰ সেই আধাৰকে অধিকৰণ কাৰক বোলে। এই কাৰকত সপ্তমী বিভক্তি সংযোগ হয়। সপ্তমী বিভক্তিৰ চিন হ'ল 'ৰে'। যেনে— নদীকুলৰে শীতল পবন বহে, শৰত ঋতুৰে আকাশ নিৰ্মল দিছে। কেতিয়াবা অধিকৰণ কাৰকত এ বিভক্তি লগ লাগে। যেনে— হিমালয়ৰ হিমতলে মুছৌৰী।

সম্বন্ধপদ ঃ সম্বন্ধ পদ বাক্যত ব্যৱহৃত আন পদৰ লগত সম্পৰ্ক স্থাপন কৰে। সম্বন্ধ

পদত 'ষষ্ঠীৰ 'ৰ' আৰু 'অঙ্কৰ' বিভক্তি লগ লাগে। যেনে— আকাশৰ তাৰকা, সাগৰৰ জল, সূর্যঙ্কৰ কিৰণ, দশৰথঙ্কৰ পুত্র ইত্যাদি।

ওড়িআ ভাষাতো কাৰকৰ অর্থ প্রকাশ কৰিবলৈ দুটা উপায় অৱলম্বন কৰা হয়। অর্থাৎ কাৰক বিভক্তি বা শব্দবিভক্তি সংযোগ কৰি আৰু অনুসর্গ সংযোগৰ জৰিয়তে ওড়িআ ভাষাত কাৰকৰ অর্থ প্রকাশ কৰা হয়। তলত বিভিন্ন কাৰক আৰু শব্দবিভক্তিৰ অনুসর্গসহ এখন তালিকা দাঙি ধৰা হ'ল—

কাৰক	বিভক্তি	বিভক্তিৰ চিন/অনুসর্গ
কর্তা কাৰক	প্রথমা	০, এ
কর্ম কাৰক	দ্বিতীয়া	০, কু
কৰণ কাৰক	তৃতীয়া	ৰে, দ্বাৰা
সম্প্রদান কাৰক	চতুর্থী	কু
অপাদান কাৰক	পঞ্চমী	ৰু, ঠাৰু
অধিকৰণ কাৰক	সপ্তমী	ৰে, এ
সম্বন্ধপদ	ষষ্ঠী	ৰ, অংকৰ

ওড়িআ ভাষাত এইদৰে বিভিন্ন কাৰক অনুযায়ী বেলেগ বেলেগ শব্দবিভক্তি লগ লাগে। কেতিয়াবা অৱশ্যে শূন্য বিভক্তি যোগ কৰি বা বিভক্তিহীনভাৱেও কাৰকৰ অর্থ প্রকাশ কৰা হয়।

ওড়িআ ভাষাৰ ক্রিয়া ঃ

ওড়িআ ভাষাৰ ৰূপতত্ত্বত ক্রিয়াৰ ভূমিকা গুৰুত্বপূর্ণ। ক্রিয়া বিভক্তি সংযোগ কৰি ওড়িআ ভাষাত ক্রিয়াপদ গঠন কৰা হয়। ক্রিয়াপদ গঠন হওঁতে ক্রিয়াৰ কাল আৰু তিনিওটা পুৰুষে প্রধান ভূমিকা গ্রহণ কৰে। ওড়িআ ভাষাৰ ক্রিয়াপদৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে ক্রিয়াপদৰ অন্তর্গত ক্রিয়ামূল বা ধাতু, ক্রিয়াৰ প্রকাৰ, ক্রিয়াৰ কাল, ক্রিয়াৰ ভাব আৰু ক্রিয়াৰ বাচ্য— এই বিষয়বোৰ আলোচনা কৰিব লগা হয়। তলত এই বিষয়বোৰৰ এক চমু আলোচনা দাঙি ধৰা হ'ল—

ক্রিয়ামূল বা ধাতু ঃ ওড়িআ ভাষাৰ ক্রিয়ামূল বা ধাতুসমূহক প্রকৃতি আৰু উৎসৰ ফালৰ পৰা দুটা ভাগত ভাগ কৰা হৈছে। এবিধ হৈছে মৌলিক বা মুখ্য ধাতু আৰু আনবিধ হৈছে সাধিত বা গৌণ ধাতু।

মৌলিক বা মুখ্য ধাতু ঃ ওড়িআ ভাষাৰ মৌলিক ধাতুসমূহক চাৰিটা ভাগত ভাগ কৰা হৈছে। সেই ভাগকেইটা হ'ল— (i) তদ্ভৱ ধাতু (ii) সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভূত ধাতু (iii) তৎসম আৰু আর্দ্ধ তৎসম ধাতু আৰু (iv) সংশয়াত্মক ধাতু।

তদ্ভৱ ধাতু ঃ ওড়িআ ভাষাৰ তদ্ভৱ ধাতুবোৰ দুটা ভাগত বিভক্ত— সাধাৰণ ধাতু আৰু উপসর্গযুক্ত ধাতু। এই দুয়োবিধৰ উদাহৰণ হ'ল—

সাধাৰণ ধাতু ঃ √কৰ, √নাচ, √কহ, √খা √ৰখ আদি।

উপসর্গযুক্ত ধাতু ঃ √আগম, √বিকাশ, √আচৰ ইত্যাদি।

সংস্কৃত পাঁচনী ক্রিয়াৰ পৰা উদ্ভুত ধাতু ঃ ওড়িআ ভাষাতো ধাতু পাঁচনী ক্রিয়াৰ পৰা উদ্ভৱ হৈছে। নিদর্শন স্বৰূপে— √মাৰ (মাৰয়তি), √হান (হানয়তি) আদি।

তৎসম আৰু অর্দ্ধতৎসম ধাতু ঃ ওড়িআ ভাষাত কিছুমান ধাতু সংস্কৃততে যেনেদৰে আছিল তেনেদৰেই ব্যৱহাৰ হৈছে আৰু কিছুমান ধাতু পৰিবর্তিত ৰূপত ব্যৱহাৰ হৈছে। তেনে ধাতুৰ নিদর্শন হ'ল—

তৎসম ধাতু ঃ √হস, √গর্জ, √অর্জ, √বস আদি।

অর্দ্ধতৎসম ধাতু ঃ √পৰশ, √গৰজ, √বৰষ আদি।

সংশয়াত্মক ধাতু ঃ ওড়িআ ভাষাত কিছুমান ধাতুৰ মূল জনা নাযায়। এনে ধাতুবোৰক সংশয়াত্মক ধাতু বোলা হয়। নিদর্শন স্বৰূপে— √আঁচ, √কাচ, √আণ্ট ইত্যাদি।

সাধিত বা গৌণ ধাতু ঃ বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো সাধিত ধাতুসমূহক পাঁচোটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ কেইটা হ'ল— (i) পাঁচনী ধাতু (ii) নাম ধাতু (iii) যৌগিক ধাতু (iv) ধ্বন্যাত্মক ধাতু আৰু (v) সংশয়াত্মক ধাতু।

পাঁচনী ধাতু ঃ মুখ্য ধাতুৰ পাছত '-আ' প্রত্যয় সংযোগ কৰি ওড়িআ ভাষাত পাঁচনী ধাতু গঠন কৰা হয়। যেনে— √কৰ+আ= কৰা, √দেখ+আ=দেখা, √লিখ+আ= লিখা √পচ+আ= পচা, √কান্দ+ আ= কন্দা ইত্যাদি।

নামধাতু ঃ ওড়িআ ভাষাত '-আই' প্রত্যয়ৰ যোগত নামধাতু গঠিত হয়। ধাতুৰ লগত যোগ হ'ল 'আই' প্রত্যয় প্রায়েই '-এই' হোৱা দেখা যায়। যেনে— কানেইবা, ঢকেইবা, গজেইবা, আগেইবা, গেলহাইবা, ওতেইবা আদি। দুই এটা বিদেশী মূলৰ নামধাতু ওড়িআ ভাষাত পোৱা যায়। যেনে— বদলিবা, নৰখিবা আদি।

যৌগিক ধাতু ঃ বিশেষ্য, বিশেষণ আদি শব্দৰ লগত আন ধাতু সংযোগ কৰি যৌগিক ধাতু গঠন কৰা হয়। যেনে— গমন কৰ, দর্শন কৰ, পতিত হেউ আদি।

ধ্বন্যাত্মক ধাতু ঃ ধ্বন্যাত্মক শব্দৰ পাছত 'আ' প্রত্যয় যোগ কৰি ওড়িআ ভাষাত ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। ওড়িআ ভাষাত ধ্বন্যাত্মক ধাতু দুবিধ। এবিধ একক বা সাধাৰণ আৰু আনবিধ দিৰুক্তিবাচক। এই দুয়োবিধৰ নিদর্শন হ'ল—

একক ঃ √হকিবা, √ফুঙ্কিবা, √জমকিবা, √দমকিবা আদি।

দ্বিৰুক্তিবাচক ঃ কটমট+আ= কটমটা, গৰগৰ+আ= গৰগৰা,

চৰচৰ+ আ= চৰচৰা, গমগম+ আ = গমগমা আদি।

সংশয়াত্মক ধাতু ঃ ওড়িআ ভাষাত দুটামান অজ্ঞাত মূলৰ দেশীধাতু পোৱা যায়। যেনে— √গোটা, √নেউটা আদি।

ক্রিয়াৰ প্রকাৰ ঃ

ওড়িআ ভাষাৰ ক্রিয়াপদসমূহ বিভিন্ন ভাগত ভাগ কৰিব পাৰি। ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি ওড়িআ ভাষাৰ ক্রিয়াপদসমূহক সমাপিকা আৰু অসমাপিকা— এই দুটা ভাগত ভাগ কৰা হৈছে।

সমাপিকা ক্রিয়াঃ যিবোৰ ক্রিয়াই বাক্যৰ ভাব সম্পূৰ্ণৰূপে প্রকাশ কৰিব পাৰে তেনে ক্রিয়াক সমাপিকা ক্রিয়া বোলা হয়। যেনে— ৰমেশ পুৰী গলা, মুঁ বহী পঢুছি আদি।

অসমাপিকা ক্রিয়াঃ অসমাপিকা ক্রিয়াই বাক্যৰ অর্থ সম্পূৰ্ণ কৰিব নোৱাৰে। বাক্য সম্পূৰ্ণ কৰিবলৈ এই ক্রিয়াৰ পাছত এটা সমাপিকা ক্রিয়াৰ প্রয়োজন হয়। যেনে— তুমে গলে সে নিশ্চয় আসিবে, বাপা খাইলে আমি খাইবু, দীপক বহী কিনি যাইনি আদি।

ক্রিয়াৰ কর্ম থকা-নথকাৰ ওপৰত ভিত্তি কৰি ওড়িআ ভাষাৰ ক্রিয়াসমূহক সকর্মক আৰু অকর্মক এই দুটা ভাগত ভগোৱা হৈছে।

সকর্মক ক্রিয়াঃ এই ক্রিয়া কর্মক অৱলম্বন কৰি সম্পন্ন হয়। যেনে— সাপ বেঙ্গ খাউছি, মালবিকা মাছ কাটুছি, ঝীঅটি অংক কৰুছি আদি।

অকর্মক ক্রিয়াঃ যি ক্রিয়াৰ কর্ম নাথাকে, কর্তাক আশ্রয় কৰি যি ক্রিয়া সম্পন্ন হয় তেনে ক্রিয়াক অকর্মক ক্রিয়া বোলে। যেনে— শিশুটি হসুছি, ৰীতা ৰান্ধুছি, গীতা গাউছি আদি।

এই দুবিধ ক্রিয়াৰ উপৰিও ওড়িআ ভাষাত কিছুমান ক্রিয়া আছে যিবোৰৰ দুটা কর্ম থাকে। নিদর্শন স্বৰূপে— বাপা মাস্কু পুৰণা শুনাউছন্তি, শিক্ষক ছাত্রমানঙ্ক ব্যাকৰণ পঢ়াউছন্তি ইত্যাদি।

ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি ওড়িআ ভাষাৰ ক্রিয়াবোৰক আস্ত্যর্থক আৰু নাস্ত্যর্থক এই দুটা ভাগত ভাগ কৰিব পাৰি।

আস্ত্যর্থক ক্রিয়াঃ আস্ত্যর্থক ক্রিয়াই হোৱা অর্থ প্রকাশ কৰে। যেনে— বিলেই মাছ খাউছি, বাপা বজাৰকু গলে আদি।

নাস্ত্যর্থক ক্রিয়াঃ নাস্ত্যর্থক ক্রিয়াই নোহোৱা, নকৰা, নঘটা অর্থ প্রকাশ কৰে। যেনে— মুঁ আজি স্কুল জীবি নাহি, মা ঘৰে নাহি আদি।

অনিয়মিত ক্রিয়াঃ বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো কিছুমান ক্রিয়াৰ সকলো কাল আৰু পুৰুষত ৰূপ নহয়। এনেবাৰ ক্রিয়াক অনিয়মিত ক্রিয়া বোলা হয়। নিদর্শন স্বৰূপে—

কৰ ধাতু ঃ কামটো কৰ

আছ ধাতু ঃ এথাকু আছ

হো ধাতু ঃ পিলামানে ধীৰে ধীৰে বড় হোৱন্তি

ঘা ধাতু ঃ এথু যা

নে ঃ ধাতু বহিটা নে ইত্যাদি।

ক্রিয়াৰ কাল ঃ

ওড়িআ ভাষাৰ ক্রিয়াৰ কালক প্রধানতঃ তিনিটা ভাগত ভাগ কৰা হৈছে। এই কেইটা ভাগ হ'ল— বর্তমান, অতীত আৰু ভৱিষ্যৎ কাল।

বর্তমান কাল ঃ ওড়িআ ভাষাত বর্তমান কাল দুই প্রকাৰৰ। এবিধ নিত্য বা সাধাৰণ বর্তমান কাল আৰু আনবিধ চলিত বর্তমান কাল।

নিত্য বর্তমান ঃ নিত্য বর্তমান কালৰ ক্রিয়াই সদাই চলি থকা অর্থ প্রকাশ কৰে। যেনে— সূর্য প্রতিদিনে কিৰণ দিয়ন্তি, সমুদ্রৰ পানী লুণীয়া লাগে ইত্যাদি।

চলিত বর্তমান ঃ চলিত বর্তমান কালৰ ক্রিয়াই কামটো চলি থকা অর্থ বুজায়। যেনে— গৰম পবন বহুঅছি, শিশুটি শুইঅছি, কৃষক ধান কাটুঅছি আদি।

অতীত কাল ঃ অতীত কালৰ ক্রিয়াই কামটো অতীতত সম্পন্ন হোৱা অর্থ প্রকাশ কৰে। ওড়িআ ভাষাত অতীত কাল দুই প্রকাৰৰ— সাধাৰণ অতীত আৰু চলিত বা সম্পন্ন অতীত। ইয়াৰ বাহিৰেও সম্ভাব্য অতীত বুলি অতীত কালৰ আৰু এটা ভাগ পোৱা যায়।

সাধাৰণ অতীত ঃ সাধাৰণ অতীত কালৰ ক্রিয়াই কামটো অলপ সময়ৰ আগতে শেষ হোৱা বুজায়। যেনে— মুঁ কামটি কৰিলি, তু সত কথা কহিলো, সেমানে নগাঁওৰু ফেৰিলে ইত্যাদি।

চলিত বা সম্পন্ন অতীত ঃ চলিত অতীত কালৰ ক্রিয়াই কামটো সুদূৰ অতীতত শেষ হোৱা অর্থ প্রকাশ কৰে। যেনে— দেউলৰে ঘণ্টা বাজিথিলা, মুঁ সূর্য পৰাগ দেখিথিলি, ময়ূৰ নাচুথিলা, মেঘ গর্জুথিলা ইত্যাদি।

সম্ভাব্য অতীত ঃ এই কালৰ ক্রিয়াই অতীতত এটা কাম সম্পন্ন হোৱাৰ সম্ভাৱনা থকা বুজায়। যেনে— যদি সে আছন্তে তেবে মু যাঅন্তি।

সম্ভাব্য অতীত ঃ এই কালৰ ক্রিয়াই অতীতত এটা কাম সম্পন্ন হোৱাৰ সম্ভাৱনা থকা বুজায়। যেনে— যদি সে আচন্তে তেবে মু যাঅন্তি।

ভৱিষ্যৎ কাল ঃ ভৱিষ্যৎ কালৰ ক্রিয়াই কামটো ভৱিষ্যতে সম্পন্ন হ'ব অর্থ প্রকাশ কৰে। ওড়িআ ভাষাৰ ভৱিষ্যৎ কালক সাধাৰণ ভৱিষ্যৎ, অসম্পন্ন ভৱিষ্যৎ আৰু সম্ভাব্য উবিষ্যৎ — এই তিনিটা ভাগত ভগাব পৰি। নিদর্শন স্বৰূপে—

সাধাৰণ ভৱিষ্যৎ ঃ মুঁ কালি কাজিৰঙা জীৱি, কুকুৰ ভুকিব আদি।

অসম্পন্ন ভৱিষ্যৎ ঃ সে মানে এবে কলিক তাৰু ফেৰুথিবে, গাড়ী ষ্টেচনেৰে পহুঞ্চুথিব, মুঁ নেহৰু পার্কৰে বুলুথিবি আদি।

সম্ভাব্য ভৱিষ্যৎ ঃ স্কুলৰ ঘণ্টা বাজিথিব, মন্দিৰ খুলিথিব আদি।

ক্রিয়াৰ ভাব ঃ

বাংলা ভাষাৰ দৰে ওড়িআ ভাষাৰ ক্রিয়াৰ ভাব তিনি প্রকাৰৰ। সেই কেইটা হ'ল— নির্দেশক ভাব, অনুজ্ঞা ভাব আৰু সংযোজক ভাব।

নির্দেশক ভাব ঃ নির্দেশক ভাবে সাধাৰণভাৱে ক্রিয়াৰ নির্দেশ অর্থ প্রকাশ কৰে। যেনে—সে কামটো কৰিছি, সে গলা, তুমে আসিল আদি।

অনুজ্ঞা ভাব ঃ অনুজ্ঞা ক্রিয়াভাবে বক্তাৰ আদেশ, অনুৰোধ, আশীর্বাদ, উপদেশ

আদি অর্থ প্রকাশ কৰে। যেনে— তুমে কৰ, তু পঢ়ুথা, আমে কণ এথৰ বাহাৰিবু, তু পঢ় ইত্যাদি।

সংযোজক ভাবঃ বাক্যৰ এটা ক্রিয়া আন এটাৰ ওপৰত নির্ভৰশীল হ'লে সেই নির্ভৰযোগ্য ক্রিয়াটোৰ ভাবক সংযোজক ভাব বোলা হয়। নিদর্শন স্বৰূপে— সে দলে মুঁ নেবি, সময় পাইলে নিশ্চয় আসিবি আদি।

ক্রিয়াৰ বাচ্যঃ

বাক্যত কাৰ প্রাধান্য বেছি বা ক্রিয়াৰ যি ৰূপভেদৰ পৰা ক্রিয়াটো কাক অৱলম্বন কৰি প্রযুক্ত হয় তাক জনা যায়। সেই শক্তি বা ৰূপভেদক ক্রিয়াৰ বাচ্য বোলা হয়। ওড়িআ ভাষাতো ক্রিয়াৰ বাচ্য চাৰি প্রকাৰৰ— (i) কর্তৃবাচ্য (ii) কর্মবাচ্য (iii) ভাববাচ্য আৰু (iv) কর্ম-কর্তৃবাচ্য।

কর্তৃবাচ্যঃ কর্তৃবাচ্যত কর্তা প্রধান অর্থাৎ কর্তাই ক্রিয়া সম্পন্ন কৰে। যেনে— ছাত্রটি পাঠ পঢ়ুছি, ৰীমা ভায় খাউছি আদি।

কর্মবাচ্যঃ এই বাচ্যত ক্রিয়াই কর্মক অনুসৰণ কৰে। যেনে— ৰমেশ দ্বাৰা কামটি সম্পূর্ণ হ'লা, পুলিশ দ্বাৰা চোৰকু ধৰা গলা আদি।

ভাববাচ্যঃ ভাববাচ্যত কর্ম নাথাকে, ক্রিয়াই ইয়াত প্রাধান্য লাভ কৰে। যেনে— সেইথি ৰহিবাকু হব, মোৰ খিআ হেলা নাহি আদি।

কর্ম-কর্তৃবাচ্যঃ এই বাচ্যত কর্তাৰ উল্লেখ নাথাকে, কর্মই কর্তাৰ দৰে আচৰণ কৰে। যেনে — ঘণ্টা চলে, বর্ষা আসিব, লুগা দিড়ে ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ ঃ ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ বিষয়ে চমুকৈ লিখক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ১৪ ঃ ওড়িআ ভাষাৰ ক্রিয়াৰ কাল সম্পর্কে এক আলোচনা আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১৩.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ

আপুনি ইতিমধ্যে দ্বিতীয় পাঠ্যবিষয়ৰ বিভিন্ন অধ্যায়ত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ সম্পর্কে এক সামগ্রিক ধাৰণা লাভ কৰিলে। তদুপৰি এই অধ্যায়ত বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ আলোচিত হৈছে। গতিকে আপুনি অসমীয়া, বাংলা আৰু ওড়িআ এই তিনিও ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ সম্পর্কে ইতিমধ্যে অৱগত হৈছে।

অসমীয়া, বাংলা আৰু ওড়িআ— এই তিনিও ভাষাৰ ৰূপতাত্ত্বিক দিশৰ আলোচনা কৰিলে এটা কথা পৰিলক্ষিত হয় যে আটাইকেইটা ভাষাৰ মাজত ৰূপতাত্ত্বিক দিশত কিছুমান সাদৃশ্য আৰু কিছুমান বৈসাদৃশ্য আছে। তলত তিনিওটা ভাষাৰে ৰূপতাত্ত্বিক দিশৰ সাদৃশ্য আৰু পার্থক্যসমূহ উল্লেখ কৰা হ'ল—

বচন ঃ

- অসমীয়া, বাংলা আৰু ওড়িআ এই তিনিও ভাষাতে বচন দুবিধ একবচন আৰু বহুবচন। তিনিওটা ভাষাতে দ্বিবচনৰ প্রয়োগ নাই যদিও দুই সংখ্যা শব্দৰ দ্বাৰা আটাইকেইটা ভাষাতে দ্বিবচন বুজোৱা হয়।
- তিনিও ভাষাতে একবচন আৰু বহুচন বুজাবলৈ বিভিন্ন প্রতয় সংযোগ কৰা হয় যদিও তিনিও ভাষাত প্রয়োগ হোৱা প্রত্যয়সমূহৰ মাজত কিছু পার্থক্য আছে। অৱশ্যে সংস্কৃতমূলীয়া প্রত্যয়সমূহ আটইকেইটা ভাষাতে একে হোৱা দেখা যায়।
- ওড়িআ ভাষাত বচন ব্যাকৰণগত বিষয়। কিন্তু অসমীয়া আৰু বাংলা ভাষাত বচন ব্যাকৰণগত নহয়।

লিংগ ঃ

- অসমীয়া, বাংলা, ওড়িআ— এই তিনিওটা ভাষাতে পুংলিংগ আৰু স্ত্রীলিংগ এই দুবিধ লিংগ পোৱা যায় আৰু এই তিনিওটা ভাষাৰে লিংগ অর্থৰ ওপৰত নির্ভৰশীল।
- তিনিওটা ভাষাৰে লিংগ নিৰূপণৰ উপায়বোৰ প্রায় একেই। মাত্র তিনিও ভাষাতে প্রয়োগ হোৱা শব্দ বা প্রত্যয়সমূহ সুকীয়া।
- তিনিওটা ভাষাতে কিছুমান নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ প্রয়োগ পোৱা যায় যদিও ওড়িআ ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত এনে প্রত্যয় প্রয়োগ অধিক দেখা যায়।

নির্দিষ্টতাবাচক প্রত্যয় ঃ

- অসমীয়া, বাংলা আৰু ওড়িআ— এই তিনিও ভাষাতে নির্দিষ্টতাবাচক প্রত্যয় প্রয়োগ আছে। আকৌ 'টা', 'টি' আদি দুটামান নির্দিষ্টতাবাচক প্রত্যয় তিনিওটা ভাষাতে একে হোৱা পৰিলক্ষিত হয়।
- অৱশ্যে তিনিওটা ভাষাতে কিছুমান সুকীয়া সুকীয়া নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ পোৱা যায় যিবোৰে স্বকীয়তা প্রতিপন্ন কৰে।
- নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত বাংলা আৰু ওড়িআ ভাষাৰ তুলনাত অসমীয়া ভাষাত যথেষ্ট নির্দিষ্টতাবাচক প্রত্যয় দেখিবলৈ পোৱা যয়।
- অসমীয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত বৈচিত্র্য দেখা যায় যি বৈচিত্র্য আন আধুনিক ভাৰতীয়া আর্য ভাষাত পোৱা নাযায়।

বিশেষণ ঃ

- অসমীয়া, বাংলা, ওড়িআ— এই তিনিওটা ভাষাতে বিভিন্ন বিশেষণ শব্দৰ প্ৰয়োগ আছে আৰু তিনিওটা ভাষাৰে এই বিশেষণ শব্দবোৰক কেইবাটাও ভাগত ভাগ কৰিব পাৰি।
- ক্ৰিয়া বিশেষণ গঠনৰ ক্ষেত্ৰত বাংলা ভাষাত অধিক বৈচিত্ৰ্য দেখিবলৈ পোৱা যায়।
- তিনিওটা ভাষাতে বিশেষণৰ তুলনা কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়। এটা সংস্কৃতীয়া পদ্ধতি আৰু আনটো প্ৰত্যেক ভাষাৰে নিজা পদ্ধতি। বিশেষণৰ তুলনা কৰোতে তিনিওটা ভাষাৰে নিজস্ব পদ্ধতিৰ ক্ষেত্ৰত বিচিত্ৰতা পৰিলক্ষিত হয়। অৱশ্যে ওড়িআ ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত বিশেষণৰ তাৰতম্যৰ ক্ষেত্ৰত অধিক বৈচিত্ৰ্য দেখা যায়। ওড়িআ ভাষাত বিশেষ বৈচিত্ৰ্য বিশেষণৰ তাৰতম্যৰ ক্ষেত্ৰত দেখা নাযায়।

সৰ্বনাম ঃ

- অসমীয়া, বাংলা আৰু ওড়িআ— এই তিনিও ভাষাতে প্ৰয়োগ হোৱা সৰ্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি।
- তিনিওটা ভাষাতে যথেষ্ট সংখ্যক ব্যক্তিবাচক সৰ্বনামৰ প্ৰয়োগ পোৱা যায় আৰু প্ৰত্যয় বিভক্তি সংযোগ হওতে তিনিওটা ভাষাৰে ব্যক্তিবাচক সৰ্বনামৰ তিৰ্যক ৰূপ পোৱা যায়।
- তিনিওটা ভাষাতে ব্যক্তিবাচক সৰ্বনামবোৰৰ একবচন আৰু বহুবচনৰ সুকীয়া সুকীয়া ৰূপ দেখা যায়।
- তিনিওটা ভাষাতে দ্বিতীয় পুৰুষৰ সৰ্বনামৰ ক্ষেত্ৰত তুচ্চ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়।
- সৰ্বনাম প্ৰয়োগৰ ক্ষেত্ৰত বাংলা আৰু ওড়িআ ভাষাতকৈ অসমীয়া ভাষা অধিক চহকী।

কাৰক আৰু শব্দবিভাক্তি ঃ

- অসমীয়া, বাংলা আৰু ওড়িআ— তিনিও ভাষাতে ছবিধ কাৰক আৰু এবিধ সম্বন্ধ পদ পোৱা যায়।
- তিনিওটা ভাষাতে কাৰক আৰু সম্বন্ধপদ চিনি উলিয়াবৰ বাবে শব্দবিভক্তি আৰু অনুসৰ্গ সংযোগ কৰা হয়।
- কিছুমান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ তিনিওটা ভাষাতে শূন্য বিভক্তিৰ প্ৰয়োগ এক মনকৰিবলগীয়া বিশেষত্ব।
- বাংলা আৰু ওড়িআ ভাষাৰ সম্প্ৰদান কাৰকৰ বিপৰীতে অসমীয়া ভাষাত নিমিত্ত কাৰকৰ ব্যৱহাৰ আছে।
- অসমীয়া ভাষাত অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমীয়া ভাষাত ষষ্ঠী 'ৰ'

বিভক্তিৰ পাছত 'পৰা' পৰসর্গ সংযোগ কৰা হয়। আনহাতে বাংলা আৰু ওড়িআ ভাষাত আপাদান কাৰক আৰু পঞ্চমী বিভক্তি দুয়োটাই আছে।

ক্রিয়া ঃ

- ক্রিয়াৰূপৰ ক্ষেত্রত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ মাজত বহুতো সাদৃশ্য আছে। তিনিওটা ভাষাতে ধাতুসমূহৰ শ্রেণীবিভাজন একেই। আনকি ধাতুসমূহৰ মাজতো মিল লক্ষণীয়। মাত্র অজ্ঞাতমূলৰ (সংশয়াত্মক) ধাতুসমূহৰ মাজতহে পার্থক্য দেখিবলৈ পোৱা যায়।
- তিনিওটা ভাষাৰে ক্রিয়াৰ প্রকাৰৰ ক্ষেত্রত সাদৃশ্য দেখা যায়। মাত্র ক্রিয়াৰূপবোৰ গঠন হোৱা ক্রিয়া বিভক্তিবোৰ ভিন ভিন।
- ক্রিয়াৰ কালৰ ক্ষেত্রত তিনিওটা ভাষাৰে শ্রেণীবিভাজন প্রায় একে হোৱা দেখা যায়। মাত্র ভৱিষ্যত কালৰ ক্ষেত্রত ওড়িআ ভাষাত কিছু পার্থক্য পৰিলক্ষিত হয়।
- ভৱিষ্যত কালৰ ক্ষেত্রত অসমীয়া ভাষাৰ প্রথম পুৰুষত কাল নির্দেশক 'ম' ৰূপটো সংযোগ হয়, কিন্তু বাংলা আৰু ওড়িআ ভাষাত 'ব' ৰূপটো লগ লগা দেখা যায়।
- ক্রিয়াৰ ভাব আৰু বাচ্যৰ ক্ষেত্রত তিনিওটা ভাষাৰ মাজত সাদৃশ্য দেখিবলৈ পোৱা যায়।

গতিকে একে মূলৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰা অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতাত্ত্বিক দিশত যথেষ্ট সাদৃশ্য আছে। অৱশ্যে তিনিওটা ভাষাতে এনে কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয় যিবোৰে আটাইকেইটা ভাষাৰে স্বকীয়ত্ব প্রতিপন্ন কৰে। ওড়িআ আৰু বাংলা ভাষাৰ তুলনাত অসমীয়া ভাষাই আর্যভিন্ন উপাদান আহৰণ কৰিছে আৰু এইবোৰে সমগোত্রীয় বাংলা আৰু ওড়িআ ভাষাৰ তুলনাত অসমীয়া ভাষাক সুকীয়া বৈশিষ্ট্যৰে সমুজ্জ্বল কৰি তুলিছে।

১৩.৭ মৈথিলী ভাষাৰ ৰূপতত্ত্ব ঃ এক পৰিচয়

মাগধী প্রাকৃত অপভ্রংশৰ মধ্য শাখাৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰা ভাষাৰ ভিতৰত মৈথিলী ভাষা অন্যতম। একেটা উৎসৰ পৰা জন্ম লাভ কৰা মগধী ভাষাৰ লগত মৈথিলী ভাষাৰ এক নিবিড় সম্পর্ক আছে। গাঁথনিক দিশত মৈথিলী ভাষাৰ কিছুমান নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। তলত মৈথিলী ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ অতি চমুকৈ উল্লেখ কৰা হ'ল।

মৈথিলী ভাষাৰ বচন ঃ

মৈথিলী ভাষাৰ একবচন আৰু বহুবচন— এই দুয়োবিধ বৰ বিশেষ পোৱা নাযায়। বহুবচন বুজোৱাৰ পদ্ধতি বৰ বিশেষ পোৱা নাযায়। বহুবচন বুজাবৰ বাবে মেথিলী ভাষাত বিশেষ্যৰ পাছত সভ, লোকনি, গন, বৃন্দ আদি কেইটামান শব্দ প্রয়োগ কৰা হয়। যেনে—

সভ ঃ লোকসভ গণ ঃ দেৱগণ

বৃন্দ ঃ ছাত্রবৃন্দ লোকনি ঃ ৰাজালোকনি আদি।

শব্দৰ দ্বিৰুক্তি কৰিও কেতিয়াবা মৈথিলী ভাষাত বহুবচনৰ ৰূপ কৰা হয়। যেনে— দ্বাৰে দ্বাৰে।

মৈথিলী ভাষাৰ লিংগ ঃ

অসমীয়া, বাংলা আদিৰ দৰে মৈথিলী ভাষাতো প্ৰাণীবাচক শব্দৰহে লিংগভেদ কৰিব পাৰি। মৈথিলী ভাষাতো লিংগ প্ৰধানত দুই প্ৰকাৰৰ— পুংলিংগ আৰু স্ত্ৰীলিংগ। এই দুটা ৰূপৰ উপৰিও অসমীয়া ভাষাৰ দৰে লিংগ নিৰপেক্ষ ৰূপ এটাও মৈথিলী ভাষাত পোৱা যায়। নিদৰ্শন স্বৰূপে—

পুংলিগবাচক ৰূপ ঃ ভাত্ৰ, জমাত্ৰ, পুৰুষ, মৰদ আদি।

স্ত্ৰীলিংগবাচক ৰূপ ঃ মাত্ৰ, বহিনি, মহিলা আদি।

লিংগ নিৰপেক্ষ ৰূপ ঃ লোক, নেনা আদি।

মৈথিলী ভাষাত দুটা পদ্ধতিৰ জৰিয়তে লিংগভেদ নিৰ্ণয় কৰা হয়। সেই দুটা পদ্ধতি হ'ল—

(i) পুৰুষ আৰু স্ত্ৰী বুজোৱা ভিন্ ভিন্ শব্দ প্ৰয়োগ কৰি মৈথিলী ভাষাত লিংগ নিৰ্ণয় কৰা হয়। নিদৰ্শন স্বৰূপে— বাপ - মাত্ৰ, ভাই - বহিন, বৰদ - গাই আদি।

(ii) স্ত্ৰী প্ৰত্যয়ৰ যোগতো মৈথিলী ভাষাত লিংগভেদ কৰা হয়। অৰ্থাৎ পুংলিংগবাচক শব্দৰ পাছত ভিন্ ভিন্ স্ত্ৰীপ্ৰত্যয় সংযোগ কৰি স্ত্ৰীলিংগৰ ৰূপ কৰা হয়। মৈথিলী ভাষাৰ স্ত্ৰীপ্ৰত্যয়কেইটা হ'ল— ই, ইনি, নি, ঈ, ইনী, নী আদি। নিদৰ্শন স্বৰূপে— কুমাৰ - কুমাৰী (ই), বাঘ - বাঘিনী (ইনি), তেলি - তেলিনী (নি), ঘোড় - ঘোড়া (ঈ), অমাত - অমাতিনী (ইনি), চোৰ - চোৰনী (নী) ইত্যাদি।

অসমীয়া ভাষাৰ দৰে মৈথিলী ভাষাৰ লিংগও বাক্যৰ লগত নহয়। অৱশ্যে মৈথিলী ভাষাতো কেতিয়াবা বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণৰ লিংগ সলনি হয়। যেনে— বড়কা কাকা - বড়কী কাকী। গতিকে মৈথিলী ভাষাৰ লিংগও আংশিকভাৱে ব্যাকৰণগত।

মৈথিলী ভাষাৰ বিশেষণ ঃ

মৈথিলী ভাষাত বিশেষ্য বা আন পদৰ দোষ, গুণ, অৱস্থা আদি বুজাবৰ বাবে কিছুমান বিশেষণ শব্দ প্ৰয়োগ কৰা হয়। তেনে কেইটামান বিশেষণ শব্দৰ নিদৰ্শন হ'ল— কোমল, গণ্ডা, গৰ্ম, ঠাণ্ডা, লাল, অধিক, কম, বেছি, অলপ, নীক, সাফ, গহীৰ আদি।

মৈথিলী ভাষাত বিশেষণৰ তুলনা কৰিবৰ বাবে সংস্কৃতৰ দৰে প্ৰত্যয় সংযোগ কৰা হয়। অৰ্থাৎ দুটাৰ মাজত তুলনা কৰিবলৈ সংস্কৃতৰ অনুকৰণত বিশেষণৰ পাছত 'তৰ' আৰু 'ইয়স' প্ৰত্যয় যোগ কৰা হয় আৰু বহুতৰ মাজত তুলনা কৰিবলৈ 'তম' আৰু 'ইষ্ট' প্ৰত্যয় যোগ দিয়া হয়। যেনে— চতুৰ - চতুৰতৰ - চতুৰতম আদি।

সেইদৰে বেছি, অধিক, কম, সভ আদি শব্দ প্ৰয়োগ কৰিও মৈথিলী ভাষাত বিশেষণৰ তুলনা কৰা হয়।

মৈথিলী ভাষাৰ সৰ্বনাম ঃ

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ দৰে মৈথিলী ভাষাৰ সর্বনামবোৰক বিভিন্ন ভাগত ভাগ কৰিব পাৰি। এই ভাগবোৰ হ'ল— ব্যক্তিবাচক সর্বনাম, নির্দেশক সর্বনাম, প্রশ্নবাচক সর্বনাম, সম্বন্ধবাচক সর্বনাম, নিজবাচক আৰু অনির্দিষ্টতাবাচক সর্বনাম। তলত এই সর্বনামবোৰৰ উদাহৰণ দিয়া হ'ল— অনির্দিষ্টতাবাচক সর্বনাম।

ব্যক্তিবাচক সর্বনাম ঃ প্রথম পুৰুষ — হম
দ্বিতীয় পুৰুষ তুচ্চ — তোঁ
মান্য — অহাঁ
অধিক মান্য — অপনে
তৃতীয় পুৰুষ — ও

প্রশ্নবাচক সর্বনাম — কে, কী, কথী

নির্দেশক সর্বনাম — ই

সম্বন্ধবাচক সর্বনাম — জে

নিজবাচক সর্বনাম — অপনে

অনির্দিষ্টতাবাচক সর্বনাম — কেও, কিছু

মৈথিলী ভাষাৰ কাৰক আৰু শব্দবিভক্তি ঃ

মৈথিলী ভাষাত সম্বন্ধ পদক ধৰি ছটা কাৰক পোৱা যায়। সেই কেইটা হ'ল কর্তা কাৰক, কর্ম কাৰক, কৰণ কাৰক, অপাদান কাৰক, অধিকৰণ কাৰক আৰু সম্বন্ধ পদ। অসমীয়া ভাষাৰ নিমিত্ত কাৰক মৈথিলী ভাষাত পোৱা নাযায়।

মৈথিলী ভাষাতো কাৰক আৰু সম্বন্ধপদ চিনি উলিয়াবৰ বাবে দুটা পদ্ধতি অৱলম্বন কৰা হয়। এটা হ'ল শব্দবিভক্তি সংযোগ আৰু আনটো হ'ল অনুসর্গ সংযোগ কৰি। মৈথিলী ভাষাত শব্দবিভক্তি, শূন্য বিভক্তি আৰু অনুসর্গ সংযোগৰ দ্বাৰা কাৰক নির্দেশ কৰা হয়। তলত মৈথিলী ভাষাৰ কাৰক অনুযায়ী বিভক্তিসমূহ উল্লেখ কৰা হ'ল—

কর্তা কাৰক ঃ ০ (শূন্য)
কর্ম কাৰক ঃ ০/কেঁ
কৰণ কাৰক ঃ এঁ/সঁ
অপাদান কাৰক ঃ সঁ
অধিকৰণ কাৰক ঃ মে/পৰ আদি।

মৈথিলী ভাষাৰ ধাতু ঃ

মৈথিলী ভাষাৰ ধাতুসমূহক গঠন আৰু প্রকৃতি অনুসৰি তিনিটা ভাগত ভাগ কৰিব পাৰি। সেই কেইবিধ হ'ল — (i) মুখ্য ধাতু (ii) গৌণ ধাতু আৰু (iii) সংযুক্ত ধাতু।

মুখ্য ধাতু ঃ √উঠ, √কৰ, √দেখ, √পঢ়, √খা আদি।

গৌণ ধাতু ঃ মৈথিলী ভাষাৰ গৌণ ধাতুসমূহক পাঁচনী ধাতু, নামধাতু আৰু ধ্বন্যাত্মক ধাতু আদি বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। নিদর্শন স্বৰূপে—

পাঁচনী ধাতু ঃ √কৰা, √লিখা, √পঢ়া আদি।

নাম ধাতু ঃ √ঘমা, √লঠিআ, √মুকিআ আদি।

ধ্বন্যাত্মক ধাতু ঃ √ঝনঝনা, √কছমছা আদি।


সংযুক্ত ধাতু ঃ অনুভৱ কৰ, আজ্ঞা দে, উতৰি আ, মৰি জা, কহি দে আদি।

ক্রিয়া ধাতু ঃ মৈথিলী ভাষাৰ ক্রিয়া দুই প্রকাৰৰ। সেই দুবিধ হ'ল— সৰল ক্রিয়া আৰু বিস্তৃত ক্রিয়া।

সৰল ক্রিয়া ঃ যি ক্রিয়াত কর্তাৰ পুৰুষ আৰু মান্যতা অনুযায়ী ক্রিয়াবিভক্তি সংযোগ হয় তেনে ক্রিয়াক সৰল ক্রিয়া বোলা হয়। নিদর্শক স্বৰূপে— দেখৈত ছী।

বিস্তৃত ক্রিয়া ঃ যি ক্রিয়াত কর্তা আৰু কর্ম উভয়ৰে পুৰুষ আৰু মান্যতা অনুযায়ী ক্রিয়া বিভক্তি সংযোগ হয় তেনে ক্রিয়াক বিস্তৃত ক্রিয়া বোলা হয়। যেনে— দেখৈত ছিএক।

এইদৰে ৰূপতত্ত্বৰ বিভিন্ন দিশত মৈথিলী ভাষাৰ কিছুমান নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। অর্থাৎ মগধীয় ভাষাগুচ্ছৰ ভিতৰত মৈথিলী ভাষাৰ গাঁথনিক দিশত কিছুমান সুকীয়া বিশেষত্বদেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ ঃ মৈথিলী ভাষাৰ ৰূপতত্ত্ব সম্পর্কে এক চমু পৰিচয় দাঙি ধৰক (২০০ টা শব্দৰ ভিতৰত)

.....



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ আৰম্ভণিতে অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে এক আলোচনা দাঙি ধৰা হৈছে। গতিকে অধ্যায়টোৰ পৰা মগধীয় ভাষাসমূহৰ মূল, সেইবোৰৰ বিকাশ ইত্যাদি সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিলে।
- অসমীয়া, বাংলা, ওড়িআ আৰু মৈথিলী ভাষাৰ ইতিহাসৰ লগতে সাহিত্যৰ বুৰঞ্জী, উপভাষা ইত্যাদিৰ এক থূলমূল ধাৰণা লাভ কৰিলে।
- অধ্যায়টোত বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত বিভিন্ন দিশ সম্পর্কে এক বিশদ আলোচনা কৰা হৈছে। লগতে মৈথিলী ভাষাৰ ৰূপতত্ত্বৰো এক চমু পৰিচয় দাঙি ধৰা হৈছে। গতিকে এই আটাইকেইটা ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত বিভিন্ন দিশ সম্পর্কে অৱগত হ'ল।

- ৰূপতত্ত্বক দিশত অসমীয়া ভাষাত লগত ভগ্নীস্থানীয় বাংলা আৰু ওড়িআ ভাষাৰ কি কি ক্ষেত্ৰত সাদৃশ্য আছে আৰু কি কি ক্ষেত্ৰত পাৰ্থক্য আছে সেই বিষয়েও এক সম্যক ধাৰণা লাভ কৰিলে।
- অসমীয়া ভাষাৰ লগত মগধীয় ভাষাসমূহৰ ৰূপতত্ত্বৰ এই তুলনামূলক অধ্যায়টোৱে গাঁথনিক দিশত ভাষাকেইটা কিমান ওচৰচপা সেই কথাও প্ৰতিপন্ন কৰিছে।



১৩.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পনা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমনিকা,* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, গোলোকচন্দ্ৰ (২০০০); *অসমীয়া ব্যাকৰণ প্ৰবেশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) গোস্বামী, গোলোকচন্দ্ৰ (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা,* গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৫) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *অসমীয়া ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৬) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৭) ঠাকুৰ, নগেন (২০১৬); *ভাৰতীয় ভাষা আৰু সাহিত্য,* গুৱাহাটী ঃ জোতি প্ৰকাশন।

৮) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়,* ডিব্ৰুগড় ঃ বনলতা।

৯) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা,* ডিব্ৰুগড় ঃ বনলতা।

১০) পাঠক, ৰমেশ (১৯৯৮); *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১১) ফুকন পাটগিৰি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ,* গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।

১২) ফুকন, পাটগিৰি, দীপ্তি (২০১২); *অসমীয়া বাংলা আৰু ওড়িআ ভাষা তুলনামূলক অধ্যায়ন,* গুৱাহাটী ঃ বনলতা।

১৩) ফুকন, পাটগিৰি, দিপ্তী (সম্পা.) (২০১৪) *আধুনিক ভাৰতীয় আৰ্যভাষা,* গুৱাহাটী ঃ অসম পাবলিচিং কোম্পানী, বনলতা।

১৪) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

১) গোস্বামী, কৃষ্ণপদ (২০০১); *বাংলা ভাষাতত্ত্বের ইতিহাস,* কলকাতা ঃ বরুনা প্রকাশনী।

২) ঘোষ, জগদীশ অবং অনিলচন্দ্র (২০০৩); *আধুনিক বাংলা ব্যাকরণ ও রচনা,* কলকাতা ঃ প্রেসিডেন্সী লাইব্রেরী।

৩) চট্টোপাধ্যায়, সুনীতি কুমার (১৯৮৯); *বাংলা ভাষা প্রসঙ্গে;* কলকাতা ঃ জিজ্ঞাসা এজেন্সি লিমিটেড ।

৪) টক্রৱর্তী, রামদেব (২০০৩); *উচ্চতৰ বাংলা ব্যাকরণ,* কলকাতা ঃ অক্ষয় মালঞ্চ।

৫) মজুমদার, পরেশচন্দ্র (১৯৮৭); *আধুনিক ভারতীয় ভাষা প্রসঙ্গে,* কলকাতা ঃ দে'জ পাবলিশিং।

৬) মুখোপাধ্যায়, বৈদ্যনাথ (১৯৯৬); *বাংলা মাধ্যমিকী,* কলকাতা ঃ প্রান্তিক প্রকাশন।

৭) শ, রামেশ্বর (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা,* কলকাতা ঃ পুস্তক বিপনী।

৮) সেন সুকুমার (১৯৯৯); *ভাষাৰ ইতিবৃত্তি,* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ওড়িআ গ্রন্থ ঃ

১) প্রধান, কৃষ্ণচন্দ্র (২০১২); *সাৰস্বত ব্যৱহাৰিক ওড়িআ ব্যাকৰণ,* সত্যনাৰায়ণ বুক ষ্টৰ, কটক।

ইংৰাজী গ্রন্থ ঃ

১) Bhattacharjya, Krishna (1993); *Bengali-Oriya Verb-Morphology* : *A constructive Study*, Das Gupta Co. Pvt, Ltd, Calcutta.

২) Chatterji, Suniti Kaumar (1979); *Origin and Development of the Bengali Language*, George Allen Unwin, London.

৩) Dutta Baruah, P.N. (1978); *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya*, Ph. D. Thesis (Unpublished), Dept. of Assamese, G.U.

৪) Kakati, B. (1995); *Assamese its Formation and Development*, LBS Publication, Guwahati.



১৩.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি বিভিন্ন মগধীয় ভাষাসমূহ প্রাচীন ভাৰতীয় আর্য ভাষাৰ পৰা কেনেদৰে বিভিন্ন স্তৰ অতিক্রম কৰি নব্য ভাৰতীয় স্তৰত জন্ম হৈছে। সেই কথা লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়াকে ধৰি মগধীয় ভাষাসমূহৰ সাহিত্যৰ যুগবিভাগ সম্পর্কে লিখি প্রত্যেক যুগৰ সাহিত্যিক নিদর্শনৰ পৰিচয় দিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ বচন কাক বোলে — বাংলা ভাষাত বচন কেইবিধ কি কি — বহুবচনৰ অর্থ প্রকাশ কৰাৰ বিভিন্ন উপায় সম্পর্কে লিখিব লাগিব

৪ নং প্রশ্নৰ উত্তৰ ঃ লিংগ কি — বাংলা ভাষাৰ লিংগ কেইবিধ— কি কি — লিংগ নির্ণয়ৰ বিভিন্ন উপায় — ইত্যাদি উদাহৰ সহ লিখিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ মানে কি — বিশেষণৰ তাৰতম্য বা তুলনা মানে কি — বিশেষণৰ তুলনা কেইবিধ আৰু কি কি আদি। উদাহৰণসহ উল্লেখ কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ সর্বনাম কি — বাংলা ভাষাৰ বিভিন্ন সর্বনামবোৰৰ উদাহৰণসহ পৰিচয় দিব লাগিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ কাৰক কি — কাৰকৰ ভাগ — শব্দবিভক্তি কি — শব্দবিভক্তিৰ প্রকাৰ — বাংলা ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পর্কে উদাহৰণ দি বুজাই লিখক।

৮ নং প্রশ্নৰ উত্তৰ ঃ ধাতু কাক বোলে? বাংলা ভাষাৰধাতুৰ প্রকাৰ — প্রত্যেকবিধ ধাতুৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

৯ নং প্রশ্নৰ উত্তৰ ঃ বচন কি — ওড়িআ ভাষাত বচন কেইবিধ — কি কি — প্রত্যেকবিধ বচনৰ অর্থ প্রকাশৰ উপায় লিখিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰ ঃ ওড়িআ ভাষাৰ লিংগ কেইবিধ — কি কি — লিংগ নির্ণয়ৰ বিভিন্ন উপায়সমূহ ফঁহিয়াই আলোচনা কৰিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ কি — ওড়িআ ভাষাত বিশেষণৰ প্রকাৰ বিশেষণৰ তাৰতম্য বা তুলনাৰ বিভিন্ন পদ্ধতি — সিহঁতৰ উদাহৰণ দি লিখিব লাগিব।

১২ নং প্রশ্নৰ উত্তৰ ঃ ওড়িআ ভাষাৰ সর্বনামৰ বিভিন্ন ভাগ —প্রতিটো ভাগৰে উদাহৰণসহ চমু পৰিচয় দিব লাগিব।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ওড়িআ ভাষাত কাৰক কি — কাৰকৰ ভাগ — শব্দবিভক্তি কি — শব্দবিভক্তিৰ ভাগ - উদাহৰণসহ কাৰক আৰু শব্দবিভক্তিৰ চমু পৰিচয় দিয়ক।

১৪ নং প্রশ্নৰ উত্তৰ ঃ ক্রিয়াৰ কাল মানে কি? ওড়িআ ভাষাত ক্রিয়াৰ কালৰ প্রকাৰ — প্রত্যেকবিধ কালৰ উদাহৰণসহ পৰিচয় দিব লাগিব।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ মৈথিলী ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ - বচন - লিংগ- বিশেষণ- সৰ্বনাম - কাৰক আৰু শব্দবিভক্তি - ক্ৰিয়া ইত্যাদিৰ এক চমু আলোচনা।



১৩.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া, বাংলা, ওড়িআ, মৈথিলী আদি মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাস সম্পৰ্কে এক চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বচন সম্পৰ্কে লিখি এক তুলনামূলক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৩ ঃ মগধীয় ভাষা অসমীয়া, বাংলা আৰু ওড়িআৰ লিঙ্গ নিৰূপণ সম্পৰ্কে উল্লেখ কৰি তিনিও ভাষাৰ সাদৃশ্য-বৈসাদৃশ্য সমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশেষণৰ প্ৰকাৰভেদ সম্পৰ্কে এক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ প্ৰাচ্য মাগধীৰ পৰা ওলোৱা মগধীয় ভাষা তিনিটাৰ বিশেষণৰ তাৰতম্যৰ এক তুলনামূলক আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ব্যক্তিবাচক সৰ্বনাম মানে কি? অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ তিৰ্যক ৰূপৰ এক তুলনা দাঙি ধৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে লিখি অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বহুল প্ৰয়োগৰ কাৰণ কি চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৮ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দ বিভক্তিৰ এক তুলনামূলক আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৯ ঃ সাধিত ধাতু কাক বোলে? অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সাধিত ধাতুসমূহৰ গঠন সম্পৰ্কে এক আলোচনা যুগুত কৰক।

প্ৰশ্ন ১০ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ কালৰ ক্ষেত্ৰত থকা সাদৃশ্য-বৈসাদৃশ্যবোৰ বিচাৰ কৰক।

প্ৰশ্ন ১১ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ প্ৰকাৰ সম্পৰ্কে এক চমু আলোচনা দাঙি ধৰক।

প্ৰশ্ন ১২ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ ভাব সম্পৰ্কে এক তুলনামূলক বিচাৰ যুগুত কৰক।

প্ৰশ্ন ১৩ ঃ মৈথিলী ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এক পৰ্যালোচনা দাঙি ধৰক।

প্ৰশ্ন ১৪ ঃ ক্ৰিয়াৰ বাচ্য কাক বোলে? অসমীয়া ভাষাৰ লগত বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ বাচ্যৰ এক তুলনা দাঙি ধৰক।

প্ৰশ্ন ১৫ ঃ ৰূপতত্ত্বৰ কোনবোৰ দিশত বাংলা আৰু ওড়িআ ভাষাতকৈ অসমীয়া ভাষাই পৃথক ৰূপ লাভ কৰিছে সেই কথা ফঁহিয়াই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ৰূপতত্ত্ব ঃ এটি সাধাৰণ পৰিচয়

১৪.৪ অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব

১৪.৪.১ অসমীয়া ভাষাত সৰ্গ বিভাজন

১৪.৪.২ বিভক্তি

১৪.৪.৩ নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ (কৰল ৰূপৰেখা)

১৪.৭ অগ্রগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপতত্ত্ব সম্পর্কে এটি ধাৰণা লাভ কৰিব
- অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব সম্পর্কে অৱগত হ'ব।

১৪.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত অসমীয়া আৰু মগধীয় ভাষাৰ ৰূপতত্ত্ব সম্পর্কে এটি ধাৰণা লাভ কৰিলে। এই অধ্যায়ত অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব সম্পর্কে অৱগত হ'ব। অসমীয়া ভাষাৰ ৰূপতত্ত্বত নিহিত বিভিন্ন একক বৈশিষ্ট্যসমূহ এই অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

১৪.২ ৰূপতত্ত্ব ঃ এটি সাধাৰণ পৰিচয়

অসমীয়া 'ৰূপতত্ত্ব' শব্দটো ইংৰাজী Morphology শব্দটোৰ প্রতিশব্দ হিচাপে ব্যৱহাৰ কৰা হয়। যিকোনো ভাষাৰ ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হ'ল 'ৰূপ' বা 'প্রকৃতি'। ইয়াক ইংৰাজীত morpheme আখ্যা দিয়া হয়। কোনো এটা ভাষাত এক বা একাধিক বর্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অর্থৰ বাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। এনেদৰে শ্রেণীবদ্ধ কৰা আকৃতি (morph)

সমূহৰ প্ৰয়োগ বিচাৰ কৰি বিৰোধ আছে নে নাই অৰ্থাৎ একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰিব পাৰে নে নোৱাৰে, তাক বিশ্লেষণ কৰা হয়। বিৰোধ নথকা আকৃতিবোৰক একোটা গোট কৰি 'প্ৰাকৃতি' বা 'ৰূপ' বুলি চিনাক্ত কৰা হয়। এটা প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে আকৃতিবোৰক সেই প্ৰাকৃতিটোৰ উপাকৃতি (allomorph) হিচাপে চিনাক্ত কৰা হয়। সততে দেখা যায় যে অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক আলোচনাত ৰূপ, প্ৰাকৃতি, আকৃতি আৰু উপাকৃতি --- এই চাৰিওটা শব্দই যথেষ্ট খেলিমেলিৰ সৃষ্টি কৰে। বহু ক্ষেত্ৰত উভয় morph আৰু morpheme বুজাবলৈ অসমীয়াত অকল ৰূপ শব্দ ব্যৱহাৰ কৰা হয়। কিন্তু morph আৰু morpheme একে নহয়। ডঃ গোলোকচন্দ্ৰ গোস্বামীয়ে morph, morpheme আৰু allomorph এই তিনিটা ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে ক্ৰমে 'আকৃতি', 'প্ৰাকৃতি', আৰু 'উপাকৃতি' শব্দ তিনিটা ব্যৱহাৰ কৰিছে। অধ্যায়টোৰ পৰৱৰ্তী স্তৰতো প্ৰয়োজন সাপেক্ষে গোলোকচন্দ্ৰ গোস্বামীৰ এই তিনিটা শব্দ ব্যৱহাৰ কৰা হ'ব।

জানি থোৱা ভাল



বিশিষ্ট ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামীয়ে morph, morpheme আৰু allomorph বুজাবলৈ তিনিটা পৃথক শব্দ ব্যৱহাৰ কৰিছে। তেওঁ morphক ৰূপ, morphemeক ৰূপগ্ৰাম আৰু allomorphক সংৰূপ বুলিছে। 'ৰূপগ্ৰাম' শব্দৰ ভিত্তিত তেওঁ morphology শব্দটোৰ 'ৰূপগ্ৰামবিজ্ঞান' বা 'ৰূপগ্ৰামতত্ত্ব' হিচাপে প্ৰতিশব্দ কৰিছে।

১৪.৪ অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্ব

সকলো ভাষাৰে ৰূপতত্ত্বৰ এক স্বকীয় গাঁথনি আছে। ভাষা ভেদে ৰূপতত্ত্বৰ সুকীয়া সুকীয়া বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়। প্ৰতিটো ভাষাৰে ৰূপতাত্ত্বিক গাঁথনি পৃথক পৃথক হোৱাটো স্বাভাৱিক। কিয়নো বিশ্বৰ সকলো মূল ভাষাৰ মূল, ভাষাবোৰ বৰ্তি থকা পৰিৱেশ, ব্যৱহাৰকাৰী, ভাষাবোৰৰ ওপৰত পৰা অন্য ভাষাৰ প্ৰভাৱ একে নহয়। গতিকে গাঁথনিৰ ফালৰ পৰাও ভাষাবোৰ বেলেগ বেলেগ হয়। গাঁথনিক দিশৰ পৰা পৃথক হোৱা হেতুকে ভাষাবোৰৰ মাজত ৰূপতাত্ত্বিক প্ৰভেদ পৰিলক্ষিত হয়। অসমীয়া ভাষা এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। ৰূপতাত্ত্বিক দিশত অসমীয়া ভাষাই একে কিছুমান বৈশিষ্ট্য ৰক্ষা কৰি আহিছে, যিবোৰে ভাষাটোক অন্য ভাষাতকৈ পৃথক কৰি তুলিছে। তলত এইবোৰৰ বিষয়ে পৰ্যায়ক্ৰমে আলোচনা কৰা হ'ল ---

১৪.৪.১ অসমীয়া ভাষাত সৰ্গ বিভাজন

অসমীয়া ভাষাত প্ৰাকৃতিক মূলতঃ দুটা ভাগত ভগাব পাৰি ---

ক) প্ৰকৃতি বা মূল বা মুক্ত প্ৰাকৃতি (Free morpheme)

খ) সৰ্গ বা বদ্ধ প্ৰাকৃতি / ৰূপ বা যুক্ত প্ৰাকৃতি (Bound morpheme)

যিবোৰ প্ৰকৃতিয়ে অকলশৰীয়াকৈ বহি অৰ্থ প্ৰকাশ কৰিব পাৰে, সেইবোৰক প্ৰকৃতি বা মূল বা মুক্ত প্ৰাকৃতি / ৰূপ বোলে। অৰ্থাৎ যিবোৰ ৰূপক আশ্ৰয় কৰি বাকী ৰূপবিলাক লগ লাগে, তাক মুক্ত প্ৰাকৃতি বোলে। যেনে ---

ঘৰ + অলৈ = ঘৰলৈ

বন +অৰীয়া = বনৰীয়া

খেতি + অক = খেতিয়ক

আনহাতে যিবোৰ প্ৰকৃতি বা ৰূপে অকলশৰীয়াকৈ বহি অৰ্থ প্ৰকাশ কৰিব নোৱাৰে, মুক্ত ৰূপৰ লগত বহিহে অৰ্থ প্ৰকাশ কৰে সেইবোৰক বদ্ধ ৰূপ বোলে। যেনে--

ঘৰ + অলৈ = ঘৰলৈ

বন + অৰীয়া = বনৰীয়া

খেতি + অক = খেতিয়ক

বহলভাৱে বদ্ধ প্ৰাকৃতিক সৰ্গ বোলা হয়। ব্যৱহাৰৰ স্থান অনুসৰি সৰ্গবোৰক তিনিটা ভাগত ভগাব পাৰি ---

ক) পূৰ্বসৰ্গ বা উপসৰ্গ বা পূৰ্ব প্ৰত্যয়

খ) মধ্যসৰ্গ বা অন্তঃসৰ্গ বা মধ্য প্ৰত্যয়

গ) পৰসৰ্গ বা অনুসৰ্গ বা অন্ত্য প্ৰত্যয়

সৰ্গবোৰক মুক্ত ৰূপৰ আগত, মাজত অথবা শেষত সংযোগ কৰি বিভিন্ন অৰ্থবাচক নতুন শব্দ গঠন কৰা হয় সেইবোৰক পূৰ্বসৰ্গ বা উপসৰ্গ বোলে। সংস্কৃত ভাষাৰ কুৰিটা উপসৰ্গৰ ব্যৱহাৰ অসমীয়া ভাষাত আছে। যেনে --

পৰা -ঃ পৰাধীন

প্ৰতি -ঃ প্ৰতিধ্বনি

আ -ঃ আজীৱন

উপ -ঃ উপধ্বনি ইত্যাদি।

আকৌ, অসমীয়া ভাষাৰ কিছুমান স্বকীয় উপসৰ্গও আছে। যেনে ---

আও -ঃ আওপুৱণি

ওপৰ -ঃ ওপৰচকুৱা

অ -ঃ অকাঠী

অনা -ঃ অনাতাঁৰ

বে -ঃ বেআইনী ইত্যাদি

সেইদৰে, যিবোৰ সৰ্গ মুক্ত ৰূপৰ পিছত লগ লাগি নতুন শব্দ গঠন কৰে, সেইবোৰক পৰসৰ্গ বোলে। যেনে --

মৰ্ + অক্ = মৰক

লাগ্ + অতিয়াল = লাগতিয়াল

বুধি + অক = বুধিয়ক ইত্যাদি

পৰসৰ্গ বা অন্ত্য প্ৰত্যয়ক বহলভাৱে কৃৎ প্ৰত্যয় আৰু তদ্ধিৎ প্ৰত্যয় -- এই দুটা ভাগত ভগোৱা হৈছে। ধাতুৰ পিছত অৱস্থান গ্ৰহণ কৰি যিবোৰ প্ৰত্যয় নতুন নতুন শব্দ সাধন কৰে, সেইবোৰক কৃৎ প্ৰত্যয় বোলে। যেনে --

খা + অৰীয়া = খাৱৰীয়া

মৰ্ + অক্ = মৰক

মাগ্ + অনীয়া = মগনীয়া ইত্যাদি।

আনহাতে নাম শব্দ বা প্ৰাতিপদিকৰ পাছত বহি যিবোৰ প্ৰত্যয়ে নতুন নতুন শব্দ সাধন কৰে, সেইবোৰক তদ্ধিৎ প্ৰত্যয় বোলে। যেনে --


গাওঁ + অলীয়া = গাঁৱলীয়া

নদী + আল = নদীয়াল

জোন + আলি = জোনালী ইত্যাদি।

অসমীয়া ভাষাৰ এই পূৰ্বসৰ্গ আৰু পৰসৰ্গক শব্দসাধনমূলক বা ব্যুৎপত্তিমূলক (derivatives)ও আখ্যা দিয়া হয়।

মন কৰিবলগীয়া যে অসমীয়াত মধ্যসৰ্গৰ ব্যৱহাৰ নাই। অৱশ্যে ভাষাবিদ উপেন্দ্ৰ নাথ গোস্বামীয়ে অসমীয়াত মধ্যসৰ্গৰ ব্যৱহাৰ আছে বুলি কৈছে। যেনে -- মানুহ - কেই -জন? তেওঁৰ মতে '-কেই-' ৰূপটো মধ্যসৰ্গ। কিন্তু গোলোকচন্দ্ৰ গোস্বামীকে আদি কৰি পাছৰ কালৰ পণ্ডিতসকলে এই মত নাকচ কৰি কৈছে যে অসমীয়া ভাষাত মধ্য প্ৰত্যয়ৰ ব্যৱহাৰ নাই। এইবোৰ পৰসৰ্গহে। মধ্যসৰ্গৰ ব্যৱহাৰ অসমীয়াৰ বাহিৰে আন বহুতো ভাষাত দেখা যায়। এই ভাষাবোৰত মূল বা প্ৰকৃতিটোক বিভাজন কৰি তাৰ ভিতৰত সোমাই কিছুমান সৰ্গ ব্যৱহাৰ কৰি নতুন অৰ্থবাচক শব্দ সাধন কৰা হয়। এনে সৰ্গক মধ্যসৰ্গ বোলে। উদাহৰণস্বৰূপে আমেৰিকাৰ আদিবাসীসকলৰ য়ুৰোক ভাষাত sepolah মানে পথাৰ। ইয়াৰ বহু বচনৰ ৰূপটো হ'ল segepolah (Se-ge-polah) অৰ্থাৎ পথাৰবোৰ। ইয়াত '-ge-' অন্তঃসৰ্গ। ই বহুবচন বুজায়। অসমীয়া ভাষাত মধ্যসৰ্গৰ ব্যৱহাৰহীনতা অসমীয়া ৰূপতত্ত্বৰ এটি বিশেষ বৈশিষ্ট্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া শব্দ সাধনৰ প্ৰত্যয় বা সৰ্গৰ বিষয়ে এটি আলোচনা যুগুত কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৪.২ বিভক্তি

গুণৰ ভিত্তিত সৰ্গক দুটা দুটা ভাগত ভগোৱা হৈছে ---

ক) বিভক্তি

খ) প্ৰত্যয়

অসমীয়া ভাষাৰ বিভক্তিবোৰে নতুন শব্দ গঠন নকৰে। ই শব্দ একোটাক বাক্যত ব্যৱহাৰৰ উপযোগীহে কৰি তোলে। আন কথাত ক'বলৈ গ'লে অসমীয়া ভাষাৰ বিভক্তিবোৰে শব্দৰ ৰূপহে সাধন কৰে। বিভক্তি আকৌ দুই প্ৰকাৰৰ ---

ক) নাম বিভক্তি

খ) ক্ৰিয়া বিভক্তি

নাম বিভক্তিক আকৌ বহলভাৱে দুটা ভাগত ভগাব পাৰি -- কাৰকবাচক বিভক্তি আৰু পুৰুষবাচক বিভক্তি। কাৰকবাচক বিভক্তিবোৰ অসমীয়া কাৰক অনুসৰি যোগ হয়। অসমীয়া ভাষাত কাৰক ছয় প্ৰকাৰৰ - কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ। অসমীয়া ভাষাত কাৰক যোগ দিয়াৰ উপায় মূলতঃ দুটা -- শব্দ বিভক্তি যোগ দি আৰু শব্দ বিভক্তিৰ পিছত পৰসৰ্গ যোগ দি। অপাদান কাৰক বুজাবলৈ সম্বন্ধ পদৰ বিভক্তি -- '-ৰ'ৰ পিছত '-পৰা' পৰসৰ্গ যোগ দিয়া হয়। যেনে -- তাৰপৰা কিতাপখন মোক দিলে। আনহাতে বাকী কাৰকবিলাকৰ বিপৰীতে একোটাকৈ বিভক্তিৰ চিন যোগ দিয়া হয়।

অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা আই, বোপাই, মা, দেউতা আদি শব্দৰ পিছত কিছুমান বিভক্তি যোগ দিয়া হয়। এই বিভক্তিবোৰ সেই শব্দবোৰৰ লগত থকা পুৰুষবাচক সৰ্বনাম শব্দবোৰৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষ অনুসৰি ভিন্ ভিন্ হয়। এই বিভক্তিবোৰক পুৰুষবাচক বিভক্তি বা পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে। এই বিভক্তিবোৰ হৈছে --

ক) সম্বন্ধ বুজোৱা শব্দটো আ-কাৰান্ত হ'লে প্ৰত্যয়বোৰৰ ৰূপ হ'ব -- ϕ (শূন্য বিভক্তি), -ৰ, -ৰা, -ক

খ) সম্বন্ধ বুজোৱা শব্দটো আ-কাৰান্ত ভিন্ন হ'লে প্ৰত্যয়বোৰ হ'ব -- ϕ (শূন্য বিভক্তি), -এৰ, -এৰা, -এক

উদাহৰণ স্বৰূপে ঃ-

প্ৰত্যয়	-- ϕ	--এৰ, -ৰ	-এৰা, -ৰা	-এক, -ক
সম্বন্ধ বুজোৱা শব্দ	মোৰ	তোৰ	তোমাৰ	তাৰ
মা	মা	মাৰ	মাৰা	মাক
ভাই	ভাই	ভায়েৰ	ভায়েৰা	ভায়েক

সৰ্বনাম শব্দৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষ অনুযায়ী ভিন্ ভিন্ বিভক্তি লগ লগাৰ দৃষ্টান্ত অতি কম সংখ্যক ভাষাতহে পোৱা যায়। ই অসমীয়া ৰূপতত্ত্বৰ স্বকীয়ত্বৰ আন এটা নিদৰ্শন দাঙি ধৰিছে।


তেনেদৰে অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তিবোৰ ধাতুবোৰৰ লগত কাল, পুৰুষ আৰু

ভাব অনুসৰি লগ লাগে। ইয়াৰ পৰিণতি স্বৰূপে কাল, পুৰুষ আৰু ভাব অনুযায়ী ক্রিয়া বিভক্তিবোৰ লগ লাগিলে ধাতুৰ ৰূপো বিভিন্ন হয়।



জানি থোৱা ভাল

উপসর্গ, মধ্যসর্গ আৰু পৰসর্গৰ ইংৰাজী প্রতিশব্দ হ'ল ক্রমে -- Prefix, infix আৰু suffix। বিশিষ্ট ভাষাবিদ এইছ. এ. গ্লিছনে Infixৰ সংজ্ঞা দি কৈছে, "An infix is a morpheme which is inserted into the stem with which it is associated."।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিভক্তি কেই প্রকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৪.৩ নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ

বিশেষ্য, বিশেষণ, সংখ্যাবাচক শব্দ তথা কিছুমান সর্বনামৰ পিছত নির্দিষ্টকৈ বুজাবলৈ যোগ হোৱা প্রত্যয়বোৰক নির্দিষ্টতাবাচক প্রত্যয় বোলে। বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়বোৰ হ'ল-- মানুহ-টো, হাত-খন, ভাল-খিনি, মৰমলগা-টো, সেই-খন, চাৰি-টা, দহ-টা আদি। নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰৰ জৰিয়তে নির্দিষ্টকৈ বুজোৱা বস্তুটোৰ আকাৰ, লিংগ বা বচন বুজিব পাৰি। যেনে--

- খন --> কিতাপখন
- খিলা --> পাতখিলা • চেপেটা বস্তু বুজাবলৈ ব্যৱহাৰ কৰা হৈছে
- পাত --> স্কেলপাত
- টো বাকচটো (গোটা বস্তু বুজাবলৈ ব্যৱহাৰ কৰা হয়)

লগতে তুচ্ছার্থটো এই '-টো' প্রত্যয়ৰ ব্যৱহাৰ হোৱা দেখা যায়।

যেনে -- মানুহটো (তুচ্ছার্থ)

মানুহজন/মানুহগৰাকী (মান্যার্থ)

নির্দিষ্টতাবাচক প্রত্যয়ে আমাক লিংগৰ ধাৰণাও প্রদান কৰে। লিংগ নিৰপেক্ষ ৰূপৰ লগত

কিছুমান বিশেষ নির্দিষ্টতাবাচক প্রত্যয় যোগ হৈ লিংগ সূচিত কৰে।

যেনে ---

মানুহ - জন (পুংলিংগ)

মানুহ - জনী (স্ত্রীলিংগ)

সেইদৰে বচনৰ অর্থ প্রকাশ কৰিবলৈও নির্দিষ্টতাবাচক ব্যৱহাৰ কৰা হয়। যেনে ---

ল'ৰা - জন (একবচন)

ল'ৰা - বোৰ (বহুবচন)

গতিকে, নির্দিষ্টকৈ সূচিত কৰিবলৈ অন্যান্য ভাষাতো নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ পোৱা যায় যদিও একেবোৰ নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ কৰি একে সময়তে বচন, আকাৰ, লিংগ, তুচ্ছার্থ বা মান্যার্থ বুজোৱাৰ উদাহৰণ বিৰল। ইও অসমীয়া ৰূপতত্ত্বৰ স্বকীয়তা বহন কৰিছে।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰূপতত্ত্ব সম্পর্কে এটি সম্যক ধাৰণা লাভ কৰিলোঁ।
- অসমীয়া ৰূপতত্ত্বৰ স্বকীয়তা সম্পর্কে অৱগত হ'লোঁ।
- অসমীয়া ভাষাৰ সর্গ বিভাজন আৰু ইয়াৰ স্বকীয়তা সম্পর্কে জানিলোঁ।
- অসমীয়া ভাষাৰ বিভক্তি প্রকৰণৰ বিষয়ে জ্ঞাত হ'লোঁ।
- অসমীয়া ভাষাত হোৱা নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ আৰু ইয়াৰ স্বকীয়তা সম্পর্কে এক ধাৰণা লাভ কৰিলোঁ।



১৪.৬ অধিক জানিবলৈ


অসমীয়া গ্রন্থ ঃ

১. গোস্বামী, উপেন্দ্রনাথ, (২০১৫) ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*, মণি-মাণিক প্রকাশ, পাণবজাৰ।

২. গোস্বামী, গোলোকচন্দ্র, (২০১৪) ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, বীণা লাইব্রেৰী।

৩. পাদুন, নাহেন্দ্র (২০১৪), (সম্পা.) ঃ *ভাষাৰ তত্ত্ব কথা*, বাণী মন্দিৰ।

৪. শইকীয়া, ৰৰা, লীলাৱতী, (২০১৫) ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা।



১৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১. নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি -- শব্দ সাধনৰ সর্গ কোনবোৰ ইয়াৰ বিভাজন -- উদাহৰণসহ ব্যাখ্যা -- সামৰণি।

২. নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি --- বিভক্তি কি --- ইয়াৰ প্রকাৰ উদাহৰণসহ ব্যাখ্যা -- সামৰণি।



১৪.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজা যায়? অসমীয়া ৰূপতত্ত্বৰ স্বকীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২. মধ্যসৰ্গৰ এটি সংজ্ঞা আগবঢ়াওক। অসমীয়া ভাষাত মধ্যসৰ্গৰ ব্যৱহাৰ আছেনে? আলোচনা যুগুত কৰক।

প্ৰশ্ন ৩. অসমীয়া পুৰুষবাচক বিভক্তিৰ ওপৰত এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৪. চমুটোকা লিখক ঃ

ক) অসমীয়া শব্দ সাধনৰ সৰ্গ

খ) নিৰ্দিষ্টতাবাচক প্ৰত্যয়

গ) নাম বিভক্তি



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পনা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমনিকা*, বনলতা, ডিব্ৰুগড়।

২) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, অনু. বিশ্বেশ্বৰ হাজৰিকা। বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *ভাষাবিজ্ঞান*, মণি-মানিক প্ৰকাশ গুৱাহাটী।

৪) গোস্বামী, উপেন্দ্ৰনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, মণি-মানিক প্ৰকাশ, গুৱাহাটী।

৫) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপকথা*, মণি-মানিক প্ৰকাশ, গুৱাহাটী।

৬) গোস্বামী, গোলকচন্দ্ৰ (২০০০); *অসমীয়া ব্যাকৰণ প্ৰৱেশ*, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৭) গোস্বামী, গোলকচন্দ্ৰ (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৮) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৬) ঃ *অসমীয়া বৰ্ণপ্ৰকাশ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯২) ঃ *ভাষা ভাষণিকা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০) ঠাকুৰ, নগেন (২০১৬); *ভাৰতীয় ভাষা আৰু সাহিত্য*, গুৱাহাটী ঃ জোতি প্ৰকাশন।

১১) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়*, বনলতা, ডিব্ৰুগড়।

১২) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা*, বনলতা, ডিব্ৰুগড়।

১৩) নাথ, প্ৰফুল্ল কুমাৰ আৰু

১৪) পাঠক, ৰমেশ (১৯৮৮); *ব্যাকৰণ আৰু প্ৰাকৃতিবিজ্ঞান*, বীণা লাইব্ৰেৰী, গুৱাহাটী।

১৫) পাঠক, ৰমেশ (২০১৪); *অসমীয়া ভাষাৰ ইতিহাস*, আশোক বুক ষ্টল, গুৱাহাটী।

১৬) পাঠক, ৰমেশ (২০১১) ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অশোক বুক ষ্টল।

১৭) ফুকন পাটগিছি, দীপ্তি (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ*, সৰস্বতী প্ৰকাশন, গোলাঘাট।

১৮) ফুকন, পাটগিৰি, দিপ্তী (সম্পা.) (২০১৪) *আধুনিক ভাৰতীয় আৰ্যভাষা*, গুৱাহাটী ঃ অসম পাবলিচিং কোম্পানী, বনলতা।

১৯) ফুকন, পাটগিৰি, দীপ্তি (২০১২); *অসমীয়া বাংলা আৰু ওড়িআ ভাষা তুলনামূলক অধ্যায়ন,* গুৱাহাটী ঃ বনলতা।

২০) বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (২০০৩) ঃ *ভাষা-জিজ্ঞাসা,* গুৱাহাটী ঃ বনলতা।

২১) ভট্টাচার্য, বসন্ত কুমাৰ (২০১৫); *ভাষা বিজ্ঞান প্রবেশ,* চন্দ্র প্রকাশ, গুৱাহাটী।

২২) শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* বনলতা, গুৱাহাটী।

২৩) শইকীয়া বৰা, লীলাৱতী (২০১৬); *অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ,* চন্দ্রপ্রকাশ, গুৱাহাটী।

২৪) হাজৰিকা, লক্ষী (২০১৩); *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিত,* অশোক পাব্লিকেশ্বন, গুৱাহাটী।

২৫) হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); *অসমীয়া ভাষাৰ অধ্যয়ন,* বনলতা, গুৱাহাটী।

বাংলা গ্রন্থ ঃ

১) গোস্বামী, কৃষ্ণপদ (২০০১); *বাংলা ভাষাতত্ত্বের ইতিহাস,* কলকাতা ঃ বরুনা প্রকাশনী।

২) ঘোষ, জগদীশ অবং অনিলচন্দ্র (২০০৩); *আধুনিক বাংলা ব্যাকরণ ও রচনা,* কলকাতা ঃ প্রেসিডেন্সী লাইব্রেরী।

৩) চট্টোপাধ্যায়, সুনীতি কুমার (১৯৮৯); *বাংলা ভাষা প্রসঙ্গে;* কলকাতা ঃ জিজ্ঞাসা এজেন্সি লিমিটেড ।

৪) টক্রৱর্তী, রামদেব (২০০৩); *উচ্চতৰ বাংলা ব্যাকরণ,* কলকাতা ঃ অক্ষয় মালঞ্চ।

৫) মজুমদার, পরেশচন্দ্র (১৯৮৭); *আধুনিক ভারতীয় ভাষা প্রসঙ্গে,* কলকাতা ঃ দে'জ পাবলিশিং।

৬) মুখোপাধ্যায়, বৈদ্যনাথ (১৯৯৬); *বাংলা মাধ্যমিকী,* কলকাতা ঃ প্রান্তিক প্রকাশন।

৭) শ, রামেশ্বর (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা,* কলকাতা ঃ পুস্তক বিপনী।

৮) সেন সুকুমার (১৯৯৯); *ভাষাৰ ইতিবৃত্তি,* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ওড়িআ গ্রন্থ ঃ

১) প্রধান, কৃষ্ণচন্দ্র (২০১২); *সাৰস্বত ব্যৱহাৰিক ওড়িআ ব্যাকৰণ,* সত্যনাৰায়ণ বুক ষ্টৰ, কটক।

ইংৰাজী গ্রন্থ ঃ

১) Bhattacharjya, Krishna (1993); *Bengali-Oriya Verb-Morphology : A constructive Study*, Das Gupta Co. Pvt, Ltd, Calcutta.

২) Chatterji, Suniti Kaumar (1979); *Origin and Develipment of the Bengali Language*, Gcorge Allen Unwin, London.

৩) Dutta Baruah, P.N. (1978); *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya*, Ph. D. Thesis (Unpublished), Dept. of Assamese, G.U.

৪) Goswami, Golok chandra (1982) : *Structure of Assamese. Publication Department*. Gauhati University. Guwahati.

৫) Kakati, Banikanta : *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall, 2007